## এই সংখ্যাত

# পয়োভৰা

উন্নয়নমূলক বিষয়-বস্তুৰে সমৃদ্ধ
অসমীয়া ভাষাৰ
একমাত্ৰ মাহেকীয়া
আলোচনী


সঞ্চালক আৰু
মুখ্য সম্পাদক ঃ ৰাজেশ কে ঝা
জ্যেষ্ঠ সম্পাদক ঃ অনুপমা দাস

**PAYOBHARA**
**VOL. - 45 No. 7**
পঞ্চশ্চত্বাৰিংশ বৰ্ষ ঃ সপ্তম সংখ্যা
ছেপ্টেম্বৰ ঃ ২০১৪

শিক্ষক, ছাত্ৰ-ছাত্ৰী, শিক্ষা
প্ৰতিষ্ঠান আৰু পুথি ভঁৰালৰ বাবে
১০ শতাংশ ৰেহাই

বেটুপাতৰ শিল্পী ঃ
গজানন পি ধোপে



| | | |
|---|---|---|
| ❒ ভাৰতত নগৰীকৰণ নীতি আৰু কাৰ্যসূচী ঃ পশ্চাদ্দৰ্শন আৰু পৰিপ্ৰেক্ষা | ✍ আৰ বি ভগত | ৩ |
| ❒ বস্তিমুক্ত ভাৰতৰ কাৰণে এক পৰিপ্ৰেক্ষা ঃ ৰাষ্ট্ৰই গ্ৰহণ কৰিবলৈ বাধ্য এটা প্ৰত্যাহ্বান | ✍ অমিতাভ কুন্দু | ৮ |
| ❒ ভাৰতীয় নগৰীকৰণ ব্যৱস্থাত গ্ৰাম্য সমস্যাৰ সমাধান | ✍ নৰেন্দ্ৰৰ পাণি | ১২ |
| ❒ অত্যাধুনিক মহানগৰৰ বাবে পৰিকল্পনা ঃ ক'ৰ পৰা আৰম্ভণি হ'ব? | ✍ এছ চন্দ্ৰশেখৰ<br>✍ নীহাৰিকা ভেংকটেশ | ১৬ |
| ❒ ভাৰত-বাংলাদেশৰ ব-দ্বীপ অঞ্চলৰ নামনি ভাগত প্ৰাকৃতিক ভাৰসাম্যৰ অৰ্থে গঙ্গা নদীত পৰিৱেশ অনুকূল জলস্ৰোতৰ নিশ্চয়তা | ✍ ড° এইচ এছ সেন<br>✍ ড° দীপাংকৰ ঘোষাল | ১৯ |
| ❒ নগৰীকৰণ আৰু প্ৰত্যাহ্বান ঃ ইয়াৰ পৰিকল্পনাত নতুন দিশ সূচনাৰ প্ৰয়োজন | ✍ ললিতা কামাথ | ২৫ |
| ❒ বাণিজ্য সুচলকৰণ চুক্তি ভাৰতে সংশোধন কৰা উচিত নে অনুচিত? | ✍ নিলঞ্জ ঘোষ | ৩১ |
| ❒ আৱাস যোজনাৰ পৰিৱৰ্তনৰ ধাৰাবাহিকতা ঃ ৰাজীৱ আৱাস যোজনাৰ পৰা ল'ব পৰা শিক্ষা | ✍ গৌতম ভান | ৩৮ |
| ❒ ভাৰতৰ মহানগৰৰ বাবে উপযুক্ত বিনিয়োগ | ✍ আনন্দ সহস্ৰনামন<br>✍ বিষ্ণু প্ৰসাদ | ৪৪ |
| ❒ ২০১৪-১৫ বিত্তীয় বৰ্ষৰ অসমৰ বাজেট সম্পৰ্কত এটা আলোচনা | ✍ ড° অনিল কুমাৰ শইকীয়া | ৪৮ |
| ❒ সমাজ-সংস্কৃতি আৰু অসমীয়া জনজীৱনত মাছ | ✍ ধ্ৰুৱজ্যোতি শৰ্মা | ৫১ |
| ❒ আপুনি জানেনে? | | ৫৮ |
| ❒ অসংগঠিত শ্ৰমিকসকল | ✍ প্ৰসেনজিৎ বুজৰবৰুৱা | ৬০ |


পয়োভৰাত প্ৰকাশিত
প্ৰবন্ধ-পাতিৰ মতামত
লেখকৰ নিজস্ব


পয়োভৰাৰ বছৰেকীয়া গ্ৰাহক মূল্য ঃ ১০০.০০ টকা
দুবছৰৰ গ্ৰাহক মূল্য ঃ ১৮০.০০ টকা
তিনি বছৰৰ গ্ৰাহক মূল্য ঃ ২৫০.০০ টকা
সম্পাদকীয় কাৰ্য্যালয় কে, কে, বি, পথ, নিউ কলনি গৃহ নং ৭, চেনিকুঠি
গুৱাহাটী-৭৮১ ০০৩ ফোন ঃ ২৬৬৫০৯০, ই-মেইল ঃ ypeguw@dataone.in
yojanaasomia@yahoo.co.in
প্ৰকাশক ঃ অতিৰিক্ত সঞ্চালক প্ৰধান (ভাৰপ্ৰাপ্ত), প্ৰকাশন বিভাগ, সূচনা ভৱন, চি জি অ' কমপ্লেক্স, নতুন দিল্লী ঃ ১১০০০৩
মুদ্ৰক ঃ জ্যোতি প্ৰিণ্টাৰ্চ, বামুণীমৈদাম, গুৱাহাটী ঃ ৭৮১ ০২১, ফোন নং ঃ ৯৮৬৪০-৬৩৫৮৪

প
য়ো
ভ
ৰা

## এই সংখ্যাৰ প্ৰসংগত

# দুখন মহানগৰৰ কাহিনী

ঘগ্গাৰ নদীৰ পাৰত গঢ়ি উঠা পুৰণা সভ্যতাপুষ্ট এখন ঐতিহাসিক মহানগৰ কলিবনগণৰ পৰিষ্কাৰ-পৰিচ্ছন্ন পথেৰে আপুনি খোজকাঢ়ি আছে বুলি কল্পনা কৰকচোন। আপুনি মহানগৰখনৰ পৰিচ্ছন্নতা, সুন্দৰ নলা-নৰ্দমাৰ ব্যৱস্থা আৰু শক্তিশালী পৌৰজ্ঞান আৰু বাণিজ্যিক জীৱনৰ দ্বাৰা আকৰ্ষিত হ'ব। এই প্ৰাক্-ঐতিহাসিক মহানগৰখনৰ নগৰ পৰিকল্পনাই পৰ্যবেক্ষকক বিস্ময়াভিভূত নকৰাকৈ নাথাকে। কেইবাহাজাৰ বছৰৰ পাচলৈ যদি দ্ৰুতগতিৰে চোৱা যায় তেনেহ'লে গঙ্গা নদীৰ পাৰত অৱস্থিত কাশী আৰু ৰাজকীয় যমুনাৰ তীৰত অৱস্থিত শ্বাহজাহানাবাদৰ বিষয়ে ক'ব পাৰি। বৰ্তমান নিউ ইয়ৰ্কত চিলিকান উপত্যকা, চাংহাইৰ বিশ্বৰ বিত্তীয় কেন্দ্ৰ আৰু ভাৰতৰ ছাইবাৰ মহানগৰী বেংগালুৰুৱে ভক্তি আৰু প্ৰশংসাৰ ভাবক অনুপ্ৰাণিত কৰে। বাস্তৱিকতে মহানগৰসমূহ হ'ল— মানৱ সভ্যতাৰ বস্তুবাদী সাফল্যৰ শিখৰৰ চিন। কিন্তু দুৰ্ভাগ্যজনকভাৱে, মহানগৰীয়ে অসাম্যৰ প্ৰকোপ, পৃথকীকৰণ, অশ্লীলতা আৰু কাজিয়া, বিচ্ছিন্নতা আৰু সম্পত্তিহীনতা আদি আধুনিক নগৰীয়া বসতিৰ লক্ষণসমূহ ইয়াৰ গৰ্ভত লুকুৱাই ৰাখে। গগণচুম্বী অট্টালিকাৰ তলত লুকাই থাকে বস্তি অঞ্চল। বাহ্যিক জাকজমকতাৰে পূৰ্ণ মহানগৰৰ আধুনিক কাৰ্যালয় তথা বাণিজ্যিক চৌহদৰ আঁৰত থকা মুকলি ফুটপাথ— যিবোৰ বৃহৎ সংখ্যক লোকৰ বাবে ৰাতি শোৱনীকোঠালৈ ৰূপান্তৰিত হৈছে। এইসকল লোকে প্ৰচণ্ড গৰম আৰু শীত, বৰষুণ আৰু কুঁৱলি আওকাণ কৰি শোৱাৰ সময়ত প্ৰাৰ্থনা কৰে নহ'লে জানোচা কোনো বিলাসী গাড়ীৰ চেঁপাত প্ৰাণ হেৰুৱাই পুৱাৰ কাকতত বাতৰি হ'ব লগা হয়। সকলো মহানগৰী মুম্বাইৰ দৰে নহয়, সকলো আধুনিক মহানগৰৰ লক্ষণ হ'ল সৰ্বাধিক উচ্চাকাংখ্যা আৰু সুবিধাৰ বাবে পথ খোলা ৰাখে কিন্তু এতিয়াও পানী, বতাহ, মুকলি ঠাই আৰু সহৃদয়তাৰ বাবে সংগ্ৰামথলী হৈ আছে।

নগৰীকৰণ যে ভৱিষ্যৎ এই বিষয়ত বিতৰ্ক থাকিব নোৱাৰে। বিশ্বৰ অৰ্থনৈতিক ইতিহাসে দেখুৱাইছে যে মহানগৰৰ বৰ্দ্ধন মাত্ৰ স্বাভাৱিক বা অপৰিহাৰ্য নহয় ই আকাংখিতও। নগৰীকৰণে স্থানসমূহ সংকুচিতকৰণেৰে একত্ৰ কৰিছে আৰু বিকাশৰ প্ৰক্ৰিয়াত সহায় কৰা উৎপাদনশীল শক্তিসমূহ একেলগ কৰিছে। সি যি কি নহওক, মহানগৰসমূহ উৎপাদনশীল উদ্যোগীকৰণৰ কেন্দ্ৰ, সৃষ্টিশীলতাৰ সক্ৰিয় কেন্দ্ৰ আৰু প্ৰাচুৰ্যৰ বৰঙণি কৰি তুলিবলৈ হ'লে সুচিন্তিত পৰিকল্পনাৰ প্ৰয়োজন। মুঠতে, এখন মহানগৰৰ জৈৱিক বৰ্দ্ধনৰ সম্ভাৱনা আৱিষ্কাৰ কৰিবলৈ আৰু আধুনিক নগৰীয়া বসতিকৰণৰ দৃষ্টিভঙ্গীৰে ইয়াক সুসংহত কৰাটোৱে আমাক ভৱিষ্যতৰ মহানগৰসমূহৰ পৰিকল্পনা প্ৰদান কৰে।

শক্তিৰ গোগ্ৰাস, সকলো দাপোণ আৰু বহু মহলীয়া ভৱনেৰে ব্যাখ্যায়িত সাম্প্ৰতিক মহানগৰসমূহ হ'ল নগৰীকৰণৰ ত্ৰুটীপূৰ্ণ আৰ্হিৰ ফল। নগৰ পৰিকল্পনাকাৰীসকলে বহু শতিকাজুৰি টিকি থকা পুৰণি মহানগৰ— যিবোৰ আজিও স্বাস্থ্যবান সেইসমূহলৈ লক্ষ্য কৰিছে। তেওঁলোকে পৰিৱেশৰ কোনো ক্ষতিকৰ পদচিহ্ন নৰখাকৈ মানুহক কিদৰে আশ্ৰয়, নিয়োগ, প্ৰাণময়তা আৰু অন্তৰংগতা দিব পাৰি সেইটো বুজিবলৈ জৈৱিকভাৱে বৰ্দ্ধিত মহানগৰসমূহৰ গতিশীলতাৰ অন্বেষণ কৰিবলৈ আৰম্ভ কৰিছে। আৰ্থিক সমৃদ্ধিৰ উপৰি আত্মহত্যাৰ সংখ্যা, হত্যাকাৰী, দুৰ্ঘটনা, হিংসাত্মক অপৰাধ, পথ দুৰ্ঘটনা, শ্বাস-প্ৰশ্বাসজনিত আৰু হৃদৰোগ, অযত্নপালিত জ্যেষ্ঠ লোকসকল, গৃহহীন আৰু পথৰ দাঁতিৰ বাসিন্দা, আনকি বিচ্ছেদিত আৰু বিপথগামী পৰিয়ালসমূহো এখন ভাল পৰিকল্পিত চহৰৰ সফলতা পৰীক্ষাৰ বাবে কষটি শিল হোৱা উচিত।

সেউজীয়া ঘাঁহনিয়ে হওক বা জৈৱিক মহানগৰীয়েই হওক পৰিকল্পনা যুগুত কৰা আৰু কাৰ্যকৰীকৰণৰ মূল হিচাপে পৰিগণিত বৃহৎ সংখ্যক নিৰৰ আৰু উপান্ত জনসংখ্যাক জড়িতকৰণ কৰিবৰ বাবে নগৰ পৰিকল্পনাকাৰীসকলৰ উপলব্ধি বৃদ্ধি হৈছে। অনানুষ্ঠানিক খণ্ডত মহানগৰসমূহৰ মুঠ শ্ৰমশক্তি ৭৫ শতাংশৰ ওচৰা-ওচৰি। এই বৃহৎ সংখ্যক শ্ৰেণীটো আৰু তেওঁলোকৰ 'জীয়াই থকাৰ বাস্তৱ'ক উপেক্ষা কৰাটোৱে আমাৰ ভৱিষ্যতৰ মহানগৰীৰ পৰিকল্পনাৰ ক্ষেত্ৰত হ'ব পৰা ব্যৰ্থতাকে বুজায়। আমি স্বীকাৰ কৰা প্ৰয়োজন যে, সকলো বস্তি এলেকা পৰিকল্পনাৰ পৰিধিৰ ভিতৰত মূৰ দাঙি উঠিব পাৰে, মহানগৰৰ পৰিবেষ্টিত এলেকালৈ দুৱাৰে প্ৰকৃততে ধনী আৰু আঢ্যৱন্তসকলৰ আৰামৰ বাবে বনকৰা মহিলাৰ পৰা পানীৰ মিস্ত্ৰী, বৈদ্যুতিক কাৰিকৰী জ্ঞানসম্পন্ন ব্যক্তিৰ পৰা সুৰক্ষা কৰ্মীলৈকে সকলো প্ৰকাৰৰ শ্ৰমিকৰ সস্তীয়া উৎসৰহে যোগান ধৰিছে। প্ৰতিখন মহানগৰৰ আছে আন এখন মহানগৰৰ ক্ষুদ্ৰ ব্যৱধান বিস্তৃতি, শ্বাসৰুদ্ধকাৰী পৰিৱেশত উশাহ, বঞ্চনা আৰু অসমতা। 'দুখন মহানগৰ'ৰ কাহিনী কুৎসিত আৰু ইয়াক পৰিৱৰ্তন কৰিব লাগিব। অধিক পলম হোৱাৰ আগতেই সু-সময়েৰে দুঃসময়ক নিশ্চয় আঁতৰাই পঠিয়াব লাগিব। এইটো যিমান সোনকালে হয় সিমান ভাল।

# ভাৰতত নগৰীকৰণৰ নীতি আৰু কাৰ্যসূচী পশ্চাদ্দৰ্শন আৰু পৰিপ্ৰেক্ষা

**আৰ বি ভগত***

**পৰিচিতি**

ভাৰতত মহানগৰ আৰু নগৰসমূহৰ গুৰুত্ব উদাৰীকৰণৰ পৰৱৰ্তী পৰ্যায়ৰ অৰ্থনৈতিক বিকাশৰ সময়ছোৱাত বৃদ্ধি পায়। উদাহৰণস্বৰূপে, ভাৰতৰ মুঠ ঘৰুৱা উৎপাদনলৈ নগৰ অঞ্চলৰ বৰঙণি ১৯৫০-৫১ বিত্তীয় বৰ্ষৰ ২৯%ৰ পৰা ১৯৮০-৮১ বৰ্ষত ৪৭ শতাংশ আৰু ২০০৭ চনত ৬২ৰ পৰা ৬৩ শতাংশলৈ বৃদ্ধি পায় আৰু ২০২১ চনৰ ভিতৰত ই ৭৫ শতাংশলৈ বৃদ্ধি পাব বুলি আশা কৰা হৈছে (পৰিকল্পনা আয়োগ ২০০৮ ঃ ৩৯৪)। ভাৰতীয় মহানগৰসমূহ অধিক বাসোপযোগী আৰু সামগ্ৰিক কৰি তুলিবৰ কাৰণে মুঠ ঘৰুৱা উৎপাদন ৯ৰ পৰা ১০ শতাংশলৈ বৃদ্ধি মৌলিকতাৰ ওপৰত নিৰ্ভৰ কৰাৰ বাবেও গুৰুত্ব আৰোপ কৰা হৈছে (পৰিকল্পনা আয়োগ ২০০৮ ঃ ৩৯৪)।

ৰাজনীতি আৰু নীতিক প্ৰভাৱিত কৰা নগৰীকৰণৰ এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল— উন্নয়নৰ দিশত শুদ্ধ প্ৰচেষ্টাৰে স্থানীয় বিষয়ত ধৰ্মীয় পৰিচয়ৰ ওপৰত ভিত্তি কৰি ৰাজনৈতিক পৰিচালনাৰ পুৰণি ৰূপ দুৰ্বল কৰা। সেই কাৰণে বিধেয়কৰ জৰিয়তে বিশেষ অধিকাৰসহ জনসাধাৰণক সবলীকৰণ কৰাৰ এটা নতুন ৰূপ উদিত হৈছে। নতুন নীতিৰ পৰিৱৰ্তন আৰু প্ৰশাসনৰ কৌশল প্ৰয়োজনীয়ভাৱেই স্বভাৱত নগৰীয়া। গাঁও আৰু নগৰৰ বাঢ়ি অহা মৌলিক পাৰ্থক্যও পৰিচয় ধৰি ৰাখিবলৈ অসমৰ্থ কিয়নো গ্ৰাম্য লোকসকলো অৰ্থনৈতিক আৰু সামাজিক ক্ষেত্ৰত প্ৰৱেশৰ বাবে সমানেই উদ্বিগ্ন আৰু তেওঁলোকৰ ভাগ্যৰ বাবে চৰকাৰকে দোষাৰোপ কৰে।

ভাৰতীয় নগৰ ইতিহাসৰ সচকিত হ'ব লগা এটা বাস্তৱ হ'ল ইয়াৰ মহানগৰ আৰু নগৰসমূহ নিজস্ব মতে গঢ় ল'লে। নীতি আৰু আঁচনিয়ে ডাঙৰ নগৰ কেন্দ্ৰ-সমূহত কিছু পৰিমাণে প্ৰভাৱ পেলাইছিল কিন্তু সৰু মহানগৰ আৰু নগৰসমূহ আৰু অ-প্ৰধান নগৰ এলেকাত নগৰ নীতি আৰু কাৰ্যসূচী একোৱেই প্ৰভাৱ নপৰিল (১৯৯৬ ঃ ২২৪)। এই গৱেষণাত নগৰ নীতি, পৰিকল্পনা আৰু কাৰ্যসূচীৰ এটা সাৰাংশ আৰু ভৱিষ্যৎমুখী পথৰ পৰামৰ্শ দাঙি ধৰা হৈছে।

**পঞ্চবাৰ্ষিক পৰিকল্পনাসমূহত নগৰ আঁচনি আৰু পৰিকল্পনা**

প্ৰথম দুটা পঞ্চবাৰ্ষিক পৰিকল্পনাত বিভিন্ন প্ৰতিষ্ঠান আৰু সংগঠন স্থাপন কৰা হয়। উদাহৰণস্বৰূপে এই সময়-ছোৱাত চৰকাৰে চহৰ আৰু গাঁও পৰিকল্পনা সংগঠন, ৰাষ্ট্ৰীয় নিৰ্মাণ সংগঠন আৰু দিল্লী উন্নয়ন প্ৰাধিকৰণ গঠন কৰা হয়। আন ৰাজ্যৰ মহানগৰ পৰিকল্পনাৰ আৰ্হি হিচাপে গ্ৰহণ কৰাৰ অৰ্থে দিল্লী মূল আঁচনি যুগুত কৰাৰ বাবে প্ৰচেষ্টা চলোৱা হয় (শ্ব ১৯৯৬ ঃ ২২৫) এই সময়ছোৱাত, নগৰ ভূমিৰ নিৰাপদ নিয়ন্ত্ৰণ কাৰণে মূল আঁচনি যুগুত কৰিবলৈ সমৰ্থ হ'বলৈ নগৰ আৰু গাঁও পৰিকল্পনা আইন গৃহীত কৰিবলৈ ৰাজ্যসমূহক পৰামৰ্শ দিয়া হয় (ৰামচন্দ্ৰন ১৯৮৯ ঃ ৫৭০)।

তৃতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাই (১৯৬১-৬৬) ভাৰতৰ নগৰ উন্নয়ন আৰু পৰিকল্পনাৰ ইতিহাসত নিৰ্ণায়কৰ ভূমিকা গ্ৰহণ কৰিছিল। এই পৰিকল্পনাই ভাৰসাম্যমূলক আঞ্চলিক উন্নয়নত মহানগৰ আৰু নগৰসমূহৰ গুৰুত্বক স্বীকৃতি দিয়ে আৰু নগৰ পৰিকল্পনাক আঞ্চলিকতা ওচৰ চপাই নিবলৈ পৰামৰ্শ দিয়ে। ই নগৰ ভূমিৰ বিধি, নগৰ ভূমি মূল্য পৰীক্ষা কৰা আৰু ডাঙৰ মহানগৰৰ মূল আঁচনি প্ৰস্তুত কৰাৰ প্ৰয়োজনীয়তাৰ সন্দৰ্ভত গুৰুত্ব আৰোপ কৰে। ই মূল আঁচনি যুগুত কৰাটো ৰাজ্য আৰু স্থানীয় প্ৰশানৰ দায়িত্ব বুলি স্পষ্ট কৰি দিয়ে। তদুপৰি, নতুন উদ্যোগসমূহ ডাঙৰ আৰু অধিক ঠাহ খাই থকা মহানগৰৰ পৰা যিমানদূৰ সম্ভৱ আঁতৰত স্থাপন কৰা আৰু পৌৰ প্ৰশাসনক শক্তিশালী কৰি তোলাত প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই সময়ছোৱাত ভালেসংখ্যক ৰাজ্যই বৃটিছ নগৰ পৰিকল্পনাৰ আৰ্হিৰ নগৰ পৰিকল্পনা আইন প্ৰৱৰ্তন কৰে। মুঠতে তৃতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাই দেশৰ নগৰ নীতি গঠনৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল বুলি ক'ব পাৰি। (শ্ব ১৯৯৬ ঃ

*আৰ বি ভগত মোম্বাইস্থিত ইন্টৰনেশ্বনল্ ইন্স্টিটিউট্ ফৰ পপ্‌ইউলেইশ্বন্ ছাইনছৰ মাইগ্ৰেশ্বন আৰু আৰবান ষ্টাডিজৰ অধ্যাপক আৰু মুৰব্বী

২২৬)। চতুৰ্থ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়ছোৱাত (১৯৬৯-৭৪) তৃতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাত জোৰ দিয়া আঞ্চলিক আৰু নগৰ পৰিকল্পনা অব্যাহত ৰখা হয় আৰু ৭২টা নগৰ কেন্দ্ৰৰ উন্নয়ন আঁচনি গ্ৰহণ কৰা হয়। দিল্লীৰ চাৰিওকাষৰ প্ৰধান নগৰ অঞ্চল, গ্ৰেটাৰ মুম্বাই আৰু কলকাতা সম্বন্ধীয় আঞ্চলিক অধ্যয়ন আৰম্ভ কৰা হয়। চণ্ডীগড়, গান্ধীনগৰ, ভূপাল আৰু ভুৱনেশ্বৰৰ দৰে নতুন ৰাজ্যিক ৰাজধানীৰ বিকাশ কেন্দ্ৰীয় চৰকাৰৰ বিশেষ অনুদানেৰে দ্ৰুত কৰা হয়। তদুপৰি নগৰ আইনৰ উৎকৰ্ষ সাধনত গুৰুত্ব দিয়াৰ লগতে নগৰ পৰিকল্পনাৰ অন্তৰায়বোৰ পৰ্যালোচনা কৰাৰ বাবেও ৰাজ্য চৰকাৰক পৰামৰ্শ আগবঢ়ায়। পঞ্চম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়-ছোৱাত নগৰ ভূমি (চিলিং আৰু নিয়ন্ত্ৰণ) আইন ১৯৭৬ গৃহীত কৰা হয়। প্ৰশাসনিক মহানগৰ সীমাৰ বাহিৰত গঢ়ি উঠা অঞ্চলৰ যত্ন লোৱাৰ অৰ্থে প্ৰধান নগৰ পৰিকল্পনা মণ্ডল স্থাপন কৰাৰ বাবেও ৰাজ্য চৰকাৰসমূহক পৰামৰ্শ দিয়া হয়। এই পৰিকল্পনাৰ সময়ছোৱাৰ এটা তাৎপৰ্যপূৰ্ণ বিকাশ হ'ল মহাৰাষ্ট্ৰ চৰকাৰে ১৯৭৪ চনত গৃহীত কৰা মুম্বাই প্ৰধান মহানগৰ বিকাশ আইন আৰু ১৯৭৫ চনৰ ২৬ জানুৱাৰীত গঠন কৰা প্ৰধান মহানগৰ আঞ্চলিক বিকাশ প্ৰাধিকৰণ (এম এম আৰ ডি এ)। এই কালছোৱাতে নগৰ স্থানীয় নিকায়, গৃহ নিৰ্মাণ পৰিষদ আৰু আন সংগঠন-সমূহলৈ পুঁজি যোগান ধৰাৰ অৰ্থে গৃহ নিৰ্মাণ আৰু নগৰ উন্নয়ন নিগম (এইচ ইউ ডি চি অ') স্থাপন কৰা হয়। চতুৰ্থ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ এটা বৈশিষ্ট্য আছিল প্ৰধান মহানগৰ আৰু ৰাষ্ট্ৰীয় গুৰুত্ব পোৱা মহানগৰসমূহে বিশেষ আৰ্থিক পুঁজিৰ আশ্বাস পোৱাটো আৰু এইটো পঞ্চম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ (১৯৭৪-৭৯) সময়ছোৱাতো অব্যাহত আছিল। এই সময়ছোৱাত সংহত নগৰ উন্নয়ন কাৰ্যসূচীৰ অধীনত কলকাতা, মুম্বাই, চেন্নাইকে ধৰি ভালেমান ৰাষ্ট্ৰীয় গুৰুত্বপূৰ্ণ মহানগৰৰ বাবে পুঁজিৰ আৱণ্টন দিয়া হৈছিল। ইটোৰ পাচত সিটো পৰিকল্পনাত উদ্দেশ্যপূৰ্ণ নগৰ আৰু ঔদ্যোগিক বিকেন্দ্ৰীকৰণৰ বিষয়ে পুনৰ উল্লেখ কৰা সত্ত্বেও পঞ্চম পঞ্চবাৰ্ষিক পৰিকল্পনালৈকে ডাঙৰ মহানগৰসমূহৰ প্ৰতি স্পষ্ট সমৰ্থন দেখা গৈছিল। (শ্ব ১৯৯৬ ঃ ২২৭)।

ষষ্ঠ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়-ছোৱাত ক্ষুদ্ৰ আৰু মজলীয়া আকাৰৰ নগৰসমূহৰ বিকাশৰ প্ৰয়োজনীয়তাৰ বিষয়ত গুৰুত্ব আৰোপ কৰা হৈছিল (১ লাখৰ কম)। ১৯৭৯ চনত কেন্দ্ৰীয় চৰকাৰৰদ্বাৰা ক্ষুদ্ৰ আৰু মজলীয়া নগৰৰ সংহত বিকাশ আঁচনি (আই ডি এছ এম টি) প্ৰৱৰ্তন কৰা হয়। প্ৰায় ২০০ খন ক্ষুদ্ৰ আৰু মজলীয়া আকাৰৰ নগৰৰ হিত সাধনৰ কাৰণে এই আঁচনিলৈ সামান্য পৰিমাণৰ ৯৬ কোটি টকাৰ আৱণ্টন দিয়া হয়।

সপ্তম পৰিকল্পনাৰ কালছোৱাত কিছুমান গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠানিক বিকাশ দেখিবলৈ পোৱা গ'ল— যিটোৱে ভাৰতৰ নগৰ বিকাশ নীতি আৰু পৰিকল্পনাক এটা ৰূপ দিলে। ৰাষ্ট্ৰীয় নগৰীকৰণ আয়োগে ১৯৮৮ চনৰ আগষ্ট মাহত এখন প্ৰতিবেদন দাখিল কৰিলে আৰু ১৯৮৯ চনত আয়োগৰ পৰামৰ্শাৱলী সন্নিৱিষ্ট কৰি লোকসভাত এখন বিধেয়ক উত্থাপন কৰা হয়— যিটোক ৬৫তম সংবিধান সংশোধনী হিচাপে জনা যায়। কেন্দ্ৰক শীৰ্ষ ৰাজ্যক মধ্য আৰু স্থানীয় প্ৰশাসনক তৃতীয় স্তৰত লৈ তিনি যুক্তৰাষ্ট্ৰীয় গাঁথনি সৃষ্টি কৰাৰ উদ্দেশ্যেৰে নগৰ স্থানীয় প্ৰশাসনক সাংবিধানিক মৰ্যাদা প্ৰদানত অনুমোদন জনাবলৈ এই বিধেয়কখন আছিল প্ৰথম প্ৰচেষ্টা। সি যি কি নহওক, ৰাজ্যৰ স্বতন্ত্ৰতাত হস্তক্ষেপ হ'ব পাৰে বুলি গণ্য কৰি ৰাজ্যসভাত এই বিধেয়কখন গৃহীত কৰা নহ'ল। ১৯৯২ চনত বিধেয়কখনত কিছুমান সংশোধন কৰি ৭৪তম সংবিধান সংশোধনী বিধেয়ক হিচাপে সংসদত গৃহীত কৰা হয় আৰু ১৯৯৩ চনৰ মাৰ্চ মাহত আইনৰূপে বলৱৎ হয়।

অষ্টম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়ছোৱাত ১৯৯৩-৯৪ বৰ্ষত পাঁচখন ডাঙৰ মহানগৰ— মুম্বাই, কলকাতা, চেন্নাই, বেংগালুৰু আৰু হায়দৰাবাদক সামৰি প্ৰধান মহানগৰ (মেগা চিটি) আঁচনিখন প্ৰৱৰ্তন কৰা হয়। তদুপৰি ক্ষুদ্ৰ আৰু মজলীয়া নগৰ সংহত বিকাশ আঁচনিখন ডাঙৰ মহানগৰসমূহৰ পৰা ক্ষুদ্ৰ আৰু মজলীয়া নগৰসমূহলৈ প্ৰব্ৰজনৰ দিশ সলনিৰ বাবে নিয়োগ সৃষ্টি কৰিবলৈ আন্তঃগাঁথনি উন্নয়ন কাৰ্যসূচীৰ কাম-কাজ পুনৰুজ্জীৱিত কৰা হয়। ক্ষুদ্ৰ আৰু মজলীয়া নগৰসমূহৰ ভূমিকা আছিল গ্ৰাম্য পশ্চাদভূমিৰ হিতৰ কাৰণে বিকাশ কেন্দ্ৰ হিচাপে উন্নীত কৰা। ডাঙৰ মহানগৰসমূহৰ মূল আঁচনিৰ দৰে আঞ্চলিক পৰিকল্পনাই ক্ষুদ্ৰ আৰু মজলীয়া নগৰসমূহৰ কাৰণে কাম কৰিব পাৰে বুলি পৰামৰ্শ দিয়া হৈছিল। উল্লেখযোগ্য যে, পুঁজিৰ নাটনি হ'ল ইয়াৰ সীমাবদ্ধ উপাদান আৰু বাজেট আৰু প্ৰতিষ্ঠানিক ব্যৱস্থাৰ বাহিৰেও পুঁজিৰ উৎস উদ্ভাৱন কৰা উচিত।

ৰাজ্যিক নগৰীকৰণ কৌশল— বিভিন্ন নগৰ বিকাশ কাৰ্যসূচীৰ মাজত সংযোগ স্থাপনৰ বাবে যুগুত কৰাটো উচিত হিচাপে নৰম পৰিকল্পনাত

(১৯৯৭-২০০২) বিচৰা হৈছিল। অষ্টম পৰিকল্পনাৰ সময়ছোৱাত গ্ৰহণ কৰা অধিক সংখ্যক কাৰ্যসূচী নৰম পৰিকল্পনাৰ সময়ত অব্যাহত ৰখা সত্ত্বেও বজাৰমুখী হস্তক্ষেপৰ জৰিয়তে প্ৰতিযোগিতা আৰু দক্ষতা বৃদ্ধি কৰাৰ উদ্দেশ্যে নগৰ স্থানীয় নিকায়ৰ আৰ্থিক স্বতন্ত্ৰতা আৰু বিকেন্দ্ৰীকৰণৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰা হৈছিল। ১৯৯৭ চনৰ ১ ডিচেম্বৰৰ পৰা পূৰ্বৰ এন আৰ ওৱাই, ইউ বি এছ পি আৰু পি এম আই ইউ পি ই পি কাৰ্যসূচীসমূহ একত্ৰিত কৰি স্বৰ্ণজয়ন্তী চহৰী ৰোজগাৰ আঁচনি নামেৰে নতুন আঁচনি এখন বলৱৎ কৰা হয়। এই কাৰ্যসূচীৰ দুটা উপ-কাৰ্যসূচী আছে—

(১) নগৰ স্ব-নিয়োজন আঁচনি আৰু

(২) নগৰ মজুৰি নিয়োগ আঁচনি।

বৰ্তমানৰ এন আৰ আই আৰু পি এম আই ইউ পি ই পি-স্ব-নিয়োজন আৰু মজুৰি নিয়োগ উপাদানক এটা কাৰ্যসূচীত পুনৰ্গঠন কৰা হৈছে। তেনেদৰে, এই দুয়োখন আঁচনিৰে উন্নীতকৰণ উপাদান একত্ৰিত কৰি ১৯৯৭ চনৰ ৰাষ্ট্ৰীয় বস্তি উন্নয়ন কাৰ্যসূচী (এন এছ ডি পি) নামেৰে এখন নতুন আঁচনি আৰম্ভ কৰা হৈছে। সি যি কি নহওক ২০০৫-০৬ বিত্তীয় বৰ্ষৰ পৰা এই কাৰ্যসূচীৰ যতি পৰে। অত্যন্ত পৰিতাপৰ কথা যে ক্ষুদ্ৰ আৰু মজলীয়া নগৰসমূহৰ বাবে বণ্টন কৰা পুঁজিৰ পৰিমাণ বৰ তাকৰ আছিল। উদাহৰণ-স্বৰূপে, অষ্টম পৰিকল্পনাৰ শেষলৈকে ক্ষুদ্ৰ আৰু মজলীয়া নগৰ সংহত বিকাশ আঁচনিৰ অধীনত ৯০৪ খন নগৰ সামৰি লোৱা হয় আৰু এই আঁচনিৰ বাবে তেতিয়ালৈকে মুকলি কৰি দিয়া পুঁজিৰ পৰিমাণ আছিল মাত্ৰ ২৮৩.৯৬ কোটি টকা। ২০০১ চনৰ লোকপিয়ল মতে প্ৰায় ৪৫০০ নগৰ কেন্দ্ৰ ক্ষুদ্ৰ আৰু মজলীয়া নগৰ (৩ লাখৰ কম) শ্ৰেণীৰ অধীনত মানসম্পন্ন কৰিব পৰা গ'লহেঁতেন কিন্তু পুঁজিৰ পৰিমাণো যে অতি তাকৰ আছিল মাত্ৰ সেয়ে নহয়— এই পুঁজিৰে ক্ষুদ্ৰ আৰু মজলীয়া নগৰৰ মাত্ৰ পাঁচভাগৰ এভাগহে সামৰি ল'ব পৰা হৈছিল। এনে পৰিস্থিতিত, এই নগৰসমূহক বিকশিত কেন্দ্ৰ হিচাপে গঢ়ি তুলি নগৰীকৰণৰ বিস্তৃত কৰা আৰু দেশত আঞ্চলিক বিকাশ সাধন কৰাটো সম্ভৱপৰ নাছিল।

অৰ্থনৈতিক উদাৰীকৰণৰ ফল-স্বৰূপে ১৯৮০ আৰু ১৯৯০ দশকৰ সময়ছোৱাত দ্ৰুত অৰ্থনৈতিক বিকাশত নগৰীকৰণে গ্ৰহণ কৰা মুখ্য ভূমিকাক দশম পাঁচবছৰীয়া পৰিকল্পনাৰ সময়-ছোৱাত (২০০২-২০০৭) স্বীকাৰ কৰা হয়। এই সময়ছোৱাত পাঁচখন নিৰ্বাচিত মহানগৰৰ বাবে ডাঙৰ মহানগৰ প্ৰকল্প, ক্ষুদ্ৰ আৰু মজলীয়া নগৰৰ সংহত বিকাশ আৰু দ্ৰুত নগৰ পানী যোগান আঁচনি (এ ইউ ডব্লিউ এছ পি) কেইখনে সীমিত সফলতা দেখুৱায়। উল্লেখযোগ্য যে, বিগত বছৰবোৰত সামৰি লোৱা কাৰ্য কেন্দ্ৰীয় সাহায্যৰ পৰিমাণ পদ্ধতিগত বিষয় আৰু সীমিত বাজেট আৱণ্টনৰ কাৰণে পৰ্যাপ্ত নাছিল। ক্ষুদ্ৰ আৰু মজলীয়া নগৰ সংহত বিকাশ আঁচনি আৰু প্ৰধান মহানগৰ প্ৰকল্প আদি আঁচনিৰ আন্তঃগাঁথনিৰ সাহায্যৰ কাৰণে বৰ্তমান আঁচনিসমূহৰ পৰা ভালেমান মহানগৰ কেন্দ্ৰীয় সমৰ্থনৰ পৰা বঞ্চিত হৈছিল। ৰাজ্য চৰকাৰে ৰূপায়ণৰ বাবে কাৰ্য ৰূপায়ণকাৰী সংস্থাক দিবলগীয়া নিজৰ অংশৰ ধন মোকলাই দিওঁতে হোৱা বিলম্বৰ বাবে ৰাষ্ট্ৰীয় বস্তি উন্নয়ন কাৰ্যসূচীৰ কামো সন্তোষজনক হৈ উঠা নাছিল বুলি এই পৰিকল্পনাৰ সময়ছোৱাত উল্লেখ কৰা হয়। ২০০১-২০০২ বিত্তীয় বৰ্ষত দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা লোকৰ বাবে প্ৰৱৰ্তিত আশ্ৰয়ৰ সুবিধা প্ৰদান কৰা আঁচনিখন উন্নীত কৰাৰ বাবে বাল্মিকী আম্বেদকাৰ আৱাস যোজনা নামৰ আঁচনি প্ৰৱৰ্তন কৰা হয়। মহানগৰৰ আকাৰৰ ওপৰত ভিত্তি কৰি প্ৰতিটো গোটলৈ ২০ৰ পৰা ৩০ হাজাৰ টকাৰ ৰাজসাহায্য প্ৰদান কৰা হয়। উন্নয়ন প্ৰাধিকৰণৰ দৰে সংস্থাসমূহে আনকি নগৰীয়া স্থানীয় নিকায়ৰ সৈতে অংশীদাৰ হৈ সমৰ্থনকাৰী ভূমিকা গ্ৰহণ কৰিব লাগে বুলি এই পৰিকল্পনাৰ কালছোৱাত স্বীকাৰ কৰি লোৱা হয়। মুঠতে নগৰীয়া স্থানীয় নিকায়সমূহ গণতান্ত্ৰিক আঁচনি আৰু প্ৰতিষ্ঠানগত নিৰ্মাণ অবিহনে নগৰ উন্নয়নৰ লক্ষ্যত উপনীত হ'ব নোৱাৰি বুলি পৰিকল্পনাত গুৰুত্ব আৰোপ কৰা হয়।

একাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাত (২০০৭-১২) নগৰ নীতি আৰু আঁচনিত কিছুমান উদ্ভাৱনীমূলক পৰিৱৰ্তন প্ৰৱৰ্তন কৰা হয়। নগৰ উন্নয়নৰ কৌশলসমূহ হ'ল—

(ক) সামৰ্থ্য গঠন আৰু উন্নত আৰ্থিক ব্যৱস্থাপনাৰ জৰিয়তে নগৰীয়া স্থানীয় নিকায়সমূহক শক্তিশালী কৰি তোলা।

(খ) নিয়ম বাতিল আৰু ভূমিৰ বিকাশ কৰি মহানগৰসমূহৰ দক্ষতা আৰু উৎপাদনশীলতা বৃদ্ধি কৰা।

(গ) ব্যক্তিগত স্বাৰ্থত বিনিয়োগৰ কাৰণে অনুকূল পৰিৱেশ গঢ়ি তুলিবলৈ নগৰৰ আন্তঃগাঁথনিৰ ওপৰত ৰাজহুৱা খণ্ডৰ একচেটীয়া অধিকাৰ বিলোপ কৰা।

(ঘ) ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ কাম-কাজৰ তত্বাৱধান ল'বলৈ স্বতন্ত্ৰ নিয়ন্ত্ৰক গাঁথনি গঠন কৰা।

(ঙ) দাৰিদ্ৰ্যৰ হাৰ হ্ৰাস কৰা।

(চ) ডাঙৰ উপায়েৰে তথ্য প্ৰযুক্তি আৰু উদ্ভাৱন ব্যৱহাৰ কৰা।

নগৰ উন্নয়ন কৌশলক পুনৰুজ্জীৱিত কৰাৰ লক্ষ্যৰে নগৰৰ আন্তঃগাঁথনিৰ সংহত বিকাশৰ প্ৰতি বিশেষ মনোযোগ দিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে ২০০5 চনত প্ৰথম অৱস্থাত বিশেষ উদ্দেশ্যৰে মনোনীত কৰা ৬৩ খন মহানগৰত জৱাহৰলাল নেহৰু ৰাষ্ট্ৰীয় নগৰ পুনৰনবীকৰণ অভিযান (জে এন এন ইউ আৰ এম) নামৰ এখন প্ৰধান আঁচনি প্ৰৱৰ্তন কৰে। এই আঁচনিখনে নগৰৰ দৰিদ্ৰসকললৈ গৃহ, পানী যোগান, অনাময়, পথ যোগাযোগ, নগৰ পৰিবহণ প্ৰান্ত আৰু পুৰণি মহানগৰ এলেকাৰ উন্নয়ন আদি মৌলিক সেৱাৰ ব্যৱস্থাত গুৰুত্ব আৰোপ কৰে। পূৰ্বৰ মেগা চিটি, ক্ষুদ্ৰ আৰু মজলীয়া নগৰ, সংহত বিকাশ, ৰাষ্ট্ৰীয় বস্তি উন্নয়ন কাৰ্যসূচী, বাল্মিকী আম্বেদকাৰ আৱাস যোজনা আদি আঁচনিসমূহ এই আঁচনিৰ লগত একত্ৰিত কৰা হয়।

জৱাহৰলাল নেহৰু ৰাষ্ট্ৰীয় নগৰ নবীকৰণ অভিযানক দুটা প্ৰধান অংশত ভাগ কৰা হৈছে। সেই দুটা হ'ল— (১) নগৰ আন্তঃগাঁথনিৰ ওপৰত উপ অভিযান আৰু প্ৰশাসন আৰু (২) নগৰৰ দৰিদ্ৰসকললৈ মৌলিক সেৱাৰ ওপৰত উপ-অভিযান। পোনতে এই আঁচনিৰ অধীনত ৬৩ খন বিশেষ মহানগৰক সামৰি লোৱা হয়। অ-বিশেষ মহানগৰ আৰু নগৰসমূহ ক্ষুদ্ৰ আৰু মজলীয়া নগৰ আন্তঃগাঁথনি উন্নয়ন (ইউ আই জি এছ এছ এম টি) আৰু সংহত গৃহ নিৰ্মাণ আৰু বস্তি উন্নয়ন কাৰ্যসূচীৰ (আই এইচ এছ ডি পি) অধীনত সামৰি লোৱা হয়। নগৰৰ দৰিদ্ৰ বিশেষকৈ বস্তি অঞ্চলৰ বাসিন্দাসকললৈ গৃহ আৰু মৌলিক সুবিধা প্ৰদান কৰা নগৰৰ দৰিদ্ৰলৈ মৌলিক সেৱা আঁচনি আৰু সংহত গৃহ নিৰ্মাণ আৰু বস্তি উন্নয়ন কাৰ্যসূচী ৰূপায়ণৰ বাবে কেন্দ্ৰীয় গৃহ নিৰ্মাণ আৰু নগৰ দৰিদ্ৰতা উপশম মন্ত্ৰণালয় মূল হিচাপে থাকিব। এই আংচনিসমূহে অনাময়, পানী যোগান, চাফ-চিকুণতা, গোটা পেলনীয়া সামগ্ৰী নিষ্কাষণ আদি কামবোৰো সামৰি ল'ব। আনহাতে, নগৰ উন্নয়ন মন্ত্ৰণালয়ে জৱাহৰলাল নেহৰু ৰাষ্ট্ৰীয় নগৰ পুনৰ নবীকৰণ আৱাস আঁচনিৰ অধীনত নগৰ আন্তঃগাঁথনি আৰু প্ৰশাসনৰ উপ-অভিযান আৰু ক্ষুদ্ৰ আৰু মজলীয়া নগৰৰ নগৰ আন্তঃগাঁথনি বিকাশ কাৰ্যসূচী চোৱা-চিতা কৰিব।

জৱাহৰলাল নেহৰু ৰাষ্ট্ৰীয় নগৰ নবীকৰণ অভিযানত মহানগৰৰ দীৰ্ঘকালীন পৰিকল্পনা আৰু বিকাশ স্তৰসমূহ প্ৰকাশ কৰিবলৈ প্ৰত্যক্ষ মহানগৰৰ বাবে মহানগৰ উন্নয়ন পৰিকল্পনা গঠন কৰাটো বাধ্যতামূলক কৰা হৈছে। ইয়াত ১৯৭৬ চনৰ ভূমি চিলিং আইন বাতিলকৰণ, নগৰ স্থানীয় নিকায়সমূহ শক্তিশালীকৰণ, সামৰ্থ্য গঠন আৰু পৌৰ জবাবদিহিতাৰ উৎকৰ্ষ আদি নগৰৰ সংস্কাৰ সাধনৰ কিছুমান চৰ্ত বান্ধি দিছে। উন্নয়নৰ ক্ষেত্ৰত ব্যক্তিগত খণ্ডক প্ৰভাৱিত কৰা আৰু ব্যক্তিগত ৰাজহুৱা অংশীদাৰিত্বৰ জৰিয়তে প্ৰকল্প-সমূহলৈ পুঁজিৰ যোগান ধৰা আদিও ইয়াৰ উদ্দেশ্য। একাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাত স্বৰ্ণ জয়ন্তী চহৰী ৰোজগাৰ যোজনাৰ অধীনত সুপ্ৰয়োগৰ বাবে কেৰালাৰ কুটুম্বশ্ৰী আৰু দেশৰ আন প্ৰান্তত চলি থকা উত্তৰ অনুশীলনৰ আৰ্হি গ্ৰহণ কৰাৰ বাবে উপেদশ দিয়া হয় (পৰিকল্পনা আয়োগ ২০০৮)।

একাদশ পৰিকল্পনাৰ মধ্যৱৰ্তী মূল্যায়ণত জৱাহৰলাল নেহৰু ৰাষ্ট্ৰীয় নগৰ নবীকৰণ অভিযানৰ বাবে বিশাল পুঁজিৰ প্ৰয়োজন সমৰ্থন কৰে। কিন্তু এই আঁচনিৰ বাবে ৭ বছৰত (২০০৫-২০১২) নিৰ্দ্ধাৰণ কৰা ৩-৪ লাখ কোটি টকাৰ বিপৰীতে ৬৬,০০০ কোটি টকাহে আৱণ্টন দিয়া হ'ল।

দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাত (২০১২-২০১৭) জৱাহৰলাল নেহৰু ৰাষ্ট্ৰীয় নগৰ নবীকৰণ অভিযান সবল কৰাৰ বাবে প্ৰস্তাৱ দিয়া হয় আৰু নগৰ সংস্কাৰৰ ক্ষেত্ৰত ইয়াৰ ব্যাপক ভূমিকাৰ সন্দৰ্ভত পূৰ্বালোকন কৰা হয়। এই পৰিকল্পনাৰ সময়ছোৱাত আঁচনিখনৰ উপাদানসমূহ হ'ল—

(১) নগৰ আন্তঃগাঁথনি আৰু প্ৰশাসন (ইউ আই জি)

(২) ৰাজীৱ আৱাস যোজনা (আৰ এ ৱাই)

(৩) ৰাজীৱ আৱাস যোজনাই সামৰি নোলোৱা মহানগৰৰ বস্তি পুনৰ সংস্থাপন

(৪) সামৰ্থ্য গঠন

উল্লেখযোগ্য যে, কাৰ্যসূচী ৰূপায়ণৰ কিছুমান প্ৰতিৰোধক হ'ল— নগৰ পৰিকল্পনাৰ ঘাইসূঁতিলৈ ব্যৰ্থতা, অসম্পূৰ্ণ সংস্কাৰ আৰু প্ৰকল্প ৰূপায়ণত মন্থৰ অগ্ৰগতি, প্ৰকল্পৰ কাৰণে ভূমি গ্ৰহণত বিলম্ব আৰু বিভিন্ন নিয়ন্ত্ৰক প্ৰাধিকৰণৰ পৰা অনুমোদন লাভ কৰাত পলম হোৱাটো মন্থৰ অগ্ৰগতিৰ কাৰক হিচাপে পৰিগণিত হৈছে। আনহাতে ভালেমান মহানগৰত নগৰ পৰিকল্পনা এতিয়াও আৰম্ভ হোৱা নাই আৰু এইবোৰ শক্তিশালী কৰি তোলাৰ প্ৰয়োজন আছে।

বস্তিমুক্ত ভাৰত গঢ়াৰ লক্ষ্যৰে ২০১১ চনৰ ২ জুন তাৰিখে দুবছৰ কালৰ কাৰণে পৰীক্ষামূলক ভিত্তিত ৰাজীৱ আৱাস যোজনা আঁচনিখন প্ৰৱৰ্তন কৰা হৈছিল। কেন্দ্ৰীয় চৰকাৰে

অৱশেষত ২০১৩ চনৰ ৩ ছেপ্টেম্বৰ তাৰিখে ২০১৩-২০২২ কালছোৱাৰ বাবে এই আঁচনিত অনুমোদন জনায়। এই আঁচনিখনৰ লক্ষ্য হ'ল— বস্তি অঞ্চলৰ উন্নয়নৰ বাবে ৰাজ্য আৰু মহানগৰ প্ৰশাসনক সমৰ্থন জনোৱা আৰু ভাৰতৰ দ্ৰুত নগৰীকৰণ অব্যাহত ৰখা যাতে আৰু বস্তি অঞ্চল গঢ় লৈ উঠিব নোৱাৰে। মহানগৰ এখনৰ সকলো বস্তি অঞ্চলৰ ক্ষেত্ৰত লাগিলে জাননী-কৃত হওক বা নহওক (স্বীকৃতিপ্ৰাপ্ত আৰু চিনাক্তকৰণকে ধৰি), সেই ভূমি কেন্দ্ৰীয় চৰকাৰ বা ইয়াৰ অধীনৰ কোনো সংস্থা, সংসদৰ আইনৰ অধীনত গঠন কৰা স্বতন্ত্ৰ নিকায়, ৰাজ্য চৰকাৰ বা ইয়াৰ অধীনৰ কোনো সংস্থা, নগৰ স্থানীয় নিকায় বা অন্য কোনো ৰাজহুৱা সংস্থা আৰু ব্যক্তিগত খণ্ডৰেই হওক এই আঁচনি প্ৰযোজ্য হ'ব। মহানগৰ পৰিকল্পনাৰ অন্তৰ্গত এলেকাৰ ভিতৰৰ নগৰীকৃত বস্তি, নগৰৰ গৃহহীন আৰু পথৰ কাষত জীৱিকা নিৰ্বাহ কৰা লোকৰ ক্ষেত্ৰতো এই আঁচনি প্ৰযোজ্য হ'ব। স্বৰ্ণ জয়ন্তী চহৰী ৰোজগাৰ যোজনাৰ অধীনৰ নগৰৰ দাৰিদ্ৰ্য হ্ৰাসকৰণ আৰু নিয়োগ সৃষ্টি কাৰ্যসূচী ৰাষ্ট্ৰীয় নগৰ জীৱিকা অভিযানৰ অধীনত পুনৰুজ্জীৱিত কৰাৰ বাবে দ্বাদশ পৰিকল্পনাত প্ৰস্তাৱ গ্ৰহণ কৰা হয়। নগৰৰ দৰিদ্ৰসকলৰ হিতৰ কাৰণে নিয়োগ সুবিধা থকা খণ্ডসমূহত সামৰ্থ্য আৰু দক্ষতা বৃদ্ধি কৰাই হ'ল ইয়াৰ মূল লক্ষ্য।

সংবিধানৰ ৭৪ সংখ্যক সংশোধনীৰ ৰূপায়ণ নিৰুদ্যম অৱস্থা বুলি বিশেষজ্ঞসকলে আঙুলিয়াই দিছে— কিয়নো সংবিধানৰ ব্যৱস্থা অনুযায়ী ৰাজ্য চৰকাৰে নগৰৰ স্থানীয় নিকায়সমূহ সম্পূৰ্ণ শক্তিশালী কৰি তোলা নাই। আনহাতে, বিভিন্ন কাৰ্যসূচীও বৰ সফল হোৱা নাই। ইয়াৰ কাৰণ হ'ল— নগৰ অঞ্চল এটা নিয়ন্ত্ৰক বা মালিকীস্বত্বৰ অধীনত নপৰে আৰু স্থানীয় পৰ্যায়ত কাৰ্যসূচীসমূহৰ মাজত একমুখীতাৰ অভাৱ (এইচ পি ই ২০১১ ঃ ২৩)।

**নগৰ প্ৰশাসন আৰু পৰিকল্পনাৰ ভৱিষ্যৎমুখী পথ**

ভাৰতৰ পৰিকল্পনা প্ৰক্ৰিয়া কেন্দ্ৰীয় নিয়ন্ত্ৰণৰ অধীন, শীৰ্ষৰ পৰা তৃণমূল আৰু খণ্ডভিত্তিক কৰা হৈছে। নগৰ গৃহ নিৰ্মাণ, পানী যোগান, অনাময় ব্যৱস্থা, বস্তি উন্নয়ন, নগৰ আন্তঃগাঁথনি, অত্যাধুনিক মহানগৰ আৰু ক্ষুদ্ৰ আৰু মজলীয়া নগৰৰ বিষয়ত প্ৰধানকৈ আলোকপাত কৰা নগৰ উন্নয়ন পৰিকল্পনাৰ ক্ষেত্ৰতো এইটো সত্য। নগৰৰ বিকাশ ৰাজ্যৰ বিষয়সূচী হোৱা সত্বেও সংহত নগৰ বিকাশ কৌশল আৰু পৰিকল্পনাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে সামান্যহে কৰিব পাৰে। ৰাজ্য পৰিকল্পনা আয়োগ/ নিকায়সমূহ ভাৰতৰ পৰিকল্পনা আয়োগৰ পৰামৰ্শৰ ওপৰত অধিক নিৰ্ভৰশীল। আনহাতে, নগৰ উন্নয়ন সৰ্বাধিক গুৰুত্বপূৰ্ণ বিষয় কিয়নো নগৰ প্ৰশাসনৰ কাৰণে বিদ্যুৎ, খোৱাপানী, অনাময় ব্যৱস্থ আৰু ৰন্ধন গেছ, পথ, যানবাহন ব্যৱস্থা, বায়ু আৰু পানী প্ৰদূষণ, নগৰৰ জাবৰ নিষ্কাষণ, আইন-শৃংখলাজনিত বিষয়ত নগৰ অঞ্চলত অহৰহ চাপ থাকেই। ৰাজ্য চৰকাৰৰ দ্বাৰা সমৰ্থিত পৌৰ নিগম, পৌৰ সভা, নগৰ পঞ্চায়ত— যিটো সাধাৰণতে নগৰ স্থানীয় নিকায় নামেৰে জনা যায়— এই স্থানীয় নিকায়সমূহৰ দ্বাৰা নগৰ পৰিকল্পনা কৰিব লাগে। নগৰ স্থানীয় নিকায়সমূহক কাৰ্যৰ দায়িত্ব অৰ্পণ, আৰ্থিক সম্পদ আৰু স্বতন্ত্ৰতাৰে স্পষ্ট কৰি সবল কৰি তোলাৰ প্ৰয়োজন। নগৰ স্থানীয় নিকায়সমূহৰ প্ৰশাসনিক, ব্যৱস্থাপনা আৰু কাৰিকৰী সামৰ্থ্য বৃদ্ধি কৰাৰ প্ৰয়োজন আছে। নগৰ পৰিকল্পনাক নগৰ প্ৰশাসনৰ পৰা বিচ্ছিন্ন যে কৰিব নোৱাৰি এই বিষয়টো নিশ্চয় স্পষ্ট হ'ব লাগে। ভালেমান পৌৰ নিকায় আৰু সিঁচৰতি হৈ থকা গাঁৱৰ লগত বিস্তৃত হৈ থকা বৃহৎ নগৰপুঞ্জৰ কাৰণে সংবিধানৰ ৭৪ সংখ্যক সংশোধনী অনুসৰি মহানগৰ পৰিকল্পনাৰ কমিটীৰ দ্বাৰা তত্বাৱধান লোৱা উচিত। ভাৰতৰ বেছিভাগ মহানগৰত সফল নগৰ পৰিকল্পনাৰ দুখজনকভাৱে অভাৱ। বহু ডাঙৰ মহানগৰৰ বাবে যুগুত কৰা পৰিকল্পনাবোৰো সময়সাপেক্ষ নহয় আৰু এই ক্ষেত্ৰত নগৰ অঞ্চলত বাস কৰা লোক বিশেষকৈ দৰিদ্ৰসকলৰ উদ্বেগ প্ৰতিফলিত হোৱা নাই। আনকি পৰামৰ্শদাতা আৰু কাৰিকৰী বিশেষজ্ঞই নতুনকৈ প্ৰস্তুত কৰা পৰিকল্পনাতো প্ৰতিফলিত হোৱা নাই। পৰিকল্পনাই প্ৰকৃত অৰ্থত নগৰৰ বাসিন্দাসকলৰ প্ৰয়োজন আৰু জড়িতকৰণ সামৰি লোৱা উচিত আৰু ই হ'ব লাগে অংশগ্ৰহণকাৰী আৰু বিকেন্দ্ৰীভূত। সংবিধানৰ ৭৪ সংখ্যক সংশোধনী মতে নগৰ স্থানীয় নিকায়সমূহৰ গণতান্ত্ৰিকীকৰণ আৰু সবল কৰি তোলাৰ প্ৰয়োজন আছে। মহানগৰৰ মেয়ৰজনক ক্ষমতা আৰু কাৰ্য উভয়তে জবাবদিহি কৰা উচিত। বহু গোলকীয় মহানগৰত ডাঙৰ মহানগৰ প্ৰশাসনৰ সমস্যা মেয়ৰৰ নেতৃত্বাধীন নিৰ্বাচিত স্থানীয় প্ৰশাসনৰ জৰিয়তে সমাধান কৰিছে। এই ক্ষেত্ৰত লণ্ডন আৰু নিউ য়ৰ্কৰ মেয়ৰৰ উদাহৰণ দিব পাৰি। এই মেয়ৰসকল তেওঁলোকৰ নিজৰ মহানগৰৰ কৌশলগত প্ৰশাসনৰ বাবে প্ৰত্যক্ষভাৱে

**(১৮ পৃষ্ঠাত চাওক)**

# বস্তিমুক্ত ভাৰতৰ কাৰণে এক পৰিপ্ৰেক্ষা ৰাষ্ট্ৰই গ্ৰহণ কৰিবলৈ বাধ্য এটা প্ৰত্যাহ্বান

**অমিতাভ কুন্দু***

ভাৰতৰ নগৰ অঞ্চলক বস্তিমুক্ত কৰাৰ লক্ষ্য আগত ৰাখি কেন্দ্ৰ চৰকাৰে কাৰ্যকৰী কৰা আঁচনিসমূহৰ প্ৰধান হিচাপে বিবেচিত ৰাজীৱ আৱাস যোজনা নীতিৰ সংৰচনা আৰু কাৰ্যকৰীকৰণৰ মাজত তাৎপৰ্যপূৰ্ণ পাৰ্থক্য পৰিলক্ষিত হয়। যথেষ্ট সুপৰিকল্পিত এই আঁচনিয়ে বিভিন্ন মহলৰ মাজত আশাৰ সঞ্চাৰ কৰিছিল। দেশখনৰ স্বাধীনতাৰ দিন ধৰি আশ্ৰয়স্থল বিচাৰি সপোন দেখা দৰিদ্ৰ আৰু গৃহহীন নাগৰিকৰ সপোন ৰাজীৱ আৱাস যোজনাই পূৰণ কৰাৰ আশা জাগি উঠিছিল। আৱাস ব্যৱস্থাৰ কাৰচাজি দুদিনীয়া বুলি ভবা নিৰ্মাণ কাৰ্যৰ সৈতে জড়িত মহলে এই খণ্ডৰ পৰা লাভৱান হোৱাৰ সম্ভাৱনা দেখে। একেদৰে বেংকিং খণ্ডও গৃহঋণ আদিৰ যোগেদি লাভৱান হোৱাৰ বাট প্ৰশস্ত হৈ পৰে। চহৰীয়া মধ্যবিত্ত আৰু অভিজাত শ্ৰেণীয়ে বস্তিমুক্ত ভাৰতবৰ্ষৰ পৰা যথেষ্ট আশা ব্যক্ত কৰে। এওঁলোক এইবুলি আশ্বস্ত হয় যে এই আঁচনি কাৰ্যকৰী হ'লে চহৰসমূহ আইন-শৃংখলাজনিত সমস্যা, অস্বাস্থ্যকৰ পৰিস্থিতি যিবোৰ সচৰাচৰ বস্তি অঞ্চলত দেখা যায় তেনেবোৰ সমস্যাৰ পৰা মুক্তি পাব। অৱশ্যে এনে পৰিকল্পনা উচ্ছেদ নে পূৰ্বৰ স্থানতে উন্নীতকৰণৰ যোগেদি কৰা হ'ব সেই বিষয়ত তেওঁলোকৰ কোনো ধৰণৰ আগ্ৰহ বা উৎসুকতা নাছিল।

**ৰাজীৱ আৱাস যোজনাৰ কাৰ্যনীতি আৰু ৰূপায়ণ ঃ**

দেশখনত অপবৰ্জনমূলক নীতিৰ আধাৰত বিগত তিনিটা দশকজুৰি চলি থকা নগৰীকৰণৰ স্বৰূপৰ পৰিপ্ৰেক্ষিতত ৰাজীৱ আৱাস যোজনাৰ বিষয়বস্তু আৰু নীতিসমূহ পুনৰীক্ষণ কৰাৰ প্ৰয়োজনীয়তা আছে। জৱাহৰলাল নেহৰু ৰাষ্ট্ৰীয় নগৰ নবীকৰণ অভিযান (জে এন এন ইউ আৰ এম)ৰ প্ৰসংগ এইখিনিতে উল্লেখ কৰা উচিত যিটো ৰাজীৱ আৱাস যোজনাৰ কাৰ্যকৰীকৰণৰ প্ৰথম খোজ হ'ব লাগে। চহৰ এখনক আন্তৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিযোগিতামূলক আৰু আকৰ্ষণীয় কৰি তোলাৰ বাবে ৰাজীৱ আৱাস যোজনাক জৱাহৰলাল নেহৰু ৰাষ্ট্ৰীয় নগৰ নবীকৰণ অভিযানৰ আধাৰত বিবেচনা কৰি চোৱা উচিত। বিশেষকৈ ৰাজীৱ আৱাস যোজনাৰ কাৰ্যনীতি আলোচনা কৰাৰ ক্ষেত্ৰত অভিযানৰ বাবে নগৰখনত থকা ভূমিৰ পৰিমাণ, বস্তিৰ মান্যতা, তেনে অঞ্চলৰ বাসিন্দাৰ যোগ্যতা আৰু বহনক্ষমতা আদি দিশ প্ৰসংগ হিচাপে লোৱাটো যুগুত। এনেধৰণৰ আঁচনি থকা চহৰসমূহৰ জনতাত্বিক বিকাশ আৰু তাত বস্তি অঞ্চলৰ বাসিন্দাৰ ভূমিকাৰ ওপৰত উপৰোক্ত চাৰিটা দিশৰ পোনপটীয়া প্ৰভাৱ থাকে। এই সম্পৰ্কই চহৰসমূহৰ অৰ্থনৈতিক অন্তৰ্ভুক্তিকৰণ আৰু দক্ষতা সম্পৰ্কত সঠিকভাৱে চিন্তা-চৰ্চা কৰাত সহায় কৰিব পাৰে। এনেবোৰ কথাই তলত আলোচনা কৰা হৈছে।

**ভূমিৰ উপলব্ধতা আৰু মান্যতা ঃ**

ৰাজীৱ আৱাস যোজনাৰ ক্ষেত্ৰত দেখা দিয়া অন্যতম প্ৰধান সমস্যা হৈছে ৰূপায়ণকাৰী সংস্থাৰ দ্বাৰা বিনামূল্যে ভূমি উপলব্ধ কৰোৱা। যদিহে কোনো ৰাজ্যই মুকলি মাটি অভিযানৰ বাবে যোগান ধৰিব নোৱাৰে তেন্তে এনে সংস্থাই কেন্দ্ৰৰ পৰা পুঁজি বিচাৰিব নোৱাৰে। এইখিনিতে এটা স্থানীয় সংস্থাই কেনেদৰে ভূমি সংগ্ৰহ কৰি বিনা ব্যয়ে ৰূপায়ণকাৰী সংস্থাৰ হাতত তুলি দিব পাৰে সেই কথা বিবেচনা কৰা উচিত। এয়া উল্লেখনীয় যে বস্তি অঞ্চলৰ বাসিন্দাৰ জনসংখ্যা চহৰৰ মুঠ জনসংখ্যাৰ ১৮ৰ পৰা ২০ শতাংশ হ'লেও চহৰখনৰ মুঠ মাটিকালিৰ মাত্ৰ দুই কি তিনি শতাংশ মাত্ৰহে অধিকাৰ কৰি থাকে। সেই ফালৰ পৰা উক্ত সামান্য পৰিমাণৰ মাটি মোকলাই অনাটো সিমান জটিল হ'ব নালাগে। ইয়াৰ লগতে এই কথাও মন কৰিব লাগিব যে প্ৰায়বোৰ বস্তি অঞ্চল চহৰৰ মাজ মজিয়াতে থকা হেতুকে তাৰ ভূমিৰ মূল্য অতি বেছি আৰু এনে মাটি হস্তগত কৰাৰ বাবে স্বাৰ্থজড়িত চক্ৰই শেনচকু দিয়ে।

***অমিতাভ কুন্দু জাৰ্মানীৰ ইউয়াৰ্জবাৰ্গ (Wuerzburg) বিশ্ববিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অধ্যাপক আৰু দিল্লী পলিচি গ্ৰুপ, ইণ্ডিয়াৰ চিনিয়ৰ ফেল' আৰু নতুন দিল্লীৰ জৱাহৰলাল নেহৰু য়ুনিভৰচিটিইৰ ষ্টাডি অৱ ৰিজঅ'নেল ডেভলপমেণ্ট কেন্দ্ৰৰ অধ্যাপক**

দ্বিতীয়তে ভূমিৰ মান্যতাৰ বিষয়টো আলোচনা কৰা হওক। ৰাজীৱ আৱাস যোজনাৰ পৰামৰ্শৱলীত এই কথা স্পষ্টভাৱে উল্লেখ কৰা আছে যে ৭৫ শতাংশ বস্তি অঞ্চল থকা কোনো ভূমিক উক্ত মান্যতা প্ৰদান কৰিব পাৰি আৰু ২৫ শতাংশতকৈ বেছি বস্তি অঞ্চল নথকা ভূমিক এই মান্যতা প্ৰদান কৰা নহয়। এনে ক্ষেত্ৰত উক্ত ২৫ শতাংশ লোকৰ বাবে অইন ঠাইত পুনৰ্সংস্থাপনৰ ব্যৱস্থা কৰাৰ কথা তাত উল্লেখ আছে। যদিহে ৭০ৰ পৰা ৭৫ শতাংশ বস্তি থকা এটা এলেকা মান্যতা থকা বুলি ধৰা হয় তেন্তে বাকীখিনি লোকৰ বাবে ভূমি বিচাৰি উলিওৱাত সমস্যা হ'ব নালাগে যিহেতু পূৰ্বৰ স্থানতে উন্নয়ন (ইন-চিটু ডেভেলপমেণ্ট) বস্তি অঞ্চলৰ অৱস্থা উন্নত কৰাৰ বাবে মুখ্য উপায়। বাকী থকা ২৫ শতাংশ বস্তি অঞ্চলৰ বাসিন্দাৰ বাবে ভূমি বিচৰাত ইমান জটিলতাৰ সৃষ্টি নহয়, কিয়নো মান্যতা থকা ৭৫ শতাংশ বস্তি অঞ্চলতে তেওঁলোকক সংস্থাপিত কৰিব পৰা যাব।

অৱশ্যে বাস্তৱিক ক্ষেত্ৰত এই প্ৰক্ৰিয়া তেনেই উজু হৈ থকা নাই। ৰাজ্যিক অথবা নগৰ পৰ্যায়ত মাটি বেদখলত থকা কোনো সংস্থাই সেই ভূমি মান্যতা থকা বুলি ঘোষণা কৰাৰ অনুমতি নিদিয়ে। তেনে ভূমিত থকা বাসিন্দাৰ পৰা মাটি কাঢ়ি লৈ ব্যক্তিগত উদ্দেশ্যত ব্যৱহাৰ কৰাৰ বাবে তেনে সংস্থাই ইচ্ছা কৰে। বাস্তৱিক ক্ষেত্ৰত দেখা যায় যে কোনো এখন চহৰৰ মূল পৰিকল্পনাত কোনো বিশেষ ভূমিৰ কোনো স্বত্বাধিকাৰী নাথাকিলে বা তাৰ ব্যৱহাৰ সম্পৰ্কত স্পষ্ট উল্লেখ নাথাকিলে তেনে ভূমিত পুনৰ্সংস্থাপনৰ মান্যতা থকা বুলি ধৰা হয়। আন্তৰাষ্ট্ৰীয় আৰু ৰাষ্ট্ৰীয় পুঁজি লাভ কৰাৰ উদ্দেশ্যে প্ৰায়বোৰ চহৰেই মান্যতাৰ বিষয়টো মুনাফাৰ দিশৰ পৰা দেখুৱাবলৈ চেষ্টা কৰে। এই কথা নক'লেও হয় যে চহৰৰ উচ্চ মূল্যৰ ভূমিৰ মান্যতা নথকা আৰু চহৰৰ ভিতৰৰ অথবা দাঁতিকাষৰীয়া ভূমিৰ মান্যতা থকা বুলি এনে চহৰে বিবেচনা কৰে।

ভূমিৰ প্ৰভাৱ আৰু মান্যতাৰ ধাৰণা সম্পৰ্কত থকা মতানৈক্যৰ বাবেই ভালেমান চহৰত ৰাজীৱ আৱাস যোজনা আৰম্ভ কৰিব পৰা হোৱা নাই। জৱাহৰলাল নেহৰু ৰাষ্ট্ৰীয় নগৰ নবীকৰণ অভিযানৰ ক্ষেত্ৰতো একেই সমস্যা উদ্ভৱ হৈছিল। বহুক্ষেত্ৰত মান্যতা নথকা বুলি অজুহাত দেখুৱাই আৱাসী সংস্থাকে ধৰি স্থানীয় অনুষ্ঠানে অভিযানৰ বাবে চৰকাৰক ভূমি অধিগ্ৰহণ নকৰিবলৈ হেঁচা প্ৰদান কৰিছিল। তৃণমূল পৰ্যায়ত থকা তীব্ৰ ন্যস্ত স্বাৰ্থৰ বাধাৰ বাবে বহুসময়ত মান্যতা সম্পৰ্কীয় সমস্যা সমাধান কৰাৰ ক্ষেত্ৰত ৰূপায়ণকাৰী সংস্থা অথবা জিলা পৰ্যায়ৰ কৰ্তৃপক্ষই সেও মানিব লগা হৈছে। ৰাষ্ট্ৰীয় পৰামৰ্শ কমিটীয়ে এনেধৰণৰ মান্যতা সম্পৰ্কীয় সমস্যা সমাধানৰ বাবে জিলা উপায়ুক্তক দায়িত্ব দিছে। কিন্তু মান্যতা সম্পৰ্কত কেন্দ্ৰ তথা ৰাজ্য চৰকাৰৰ স্পষ্ট নিৰ্দেশাৱলী নথকালৈকে এনেধৰণৰ সমস্যা সমাধান কৰাটো জিলা উপায়ুক্তৰ বাবে সম্ভৱপৰ নহয়।

ৰাষ্ট্ৰীয় নমুনা জৰীপৰ পৰা আহৰিত তথ্যৰ ভিত্তিত বস্তি অঞ্চলৰ বাসিন্দাৰ বৈশিষ্ট্যৰ বিশ্লেষণৰ যোগেদি শ্ৰেণীবিভাজন কৰাৰ ক্ষেত্ৰত সহায় কৰিব পাৰে। আচলতে আগন্তুক ৰাষ্ট্ৰীয় নমুনা জৰীপত মান্যতা থকা বস্তি অঞ্চলৰ কেতবোৰ দিশ সংযোজন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে যাতে তেনে লোকৰ চিনাক্তকৰণ অধিক ত্ৰুটিমুক্ত হয়। এনেদৰে আহৰিত হ'বলগা তথ্যৰ ভিত্তিত কেতবোৰ ৰাজ্য যেনে মহাৰাষ্ট্ৰ আদিৰ গড়ে ৭০ শতাংশ বস্তি অঞ্চল মান্যতা থকা বুলি তথ্য সম্বলিত যুক্তি দৰ্শাব পৰা যায়। এনে কৰিলে মহাৰাষ্ট্ৰৰ দৰে ৰাজ্যসমূহৰ অন্তৰ্গত চহৰসমূহে নিৰ্দিষ্ট সংখ্যক ভূমিতকৈ কম অঞ্চল মান্যতা থকা বুলি দেখুৱাব নোৱাৰিব আৰু ৰাজীৱ আৱাস যোজনাৰ ৰূপায়ণ সহজ হ'ব। কেতবোৰ চহৰত এই হাৰ ৬৫ শতাংশ হ'লেও আন প্ৰায়বোৰ চহৰতে ৭৫ৰ পৰা ৮০ শতাংশ মান্যতা থকা বস্তি অঞ্চল ওলাব। ৰাষ্ট্ৰীয় বা ৰাজ্যিক পৰ্যায়ত এনে কোনো সীমা নিৰূপণ কৰি নিদিয়া হেতুকে স্থানীয় কৰ্তৃপক্ষই মাত্ৰ ২৫ৰ পৰা ৩০ শতাংশ বস্তি অঞ্চলক মান্যতা প্ৰদান কৰিয়ে দায়িত্ব সামৰিছে। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে মান্যতা সম্পৰ্কত পৰামৰ্শৱলীৰ যোগেদি স্পষ্ট ব্যাখ্যা আগনবঢ়োৱালৈকে স্থানীয় পৰ্যায়ত এই সমস্যা সমাধান সম্ভৱপৰ নহয় আৰু এই প্ৰক্ৰিয়াই আইনী বাধাৰ সন্মুখীন হৈয়ে থাকিব। সি যি কি নহওক, চহৰ এখনে ৭৫ শতাংশ বস্তি অঞ্চল মান্যতা থকা বুলি ঘোষণা কৰাটো বাধ্যতামূলক কৰিলে সম্পদ সৃষ্টিৰ বাবে স্থানীয় কৰ্তৃপক্ষই অধিক ভূমিক অবৈধভাৱে ব্যৱহাৰ কৰিব নোৱাৰিব। তদুপৰি মান্যতা থকা উক্ত ভূমি কোনো ব্যক্তিগত ব্যৱসায়ীক দিব নোৱাৰাটোও নিশ্চিত কৰিব লাগিব।

**যোগ্য পৰিয়ালৰ বাছনি ঃ**

ভূমি উপলব্ধতা আৰু মান্যতা আদি যোগান বিষয়ক সমস্যা। তাৰ বিপৰীতে চাহিদা বিষয়ক সমস্যা হ'ল পৰিয়ালৰ যোগ্যতা আৰু বহনক্ষমতা নিৰ্ণয়। দৰাচলতে ৰাজীৱ আৱাস

যোজনাৰ ৰূপায়ণৰ ক্ষেত্ৰত দেখা দিয়া নীতিগত সমস্যা হ'ল সাহায্যপ্ৰাপ্ত আৱাস-ব্যৱস্থাৰ বাবে পৰিয়ালৰ যোগ্যতা নিৰূপণ। এটা বস্তি অঞ্চলত গৃহ আৰু পট্টা পোৱাৰ যোগ্যতা কেনেদৰে নিৰূপণ কৰা উচিত? বিভিন্ন নাগৰিক সংস্থাৰ যুক্তি মতে যোগ্যতা নিৰূপণ নকৰি বস্তি অঞ্চলটোত থকা প্ৰত্যেকেই যোগ্য বুলি বিবেচিত হ'ব লাগে। এই কথা সৰ্বজন বিদিত যে শক্তিশালী ভূ-মাফিয়াই বস্তি অঞ্চল নিয়ন্ত্ৰণ কৰে আৰু এই ক্ষেত্ৰত তেনে চক্ৰই তেনে অঞ্চলত থকাৰ দাবী জনাব পাৰে। সেয়ে যোগ্য পৰিয়াল বাছনি কৰাৰ বাবে কেতবোৰ চৰ্তাৱলী থকাটো নিতান্তই প্ৰয়োজন। আকৌ যদি যোগ্যতা নিৰূপণৰ দায়িত্ব চৰকাৰী সংস্থাক দিয়া হয় তেন্তে ভোটদাতাৰ পৰিচয়-পত্ৰ, ৰেচন কাৰ্ড আদিৰ আধাৰতহে যোগ্যতা নিৰূপণ কৰা হ'ব। ইয়াৰ ফলত এই অভিযানৰ মূল উদ্দেশ্যই অসাৰ হৈ পৰিব, কিয়নো দশকজুৰি বাস কৰা সত্বেও প্ৰায়ভাগ বস্তি অঞ্চলৰ বাসিন্দাই তেনে কাৰ্ডৰ ব্যৱস্থা কৰি ল'ব পৰা নাই।

এই ক্ষেত্ৰত নৱৈৰ দশকৰ শেষৰ ফালে 'অঞ্চলবিশেষ সম্পদ কেন্দ্ৰ উন্নয়ন সমাজ' (চমুকৈ স্পাৰ্ক)এ মহাৰাষ্ট্ৰৰ ৰাজ্য চৰকাৰ আৰু মুম্বাই পৌৰ নিগমৰ সহযোগত লেখত ল'বলগীয়া কাম কৰিছিল। তেওঁলোকে ১৬-১৭ খনমান নথিপত্ৰৰ এখন তালিকা প্ৰস্তুত কৰিছিল য'ত বিবেচনাৰ যোগ্য কেতবোৰ নথি যেনে এটা ঠিকনাত পোৱা চিঠি, ভূমি হস্তান্তৰৰ দলিল, ঠিকনা থকা চিকিৎসা ব্যয়ৰ বিল আদি নথিভুক্ত কৰা হৈছিল। এটা পৰিয়ালৰ আনকি এনে কোনো নথি-পত্ৰ নাথাকিলেও কোনো আলোচনাত উপস্থিত থকা বিশটা চিনাক্তকৃত পৰিয়ালে উক্ত পৰিয়ালটো সেই অঞ্চলত থকাৰ সাক্ষ্য দিলে তাক গ্ৰাহ্য কৰা হৈছিল। এই সকলো কাৰ্য এক সমীক্ষাৰ যোগেদিহে কৰা হৈছিল য'ত পৌৰ নিগম, ৰাজ্য চৰকাৰৰ বিষয়-ববীয়া, নাগৰিক সমাজ আৰু সমূহীয়া প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিছিল। যোগ্য পৰিয়ালক দিয়া পট্টাৰ প্ৰমাণ-পত্ৰত এই চাৰিওটা সংস্থাৰ প্ৰতিনিধিৰ স্বাক্ষৰ আছিল।

সমীক্ষাৰ বাবে যিকোনো বস্তি অঞ্চলত থকা লোকে চহৰখনত কিমান দিন ধৰি আছে তাৰ ভিত্তিত বসবাসৰ যোগ্যতা বিষয়ক সময়সীমা নিৰ্দ্ধাৰণ কৰি দিয়া উচিত। অৱশ্যে এই সীমা অঞ্চলভেদে ভিন্ন কৰা উচিত। এন সমীক্ষাৰ প্ৰক্ৰিয়া আনুষ্ঠানিক হ'ব লাগে যদিও নথি-পত্ৰ আৰু কাৰ্যনীতিৰ ওপৰত ভিত্তি কৰি এইক্ষেত্ৰত নমনীয়তা থকাটো প্ৰয়োজনীয়। স্থানীয় চৰকাৰ আৰু সংশ্লিষ্ট বিভাগ এই ক্ষেত্ৰত জড়িত থাকিব লাগিব আৰু এনে সমীক্ষাৰ বাবে আইনী ব্যৱস্থা থাকিব লাগিব। তদুপৰি উক্ত প্ৰক্ৰিয়াত স্থানীয় সমূহীয়া সংস্থাৰ অন্তৰ্ভুক্তি খুবেই গুৰুত্বপূৰ্ণ। দুৰ্ভাগ্য-বশতঃ ৰাজীৱ আৱাস যোজনা, জৱাহৰলাল নেহৰু ৰাষ্ট্ৰীয় নগৰ নবীকৰণ অভিযান আদিৰ অধীনত কৰা সমীক্ষাত ইতিমধ্যে এক বুজন পৰিমাণৰ ধন ব্যয় কৰা হৈছে। সমীক্ষাৰ প্ৰশ্নাৱলী প্ৰস্তুত কৰা আৰু যোগ্যতা নিৰূপণৰ বাবে বিবেচনা কৰিবলগীয়া নথিৰ তালিকা নিৰ্দ্ধাৰণ কৰাৰ বাবে বৈঠক অনুষ্ঠিত কৰা হৈছিল। দুৰ্ভাগ্যৰ কথা যে কোনো কাৰ্যনীতি বা নথিৰ তালিকা নিৰ্দ্ধাৰণ নকৰাকৈয়ে কেৱল ৰাজনৈতিক আৰু প্ৰশাসনিক কাৰণতে ভালেমান চহৰত এই সমীক্ষা চলোৱা হৈছিল।

**আবাস গৃহ বহনক্ষমতা ঃ**

যোগ্যতা নিৰূপণৰ ক্ষেত্ৰত অভিযানৰ বেংকিঙৰ দিশটো খুবেই প্ৰাসংগিক। দীপক পাৰেখ কমিটী (বহনক্ষম আৱাস ব্যৱস্থাৰ কমিটী, আৱাস ব্যৱস্থা আৰু নগৰী দৰিদ্ৰতা দূৰীকৰণ মন্ত্ৰণালয়, ভাৰত চৰকাৰ, ২০০৪)এ বহনক্ষম আৱাস ব্যৱস্থাৰ ক্ষেত্ৰত মুকলি মত প্ৰকাশ কৰিছে। এই কমিটীয়ে লোৱা সিদ্ধান্ত অনুযায়ী এটা পৰিয়ালে ঋণ পৰিশোধৰ বাবে মাহেকীয়া কিস্তি হিচাপে বৰ্তমানৰ মূল্যৰ হিচাপত ৩০০০ টকাকৈ দিব লাগিব। গ্ৰাহক মূল্যাংক সূচক অনুযায়ী দিল্লী মহানগৰত এনে এটা পৰিয়ালৰ মাহিলি আয় ৬৫০০ টকা। সৰু চহৰত এই আয় আৰু তললৈ নামি ৫৮০০ৰ পৰা ৬০০০ হয়গৈ। এয়া ভাল আয় নহয় যদিও এই কথা সঁচা যে চহৰ অঞ্চলত থকা পৰিয়ালৰ ২০ শতাংশ লোকে এই দুৰ্দশাগ্ৰস্ত অৱস্থাতে জীৱন নিৰ্বাহ কৰি আহিছে। ৩০০০ টকা মাহিলি কিস্তি দিব পৰা সকলক বাদ দি এনে পৰিয়ালসমূহৰ ক্ষেত্ৰত অভিযানে বিশেষ ব্যৱস্থা লোৱা খুবেই জৰুৰী।

অলপ পুৰণি তথ্য খুচৰি চোৱা হওক। ২০০৯-১০ বৰ্ষৰ ৰাষ্ট্ৰীয় নমুনা জৰীপৰ গ্ৰাহক-ব্যয়ৰ সমীক্ষা তথ্যৰ ভিত্তিত এই যুক্তি দৰ্শোৱাৰ থল আছে যে নগৰৰ জনসংখ্যাৰ ৩০ শতাংশ পৰিয়ালে ঋণ পৰিশোধৰ বাবে মাহিলি ৮৫০ টকাতকৈ বেছি বহন কৰিব নোৱাৰে। কৈ থোৱা ভাল যে এই পৰিমাণ তেওঁলোকৰ মাহিলি খৰচৰ (খাদ্যৰ বাবে হোৱা ব্যয় নধৰাকৈ) সমান। বৰ্তমানৰ মূল্য হিচাপত এই পৰিমাণ ১০০০ টকা হ'ব। এনে পৰিস্থিতিত ২৮০০ৰ পৰা ৩০০০ টকা মাহিলি কিস্তি হিচাপত নিৰ্দ্ধাৰণ কৰিলে সকলোতকৈ প্ৰয়োজন থকা পৰিয়ালেই

এই আঁচনিৰ আওতাত নপৰিব। এই কথা সঁচা যে বৃহৎ চহৰৰ ক্ষেত্ৰত ৰাজহুৱা কৰ্তৃপক্ষই ভূমিৰ ব্যয় বহন কৰিলেও ১০০০ টকাত ভাল আৱাস-গৃহ নিৰ্মাণ কৰিব পৰা নাযাব। যদিহে অভিযানৰ বেংকিঙৰ দিশটো চাবলৈ হয়, তেন্তে ৰাজীৱ আৱাস যোজনাৰ অধীনত নিৰ্মিত গৃহৰ কালি ১২০ বৰ্গফুটৰ তললৈ অনা উচিত। ১৮০ বৰ্গফুট ন্যূনতম গ্ৰহণযোগ্য কালিৰ গৃহ দিবলৈ হ'লে অতিৰিক্ত সুত আৰু অৰ্থসাহায্য দিব লগা হ'ব।

**জৱাহৰলাল নেহৰু ৰাষ্ট্ৰীয় নগৰ পুনৰ নবীকৰণ অভিযানৰ অধীনত বহিৰ্ভুতকৰণৰ নগৰীকৰণ ঃ**

জৱাহৰলাল নেহৰু ৰাষ্ট্ৰীয় নগৰ পুনৰ নবীকৰণ অভিযান ৰূপায়িত হোৱা ৬৫ খন বৃহৎ চহৰৰ কথা বিবেচনা কৰিলে দুটা পৰিঘটনা আমাৰ মনলৈ আহে। (ক) এনে চহৰৰ জনসংখ্যাৰ হাৰ কমি আহিছে আৰু (খ) এনে চহৰত বস্তি অঞ্চলৰ জনসংখ্যা আকস্মিকভাৱে কমি আহিছে। এই তথ্য ২০১১ বৰ্ষৰ লোকপিয়ল আৰু ৬৯তম ৰাষ্ট্ৰীয় নমুনা জৰীপৰ তথ্যত স্পষ্ট দেখা গৈছে। ইয়াৰ কাৰণ হিচাপে এনে চহৰসমূহত হোৱা ক্ৰমবৰ্ধমান ব্যাপক নগৰী অনাময় অভিযানৰ কথা ক'ব পাৰি। এনে অভিযানত বস্তি অঞ্চল উচ্ছেদ কৰি তেনে পৰিয়ালক নগৰৰ দাঁতিকাষৰীয়া অঞ্চললৈ ঠেলি দিয়া হৈছে। মৌলিক সেৱা লাভ নকৰা দুৰৱস্থাগ্ৰস্ত বস্তি অঞ্চলৰ উচ্ছেদে বস্তি অঞ্চলত থকা জীৱন নিৰ্বাহৰ মান উন্নত কৰিব আৰু ইয়াৰ ফলত চহৰখনত মৌলিক সা-সুবিধা লাভ কৰা লোকৰ সংখ্যা বাঢ়িব। তদুপৰি বস্তি অঞ্চলৰ বাসিন্দাৰ উচ্ছেদ আৰু উপান্তকৰণে চহৰখনত মৌলিক সা-সুবিধাৰ উপলব্ধতা বঢ়াব।

জৱাহৰলাল নেহৰু ৰাষ্ট্ৰীয় নগৰ পুনৰ নবীকৰণ অভিযান আঁচনি সকলো জনসাংখ্যিকীয় সূচকৰ দিশৰ পৰা উক্ত ৬৫ খন চহৰত এনেদৰে বহিৰ্ভুক্তিকৰণৰ আঁচনিৰূপে প্ৰমাণিত হৈছে। এনে চহৰত জনসংখ্যাৰ বিকাশৰ হাৰো কমি আহিছে। জৱাহৰলাল নেহৰু ৰাষ্ট্ৰীয় নগৰ পুনৰ নবীকৰণ অভিযান আঁচনি-ভুক্ত চহৰত দ্ৰুত হাৰত কমি অহা জনসাংখ্যিকীয় বিকাশৰ বিষয়টো জন্ম-মৃত্যুৰ অৱনমিত ধাৰাৰ লগত সাঙুৰিব নোৱাৰি। এনে চহৰসমূহত প্ৰব্ৰজন-কাৰীক সামৰি লোৱাৰ হাৰ কমি অহাটোতে ইয়াৰ সঠিক ব্যাখ্যা লুকাই আছে। তদুপৰি ৰাষ্ট্ৰীয় নমুনা জৰীপৰ পৰা আহৰিত তথ্যই এই ক্ষেত্ৰত নিৰ্ভৰযোগ্য সাক্ষ্য বহন কৰে যে জৱাহৰলাল নেহৰু ৰাষ্ট্ৰীয় নগৰ পুনৰ নবীকৰণ অভিযান আঁচনিভুক্ত চহৰ-সমূহত দৰিদ্ৰ লোকৰ সংখ্যা লক্ষণীয়-ভাৱে কমি আহিছে।

**ৰাজীৱ আৱাস যোজনাৰ যথাৰ্থ ৰূপায়ণৰ বাবে এক দৃষ্টিকোণ ঃ**

এই কথা সম্প্ৰতি প্ৰায়ভাগ প্ৰশাসন আৰু পৰিকল্পনাৰ লগত জড়িতসকলে স্বীকাৰ কৰিছে যে বৃহৎ চহৰসমূহৰ তুলনাত সৰু চহৰসমূহ আন্তঃগাঁথনি-মূলক দিশত যথেষ্ট দুৰ্বল আৰু জনসংখ্যাৰ হাৰো অধিক। সেয়ে এনে চহৰসমূহত বিদ্যুৎ, পানী, অনাময়ৰ সুবিধা আদিৰ প্ৰতি নীতি নিৰ্ধাৰকসকলে গুৰুত্ব দিবই লাগিব। বৃহৎ চহৰসমূহত ৰাজীৱ আৱাস যোজনা, জৱাহৰলাল নেহৰু ৰাষ্ট্ৰীয় নগৰ পুনৰ নবীকৰণ অভিযান আদি আঁচনিৰ মনোনিৱেশ কৰাৰ পৰিৱৰ্তে ক্ষুদ্ৰ আৰু মজলীয়া চহৰসমূহত মৌলিক প্ৰয়োজন পূৰণৰ বাবে তেনে পৰিস্থিতিত খাপ খোৱাকৈ নতুন ধৰণৰ অভিযান হাতত লোৱাটো জৰুৰী হৈ পৰিছে। ২০১১ বৰ্ষৰ লোকপিয়লত চিনাক্ত কৰা ২৮০০ খন নতুন চহৰৰ প্ৰায়ভাগতেই অ-কৃষিগত কাৰ্যকলাপৰ বৰ্দ্ধিত বিকাশ ঘটা আৰু মিশ্ৰ অৰ্থনীতিৰ দিশে আগবঢ়াৰ সম্ভাৱনা দেখা গৈছে। এনে চহৰসমূহলৈ আন্তঃগাঁথনি-মূলক সাহায্য আগনবঢ়ালে অইন চহৰৰ লগত ফেৰ মাৰিব নোৱাৰাৰ লগতে ভৱিষ্যতে বিকাশ কেন্দ্ৰ হিচাপে গঢ় লোৱাত এনে চহৰসমূহ ব্যৰ্থ হৈ নগৰীয়া প্ৰেক্ষাপটৰ পৰা হেৰাই যোৱাটো ধ্ৰুৱপ। বিকাশৰ সম্ভাৱনা থকা এনে চহৰসমূহলৈ আন্তঃগাঁথনিমূলক সাহায্য আগবঢ়োৱাটো দেশখনৰ সুষম বিকাশৰ কাৰ্যনীতিৰ মুখ্য বিষয় হোৱা উচিত।

ৰাজীৱ আৱাস যোজনাৰ কাৰ্যনীতি আৰু ৰূপায়ণ ভিন্ন দিশত ধাৱমান হোৱাৰ সময়তে ৰাষ্ট্ৰীয় আৰু নগৰ পৰ্যায়ত থকা নীতি নিৰ্ধাৰকসকলৰ মাজত সমন্বয়ৰ এক গুৰুত্বপূৰ্ণ ব্যৱধান পৰিলক্ষিত হৈছে। স্থানীয় পৰ্যায়ত ভূমিৰ অধিকাৰীসকলে পূৰ্বৰ ঠাইতে উন্নয়ন সম্পূৰ্ণৰূপে প্ৰত্যাখ্যান কৰিছে। বস্তি অঞ্চলৰ অন্তৰ্ভুক্ত ভূমিৰ অধিকাৰী সংস্থাসমূহে ইটোৰ পিছত সিটো অজুহাত দেখুৱাই ভূমিৰ মান্যতা নথকা বুলি মত দৰ্শাইছে। তাতে আকৌ বস্তি অঞ্চলৰ বাসিন্দাই চহৰৰ দাঁতিকাষৰীয়া ঠাইত পুনৰ্সংস্থাপিত হোৱাটো বিচৰা নাই। এনে ধৰণৰ বাস্তৱিক পৰিস্থিতিত বস্তিমুক্ত ভাৰতবৰ্ষৰ ৰাষ্ট্ৰীয় পৰিকল্পনা একপ্ৰকাৰে অসম্ভৱ হৈ পৰিছে। তৎসত্বেও যদিহে নগৰাঞ্চলৰ বস্তিৰ ৬০ৰ পৰা ৭০ শতাংশ ভূমি মান্যতা থকা বুলি ঘোষণা কৰিব পাৰিলে গোটেই নহ'লেও বস্তি অঞ্চলৰ জনসংখ্যাৰ অতি কমেও দুই-তৃতীয়াংশ পৰিয়ালক উচিত সা-সুবিধাযুক্ত দুই বা তিনি মহলীয়া অট্টালিকাত সামৰি ল'ব পৰা যাব।

**(২৪ পৃষ্ঠাত চাওক)**

# ভাৰতীয় নগৰীকৰণ ব্যৱস্থাত গ্ৰাম্য সমস্যাৰ সমাধান

**নৰেন্দ্ৰৰ পাণি***

ভাৰতত নীতি বিষয়ক ভাষণ আৰু আলাপ-আলোচনা আদিত চহৰ আৰু গাঁৱৰ মাজৰ প্ৰভেদৰ দিশটো পৰিস্ফূট কৰিবলৈ বিচৰা হয়; আৰু তাকে অনুসৰণ কৰি তেনে সীমা কাম-কাজত বাহাল ৰখাৰ প্ৰবৃত্তিয়ে গা কৰি উঠা যেন লাগে। সত্তৰ দশকত নীতি তৈয়াৰ কৰোতাসকলে চহৰৰ পক্ষ লয় বুলি দোষাৰোপ কৰা হয়। আনপিনে সাম্প্ৰতিক কালছোৱাত তেনে নীতি তৈয়াৰ কৰোতাসকলে গ্ৰাম্য বিষয়ৰ প্ৰতিহে গুৰুত্ব দিয়ে বুলি কোৱা হয়। সি যি কি নহওক, বিশ্বায়নৰ গতি-প্ৰকৃতিৰ দ্বাৰা অনুপ্ৰাণিত সীমা সম্পৰ্কীয় কিছুমান আলোচনালৈ যদি আমি মন কৰো তেনেহ'লে সেই প্ৰভেদৰ বিষয়টো যুক্তিসংগত যে নহয় তাক বুজিবলৈ মস্কিল নহয়। ছাছকিয়া ছাছেনৰ মতে বহুলাৰ্থত ক'বলৈ গ'লে সীমা দুই আকাৰৰ। "এটা হ'ল বৰ্ডাৰ বা কাষ। ই সামগ্ৰীতেই অন্তৰ্নিহিত হৈ থাকে। ব্যক্তিৰ ক্ষেত্ৰতো ই বিদ্যমান আৰু আহিলা-পাতিৰ সন্দৰ্ভতো ইয়াৰ স্থিতি বাহাল থাকে। আনটো হ'ল সীমাৰ ক্ষেত্ৰত বিভিন্ন অৱস্থান থাকে। সেয়া পামৰ ভিতৰত কিম্বা দুই ৰাষ্ট্ৰৰ দীৰ্ঘ পৰিধিত থাকিব পাৰে।" এই দুই ধৰণৰ সীমা চহৰ আৰু গাঁওসমূহৰ মাজত আছে। খৰতকীয়াকৈ বিকাশ সাধন কৰা ভাৰতীয় চহৰত এই প্ৰভেদ দেখিবলৈ পোৱা যায়। চহৰত চাকৰি বিচৰাসকলেও নিজ গাঁৱৰ স'তে সম্পৰ্ক ৰাখে আৰু তেওঁলোকে প্ৰায়ে গ্ৰাম্য জীৱনৰ পৰিচয় চহৰত থাকিলেও অটুট ৰাখে। এই প্ৰক্ৰিয়াৰে গাঁৱৰ ভিন্নতাখিনি নিজৰ লগত ৰাখি প্ৰায়ে চহৰৰ গভীৰতালৈ লৈ যায়। ভাৰতৰ চহৰবোৰ যেতিয়া বিস্তাৰিত হয় তেনে অৱস্থাতো গাঁও তথা চহৰৰ মাজত থকা সীমাৰ বহু অৱস্থান সৃষ্টি হয়; কিন্তু এটা সময়ত এনে চহৰৰ বিকাশ ক্ৰমে গাঁওবোৰকো সেই প্ৰক্ৰিয়াত সামৰি লয়। তেনে অৱস্থাতো দশকৰ পাছত দশক ধৰি গ্ৰাম্য এলেকাই গ্ৰাম্য ভাৱধাৰা বজাই ৰাখিব পাৰে; আৰু তাৰ পাচত কালক্ৰমত গ্ৰাম্য পৰিচয় ভাৰতীয় চহৰত গভীৰভাৱে মিলি যায়। এই পৰিৱৰ্তন ইমানেই অধিক হয় যে কিছু স্পষ্ট ভূমিকাৰ অবিহনে আমি তেনে ভাৰতীয় চহৰবোৰক বুজি পাওঁ বুলি দাবী কৰিব নোৱাৰো।

ভাৰতীয় চহৰবোৰত গ্ৰাম্য প্ৰভাৱ দুটা সুকীয়া পৰিধিৰ মাজত জড়িত হৈ পৰে। এটা হ'ল স্থায়ী ব্যৱস্থা। চহৰত গাঁও লীন হৈ যায় আৰু চহৰৰ উন্নয়নমূলক কাম আশে-পাশে গঢ় লৈ উঠে। আনটো হ'ল কিছু দূৰৈত থকা নগৰ আৰু গাঁৱৰ মাজৰ সীমা; পিছে সেই সীমা কিছুমান লোকৰ বাসস্থানৰ তেনেই ওচৰতেই অৱস্থিত; কাজেই তেওঁলোকৰ উৎপাদিত সামগ্ৰীবোৰো তাৰেই অন্তৰ্গত হৈ পৰে। এনে ধৰণৰ আপোচ সীমাংসাৰ প্ৰতি অলপ আলোকপাত কৰিলেই এইটো স্পষ্ট হৈ উঠে যে চহৰৰ পৰিস্থিতি গ্ৰাম্য এলেকাৰ ঘটনাৱলীৰ দ্বাৰা প্ৰভাৱান্বিত হ'ব পাৰে। সেয়ে চহৰক কেন্দ্ৰ কৰি যুগুতোৱা উপযুক্ত নীতিয়ে গাঁৱক অৱজ্ঞা কৰিব নোৱাৰে। এই প্ৰবন্ধটোত ভাৰতৰ এখন চহৰৰ অভিজ্ঞতাৰ ওপৰত চমুকৈ আলোকপাত কৰিবলৈ প্ৰয়াস কৰা হৈছে। সেই চহৰখন হ'ল বেঙ্গালুৰু।

### চহৰৰ ভিতৰতে গাঁও

গাঁওসমূহ চহৰত মিলি যোৱাৰ বিষয়বোৰ দেশখনৰ আটাইবোৰ চহৰত একেই বুলি আশা কৰিব নোৱাৰি। চহৰসমূহৰ মাজতেই পাৰ্থক্য থাকিব পাৰে। চহৰত মিলি যোৱা গাঁৱত এখন তথ্য প্ৰযুক্তি পাৰ্ক সৃষ্টিৰে সুকীয়া ভৱিষ্যৎ সূচনা কৰিব পাৰি। কিন্তু আন কিছুমান চহৰত লীন হৈ যোৱা গাঁৱৰ তুলনামূলক নিম্ন তথা প্ৰস্তুত গোটৰ পৰা সেই আশা কৰিব পৰা নাযায়। কিন্তু এনে প্ৰক্ৰিয়াৰ উদাহৰণৰ প্ৰতি অতি নিকট-ভাৱে দৃষ্টি আৰোপ কৰাটো লাভজনক হ'ব আৰু তাৰ পৰা প্ৰাপ্ত অন্তৰ্দৃষ্টি আন পৰিস্থিতি আৰু চহৰৰ বিষয়ে বুজ লোৱাত সহায়ক হ'ব। বেঙ্গালুৰুৰ যিকেইখন গাঁও চহৰত মিলি যায় তাৰ বিকাশ সাধনৰ ক্ষেত্ৰত সাজ-পোছাক ৰপ্তানি কৰা উদ্যোগ প্ৰতিষ্ঠা কৰাটো হ'ল উল্লেখনীয় বিষয় আৰু সেয়া গতিশীলতাৰ দৃষ্টান্ত।

বেঙ্গালুৰুৰ উদ্যোগত ঘাইকৈ পোছাক তৈয়াৰ কৰা মহিলা কৰ্মীসকলৰ

*নৰেন্দ্ৰৰ পাণি বেঙ্গালুৰুৰ নেশ্বনেল্ ইনষ্টিটিউট অৱ এডভান্সড ষ্টাডিজৰ অধ্যাপক

মন কৰিব লগা বৈশিষ্ট্য হ'ল তেওঁলোকৰ কৰ্ম অৱস্থা আৰু তেওঁলোকৰ বসবাসৰ অৱস্থাৰ মাজত থকা প্ৰভেদ। সেই সকল মহিলা কৰ্মীৰ অৱস্থা তেওঁলোকে নিজৰ কাৰখানাত কাম কৰা অৱস্থাৰ পৰা বিপৰীত। ২০০৯ চনত বেঙ্গালুৰুৰ নেচনেল ইনষ্টিটিউট অব এডভান্সদ ষ্টাডিজে চলোৱা সমীক্ষাই এইসকল মহিলা কৰ্মীয়ে সন্মুখীন হোৱা অৱস্থা সম্পৰ্কে উদঙাই দেখুৱাইছে। ১নং তালিকাত মহিলা কৰ্মী আৰু তেওঁলোকৰ ঘৰৰ এখন প্ৰতিচ্ছবি দাঙি ধৰা হৈছে। এইসকল মহিলা কৰ্মীয়ে যিখিনি উপাৰ্জন কৰে সেইখিনিতে তেওঁলোকক দৰিদ্ৰতা সীমাৰেখাৰ ওপৰত উপবিষ্ট কৰে। কিন্তু সেয়াই যথেষ্ট নহয়। সৰহভাগ মহিলা কৰ্মীৰ পৰিয়ালৰ নিজা ঘৰ নাই। ভাড়া কৰি থাকিব লগা হয়। উদ্যোগত কাম অনুযায়ী আশানুৰূপ পাৰিশ্ৰমিক নোপোৱাৰ বাবে কৰ্মীসকলে সঘনাই ইটো-সিটো উদ্যোগলৈ যাব লগা হয়। চহৰখনত ৰাজহুৱা পৰিবহণৰ অধিক খৰচে সৰহভাগ কৰ্মচাৰীকেই কাম কৰিবলৈ খোজকাঢ়ি যাব লগা অৱস্থাত পেলায়। এই কথাই এইটোৱেই অৰ্থ কৰে যে তেওঁলোকে যেতিয়া চাকৰি সলায় তাৰ লগে লগে ঘৰো সলাব লগা হয়; কাৰণ যি স্থানত চাকৰি কৰিব লাগে তাৰ পৰা থকা বাসস্থান ওচৰত হ'ব লাগে। তেতিয়াহে খোজকাঢ়ি অহা-যোৱা কৰা সম্ভৱ হ'ব। সৰহভাগ কৰ্মীয়ে যি ঘৰ ভাড়াত ল'ব লাগে সেয়াও সস্তা হ'ব লাগিব। দুখন টিনৰ চালি দিয়া ঘৰতে তেওঁলোকে ভাড়া দি থাকিব পাৰে। কিন্তু এনে ধৰণৰ সস্তা ঘৰবোৰত পানীৰ পাইপৰ ব্যৱস্থা নাই আৰু শৌচাগাৰো আন ঘৰৰ মানুহৰ স'তে ব্যৱহাৰ কৰিব লগা হয়। এই সস্তা ঘৰবোৰৰ অৱস্থা ভাল নহয়। গড় হিচাপে এটা কোঠাত দুজনতকৈ অধিক লোক থাকিব পাৰে আৰু ৩১ শতাংশ ঘৰৰ প্ৰতিটো কোঠাত তিনিজনতকৈ অধিক লোক থাকিব পাৰে।

চহৰখনৰ মাজত এনে ধৰণৰ তুলনামূলক হিচাপে কম দামৰ ঘৰ উদ্যোগত দিয়াৰো সূচল কৰে। বাঙ্গালোৰ বিকাশ প্ৰাধিকৰণে আৱাসিক ক্ষেত্ৰৰ বাবে মাটি অধিগ্ৰহণ কৰি অধিক মূল্যত বিক্ৰী কৰে। এনেদৰে লোৱা কৃষিভূমিয়ে শীঘ্ৰেই গাঁওখনৰ চৰিত্ৰ বদলাই দিয়ে। এখন অৰ্থনৈতিক গুৰুত্বৰ

তালিকা-১ ঃ **বেঙ্গালুৰুৰ পোছাক ৰপ্তানি উদ্যোগত কাম কৰা মহিলা কৰ্মীসকলৰ ঘৰৰ পৰিচিতি**

| | |
|---|---|
| ভাড়াত দিয়া ঘৰৰ সমানুপাতিক হাৰ | ৮৭.৫ |
| টিনৰ চালি কিম্বা আন নিকৃষ্ট সামগ্ৰীৰ নিৰ্মিত ঘৰৰ সমানুপাতিক হাৰ | ৬৪.৮ |
| কৰ্মস্থানৰ দুই কিলোমিটাৰ অন্তৰ্গত ঘৰৰ সমানুপাতিক হাৰ | ৭৮.২ |
| প্ৰতিটো কোঠাত দুই বা ততোধিক ব্যক্তি থাকিব পৰা ঘৰৰ সমানুপাতিক হাৰ (পাকঘৰকে ধৰি) | ৮১.৫ |
| প্ৰতিটো কোঠাত তিনি বা ততোধিক ব্যক্তি থাকিব পৰা (পাকঘৰকে ধৰি) ঘৰৰ সমানুপাতিক হাৰ | ৩১.৪ |
| শৌচাগাৰ নথকা ঘৰৰ সমানুপাতিক হাৰ | ৭৬.১ |
| পানীৰ সুবিধা নথকা ঘৰৰ সমানুপাতিক হাৰ | ৭৩.০ |

**উৎস ঃ** গাৰ্মেণ্ট ৱৰ্কাৰ্ছৰ এন আই এ এছ-ৰ সমীক্ষা, ২০০৯

টোকা ঃ সকলো পৰিসংখ্যা শতাংশ হিচাপত

বেঙ্গালুৰুত হোৱাই-নোহোৱাই যেনে-তেনে কৰি গাওঁবোৰক চহৰৰ ভিতৰত কৰি লোৱাৰ কথাকেই সূচায়; কিয়নো আকাশলংঘী মূল্যৰ ভূ-সম্পত্তিৰ মাজত তেনে বিকল্প ব্যৱস্থা গ্ৰহণ কৰাটো স্বাভাৱিক কথা। ১৯৭০ আৰু ১৯৮০ৰ দশকত মাটি অধিগ্ৰহণৰ চৰকাৰী মূল্যাংকন ব্যৱস্থাত এইটো উল্লেখ কৰা হয় যে এই প্ৰক্ৰিয়াই কমেও দুখন আইন প্ৰণয়নৰ জৰিয়তে উদগণি লাভ কৰে। সেয়া হ'ল— কৰ্ণাটক ঔদ্যোগিক এলেকা বিকাশ আইন, ১৯৬৬ আৰু বাঙ্গালোৰ বিকাশ প্ৰাধিকৰণ আইন, ১৯৭৬। এই আইন দুখনেই প্ৰতিষ্ঠান সৃষ্টি কৰে যি মাটি অধিগ্ৰহণ কৰা কামত ব্ৰতী হয়। কৰ্ণাটকত ঔদ্যোগিক ক্ষেত্ৰ বিকাশ বোৰ্ডৰ সৃষ্টিয়ে কৃষিভূমি লোৱাত সহজ কৰি তোলে আৰু ব্যক্তিগত ক্ষেত্ৰলৈ সেই গাঁও ৰূপান্তৰিত হয়, যি গাঁৱক বেঙ্গালুৰুত সামৰি লোৱা হয়। ফলস্বৰূপে সেই গাঁৱৰ কৃষি কাৰ্য অন্ত পৰে।

মাটিৰ হস্তান্তৰ ক্ৰমে এইবোৰ গাঁৱৰ প্ৰত্যেকৰে অৱস্থা কি হয় সেইটো মন কৰিব লগা বিষয়। ভূমিহীন লোকে সন্মুখীন হোৱা অসুবিধাসমূহৰ সৈতে 'মাটি থকা লোকৰ অসুবিধাৰ সম্পূৰ্ণৰূপে প্ৰভেদ আছে। কৃষি শ্ৰমিক হৈ থকা ভূমিহীন লোকসকলৰ পেছা চহৰত কাম কৰি জীৱিকা নিৰ্বাহ কৰা আন লোকৰ স্তৰলৈ পৰ্যবসিত হ'ব লগা হয়। আনহাতে গাঁৱৰ মাটিৰ গৰাকী-সকলক যি ক্ষতিপূৰণ দিয়া হয় সেই সুবিধা সেই ভূমিহীনসকলে নাপায়। এই ক্ষেত্ৰত গোল্ডমেনে দাঙি ধৰা যুক্তি প্ৰণিধানযোগ্য। তেওঁ কয়, "মাটিৰ

গৰাকী আৰু গৰাকী নোহোৱাসকলক দুটা শ্ৰেণীত ভাগ কৰি এটা শ্ৰেণীক মাটি অধিগ্ৰহণৰ ফলত ক্ষতিপূৰণৰ উপযুক্ত কৰা আৰু আনসকলক জীৱিকা নিৰ্বাহৰ পৰা বঞ্চিত কৰা ব্যৱস্থাৰে ইতিমধ্যে সামাজিক আৰু সাংস্কৃতিক দিশত যি জটিলতাৰ সৃষ্টি হৈছে তাক আৰু তললৈ নমাই দিয়া হয়। গ্ৰামাঞ্চলৰ জীৱিকা নিৰ্বাহৰ কৌশলৰাজিকো গুৰুত্বহীন কৰি পেলোৱা হয়। কাৰণ সেই অধিগ্ৰহণ চহৰৰ ডাঙৰ ডাঙৰ প্ৰকল্পৰ কাৰণে মুকলি কৰি দিয়া হয়।”

বেঙ্গালুৰুৰ আশে-পাশে অৱস্থিত গাঁওবোৰত নিজ মাটিত খেতি কৰা খেতিয়ক আৰু ভূমিহীন খেতিয়কৰ মাজত প্ৰভেদ আছে। ভূমিহীন খেতিয়কৰ সংখ্যাও বেছি নহয়। সেই নিজ মাটিৰ খেতিয়কসকলৰ মাটি বেছি নাথাকে। কোনো কোনোৰহে অধিক থাকে। তেনে অধিক থকাসকলে ক্ষতিপূৰণৰ দ্বাৰা কিছু সকাহ পালেও চহৰত তেওঁলোকক সামৰি লোৱাৰ বাবে অন্য সমস্যাৰো সন্মুখীন হ'ব লগা হয়। কাৰণ তেওঁলোকে হঠাতে তেওঁলোকৰ কৃষিভূমি হেৰুৱাই অ-কৃষিমূলক কাম-কাজ বিচাৰি উলিয়াব-লগীয়া হয়।

প্ৰায় ক্ষেত্ৰতে যিসকলৰ কৃষিভূমি আছিল তেওঁলোকে তাৰ বাবদ যি সীমিত ক্ষতিপূৰণ লাভ কৰিলে সেই ধনেৰে সীমিতভাৱে আন কামত বিনিয়োগ কৰিব লগা হ'ল, যিটো বিকশিত চহৰৰ অৰ্থনীতিৰ স'তে খাপ খাই পৰিব পাৰে। ফলস্বৰূপে তেওঁলোকে গাড়ীৰ ড্ৰাইভাৰ হ'বলৈ শিকিব লগা হ'ল। আন আত্মসংস্থান-মূলক কামৰ প্ৰতিও মন মেলিব লগা হ'ল আৰু কিছুমানে পূৰ্বতে দুগ্ধ উৎপাদনৰ অভিজ্ঞতা থকা হেতুকে সেই কামকে প্ৰসাৰিত কৰিব লগা হ'ল। গাঁৱৰ যিবোৰ অ-কৃষিমূলক মাটি আছিল সেইবোৰে আন ধৰণে কামত লগাব লগা হ'ল। তেনে মাটি কিনোতাসকলে নিৰ্দিষ্ট নিয়ম মানিব লগা হ'ল। আৰু নিয়ম অনুযায়ী তেনেবোৰ ঠাইত সস্তীয়া তথা অধিক থোপাথুপিকৈ ঘৰ সাজিব লাগে— যিবোৰে দুখীয়া লোকৰ প্ৰয়োজনীয়তা পূৰণ কৰিব পাৰে আৰু এই প্ৰক্ৰিয়া আইনৰ অন্তৰ্গত নোহোৱাকৈ চলি থাকে। এই সন্দৰ্ভত লক্ষ্মী শ্ৰীনিবাসনে ১৯৯১ চনত এনেদৰে মন্তব্য কৰিছিল— “বাঙ্গালোৰ চহৰত প্ৰায় আধা ভাগ মাটি কৰ্পোৰেচনৰ কৰৰ ৰেকৰ্ডপাতিত হিচাপত ৰখা নহয়।”

চহৰীয়া বেঙ্গালুৰুৰ অংশ হ'বলৈ ধৰা গাঁওসমূহৰ সততেই উদ্ভৱ হোৱা এই জটিল পৰ্যবসন প্ৰক্ৰিয়াত গাঁৱৰ প্ৰভাৱ মচি পেলাবলৈ মস্কিল হয়। গ্ৰাম্য জীৱনৰ চহৰমুখী ৰূপান্তৰ সাধনতো সেই প্ৰভাৱ থাকে। গাঁৱৰ মাটি থকা সেইবোৰ গোটৰ লোকে গৃহ নিৰ্মাণৰ কামতো ভাগ লয়। দুখীয়া লোকৰ বাবে সস্তীয়া ঘৰ সজাৰ ক্ষেত্ৰত সুবিধা লয়। এনেবোৰ ঘৰ নিৰ্মাণৰ ক্ষেত্ৰত কোনো অনুমতিৰ আৱশ্যক নহয় বাবে কিম্বা চৰকাৰৰ তৰফৰ পৰা চাব লগা নহয় কাৰণে এই গোট তথা ৰাজনৈতিক ব্যক্তিৰ মাজত নিকট সম্বন্ধ গঢ়ি উঠে।

### চহৰৰ বাহিৰৰ গাঁও

তুলনামূলকভাৱে দূৰণিবটীয়া গাঁও আৰু চহৰৰ মাজৰ সীমাৰ ক্ষেত্ৰতো উৎপাদিত সামগ্ৰী আৰু মানুহখিনিয়ে পাৰস্পৰিকভাৱে গ্ৰহণ কৰা ধৰণ-কৰণ আৰু আদব-কায়দা ভিন্ন ধৰণৰ হ'ব পাৰে। কেতিয়াবা মহিলা কৰ্মীসকলৰ পৰিয়ালে গাঁৱত থকা গিৰিয়েকৰ পৰিয়ালৰ মাটিৰ পৰা উৎপাদন কৰা খাদ্য-শস্য পাই থাকে। মহিলা কৰ্মীসকলে পিন্ধা সাজ-পোছাকতো গাঁও আৰু চহৰৰ পৰিচয়ৰ প্ৰতিফলন হয়। কিছুমান চহৰীয়া সাজ-পোছাক গাঁৱৰ পৰিৱেশত সদায়েই পৰিধান কৰিব নোৱাৰি— বিশেষকৈ নাইটগাউন। এই পোছাক চহৰত দিনটোত দীৰ্ঘ কালৰ বাবে কেতিয়াবা পিন্ধি থাকিব পাৰি; কিন্তু গাঁৱত তেনে পোছাক অচল। পিছে গাঁৱৰ ওপৰত চহৰৰ প্ৰভাৱৰ মাত্ৰা তথা চহৰৰ ওপৰত গাঁৱৰ প্ৰভাৱ ব্যক্তিৰ পাৰস্পৰিক ভাব বিনিময় আৰু সম্পৰ্ক ৰক্ষাৰ ওপৰত নিৰ্ভৰ কৰে। এই সন্দৰ্ভত যুক্তিও দৰ্শোৱা হয় যে চহৰলৈ প্ৰব্ৰজন কৰা সকলৰ বাবে চহৰৰ ঘৰৰ লোকে প্ৰাৰম্ভিক আধাৰ স্থাপন কৰাৰ ক্ষেত্ৰত ভূমিকা গ্ৰহণ কৰিব পাৰে আৰু এই ঘৰবোৰৰ ভিতৰত চহৰত খোপনি পুতিবলৈ বিচৰা তথা পূৰ্বতে গাঁৱৰ পৰা অহা লোককেই সততে আগভাগ লোৱা দেখা যায়। বেঙ্গালুৰুৰ পোছাক উদ্যোগত কাম কৰা প্ৰায় ৪০ শতাংশ ঘৰৰ মহিলা কৰ্মীয়ে এই ক্ষেত্ৰত ভূমিকা গ্ৰহণ কৰে। পাৰস্পৰিক ভাব বিনিময় আৰু সম্বন্ধ ৰক্ষা কৰাৰ ক্ষেত্ৰত অংশগ্ৰহণ কৰোতা-সকল কেৱল স্বামী-স্ত্ৰীৰ পৰিয়ালৰ লোকেই নহয় (যেনে-বাপেক, মাক, ভায়েক-ককায়েক আৰু ভাই-ভনী), তদুপৰি দূৰ সম্পৰ্কীয় সম্বন্ধীয় লোক আৰু কেতিয়াবা গাঁৱৰ পৰা অহা লোক।

যি ক্ষেত্ৰত পাৰস্পৰিকভাৱে ভাব বিনিময় কৰা লোকে গাঁও আৰু চহৰৰ মাজৰ যোগাযোগৰ দিশটোকে সূচায়, তেনে ক্ষেত্ৰত এই যোগাযোগৰ গভীৰতা সম্বন্ধ স্থাপনৰ দ্বাৰা অধিক বৃদ্ধি কৰিব পাৰি; আৰু সেইটোকেই প্ৰব্ৰজনৰ উৎস বুলি ক'ব পৰা যায়। গাঁও আৰু চহৰৰ মাজত অধিক পৰিমাণে ব্যক্তিগত

যোগসূত্ৰ স্থাপন হ'ব পাৰে, য'ত চহৰত কাম কৰি থকা মাতৃসকলে তেওঁলোকৰ সন্তানক গাঁৱত এৰি থৈ আহিছে। ২০০৯ চনৰ নেচনেল ইন্‌ষ্টিটিউট অব এডাভান্সড ষ্টাডিজৰ সমীক্ষাত এইটো প্ৰকাশ পায় যে বেঙ্গালুৰুৰ পোছাক উদ্যোগত কাম কৰা মহিলা কৰ্মীসকলৰ এক-পঞ্চমাংশতকৈ অধিক (মূলতঃ ২২.৫ শতাংশ) ল'ৰা-ছোৱালী (১৫ বছৰীয়া বা তাতোকৈ কম বয়সৰ) মাকৰ লগত নাথাকে। গাঁৱতেই সিহঁতক পোহপাল দিবলৈ এৰি অহা হয়। এনে ক্ষেত্ৰত মহিলা কৰ্মীসকলে অৱশ্যেই চহৰ আৰু গাঁৱৰ মাজৰ সীমা সঘনাই অতিক্ৰম কৰা স্বাভাৱিক। কাজেই গাঁৱত এৰি অহা ল'ৰা-ছোৱালীক এই ক্ষেত্ৰত চহৰ আৰু গাঁৱৰ সম্পৰ্ক ৰক্ষাৰ আধাৰৰূপে চাব পৰা যায়।

মহিলাসকলে নিজৰ ল'ৰা-ছোৱালীক গাঁৱত এৰি অহাটোৱেই যে চহৰ আৰু গাঁৱৰ মাজৰ সম্পৰ্ক ৰক্ষা কৰাৰ একমাত্ৰ কাৰণ নহয় সেই দিশটোলৈও মন কৰিব লাগিব। আৰু সেই দিশটোৱেই যথাৰ্থতা সম্বন্ধে বিশ্লেষণ কৰাৰো প্ৰয়োজন আছে। ২নং তালিকাত তাৰেই এটা আভাস দাঙি ধৰা হৈছে। ভিন ভিন কাৰকে তাত প্ৰভাৱ বিস্তাৰ কৰিব পাৰে। চহৰত থকা কৰ্মীৰ অৰ্থনৈতিক আৰু শিক্ষাৰ স্তৰ সন্তানক গাঁৱত এৰি অহাৰ প্ৰধান কাৰণ নহয়। মাকৰ শিক্ষা আৰু উপাৰ্জনৰ স্তৰ পৰিসংখ্যাগতভাৱে নিৰ্ণয় সাধনত যথেষ্ট কাৰক শক্তি নহয়।

সন্তান আৰু মাকৰ বয়সেই সিদ্ধান্ত নিৰ্ণয়ৰ ক্ষেত্ৰত অধিক প্ৰভাৱ পেলোৱা যেন লাগে। পাঁচ বছৰ বা তাতোকৈ কম বয়সৰ ৩৪ শতাংশ ল'ৰা-ছোৱালী মাকৰ লগত নাথাকে। এই অনুপাত ১১ৰ পৰা ১৫ বছৰ বয়স গোটৰ ক্ষেত্ৰত ১৪ শতাংশলৈ পৰি আহে। ২০ বছৰ বা তাতোকৈ কম বয়সৰ ৪০ শতংশ ল'ৰা-ছোৱালীও মাকৰ পৰা আঁতৰি থাকে। এই অনুপাতৰ হাৰ ৪০ বছৰৰ ওপৰৰ মাকৰ ক্ষেত্ৰতো কমি আহে। আৰু সেই হাৰ হ'ল ৪ শতাংশ। এই ধৰণৰ বিষয়ৰ পৰা এইটোকে বুজা যায় যে কম বয়সীয়া মাকসকলক বেঙ্গালুৰুৰ চহৰীয়া জীৱনৰ অনিশ্চয়তাৰ স'তে যুঁজ দি থিয় হ'বলৈ গাঁৱৰ পৰিয়ালে সহায় কৰে।

বেঙ্গালুৰুত জীৱন ধাৰণৰ সকলো কঠিনতাই এগৰাকী মাকক নিজ ঘৰখনত সন্তানক এৰি অহাৰ সিদ্ধান্ত গ্ৰহণত প্ৰভাৱ পেলোৱা যেন নালাগে। ঘৰৰ ভিতৰত এটা পানীৰ পাইপ থকাটোৱে সন্তানক এৰি অহা সিদ্ধান্তৰ যুক্তিসঙ্গত ব্যাখ্যা দিব নোৱাৰে। এইটো এই কাৰণেই হ'ব পাৰে যে তেনে সুবিধা তেওঁৰ গাঁৱৰ ঘৰখনতো নাথাকিব পাৰে। অৱশ্যে ঘৰৰ চৌহদত শৌচাগাৰৰ সুবিধাই তেওঁক প্ৰভাৱান্বিত কৰা যেন লাগে। এই ক্ষেত্ৰত ঘৰৰ ভিতৰত শৌচাগাৰৰ ব্যৱস্থা আৰু মাকৰ পৰা সন্তানক আঁতৰাই ৰখা সিদ্ধান্তৰ মাজত পৰিসংখ্যাগত সম্পৰ্ক আছে। মাকে তেওঁৰ সন্তানক ৰাতি আচহুৱা সময়ত এটা সমূহীয়া শৌচাগাৰ ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত ইচ্ছা প্ৰকাশ নকৰাটোৱে সিদ্ধান্ত নিৰ্ণয়ত সহায় কৰাটো সম্ভৱ হ'ব পাৰে।

এগৰাকী মাকৰ কাৰণে গাঁৱৰ পৰিয়ালৰ ঘৰটো ব্যৱহাৰ কৰাৰ সামৰ্থ্য আন সামাজিক গোটৰ সৈতে সমান নহয়। ঘৰ এখনৰ সা-সুবিধা কৰি লোৱাৰ সামৰ্থ্য বিস্তৃতভাৱে আন ধৰ্মৰ লোকৰ গোটতকৈ হিন্দুসকলৰ মাজত আছে। আনকি হিন্দুসকলৰ মাজতেই এনে সা-সুবিধাবোৰৰ ভালেখিনি তাৰতম্য ঘটে। গাঁৱত কম আন্তঃগাঁথনি থকা অনুসূচিত

**(৩৭ পৃষ্ঠাত চাওক)**

তালিকা-২ ঃ **বেঙ্গালুৰুৰ পোছাক ৰপ্তানি উদ্যোগত কাম কৰা মহিলা কৰ্মী আৰু ল'ৰা-ছোৱালীৰ বিভিন্ন কাৰণৰ বিশ্লেষণ**

| **কাৰণ** | **অনুপাত** | **৫%ত বৈশিষ্ট্য** |
|---|---|---|
| মাকৰ শিক্ষা | ০.৭৮৬০৫ | নাই |
| মাকৰ উপাৰ্জন | ২.৭৭৮৪৭ | নাই |
| থকা ঘৰৰ ধৰণ (চালি) | ০.৭৫০৮৪ | নাই |
| পানী | ০.৯৪৭৫৬ | নাই |
| সন্তানৰ বয়স | ৯.৯০৫৪৫ | আছে |
| মাকৰ বয়স | ৫.৪৪৬০৬ | আছে |
| বেঙ্গালুৰুত থকা মাকৰ বৰ্ষ | ২৩.৪৪৪৪ | আছে |
| কৰ্মস্থানৰ পৰা দূৰত্ব | ৪.১৪৩২৯ | আছে |
| শৌচাগাৰ | ৮.৬৬৭৩৯ | আছে |
| ধৰ্ম | ৮.৫০৩০৯ | আছে |
| বৰ্ণ গোট | ৫.০১১৩৬ | আছে |
| মাতৃভাষা | ৬.৭২৯৬২ | আছে |

**উৎস ঃ** এন আই এ এছ-ৰ সমীক্ষা, ২০০৯

# অত্যাধুনিক মহানগৰৰ বাবে পৰিকল্পনা ঃ ক'ৰ পৰা আৰম্ভণি হ'ব?

**এছ চন্দ্ৰশেখৰ***
**নীহাৰিকা ভেংকটেশ***

নতুন চৰকাৰখনৰ বিকাশ আৰ্হিৰ এটা উপাদান হ'ল অত্যাধুনিক মহানগৰৰ ধাৰণা। ২০১৪ চনৰ ১০ জুলাই তাৰিখে সংসদত উত্থাপন কৰা বাজেটখনত বিত্তমন্ত্ৰীয়ে ১০০ খন অত্যাধুনিক মহানগৰৰ বাবে ৭,০৬০ কোটি টকাৰ আৱণ্টন দিছে। মন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত 'এশখন অত্যাধুনিক মহানগৰক বৃহৎ মহানগৰৰ ছেটেলাইট নগৰ আৰু বৰ্তমানৰ মধ্যমীয়া আকাৰৰ মহানগৰ-সমূহক আধুনিক হিচাপে গঢ়ি তোলা হ'ব' বুলি উল্লেখ কৰিছে।

এই শিতানত পৰ্যাপ্ত পৰিমাণৰ সম্পদ আৱণ্টন দিয়া হৈছে নে নাই সেই বিষয়ে মূল্যায়ন কৰিব পৰাকৈ বাজেটখনত সামগ্ৰিক নিৰ্দ্ধাৰণ আৰু সময়সীমাৰ উল্লেখ থকা হ'লে আকৰ্ষণীয় হ'লহেঁতেন। এই ব্যৱধানৰ কাৰণেই এখন মহানগৰক অত্যাধুনিক কৰি তুলিবলৈ প্ৰয়োজন হোৱা বিনিয়োগৰ স্পষ্টতাৰ অভাৱ হ'ব পাৰে।

এই বিষয়ত বেছি দূৰ আগবঢ়াৰ আগতেই উল্লেখ কৰা ভাল হ'ব যে, অত্যাধুনিক মহানগৰ গঢ়াৰ বাবে বিশ্বজোৰা উদ্দেশ্যমূলক ধাৰণা থকা সত্ত্বেও অত্যাধুনিক মহানগৰৰ একো স্পষ্ট সংজ্ঞা নাই। এইটো সত্য যে, মহানগৰৰ প্ৰসংগত বহু আন্তঃসংযোজিত ভুল ধাৰণা দোদুল্যমান হৈ আছে। এইবোৰৰ ভিতৰত আছে— সৃষ্টিমূলক, ছাইবাৰ, ডিজিটেল, ই-প্ৰশাসন, ঔদ্যোগিক সম্পৰ্কীয়, বুদ্ধিমত্তা, জ্ঞান আৰু ক্ষমতা অধিকাৰ কৰাৰ কাৰণে পৰোক্ষ প্ৰভাৱ বিস্তাৰ ইত্যাদি। তথ্য আৰু যোগাযোগ প্ৰযুক্তিৰ প্ৰাকৃতিক শক্তিৰ সদ্ব্যৱহাৰ কৰিব পৰা এই ধাৰণাসমূহ পাৰম্পৰিকভাৱে একমাত্ৰ হোৱাটো আৱশ্যকীয় নহয় কিন্তু এটা আনটোৰ বাবে অপৰিহাৰ্য। উন্নয়নৰ কাৰণে তথ্য আৰু যোগাযোগ প্ৰযুক্তিৰ ব্যৱহাৰৰ ধাৰণা সহস্ৰাব্দ বিকাশ লক্ষ্য (এম ডি জি)ত সংলগ্ন কৰা হৈছে। মুঠতে অষ্টম সহস্ৰাব্দ বিকাশ লক্ষ্যত নিৰূপিত প্ৰগতিৰ কাৰণে অন্যতম নিৰ্দ্ধাৰিত লক্ষ্য ব্যক্তিগত খণ্ডৰ লগত সহযোগিতা আৰু নতুন প্ৰযুক্তি বিজ্ঞানৰ বিশেষকৈ তথ্য আৰু যোগাযোগ প্ৰযুক্তিৰ উপকাৰিতাসমূহ উপলব্ধ কৰোৱাৰ লগত সম্পৰ্ক আছে। ভাৰত চৰকাৰৰ মূল্যায়ন অনুসৰি দেশখন এই নিৰ্দ্ধাৰিত লক্ষ্যত উপনীত হোৱাৰ পথত। অত্যাধুনিক মহানগৰ মানে কি ব্যাখ্যা কৰাৰ অৰ্থ হ'ল— জনসাধাৰণৰ বাবে ই নিঃসন্দেহে বিতৰ্কৰ যোগ্য। সি যি কি নহওক, গুজৰাটৰ আন্তৰ্জাতিক ফিন-টেক ছিটিৰ দৰে অত্যাধুনিক কেন্দ্ৰীয় বাণিজ্যিক জিলাৰ অৱয়ব হ'ল বুলি কোৱাটো সহজ। ধনী-দুখীয়া নিৰ্বিশেষে সকলোৰে বাবে সামগ্ৰিক অত্যাধুনিক মহানগৰ গঢ়ি তোলাটো হ'ল প্ৰকৃত প্ৰত্যাহ্বান। এইখিনিতে উল্লেখ কৰাটো যুক্তিসংগত হ'ব যে— ভাৰতৰ দৰে দেশত অত্যাধুনিক মহানগৰ গঢ়াৰ প্ৰক্ৰিয়া লোককেন্দ্ৰিক হোৱা উচিত। নিঃসন্দেহে জনসাধাৰণৰ কাৰণে কাম কৰাৰ বাবে অত্যাধুনিক মহানগৰ গঢ় ল'ব লাগে। সেই বাবে এই প্ৰৱন্ধত অত্যাধুনিক মহানগৰৰ ব্যৱহাৰোপযোগী সংজ্ঞা আগবঢ়োৱাৰ সলনি এই সম্পৰ্কে এখন মানচিত্ৰহে দাঙি ধৰিব খোজা হৈছে। অত্যাধুনিক মহানগৰ বা বসতি স্থানৰ ধাৰণা লক্ষ্যতকৈ অধিকতৰ আৰু অত্যাধুনিক মহানগৰৰ সম্পৰ্কে মানি ল'ব পৰা এটাও সংজ্ঞা নাই। সেই কাৰণে অত্যাধুনিক মহানগৰ হ'ব ই-প্ৰশাসনযুক্ত, আৰ্হি আৰু ব্যৱস্থাপনাত নিৰৱচ্ছিন্ন উৎকৰ্ষ সাধনৰ লক্ষ্য, জলবায়ু সম্পৰ্কীয় বিকাশত পৰিকল্পনা আৰু জনমুখী উন্নয়ন, স্বয়ংচালিত সুবিধাযুক্ত আৰু জনসাধাৰণৰ বাবে ব্যৱহাৰিকতাৰ উৎকৰ্ষ সাধন কৰিব লাগিব। এখন মহানগৰ অত্যাধুনিক কৰি গঢ়ি তোলা কাৰ্যৰ আৰম্ভণি জনকেন্দ্ৰিক তথ্য প্ৰযুক্তিৰ প্ৰয়োগত উৎকৰ্ষ সাধন কৰাৰ প্ৰয়োজন আছে। উন্নয়নৰ কাৰণে তথ্য আৰু যোগাযোগ প্ৰযুক্তি শক্তিৰ সদ্ব্যৱহাৰ কৰাৰ ধাৰণা আৰু স্বচ্ছতা আৰু প্ৰশাসনৰ উৎকৰ্ষ সাধন ভাৰতৰ বাবে নতুন হৈ থকা নাই আৰু অত্যাধুনিক মহানগৰ নিৰ্মাণৰ ধাৰণা পূৰ্বেই আছিল। ভাৰতৰ ৰাষ্ট্ৰীয় ই-প্ৰশাসন পৰিকল্পনাৰ

***এছ চন্দ্ৰশেখৰ মোম্বাইৰ ইন্দিৰা গান্ধী ইন্ষ্টিটিউট্ অৱ ডেভেলপমেণ্ট ৰিছাৰ্জাৰ-ৰ সহযোগী অধ্যাপক আৰু নীহাৰিকা ভেংকটেশে কানপুৰৰ আই আই টি-ৰ পৰা অৰ্থনীতি বিভাগত সংহত এম এছ চি সম্পূৰ্ণ কৰিছে।**

দূৰদৃষ্টি হ'ল— “সকলো চৰকাৰী সেৱা সাধাৰণ মানুহে নিজৰ এলেকাত সমূহীয়া সেৱা প্ৰদান ব্যৱস্থাৰ জৰিয়তে লাভ কৰিব লাগিব আৰু সাধাৰণ লোকৰ মৌলিক প্ৰয়োজন উপলব্ধি কৰাৰ কাৰণে বহনযোগ্য ব্যয়ত আগবঢ়াবলৈ এনেকুৱা সেৱাসমূহৰ দক্ষতা, স্বচ্ছতা আৰু বিশ্বাসযোগ্যতা নিশ্চিত কৰিব লাগিব।” এই পৰিকল্পনাই ৪,০৪১ খন বিধিগত চহৰ, ৩,৮৯৪ খন জৰীপ চহৰ, ৪৭৫ খন নগৰপুঞ্জ, ৯৮১ খন বাঢ়ি অহা নগৰ আৰু ৬,৪০,৮৬৭ খন গাঁৱৰ বাবে ২,৩৮,৬১৭ খন গাঁও পঞ্চায়তৰ প্ৰত্যেক প্ৰশাসনীয় গোট ই-প্ৰশাসনৰ দ্বাৰা কাৰ্য পৰিচালিত হ'ব বুলি নিশ্চিত কৰিব। এইটো লাভ কৰিবলৈ পূৰ্বচৰ্ত হ'ল গ্ৰাম্য ইণ্টাৰনেট সংযোগ আৰু ইয়াৰ বাবে বাজেটত ‘ডিজিটেল ভাৰত’ শিতানত ৫০০ কোটি টকা ধাৰ্য কৰা হৈছে। সংক্ষেপে, চৰকাৰে ইতিমধ্যে আশ্বাস দিয়া ই-প্ৰশাসন হ'ল অত্যাধুনিক বসতিৰ বাবে অপৰিহাৰ্য প্ৰথমটো মাইলৰ খুঁটা।

ই-প্ৰশাসন ৰাষ্ট্ৰজুৰি প্ৰসাৰিত হোৱাৰ পাচত মাত্ৰ ১০০ খন অত্যাধুনিক মহানগৰত আলোকপাত কৰাতকৈ প্ৰতিঘৰৰ অত্যাধুনিক কৰি গঢ়ি তোলাৰ বাবে কাম কৰাটোৱে অধিক প্ৰাসংগিক হ'ব। আৰম্ভণি হিচাপে ১০ হাজাৰতকৈয়ো অধিক ঘৰৰে সৈতে ৪,৮৬২ খন গাঁও অত্যাধুনিক গাঁও হিচাপে গঢ়ি তুলিব পাৰি। ই ভাৰতৰ গ্ৰাম্য জনসংখ্যাৰ ৮.৬% সামৰি ল'ব। চৰকাৰে এইটো অনুসৰণ কৰি মহানগৰৰ সমীপৱৰ্তী পাঁচ হাজাৰৰ পৰা ৯৯৯৯ লোক থকা গাঁওসমূহত মনোযোগ দিব পাৰে। ই গ্ৰাম্য জনসংখ্যাৰ অতিৰিক্ত ১৩.২% লোকক সামৰি ল'ব। এই কৌশলৰদ্বাৰা বহু সংখ্যক গাঁও আৰু নগৰৰ সমীপৱৰ্তী গাঁও সময়ত নগৰলৈ ৰূপান্তৰিত হ'ব। সেয়েহে পৰিকল্পনা আগবঢ়াটো এটা অত্যাধুনিক ধাৰণা। প্ৰশাসন আৰু সেৱা প্ৰদানৰ পৰিপ্ৰেক্ষাৰ পৰা এই অত্যাধুনিক খণ্ড গঢ়ি তুলিবলৈ উদগনি গ্ৰাম্য উন্নয়ন মন্ত্ৰণালয়ৰ ই-পঞ্চায়ত প্ৰকল্পৰ আওতালৈ আনিব পৰা যায়। এই প্ৰকল্পই পৰিকল্পনা, চোৰা-চিতা কৰা, কাৰ্য ৰূপায়ণ, বাজেট প্ৰস্তুত কৰা, হিচাপ ৰখা, সামাজিক হিচাপ পৰীক্ষা; প্ৰমাণ পত্ৰ, অনুজ্ঞা পত্ৰ আদি বিষয়ত নাগৰিকলৈ সেৱা আগবঢ়োৱা বিষয়সমূহকে ধৰি পঞ্চায়তৰ সকলো কাৰ্য সামৰি লয়। অত্যাধুনিক নগৰীকৰণৰ পৰিকল্পনাৰ লক্ষ্যৰে ই-পঞ্চায়ত প্ৰকল্প ব্যৱহাৰ কৰা উচিত। কেন্দ্ৰীয় চৰকাৰে স্বাস্থ্য আৰু ই-শিক্ষণৰ আৰ্হিৰ উৎকৰ্ষ সাধনৰ বাবে তথ্য আৰু যোগাযোগ প্ৰস্তুতিত লাভ ব্যৱহাৰ কৰিব বিচাৰিছে। এই উদগনি-সমূহ গাঁওসমূহক কেন্দ্ৰ কৰি হোৱা উচিত। দিল্লী-মুম্বাই উদ্যোগিক কৰিডৰৰ দৰে গুৰুত্বপূৰ্ণ প্ৰকল্পসমূহ নিখুঁতভাৱে খাপ খোৱাই ল'ব লাগে।

প্ৰতিটো গ্ৰাম্য গৃহ, ভৰিষ্যতৰ নগৰ অত্যাধুনিক হৈ গঢ় লোৱাটো নিশ্চিত কৰিবৰ বাবে বিভিন্ন উদ্যোগ একমুখী লক্ষ্যপ্ৰাপ্ত হোৱা উচিত বুলি পৰামৰ্শ দিয়া হৈছে। এই প্ৰচেষ্টা ভৱিষ্যতৰ নগৰীকৰণৰ কাৰণে ভিত্তি পৰিকল্পনা, নগৰত অনিয়ন্ত্ৰিতভাৱে গঢ় লৈ উঠা বসতিস্থলৰ সন্মুখত প্ৰতিক্ৰিয়াশীল কৌশলতকৈ অধিক বিকাশৰ বাবে পৰিকল্পনা কৰাৰ উদ্দেশ্য আনৰ কাৰ্যত বাধা দিবলৈ আগতীয়াকৈ সক্ৰিয় হৈ উঠা কাৰ্য বুলি ভাবিব পৰা যায়। চৰকাৰে গ্ৰহণ কৰা বহু ব্যৱস্থা বৰ্তমান উদ্যোগ গ্ৰহণ কৰাতকৈ প্ৰতিক্ৰিয়াশীলহে।

উপৰাষ্ট্ৰপতি মহম্মদ হামিদ আনচাৰীয়ে ২০১১ চনৰ ছেপ্টেম্বৰ মাহত ইউচুফ মেহেৰেলি স্মাৰক বক্তৃতাত নগৰ প্ৰশাসন আৰু সেৱা প্ৰদান কাৰ্যৰ উৎকৰ্ষ সাধনত থকা প্ৰত্যাহ্বানৰ বিষয়ে উল্লেখ কৰিছিল। এই ক্ষেত্ৰত তেওঁ উল্লেখ কৰা দুটা বিষয় প্ৰাসংগিক হ'ব। প্ৰথমটো হ'ল— “বিনিয়োগৰ মাত্ৰা আৰু নিৰ্দেশনা দিবৰ বাবে প্ৰকল্পৰ বাছনি ৰাজনৈতিক প্ৰভাৱ আৰু অৰ্থনৈতিক চাপৰ কৰ্তৃত্বাধীন হ'ব। কিছুসংখ্যক সমালোচকে নগৰৰ প্ৰসাৰত ‘সমাজৰ শ্ৰেষ্ঠ শ্ৰেণীক ৰখা'ৰ বিষয়ে কয় আৰু বাস্তৱিকতে ‘সকলো সাধাৰণ নগৰীয়া’, আন এচামে কয় ‘নিলগাই ৰখা’ নগৰীকৰণে আন সকলৰ ক্ষতি কৰি নিৰ্দিষ্ট সামাজিক গোটৰ উপকাৰ কৰিছে আৰু আন্তঃগাঁথনি আৰু অত্যাৱশ্যকীয় সেৱাৰ বাবে জৰুৰী পুঁজি ক্ষুদ্ৰ আৰু মজলীয়া নগৰবোৰক বঞ্চিত কৰি ডাঙৰ মহানগৰীসমূহলৈ যোগানৰ নিৰ্দেশ দিয়া হৈছে। দ্বিতীয়তে, তেওঁ উল্লেখ কৰে যে ‘আমাৰ নগৰৰ স্থানসমূহ আৰু প্ৰশাসনিক যন্ত্ৰ ৰাজনৈতিক সংঘাত আৰু অৰ্থনৈতিক সংগ্ৰামৰ কাৰণে নাটশালা হৈ পৰিছে। আমাৰ নগৰৰ স্থানসমূহ সংস্কাৰৰ উৎকৰ্ষ সাধন আৰু এনে সংস্কাৰ ব্যৱস্থাৰ প্ৰতিযোগিতাৰ বাবে ব্যৱহৃত হৈছে। কিছুমান লোকে চৰকাৰক নিয়ন্ত্ৰক বা সহজসাধ্যকাৰক হিচাপে ৰাখি ৰাজহুৱা ব্যক্তিগত অংশীদাৰিত্বৰ জৰিয়তে পৌৰসেৱাৰ ব্যক্তিগতকৰণ বিচাৰে কিন্তু আন কিছুসংখ্যকে এই ব্যৱস্থাই সামাজিক আৰু অৰ্থনৈতিক বৈষম্য প্ৰতিষ্ঠিত কৰিব বুলি মতপোষণ কৰে।’ সেইবাবে চৰকাৰে এনেবোৰ মহানগৰৰ সকলো পৰিয়ালৰ কাৰণে মৌলিক সুবিধাসমূহ উপলব্ধ হোৱাটো কেনেদৰে নিশ্চিত

কৰিব সেইটো স্পষ্টভাৱে প্ৰকাশ কৰিব লাগে। বৰ্তমানৰ বাসিন্দাসকলৰ বাবেই যে চৰকাৰে মৌলিক সেৱাসমূহ যোগান ধৰিব লাগিব এনে নহয়— ভৱিষ্যতৰ বৰ্দ্ধিত জনসংখ্যাৰ বাবেও পৰিকল্পনাৰ প্ৰয়োজন। মুঠতে জৱাহৰলাল নেহৰু নগৰ পুনৰনবীকৰণ অভিযানৰ অংশ হিচাপে যুগুতোৱা মহানগৰ উন্নয়ন পৰিকল্পনাত মহানগৰসমূহৰ ভৱিষ্যতৰ জনসংখ্যা বৰ্দ্ধনৰ কোনো নিৰ্ভৰযোগ্য প্ৰাক্কলন নাই। ই আমাক অত্যাধুনিক বসতিস্থলৰ পৰৱৰ্তী উপাদানৰ ওচৰলৈ আনে আৰু ই পৰিৱেশ গঢ় দিয়া আৰু মৌলিক সেৱাত প্ৰৱেশৰ নিশ্চয়তাৰ লগত জড়িত।

২০১১ চনত ভাৰতৰ লোকপিয়লৰ পৰিসংখ্যা অনুযায়ী ১৩.৭৫% নিযুত পৰিয়াল বস্তি অঞ্চলৰ নিবাসী। আনহাতে বস্তি সদৃশ অঞ্চলত বাস কৰা লোকৰ পৰিয়াল অন্তৰ্ভুক্ত কৰিলে ইয়াৰ পৰিসংখ্যা আৰু বাঢ়িব। ২০১১ চনত ৪,০৪১ খন বিধিগত নগৰত ৬৩% বস্তি অঞ্চল আছে বুলি প্ৰতিবেদনত প্ৰকাশ পাইছিল। অধিক লোকেৰে ঠাহ খাই থকা অনানুষ্ঠানিক বসতিৰে অত্যাধুনিক নগৰ বা মহানগৰৰ ধাৰণাটো দেখাত অসমঞ্জস যেন লাগে। ভাৰতৰ নগৰ অঞ্চলৰ ২৬% পৰিয়ালে শস্যৰ অৱশেষ, গোবৰৰ পিঠা আৰু কয়লা আদিৰ দৰে লেতেৰা আৰু অপৰিষ্কাৰ ইন্ধন ব্যৱহাৰ কৰে। ঘৰৰ ভিতৰত বায়ুৰ প্ৰদূষণত বৰঙণি আগবঢ়োৱা এই লেতেৰা ইন্ধনসমূহ অত্যাধুনিক শক্তি পছন্দ হ'ব নোৱাৰে। অত্যাধুনিক নগৰ বা মহানগৰলৈ মৌলিক অৱয়ব সম্পৰ্কীয় আন্তঃগাঁথনি নিশ্চিত হ'ব লাগিব। এইখিনি সা-সুবিধা থকাৰ পাচতহে প্ৰযুক্তি বিজ্ঞানে সুৰুঙা আদি কাৰ্য ৰোধত সহায় কৰিব পাৰে। সেয়ে, নগৰীয়া ভাৰতৰ প্ৰসংগত পানী, অনাময় ব্যৱস্থা আৰু অন্যান বসবাসযোগ্য বৈশিষ্ট্যৰ উৎকৰ্ষ সাধনৰ বাবে অত্যাধুনিক চিন্তাৰ প্ৰয়োজন আছে। সেয়েহে প্ৰশ্ন হয়— পৌৰ সেৱাৰ মান কেনেদৰে উন্নীত কৰা হ'ব? অত্যাধুনিক সিদ্ধান্ত লোৱাৰ প্ৰসংগত সেৱাৰ গতিশীল মূল্যৰ ওপৰত কোনো অত্যাধুনিক হিচাপ কাৰ্যত ব্যৱহৃত বিধি পৰিচালনা কৰিবলৈ ভাৰতীয় মহানগৰসমূহৰ বিভিন্ন কাৰ্যসূচীৰ ডাটাভিত্তি শোচনীয়ভাৱে তাকৰ। উন্নত দেশসমূহৰ মহানগৰসমূহত এনে ধৰণৰ বিধি অধিক সম্ভৱপৰ। কিন্তু অত্যাধুনিক সিদ্ধান্ত গ্ৰহণ আৰু নাগৰিক সবলীকৰণ সম্ভৱপৰ নহয় বুলি পৰামৰ্শ দিয়া হোৱা নাই। ছট্টিশগড়ৰ দৰে ৰাজ্যত ৰাজ্য চৰকাৰসমূহে প্ৰয়োজনীয় ব্যৱস্থাপনা তথ্য ব্যৱস্থা বিকাশৰ জৰিয়তে ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ কাৰ্য উৎকৰ্ষ সাধন কৰিবলৈ প্ৰচেষ্টা চলাইছে। ৰায়পুৰত নাগৰিকক নিজৰ পছন্দমতে সুলভ মূল্যৰ দোকান বাছনি কৰিবলৈ দিয়া হৈছে, কেৱল লেন-দেনতকৈ কম পৰিমাণৰ সামগ্ৰী কিনাৰ ক্ষেত্ৰত শিথিলতা প্ৰদান কৰা হৈছে। ৰেচন কাৰ্ড এখনৰ পৰা আন এখন দোকানলৈ নিব পৰা কাৰ্যই ক্ৰেতাৰ সন্তুষ্টি উন্নত কৰিছে। ভাৰতৰ প্ৰত্যেকখন মহানগৰে যদি ৰায়পুৰৰ উদাহৰণ অনুসৰণ কৰে তেনেহ'লে অতি অপবাদী ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ কাৰ্যাৱলী উন্নত হোৱাত ই সহায় কৰিব। ৰাজ্যৰ ভিতৰত হোৱা প্ৰব্ৰজন আৰু প্ৰব্ৰজিত শ্ৰমিকলৈ কাৰ্ডসমূহ এঠাইৰ বাবে আন এঠাইলৈ নিব পৰা সুবিধা যুক্তিসংগতভাৱে সম্প্ৰসাৰণ কৰিব পাৰে। ভালদৰে লক্ষ্য কৰিলে উদ্যোগীয়ে আন বহু উদ্যোগ হাতত পাব আৰু সেইবোৰ চেষ্টা কৰি যাব পাৰে। এই সকলোবোৰ সমগ্ৰ জনগণক সামৰি ল'ব পৰাকৈ বহনক্ষম আৰু মাপযোগ্য কৰাটোৱে হৈছে প্ৰত্যাহ্বান। এই প্ৰক্ৰিয়াত, আনকি আধুনিকতাহীন আৰু অকাৰ্যকৰী মহানগৰো অত্যাধুনিক, দক্ষ আৰু উৎপাদনক্ষম হৈ উঠিব পাৰে। ❐

---

**(৭ পৃষ্ঠাৰ পৰা)**

জবাবদিহি আৰু তেওঁলোকৰ ব্যৱস্থা গ্ৰহণৰ পৰ্যায়ত সম্পদ আৰু ৰাজনৈতিক ক্ষমতা আছে। নগৰ নিয়ন্ত্ৰণসমূহৰ ক্ষমতা আৰু সম্পদৰ অভাৱ আৰু নগৰ উন্নয়ন প্ৰাধিকৰণৰ দৰে নিকায়সমূহে কাৰ্যতঃ মহানগৰৰ আন্তঃগাঁথনি আদিৰ উৎকৰ্ষ সাধনৰ কাম হাতত লৈছে। আনহাতে, পানী, অনাময়, শিক্ষা, স্বাস্থ্য যতন আৰু আশ্ৰয় আদি মৌলিক সেৱাসমূহ অৱহেলিত হৈ আছে। নগৰ উন্নয়ন ৰাজ্য চৰকাৰৰ বিষয়সূচী হোৱা হেতুকে ৰাজ্য চৰকাৰে মহানগৰসমূহৰ ভূমিকা নিশ্চয় উপলব্ধি কৰিব লাগিব আৰু প্ৰশাসনিক আৰু আৰ্থিক উভয় দিশতে স্থানীয় নিকায়সমূহৰ সবলীকৰণৰ কাৰণে নগৰ সংস্কাৰ কাৰ্যসূচী গ্ৰহণ কৰিব লাগিব। আমি নিশ্চয় মহানগৰসমূহক মুষ্টিমেয় লোকৰ দ্বাৰা মূলধন পুঞ্জীভূত হোৱা আহিলাৰ পৰিৱৰ্তে মানৱ উন্নয়নৰ যন্ত্ৰ হিচাপে বিবেচনা কৰিব লাগিব। ❐

# ভাৰত-বাংলাদেশৰ ব-দ্বীপ অঞ্চলৰ নামনি ভাগত প্ৰাকৃতিক ভাৰসাম্যৰ অৰ্থে গঙ্গা নদীত পৰিৱেশ অনুকূল জলস্ৰোতৰ নিশ্চয়তা

**ড° এইচ এছ সেন***
**ড° দীপাংকৰ ঘোষাল***

> "নদী কাষৰীয়া চুবুৰীয়াৰ মাজত ক'তোৱেই দক্ষিণ এছিয়াৰ গঙ্গা-ব্ৰহ্মপুত্ৰ অৱবাহিকা অঞ্চলটোৰ দৰে ইমান জটিলতাপূৰ্ণ সহযোগ প্ৰদানৰ সমস্যা উদ্ভৱ হোৱা নাই। জড়িত দেশসমূহৰ ভৱিষ্যতৰ কাৰণে সহযোগৰ লাভালাভ ইমান দৃষ্টিনন্দন হোৱা দেখা নাই আৰু সহযোগ নকৰাৰ বাবে শাস্তিৰ মাত্ৰা ইমান ভয়ানক হোৱাও দেখা নাই।"
>
> —জগন মেহতা

ভাৰত আৰু বাংলাদেশৰ গঙ্গা ব-দ্বীপ অঞ্চলটোৰ নামনি ভাগছোৱাত হুগলী-ভাগিৰথী তথা গঙ্গা/পদ্মা-ব্ৰহ্মপুত্ৰ নদী পদ্ধতিৰ বোৱতি সোঁতে যি স্বাভাৱিক পৰিৱেশ সৃষ্টি কৰে এতিয়া সেই পৰিৱেশৰ (এনভাইৰণমেণ্টেল-ফ্ল'জ) খৰতকীয়াকৈ অৱনতি ঘটিছে। এই নদী পদ্ধতিৰ স্বাভাৱিক পৰিৱেশ পুনৰ প্ৰতিষ্ঠিত কৰিবৰ বাবে গোটেই বিষয়টো চালি-জাৰি চাই সমুচিতভাৱে উপযুক্ত কাৰ্য ব্যৱস্থা গ্ৰহণ কৰাৰ আৱশ্যকতা আছে— যাতে উপ-মহাদেশখনৰ ব-দ্বীপ অঞ্চলটোত প্ৰাকৃতিক ভাৰসাম্য বজাই ৰখাৰ নিশ্চয়তা কৰিব পাৰি। জলৰাশিৰ অৱনমিত গতিধাৰা ধৰি ৰাখিবৰ কাৰণে গঙ্গাৰ স্বাভাৱিক স্থিতিক ঘূৰাই আনিবলৈ উপযুক্তভাৱে পদক্ষেপ গ্ৰহণৰ প্ৰয়োজন; কিয়নো এই গতিধাৰাক তেনে পৰিৱেশ সৃষ্টিত অতি গুৰুত্বপূৰ্ণ বিষয়ৰূপে বিবেচনা কৰা হয়। ইয়াৰ স্বাভাৱিক অৱস্থা ঘূৰাই আনিলে প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা পৰিব আৰু জনগণৰ জীৱন-ধাৰাৰ পথৰো উন্নতি সাধন হ'ব। নদী-স্ৰোতৰ এই পৰিৱেশৰ আন গুৰুত্বপূৰ্ণ উপাদান হ'ব পাৰে আৰ্থ-সামাজিক, ভৌগোলিক-আৱয়বিক, জলৰাশিৰ গুণাগুণ আৰু জৈৱ-বৈচিত্ৰ্যৰ বিষয়সমূহ। এইটো নিৰ্ভৰ কৰে নিৰ্দিষ্ট ঠাইৰ নদী এখনক অঞ্চলটোত কেনেদৰে ব্যৱহাৰ কৰা হয় তাৰ ওপৰত। এই সকলো বিষয়ক সামৰি লৈ সংহত জলসম্পদ বিকাশ আৰু ব্যৱস্থাপনা (ইণ্টিগ্ৰেটেদ ওৱাটাৰ ৰিছ'ৰ্চেছ ডেভেলপমেণ্ট এণ্ড মেনেজমেণ্ট) বিভাগ গঠিত হয়। কেন্দ্ৰীয় জল আয়োগে ইয়াক প্ৰতিষ্ঠা কৰে। পৰিৱেশ আক্ৰান্ত জলস্ৰোত বিশেষকৈ ভাৰতৰ অন্তৰ্গত এলেকাৰ গঙ্গা নদীৰ উজনি ভাগত সৃষ্টি হয়। ইয়াৰ ঘাই কাৰণ হ'ল জলবিদ্যুৎ বিকাশ আৰু জলসিঞ্চন প্ৰকল্পৰ ৰূপায়ণ কাৰ্য। কিমান হাৰত জলস্ৰোত অব্যাহত থাকিব লাগে তাৰ সৈতে সংগতি ৰাখিহে কিমান পানী প্ৰকল্পৰ বাবে আনিব লাগিব তাৰ বিধিৰ ক্ষেত্ৰত এতিয়ালৈকে যুক্তিসঙ্গত সিদ্ধান্ত গ্ৰহণ কৰা হোৱা নাই। আঁচনিখন পৰিকল্পনা কৰাৰ সময়ত নিজৰ সুবিধা অনুযায়ী সেই কামত আগবঢ়া হয়। তাৰ পৰা কি প্ৰভাৱ পৰিব পাৰে সেই বিষয়ৰ কোনো অধ্যয়ন কৰা হোৱা নাছিল। অৱশ্যে শেহতীয়াকৈ এই বিষয়টোৰ সন্দৰ্ভত কিছু প্ৰয়াস কৰা হয়। ডব্লিউ ডব্লিউ এফ-ইণ্ডিয়া প্ৰতিষ্ঠানটোৰ অধ্যয়ন এই ক্ষেত্ৰত উল্লেখযোগ্য। সমগ্ৰ নদী-পথছোৱাতেই জৰীপ কৰা হয়। গঙ্গা নদীৰ জলৰাশি বিভিন্ন ধৰণে ব্যৱহাৰ কৰাৰ বিস্তৃত বিৱৰণ দিয়া হয়। উক্ত বিৱৰণীত ছুইজাৰলেণ্ডৰ ডব্লিউ ডব্লিউ এফ-ইণ্টাৰনেচনেল (গ্লেন্দত অৱস্থিত)ৰ পৰিসংখ্যাৰ উদ্ধৃতি দি এইবুলি উল্লেখ কৰা হয় যে বিশ্বৰ ভিতৰত শীৰ্ষ দহখন নদীৰ ভিতৰত গঙ্গা নদী অধিক জলৰাশি আন কামত ব্যৱহাৰ আৰু প্ৰদূষণৰ বিপদ আশংকাত ভুগিছে। পশ্চিমবঙ্গত ফাৰাক্কা

---

ড° এইচ এছ সেন পশ্চিমবঙ্গৰ বেৰেকপুৰৰ চেণ্ট্ৰেল ৰিছাৰ্চ ইনষ্টিটিউট ফৰ জুট এণ্ড এলিদ ফাইবাৰ্ছৰ (আই চি এ আৰ) ভূতপূৰ্ব সঞ্চালক। ৩০ বছৰৰো অধিক কাল উপকূলীয় প্ৰাকৃতিক পৰিৱেশ পদ্ধতিৰ সন্দৰ্ভত জল ব্যৱস্থাপনা আৰু ভূ-লৱণীয়তা গৱেষণাৰ ক্ষেত্ৰত তেওঁৰ ব্যুৎপত্তি আছে। ড° ঘোষাল বৰ্দ্ধমানৰ আই চি এ আৰ-ৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ তত্বাৱধায়ক আৰু বিষয়বস্তু বিশেষজ্ঞ। উপকূলীয় কৃষিৰো তেওঁ এগৰাকী বিশেষজ্ঞ তথা ছুইজাৰলেণ্ডৰ এটি প্ৰতিষ্ঠানে প্ৰকাশ কৰা **"Livelihood on Ganga threatened under adverse ecological conditions"** গ্ৰন্থখনৰ এটা অধ্যায়ৰ বিশিষ্ট লেখক।

বান্ধ পোৱাৰ আগতে কেবাখনো ৰাজ্যৰ মাজেদি বৈ অহা এই নদীখনৰ জলৰাশি ওপৰ ভাগত সম্পূৰ্ণৰূপে ভাৰতেই উপভোগ কৰি আহিছে; আৰু সেয়ে তাৰ একমাত্ৰ অংশীদাৰৰূপে বঙ্গৰ দক্ষিণ অঞ্চলত চৰকাৰী আৰু বেচৰকাৰী উভয় খণ্ডতে যিবোৰ বেয়া কাম কৰি আহিছে তাৰ প্ৰভাৱৰ সন্দৰ্ভত অধ্যয়ন কৰাটো গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে। বাংলাদেশৰ বৃহৎ অংশতো তেনেদৰে অধ্যয়নৰ প্ৰয়োজন হৈছে। ছুইজাৰলেণ্ডৰ প্ৰতিষ্ঠানটোৱে প্ৰতিবেদনত এইবোৰৰ প্ৰতি আলোকপাত কৰিছে। কাজেই দুয়োখন দেশৰ চৰকাৰে পাৰস্পৰিক চুক্তিৰ জৰিয়তে উপযুক্ত পৰিকল্পনা গ্ৰহণ কৰা উচিত।

### ফাৰাক্কা বান্ধ আৰু ভাৰত-বাংলাদেশ সন্ধি

গঙ্গা নদীত এটা বান্ধ নিৰ্মাণ আৰু জলৰাশিক ভাগীৰথীৰ পিনে লৈ যোৱা কথাটোৰ হকে ১৮৫৩ চনত প্ৰথমে ছাৰ আৰ্থাৰ কটনে পৰামৰ্শ আগবঢ়াইছিল। পশ্চিম বঙ্গত ফাৰাক্কা নামেৰে এই বান্ধক নামাংকন কৰা হৈছিল। ১৭ কিলোমিটাৰ ওপৰ ভাগত নদীখনৰ গতি সলনি কৰি হুগলী-ভাগীৰথীত জলভাগক লগ লগোৱা আৰু পদ্মা-ব্ৰহ্মপুত্ৰ-মেঘনা তথা উপনৈবোৰৰ জল বাংলাদেশলৈ গতি কৰোৱা আৰু সদৌ শেহত বঙ্গোপ-সাগৰলৈ ধাবমান কৰোৱাই আছিল ইয়াৰ উদ্দেশ্য। কিন্তু বান্ধৰ পক্ষত যি জলবিজ্ঞান চিত্ৰ অংকন কৰা হৈছিল সেয়া পাচত ইতিবাচক প্ৰভাৱ পেলাবলৈ অতি অনুপযুক্তৰূপে প্ৰমাণিত হয়। তাৰ দ্বাৰাই তলত যিবোৰ পলস পৰি জমা হয় তাক উটুৱাই লৈ যোৱা কিম্বা কলকাতা বন্দৰৰ কাৰণে নৌ চলাচল কৰাৰ আশা বৃদ্ধি নকৰে। তেনেদৰে শুকান বতৰত দুয়োখন দেশৰ মাজত পাৰস্পৰিক লাভালাভৰ অৰ্থেও কামত নাহে। অথচ এই পৰিকল্পনাৰ গুৰিতে আছিল এই উদ্দেশ্য।

১৯৭১ চনত বাংলাদেশে স্বাধীনতা লাভ কৰাৰ ঠিক পাছতেই পদ্মা-ব্ৰহ্মপুত্ৰ-মেঘনা নদী পদ্ধতিৰ জৰিয়তে কম মাত্ৰাত পানী বৈ অহাৰ হেতু উদ্ভৱ হোৱা সমস্যাৰ কথাটো উপলব্ধি কৰি দুয়োখন দেশৰ মাজত কেইখনমান হ্ৰস-ম্যাদী চুক্তি সম্পাদিত হয়। প্ৰথম ১৯৭৪ চনত তিনি বছৰৰ কাৰণে, তাৰ পাছত ১৯৭৭ চনত আৰু আশীৰ দশকত আৰু দুখন চুক্তি স্বাক্ষৰিত কৰা হয়। পিছে এই আটাইবোৰ চুক্তিয়ে কোনো সুফল আনিব নোৱাৰিলে। এতিয়া ৩০ বছৰৰ কাৰণে বাহাল থকা ভাৰত-বাংলাদেশ চুক্তি (১৯৯৮) হ'ল গঙ্গাৰ পানীৰ অংশীদাৰ হোৱাটো। এই অংশীদাৰ পূৰ্বৰ চাৰিটা দশক কালত (১৯৪৯-১৯৮৮) নদীয়েদি বৈ যোৱা গড় হিচাপৰ জলৰাশিৰ ভিত্তিত কৰা হয়। ১৯৭৭ চনত জলস্ৰোতৰ সামান্য যথাৰ্থতা থাকে, কিন্তু তাৰ পাছত ফাৰাক্কাত প্ৰকৃততে প্ৰাপ্ত জলৰাশিৰ গতিময়তা সিমান আশানুৰূপ বুলি ক'ব নোৱাৰি। তাৰ কাৰণ হ'ল ওপৰ ভাগত নদীখনৰ জলৰাশি অধিক পৰিমাণে অন্য উদ্দেশ্যৰ বাবে উলিয়াই নিয়া হয়। তাৰ জলৰাশি কামত লগোৱা তালিকাখন বেচ দীঘল। পৰৱৰ্তী দশককেইটাত সেই তালিকাৰ ভিতৰত আছে জলবিদ্যুৎ আৰু জলসিঞ্চন প্ৰকল্পসমূহ।

### জলবিদ্যুৎ আৰু জলসিঞ্চন প্ৰকল্প তথা পানীৰ গুণাগুণ

গঙ্গা নদীৰ ভাগীৰথী আৰু অলকানন্দা অৱবাহিকা অঞ্চলত ভালে-সংখ্যক জলবিদ্যুৎ আৰু জলসিঞ্চন প্ৰকল্প তথা তাৰ ক্ষমতাৰ পৰিসংখ্যা লিপিবদ্ধ কৰা হৈছে। ইতিমধ্যে আৰম্ভ কৰা ভালেসংখ্যক প্ৰকল্পৰ বিতৰণ সহ গঙ্গা নদীৰ জলৰাশিৰ এখন ৰৈখিক চিত্ৰ অংকন কৰা হৈছে। অলকানন্দা আৰু ভাগীৰথী নদী তথা তাৰ উপনৈসমূহৰ দৈৰ্ঘ্যৰ পৰা দেখা যায় যে গঙ্গা নদীৰ বৃহৎ পৰিমাণৰ জলৰাশিৰ উৎসমূহক উত্তৰাখণ্ডত জলবিদ্যুৎ কেন্দ্ৰসমূহৰ বাবে ব্যৱহাৰ কৰা হৈছে (১নং তালিকা দ্ৰষ্টব্য)। এয়া এটা উদাহৰণহে। তদুপৰি নদীৰ ওপৰ ভাগৰ প্ৰদূষণৰ ভিন ভিন ক্ষেত্ৰৰ উৎসও লিপিবদ্ধ কৰা হৈছে আৰু এই উৎসসমূহে কোনো কোনো পৰিস্থিতিত পৰিৱেশ আক্ৰান্ত জলস্ৰোতত বৰঙণি যোগোৱাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। গঙ্গা নদীৰ বিস্তৃত দৈৰ্ঘ্য পথত জলৰাশিৰ নিকৃষ্ট গুণৰ বিষয়ে ৩ আৰু ৪নং চিত্ৰত দেখুওৱা হৈছে। ইয়াৰ পৰা উপলব্ধ পৰিসংখ্যাই এইটোকে দৰ্শায় যে ভাৰত চৰকাৰে গ্ৰহণ কৰা কাৰ্য ব্যৱস্থাৰ সফলতা মিশ্ৰিত ধৰণৰ। তাক পূৰ্ণ ৰূপ দিবৰ কাৰণে ভৱিষ্যতে সুনিৰ্দিষ্ট আৰু অধিক শৃংখলাযুক্ত কাৰ্য হাতত লোৱাৰ প্ৰয়োজন আছে। এই সমস্যাবোৰৰ ওপৰত আৰু এটা বোজাস্বৰূপ হ'ল জলবায়ুৰ পৰিৱৰ্তন সাধনৰ বিষয়টো। ক্ষণস্থায়ী আকাৰত পৰিৱেশ আক্ৰান্ত জলস্ৰোতৰ ক্ষেত্ৰত সকলো উপাদানতেই লক্ষ্যণীয়ভাৱে প্ৰভাৱ পৰে। এতিয়া এইটো সু-প্ৰতিষ্ঠিত কথা যে সমগ্ৰ বিশ্বৰ তুষাৰ নৈসমূহে— বিশেষকৈ হিমালয় পৰ্বতমালাৰ হিন্দুকোষ পাহাৰ অঞ্চলত— গোলকীয় উষ্ণতাৰ বাবে গতিময়তা লাভ কৰিবলৈ ধৰে। তাৰ ফলস্বৰূপে জলস্ৰোতৰ ধাৰা যিমান ব'ব লাগে বুলি অনুমান কৰা হয় সেয়া তুষাৰ নৈবোৰৰ পৰা অৱবাহিকা

অঞ্চলসমূহলৈ এই শতিকাৰ শেহৰ পিনে ২৫-৫০ শতাংশ হ্ৰাস পাব। এই তথ্য কাঠমাণ্ডুস্থিত ইণ্টাৰনেচনেল চেণ্টাৰ ফৰ ইনটিগ্ৰেটেড মাউণ্টেইন ডেভেলপমেণ্ট প্ৰতিষ্ঠানৰ অধ্যয়নৰ আধাৰত সুবিদিত কৰা হৈছে।

আনপিনে ৰাষ্ট্ৰীয় নদী সংৰক্ষণ সঞ্চালকালয়ৰ মতে কাৰ্যকৰণ আৰু তদাৰকতাৰ সমস্যা থকা সত্বেও নদীৰ জলৰাশিৰ গুণাগুণ পূৰ্বৰ অৱস্থাতকৈ কিছু উন্নত হৈছে। এই অৱস্থাটোক জনসংখ্যা অধিক বৃদ্ধি হোৱাৰ পটভূমিত চাব লাগিব। এই বৃদ্ধিৰ লগে লগে জৈৱিক পদাৰ্থৰ প্ৰদূষণৰ বোজাও বৃদ্ধি পাইছে। কিন্তু যেতিয়া বৰ্তমানে চলি থকা সকলো প্ৰকল্প, কাৰখানা আদিৰ কাম-কাজ সম্পূৰ্ণ হ'ব আৰু সঞ্চাৰ হোৱা সমগ্ৰ কলুষ পানীবোৰ নিয়ন্ত্ৰণ কৰা হ'ব তেতিয়া নদীৰ জলৰাশিৰ গুণাগুণ উন্নত হোৱাৰ সম্ভাৱনা আছে। পিছে নদীৰ সমগ্ৰ ভাগত নিৰ্দিষ্ট পৰিমাপত (ডি অ', বি অ' ডি আৰু কলিফৰ্ম) তুলনামূলক হিচাপে এতিয়াও সন্তোষজনক ফল প্ৰাপ্ত কৰাৰ পৰা অনেক দূৰৈত থকাটো সুস্পষ্ট হৈছে। অৱনমিত জলস্ৰোত আৰু নামনি ভাগত বেয়াৰ পিনে ঢাল খোৱা জলৰাশিৰ গুণগত বৈশিষ্ট্যই বহু ধৰণে জনসাধাৰণৰ জীৱিকা নিৰ্বাহক আক্ৰান্ত কৰিছে। উদাহৰণ স্বৰূপে বাঁহ কটা বতৰৰ পৰৱৰ্তী কালছোৱাৰ কথা ক'ব পাৰি।

**নামনি গঙ্গাৰ প্ৰাকৃতিক পৰিৱেশত বিৰূপ প্ৰভাৱ**

এইটো সঁচা কথা যে ভাৰতত গঙ্গা নদীৰ ওপৰত ফাৰাক্কা বান্ধ নিৰ্মাণৰ হেতু অনেক হস্তক্ষেপৰ কাম চলি আছে আৰু সেইবোৰে সমস্যা তথা অসুবিধাৰ সৃষ্টি কৰিছে। তাৰ ভিতৰত উল্লেখ্য হ'ল— জলস্তৰৰ পৰিৱৰ্তন, জলগমন, পলস জমা, বেয়া তৰপ ইত্যাদি। এইবোৰ নদীৰ তলৰ পৃষ্ঠৰ অৱনতি ঘটাৰ হেতু হয়। উজনি ভাগত ৰাজমহলৰ পৰা ফাৰাক্কা আৰু নামনি ভাগত ফাৰাক্কাৰ পৰা অনেক দূৰলৈকে এই কাৰ্য সাধন হয়। সোঁফালে নৰম তৰপৰ সৃষ্টি হয় আৰু বান্ধৰ ওপৰৰ বাওঁফালে দ খাল তৈয়াৰ হয়। পাৰৰ খহনীয়াই বেয়ালৈ গতি কৰে আৰু আগষ্ট তথা ছেপ্টেম্বৰত

১নং তালিকা ঃ **উত্তৰাখণ্ডৰ আৱণ্টিত জলবিদ্যুৎ বিকাশ প্ৰকল্পৰ হেতু অলকানন্দা আৰু ভাগীৰথী নদী তথা ইয়াৰ উপনৈসমূহৰ আক্ৰান্ত দৈৰ্ঘ্য**

| ক্ৰ. নং | নদী | নদীৰ মুঠ দৈৰ্ঘ্য | গতি সলোৱা নদীৰ দৈৰ্ঘ্য | প্লাৱিত নদীৰ দৈৰ্ঘ্য | আক্ৰান্ত দৈৰ্ঘ্য | শতাংশ হিচাপত গতি সলোৱা নদীৰ দৈৰ্ঘ্য | প্লাৱিত নদীৰ দৈৰ্ঘ্য % হিচাপত | আক্ৰান্ত নদীৰ দৈৰ্ঘ্য % হিচাপত |
|---|---|---|---|---|---|---|---|---|
| **ভাগীৰথী অৱবাহিকা** | | | | | | | | |
| ১ | ভাগীৰথী | ২১৭০০০ | ৬৮০৩১ | ৮৫৪০০ | ১৫৩৪৩১ | ৩১ | ৩৯ | ৭০.৭১ |
| ২ | আশি গংগা | ২০৫০০ | ১০৯৪৫ | ০ | ১০৯৪৫ | ৫৩ | ০ | ৫০.৩৯ |
| ৩ | ভিলা গংগা | ১০৯০০০ | ২৩৩৬০ | ১৯০০০ | ৩৯৩৬৯ | ১৯ | ১৭ | ৩৬.১২ |
| ৪ | বাল গংগা | ৩৭০০০ | ১৪৭২১ | ০ | ১৪৭২১ | ৪০ | ০ | ৩৯.৭৯ |
| ৫ | সৰু উপনৈ | ৭৩০০০ | ১৬৪০১ | ০ | ১৬৪০১ | ২২ | ০ | ২২.৪৭ |
| **অলকানন্দা অৱবাহিকা** | | | | | | | | |
| ৬ | অলকানন্দা | ২২৪০০০ | ৬০৪১২ | ৪৭১০০ | ১০৭৫১২ | ২৭ | ২১ | ৪৮.০০ |
| ৭ | টোলি গংগা | ৫০০০ | ৪৬৭৯৪ | ০ | ৪৬৭৯৪ | ৯৪ | ০ | ৯৩.৫০ |
| ৮ | ঋষি গংগা | ৩৮৫০০ | ১০৪২৬ | ৬০০ | ১১০২৬ | ২৭ | ২ | ২৮.৬৪ |
| ৯ | বিৰহী গংগা | ২৯৫০০ | ২১৯২৬ | ০ | ২১৯২৬ | ৭৪ | ০ | ৭৪.৩২ |
| ১০ | নন্দাকিনী | ৪৪৫০০ | ১৫৫০৭ | ০ | ১৫৫০৭ | ৩৫ | ০ | ৩৪.৮৫ |
| ১১ | মন্দাকিনী | ৮১০০০ | ৩৪৮৭৫ | ৫০০ | ৩৫৩৭৫ | ৪৩ | ১ | ৪৩.৬৭ |
| ১২ | পিন্দাৰ | ১১৪০০০ | ২৪৯৭৪ | ১০০০ | ৩৪৯৭৪ | ২২ | ০ | ৩০.০৮ |

সাধাৰণতে সৰ্বাধিক বেয়া হয়। বাংলাদেশৰ গংগা-পদ্মাতো জলভাগৰ পৰা নিগৰি পৰা অৱশিষ্টখিনিৰ প্ৰত্যক্ষ আৰু পৰোক্ষ প্ৰভাৱ পৰে। ইয়াৰ পৰা মূৰকত পংকিল চামনি বৃদ্ধি হয় আৰু নদীৰ তলি তথা পাৰবোৰত স্খলন কাৰ্য বৃদ্ধি কৰে। ইয়াৰ দ্বাৰাই অৱশেষত অৱধাৰিত প্ৰণালীক আক্ৰান্ত কৰে আৰু অন্যান্য বিসঙ্গতিসূচক পৰিৱৰ্তন সাধন কৰে।

৩ আৰু ৰাটুৱা-১ খণ্ডৰ। এইবোৰ মাল্দা জিলাৰ অন্তৰ্গত। তেওঁলোকে ১৯৭৭ চনৰ পৰা প্ৰায় ১,৬৭০ হেক্টৰ কৃষি মাটি হেৰুৱায়। তাৰ লগতে মুৰ্ছিদাবাদ জিলাৰ বহু এলেকাত গৰা খহনীয়া, বানপানী সঘনে হ'বলৈ ধৰে। ইয়াৰ ফলস্বৰূপে লোকসকলে নিজ গাঁও এৰি আন ঠাইলৈ প্ৰব্ৰজন কৰে। এই কাৰ্যই ভাৰতৰ ক্ষেত্ৰত সম্পত্তিৰ দিশৰ পৰা প্ৰভূত ক্ষতিৰ পথ

**জলবিজ্ঞান আৰু পলসৰ বোজা**

**বাংলাদেশত প্ৰবাহিত ৫৭ খন নদী আৰু উপনদী আছে। ইয়াৰ ৫৪ খনৰ ভিতৰত ভাৰতেদি বৈ অহা গঙ্গাই হ'ল আটাইতকৈ প্ৰতাপী। মাত্ৰ ৩ খন নদীহে ম্যানমাৰৰ পৰা আহিছে। আমাৰ চুবুৰীয়া ঠাইসমূহৰ বাসিন্দাসকলৰ জীৱিকা নিৰ্বাহ বজাই ৰাখিবৰ বাবে পৰিৱেশ আক্ৰান্ত জলস্ৰোতক স্বাভাৱিক কৰি ৰাখিবৰ বাবে ভাৰতৰ ডাঙৰ দায়িত্ব আছে। কাৰণ এই ঠাইবোৰত জলে অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।**

নদীৰ প্ৰবাহিত পথত ফাৰাক্কা আৰু ৰাজমহলৰ মাজৰ (ঝাৰখণ্ডৰ ৫৩ কিলোমিটাৰ উজনি সোঁতত) অনেক স্থানত গতিপথৰ অস্থায়ী পৰিৱৰ্তন হেতু এটা অধ্যয়ন কৰা হয়। নদীৰ পাৰৰ খহনীয়া আৰু প্লাৱনৰ এই বিস্তৃত অধ্যয়ন ১৯৫৫ চনৰ পৰা ২০05 চন পৰ্যন্ত কৰা হয়। এই অধ্যয়ন লেণ্ডছেট আৰু ভাৰতীয় দূৰসঞ্চাৰ উপগ্ৰহৰ পৰা লোৱা প্ৰতিবিম্বিত চিত্ৰৰ জৰিয়তে কৰা হয়। উক্ত অধ্যয়নৰ পৰা এইটো জানিবলৈ দিয়া হয় যে নদীৰ পাৰবোৰৰ তেনে অৱস্থা হোৱাৰ ঘাই কাৰণ হ'ল পাৰৰ মাটি ভাগত স্তৰ গঠন হোৱা, কঠিন শিলাময় ক্ষেত্ৰৰ উপস্থিতি, অধিক বোজাৰ পলস জমা, তদুপৰি খন্দাৰ কঠিনতা আৰু ফাৰাক্কা বান্ধ নিৰ্মাণ কৰাটো হ'ল নদীৰ স্বাভাৱিক গতিময়তাত বাধা প্ৰদান কৰা। ইয়াৰ নিৰ্মাণৰ ফলত অসুবিধাত ভোগা লোকসকলৰ সৰহভাগেই হ'ল মাণিকচাক, কালিয়াচাক-২, কালিয়াচাক-

মুকলি কৰে; কাৰণ খহনীয়া আৰু বানপানী বছৰি বছৰি হ'বলৈ ধৰে।

বাংলাদেশতো এনেধৰণৰ ঘটনাৰ খবৰ পোৱা যায়। পলসৰ বোজা বাঢ়ি যায়— যাৰ ফলত স্বাভাৱিক গতিময়তাত বাধা প্ৰদান কৰে আৰু উপকূলীয় অঞ্চলত নদী প্ৰণালীৰ পৃষ্ঠৰো অৱনতি ঘটে। এইবোৰ কাৰণতে দেশখনত অৰ্থাৎ বাংলাদেশত বানপানীৰ প্ৰকোপ চৰি যায়।

**জৈৱ বৈচিত্ৰ্যৰ ক্ষতি**

ব-দ্বীপ অঞ্চলটোৰ নামনি ভাগত ভালেখিনি সময়ৰ পৰা বোৱতি পানীৰ মাত্ৰা কমি অহাৰ কাৰণে জৈৱ বৈচিত্ৰ্যৰ পৰিৱৰ্তনৰ গতিধাৰা সম্পৰ্কে সততেই প্ৰশ্ন উত্থাপিত হয়। এয়া বিশেষকৈ দুয়োখন দেশত বিস্তৃত হৈ থকা সুন্দৰবনক লৈ উদয় হয়। বনাঞ্চলৰ কিছু প্ৰজাতিৰ জীৱ বিলুপ্ত হোৱাৰ লগে লগে এতিয়া প্ৰাকৃতিক পৰিৱেশৰ গতি-প্ৰকৃতি খৰতকীয়াকৈ পৰিৱৰ্তন হৈছে তথা জৈৱ বৈচিত্ৰ্যও বেগেৰে অৱনমিত হৈছে। অৱশ্যে সেইবোৰে এতিয়াও কিছুমান দুষ্প্ৰাপ্য উদ্ভিদ আৰু জীৱ-জন্তুৰ কাৰণে আদৰ্শজনক বাসভূমিৰ সুবিধা যোগান ধৰি আছে।

সমগ্ৰ ব-দ্বীপ অঞ্চলটোত কিছু কালৰ পৰা জৈৱ-বৈচিত্ৰ্যৰ যি ক্ষতি সাধন হৈছে তাৰ ভালেমান কাৰণ চিহ্নিত কৰা হৈছে। বিভিন্ন কাৰণৰ এনে ক্ষতি সাধনৰ পৰিমাণগত এখন ছবি দাঙি ধৰা সম্ভৱ নহ'লেও তাৰ সৰহভাগেই প্ৰত্যক্ষ বা পৰোক্ষভাৱে পানীৰ বোৱতি গতি কমি অহাৰ স'তে সংলগ্ন আছে। লগত জীৱ বিজ্ঞান সম্পৰ্কিত কাৰণো আছে।

**বাংলাদেশত জলৰাশিৰ গতিমাত্ৰা**

বাংলাদেশৰ আক্ৰান্ত নামনি গঙ্গা ব-দ্বীপ অঞ্চল এলেকাৰ ফালৰ পৰা অনেক বৃহৎ আৰু সেয়ে বোধহয় অধিক মনোযোগ দিয়াৰ প্ৰয়োজন আছে। ১৯৭০ চনৰ পৰা ২০১১ চনৰ কালছোৱাৰ কাৰণে গঙ্গা নদীৰ পানীভাগৰ ওলাই যোৱা পৰিসংখ্যাৰ পৰা দেখা যায় যে শুকান বতৰৰ কালত (নৱেম্বৰ-মে') নদীখনৰ সোঁতৰ মাত্ৰা ৮২ শতাংশ পৰ্যন্ত হ্ৰাস পায়। এইটো ফাৰাক্কা বান্ধ নিৰ্মাণ কৰাৰ পাছৰ পৰা হয়। তেনেদৰে সেই দেশখনৰ দক্ষিণ-

**নদীসমূহ শুকাই যোৱাৰ পাছত ভাৰতৰ সুন্দৰবন এলেকাত নদীপৃষ্ঠৰ পলস পৰি সৃষ্টি কৰা ঠাইবিশেষত পথৰ দিহা কৰা প্ৰশাসনৰ প্ৰয়াস হ'ল বিকাশৰ বিৰোধাত্মক জ্ঞানৰ পৰিচয়। নদীবোৰ শুকাই যোৱাৰ পাছতেই এই সুযোগ গ্ৰহণ কৰিবলৈ লোৱাটো সেই অঞ্চলটোৰ প্ৰাকৃতিক পৰিৱেশক অৱজ্ঞা কৰা।**

**বিভিন্ন উপাদান আৰু দেশখনত পৰা প্ৰাকৃতিক পৰিৱেশ সন্দৰ্ভত বাংলাদেশে দাঙি ধৰা সৰহভাগ পৰিসংখ্যা ফাৰাক্কাইদি জলধাৰা বোৱাই দিয়াৰ কাৰণে তেনে হোৱা বুলি কোৱাটো অতিৰঞ্জিত কৰা যেন লাগে। কিয়নো সেইবোৰ সদায়েই বিজ্ঞানসন্মতভাৱে কৰা বিশ্লেষণৰ ওপৰত ভিত্তি কৰা নহয়। আনহাতে ফাৰাক্কাৰ হেতু হোৱা ভাৰতৰ নিৰ্ণয় সাধন বিষয়বোৰ প্ৰাক-ফাৰাক্কা দিনত ধৰি লোৱা কিছুমান ধাৰণাৰ ওপৰত কৰা হৈছিল আৰু সেয়ে যি বিশ্লেষণ কৰা হয় সেয়া কমভাৱে নিৰ্দ্ধাৰণ কৰা যেন লাগে।**

পশ্চিম ভাগতো ধীৰে ধীৰে জলৰাশিত লৱণীয়তাৰ মাত্ৰা বৃদ্ধি পায়। ইয়াৰ বাদেও ১৯৮৫-২০০০ বৰ্ষৰ কালছোৱাত ৬৮ শতাংশ বনজ সম্পদ হ্ৰাস পায়। অঞ্চলটোত এনেদৰে লৱণীয়তাই জৈৱ-বৈচিত্ৰ্যত বেয়াকৈ প্ৰভাৱ পেলায়। প্ৰণৱ কুমাৰ পাৰুৱাৰ মতে বাংলাদেশে লৱণীয়তা বৃদ্ধি সম্পৰ্কে শ্বেতপত্ৰত যি বিশ্লেষণ দাঙি ধৰিছে সেয়া প্ৰকৃত তথ্যৰ ওপৰত আধাৰ কৰা নহয়। তেনেদৰে পথাৰসমূহত উৎপাদন কমি অহা বিষয়টোক লৈও যুক্তি তৰ্ক কৰাৰ অৱকাশ আছে।

### ভৱিষ্যতৰ নীতি বিষয়

ভাৰতৰ গংগা ব-দ্বীপৰ নিম্নভাগ (ফাৰাক্কাৰ দক্ষিণছোৱা) আৰু বাংলাদেশ (দক্ষিণ-পশ্চিমভাগ) একেই প্ৰাকৃতিক পৰিৱেশৰ মাজত স্থিত আৰু ফাৰাক্কা বান্ধৰ জৰিয়তে জলৰাশিক আনফালে বোৱাই দিয়া তথা ভাৰতৰ বিভিন্ন স্থানৰ উজনি ভাগত নদীখনৰ গুণগত দিশৰ অৱনতি ঘটা ক্ৰমে ভাবুকিৰ সন্মুখীন হৈছে। উভয় দেশৰ বাবে এইটো উমৈহতীয়া চিন্তাৰ বিষয়; আৰু সেয়ে ইয়াৰ প্ৰতি গুৰুত্ব সহকাৰে সমগ্ৰ বিষয়ৰ ওপৰত ধ্যান দিয়া আৱশ্যক। তাৰ কাৰণে তলত উল্লেখ কৰা পৰামৰ্শাৱলী আগবঢ়োৱা হ'ল আৰু ইয়াৰ স্থায়ী সমাধানৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা প্ৰয়োজন।

(১) ফাৰাক্কা বান্ধৰ নক্সা আৰু জলৰাশিৰ নিৰ্গমন তথা বিতৰণ পদ্ধতি সম্পৰ্কে দুয়োখন দেশৰ স্বাৰ্থত পুনৰ চিন্তা কৰাৰ প্ৰয়োজন আছে যেন লাগে। গংগা নদীৰ ওপৰ ভাগত দীৰ্ঘ কালৰ পৰিপ্ৰেক্ষিতত সোঁতৰ ভৱিষ্যত গতিধাৰালৈ চাই এনে কৰা আৱশ্যক আৰু প্ৰয়োজন হ'লে নতুন পদ্ধতিৰ বিষয়ে সিদ্ধান্ত লোৱা উচিত।

(২) তিব্বতৰ পৰা ওলাই অহা জলৰাশি গংগা-ব্ৰহ্মপুত্ৰ নদীয়েদি বৈ যোৱাৰ ক্ষেত্ৰত ভৱিষ্যতে সোঁতৰ গতি কেনে হয় আৰু তুষাৰ নৈৰ পুনৰ আগমন তথা আন দিশৰ অনিশ্চয়তা সমগ্ৰ বিষয়টোকেই অধ্যয়ন কৰা প্ৰয়োজন হৈছে; কাৰণ তাত জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱৰ কথাটোও আছে। কাজেই ফাৰাক্কা বান্ধেদি জল বিতৰণৰ ক্ষেত্ৰত ভৱিষ্যত পদ্ধতি কেনে হোৱা দৰকাৰ তাক সু-চিন্তিতভাৱে সময়-সাপেক্ষ দৃষ্টিভংগী আগত ৰাখি জলবায়ুৰ উপযুক্ত আৰ্হিক বাস্তৱ ক্ষেত্ৰত প্ৰতিষ্ঠাপন কৰিব লাগে।

(৩) নতুন জলবিদ্যুৎ আৰু জলসিঞ্চন প্ৰকল্প ভাৰতত স্থাপন কৰিবলৈ লওঁতে ওপৰ ভাগত নদীৰ জলৰাশি ওলাই যাবৰ কাৰণে কঠোৰ নিয়ম মানি চলা প্ৰয়োজন; আৰু লগতে তাক বাধ্যতামূলক আৱশ্যকীয় বিষয়ৰূপে প্ৰভাৱ সম্বন্ধীয় বিশ্লেষণ কৰা দৰকাৰ।

(৪) নদীৰ উজনি সোঁতত ইতিমধ্যে চলি থকা পূৰ্বৰ জলবিদ্যুৎ তথা জলসিঞ্চন প্ৰকল্পবোৰক জলৰাশি ওলাই যোৱা সন্দৰ্ভত পুনৰ পৰ্যালোচনা কৰা আৱশ্যক; আৰু যদি দৰকাৰ হয় তাক পুনৰবৰ্দ্ধিত কৰিব লাগে— যাতে ঠাইসমূহৰ প্ৰাকৃতিক পৰিৱেশত ব্যাঘাট নজন্মে।

(৫) ভাৰতত বেচৰকাৰী এজেন্সিৰ দ্বাৰা অমূলকভাৱে জলস্ৰোতৰ গতি বিপথে নিয়া কাৰ্য শীঘ্ৰে বন্ধ কৰিবৰ কাৰণে কঠোৰ প্ৰশাসনীয় তদাৰকতা বজাই ৰাখিব লাগিব।

(৬) বিভিন্ন সময়ত সমগ্ৰ সোঁতৰ গতিপথছোৱাৰ নিৰ্দিষ্ট ঠাইত অৱস্থান অনুক্ৰমিক সংহত জল বিকাশ তথা ব্যৱস্থাপনা আঁচনি তৈয়াৰ কৰিব লাগে। আৰু তাৰ ৰূপায়ণ পদ্ধতিত থলুৱা বাসিন্দা-সকলৰ অংশগ্ৰহণেৰে কাম কৰিব লাগে। লগতে তেওঁলোকে তদাৰকী কামত যাতে সহযোগ কৰে তাৰ প্ৰতিও ধ্যান দিব লাগে। গোটেই বছৰটোতে জলৰাশিৰ নিৰ্দিষ্ট গুণ যাতে বজাই ৰাখিব পৰা যায় তাৰ বাবেই এনেবোৰ প্ৰচেষ্টাৰ প্ৰয়োজন।

(৭) ভাৰতত বিশেষকৈ মাটি আৰু জলৰ লৱণীয়তাৰ ক্ষেত্ৰত বিবিন্ন গুৰুত্বপূৰ্ণ স্থানৰ জলস্ৰোতৰ প্ৰভাৱ, সোঁতৰ গতিৰ হাৰ, ঢৌ আৰু তাৰ উঠা-নমা গতি, পলস কিম্বা জল-বিজ্ঞান পৰিধি আদি বিষয়বোৰৰ প্ৰতি ধ্যান দিয়া দৰকাৰ। নদী-সমূহেদি যাতায়াত ব্যৱস্থাৰ সুবিধা আৰু কলকাতা বন্দৰতো নৌ যাত্ৰাৰ দিহা,

ভূগৰ্ভস্থ জলপৃষ্ঠৰ গভীৰতা আৰু গুণাগুণ, জৈৱ-বৈচিত্ৰ্যৰ গুৰুত্বপূৰ্ণ উপাদানসমূহ আৰু ইয়াৰ স'তে জড়িত থকা আন যিকোনো বিষয় বিবেচনা কৰা দৰকাৰ। নিচেই কমেও পাঁচ বছৰ কালৰ বাবে পৰ্যায়ক্ৰমে উপযুক্ত আঁচনিৰে পুনৰীক্ষণ কৰাটো নিতান্তই বাঞ্চনীয়। এনে কাৰ্য কেন্দ্ৰীয় টাস্ক ফ'ৰ্চে কৰিব লাগে; আৰু সেই টাস্ক ফ'ৰ্চ বিজ্ঞানী, এন জি অ', চৰকাৰী বিষয়া, থলুৱা বাসিন্দাৰে গঠন কৰা আৱশ্যক। এনে একেধৰণৰ কাৰ্যসূচী বাংলাদেশে তৈয়াৰ কৰি কামত লগাব লাগে। দুয়োখন দেশৰ জনচেৰেক বিশিষ্ট লোকেৰে (সদস্যৰূপে) গঠিত এটা দলে প্ৰতিবছৰে কাম-কাজৰ অগ্ৰগতি সম্বন্ধে আলোচনা কৰা উচিত আৰু সেইবোৰ পৰ্যবেক্ষণো কৰিব লাগে। নিৰ্দিষ্ট কৰা লক্ষ্যৰ সন্দৰ্ভত কিবা উন্নতি সাধন কৰিব লাগিলে সেই সম্বন্ধেও দিহা-পৰামৰ্শ আগবঢ়োৱা প্ৰয়োজন।

এইটোও মনত ৰাখিব লাগিব যে দুয়োখন দেশৰ গঙ্গা ব-দ্বীপ অঞ্চলটোৰ নামনি ভাগ ঘাইকৈ উপকূলীয় ৰেখাৰ আৰু সেয়ে ইয়াৰ গতি-প্ৰকৃতি ঠুনুকা বিধৰ। বতাহ-ধুমুহা, বৃষ্টিপাত আদিয়ে সঘনাই ইয়াক আক্ৰান্ত কৰে আৰু বিস্তৃতভাৱে ক্ষতিসাধনো কৰে। তাক প্ৰতিহত কৰাটো সম্ভৱ নহয় আৰু বোধহয় আটাইৰে নিয়ন্ত্ৰণৰ বাহিৰত। গঙ্গা নদীৰ অৱনমিত পৰিৱেশ আক্ৰান্ত জলস্ৰোতৰ পৰা উৎপত্তি হোৱা অতিৰিক্ত কাৰণসমূহে অঞ্চলটোৰ বাসিন্দাসকলৰ দুখ-দুৰ্গতিত অধিক অৰিহণা যোগায়। সামৰণিত এইটো কওঁ যে আমাৰ বিশ্বাস দুয়োখন দেশৰ এই অঞ্চলটোৰ বাসিন্দাসকলৰ জীৱিকা নিৰ্বাহ কৰিবৰ কাৰণে প্ৰাকৃতিক পৰিৱেশৰ উন্নতি সাধিবলৈ কোনো চমু পথ নাথাকিব পাৰে। ফাৰাক্কা বান্ধৰ জৰিয়তে যি পৰিৱেশ আক্ৰান্ত জলস্ৰোতৰ গতি অব্যাহত থাকে তাৰ পৰা উপশম পাবৰ কাৰণে ইতিমধ্যে যিবোৰ পৰামৰ্শ দাঙি ধৰা হ'ল সেই সন্দৰ্ভত সতৰ্কতাৰে বিষয়টো বিবেচনা কৰি চাব পাৰে। ❐

**কৃতজ্ঞতা স্বীকাৰ ঃ**

লেখকদ্বয় পৰিসংখ্যা আৰু গ্ৰাফিক চিত্ৰ যুগুতোৱাত সহায় কৰাৰ কাৰণে বৰ্দ্ধমানৰ কে.ভি.কে-ৰ প্ৰ'গ্ৰাম এছিষ্টেণ্ট (কম্পিউটাৰ) এছ কে গুলাম ৰছুলৰ ওচৰত কৃতজ্ঞ।

---

**(১১ পৃষ্ঠাৰ পৰা)**

এই অভিযান এক অংশগ্ৰহণমূলক পৰিকাঠামোৰ ভিতৰত পৰিকল্পনা আৰু ৰূপায়ণ কৰাটো আৱশ্যক। বস্তি অঞ্চলৰ বাসিন্দাৰ প্ৰয়োজন আৰু বহনক্ষমতাৰ আধাৰত তেওঁলোকৰ সক্ৰিয় অংশগ্ৰহণৰদ্বাৰাহে চৰকাৰী সাহায্যৰ ভিত্তিত আৱাস ব্যৱস্থাৰ কাম হাতত লোৱা উচিত। অৱশ্যে বৃহৎ চহৰসমূহৰ ক্ষেত্ৰত ব্যক্তিগত খণ্ডৰ নিৰ্মাণ সংস্থাৰ ভূমিকাক উলাই কৰিব নোৱাৰি। কিন্তু এনে নিৰ্মাণ সংস্থাক দায়িত্ব দিলেও দুখীয়াৰ নামত বহুমহলীয়া অট্টালিকা নিৰ্মাণ কৰি ব্যৱসায় চলোৱা কাৰ্যত নিষেধাজ্ঞা থাকিব লাগিব। ৰাজীৱ আৱাস যোজনাৰ মৌলিক উপাদান দুটা প্ৰথমটো আৱাস-ব্যৱস্থা আৰু দ্বিতীয়টো হ'ল মৌলিক সা-সুবিধা আৰু আন্তঃগাঁথনি। জৱাহৰলাল নেহৰু ৰাষ্ট্ৰীয় নগৰ পুনৰ নবীকৰণ অভিযান আঁচনিত এই দুটা উপাদানৰ সুষম ভাৰসাম্য ৰখাত গুৰুত্ব দিয়া হোৱা নাছিল আৰু দৰিদ্ৰৰ বাবে মৌলিক সেৱা কাৰ্যসূচী (বি এচ ইউ পি) বহুমহলীয়া অট্টালিকাযুক্ত আৱাস-ব্যৱস্থা আঁচনিলৈ ৰূপান্তৰিত হৈছিল। এই কথা সহজেই অনুমেয় যে এনে আৱাসগৃহ দৰিদ্ৰজনৰ বহনক্ষমতাৰ বাহিৰত আছিল আৰু সম্পদৰ অভাৱত এনে আঁচনিয়ে সমগ্ৰ চহৰখনক সামৰি লোৱাত অসমৰ্থ হোৱা দেখা গৈছিল।

এই কথা উপলব্ধি কৰা হৈছে যে বস্তি অঞ্চলত বাসিন্দাৰ কাৰণে আৱাসৰ ব্যৱস্থা কৰাৰ বাবে গুৰুত্বপূৰ্ণ পদক্ষেপ লোৱাটো সময়ৰ আহ্বান হৈ পৰিছে। এই ক্ষেত্ৰত এনে অভিযানৰ বাবে মুকলি ভূমি যোগান ধৰা, আৱাস-ব্যৱস্থাৰ ব্যয়ৰ ক্ষেত্ৰত সাহায্য ৫০ শতাংশলৈ বৃদ্ধি কৰাৰ লগতে দৰিদ্ৰ পৰিয়ালে ঋণ পৰিশোধ কৰাৰ ক্ষেত্ৰত সমৰ্থ হ'বৰ বাবে গৃহৰ কালি ১৮০ৰ পৰা ২০০ বৰ্গফুটৰ ভিতৰতে কৰাটো প্ৰয়োজনীয় হ'ব বুলি মনে ধৰে। ❐

# নগৰীকৰণ আৰু প্ৰত্যাহ্বান ঃ ইয়াৰ পৰিকল্পনাত নতুন দিশ সূচনাৰ প্ৰয়োজন

**ললিতা কামাথ***

নগৰীকৰণৰ ক্ষেত্ৰত আহি পৰা প্ৰত্যাহ্বানবোৰৰ সন্মুখীন হ'বৰ বাবে নগৰ পৰিকল্পনাৰ ভাল আৰু নতুন নতুন পথ চিহ্নিত কৰিবলৈ লোৱা হৈছে। পৰিকল্পনাৰ সমাধানৰ বিষয়বোৰৰ প্ৰতি নতুন চহৰ নিৰ্মাণ আৰু বৰ্তমানে থকা চহৰবোৰৰ মান উন্নীতকৰণৰ বাবে উপায় ৰূপে দৃষ্টি আৰোপ কৰা হৈছে। পিছে নগৰ পৰিকল্পনাৰ ক্ষেত্ৰত যি সম্ভাব্য নতুন পদক্ষেপ গ্ৰহণ কৰিব লগা আছে সেই ক্ষেত্ৰত কিছু স্পষ্টীকৰণ দিয়াটোও আৱশ্যক হৈছে। এই প্ৰবন্ধটোত দুটা উদ্দেশ্যৰ বিষয়ে ক'বলৈ লোৱা হৈছে। প্ৰথম উদ্দেশ্য হ'ল নতুন চহৰ নিৰ্মাণ আৰু বৰ্তমানে থকা চহৰবোৰৰ মান উন্নীতকৰণৰ ক্ষেত্ৰত লাভ কৰা অতীত অভিজ্ঞতাৰ পৰা কিছু সমাধান সূত্ৰ বিচাৰি উলিওৱা। এই ক্ষেত্ৰত বিভিন্ন প্ৰশ্ন উত্থাপন কৰা হয়; আৰু সেয়া হ'ল— ভাৰতত নতুন চহৰ নিৰ্মাণ কাৰ্যই ভাল পৰিকল্পিত চহৰৰ সূচনা কৰিছে জানো? পৰম্পৰাগতভাৱে চহৰ নিৰ্মাণ প্ৰয়াস (যেনে— বিকাশ পৰিকল্পনা) তথা নতুন প্ৰয়াসে (যেনে— চহৰ বিকাশ পৰিকল্পনা) আমাৰ চহৰবোৰৰ ওপৰত কি ধৰণৰ প্ৰভাৱ পেলাইছে? এনে ধৰণৰ অধিক পৰিকল্পনাই আৰু অধিক বাসযোগ্য চহৰ গঢ়ি তোলাত সুফল দিব নেকি? এইবোৰ প্ৰশ্নৰ পৰা যিবোৰ সমাধান সূত্ৰ উলিওৱা হ'ব তাৰ গইনা লৈ পৰিকল্পনাৰ ক্ষেত্ৰত নতুন পদক্ষেপ গ্ৰহণ কৰাটো হ'ল দ্বিতীয় উদ্দেশ্য। ইয়াকে কৰিবলৈ বিষয়বোৰ পুনৰ চিন্তা কৰাৰ প্ৰয়োজন আছে। পৰিকল্পনানো কি আৰু ভাৰতৰ চহৰবোৰৰ প্ৰসঙ্গত ইয়াক কেনেদৰে কামত লগোৱা হয় তাৰ প্ৰতি গুৰুত্ব দিয়া আৱশ্যক আৰু সেই প্ৰক্ৰিয়াক অৱলম্বন কৰি পৰিকল্পনা ৰূপায়ণত কেনেদৰে সহায় কৰিব তাৰ প্ৰতি গুৰুত্ব দিয়া— যাতে অধিক উপযুক্ত বাসযোগ্য থলী নিৰ্মাণ হৈ উঠে আৰু জীৱন ধাৰণ তথা কাম-কাজ উভয়ৰ বাবে অধিক কৰ্মক্ষম স্থানলৈ পৰিণত হয়।

**নতুন চহৰ নিৰ্মাণৰ মিশ্ৰিত প্ৰতিফলন**

"গ্ৰীণফিল্ড" অৰ্থাৎ সেউজ ক্ষেত্ৰ বুলিলে সাধাৰণতে অব্যৱহৃত মাটিত গৃহ নিৰ্মাণ কৰাকে বুজায়— য'ত কোনো গাঁথনিৰ পুনৰ আৰ্হি যুগুতোৱা অথবা ভাঙি পেলোৱাৰ আৱশ্যক নহয়। স্বাধীনতাৰ কালৰ তিনিটা দশকত এশতকৈও অধিক সেউজ ক্ষেত্ৰৰ চহৰ (জামছেদপুৰৰ দৰে কোম্পানী নগৰ আৰু চণ্ডীগড়ৰ দৰে প্ৰশাসনীয় নগৰ) নিৰ্মাণ কৰা হয়। তেতিয়া অৰ্থনৈতিক অৱস্থা সচ্ছল আছিল কাৰণেই সেয়া সম্ভৱ হৈ উঠিছিল। কিন্তু সেই নগৰবোৰৰ বৰঙণি আদিতেই বিকাশ লাভ কৰা চহৰবোৰৰ তুলনাত ভালেখিনি সীমিত। এই ক্ষেত্ৰত ব্যাপকভাৱে সমালোচনা কৰা হয়; আৰু তেনে সমালোচনাৰ গুৰুত্বপূৰ্ণ বিষয় হয় পৰিকল্পিত চহৰবোৰে বসবাস কৰাৰ বাস্তৱতাক অৱজ্ঞা কৰে— বিশেষকৈ দুখীয়া শ্ৰেণীৰ লোকসকলৰ ক্ষেত্ৰত (যেনে— কৰ্মস্থানৰ ওচৰত বাসগৃহ অৱস্থানৰ প্ৰতি আওকাণ) আৰু চহৰৰ অৰ্থনীতিৰ স'তে অভিযান্ত্ৰিক চৌহদৰ আন্তঃসংযোগ পদ্ধতি প্ৰাপ্তিত অত্যন্ত কঠিনতা আছে।

মুম্বাই আৰু দিল্লীৰ দৰে সমীপত থকা নতুন পৰিকল্পিত বসতিস্থলবোৰে বহু ভাল কাম কৰিছে— যদিও আজিকালি পৰিকল্পিত চহৰৰূপে কিছু অস্বীকৃতিপ্ৰাপ্ত প্ৰয়াসৰূপে ভাবিবলৈ লোৱা হয়। কিয়নো এই বসতিস্থলবোৰৰ ক্ষেত্ৰত লোকসকলে পৰিকল্পনাত থকা ব্যৱস্থাবোৰকো চেৰাই কাম কৰাটো দৈনন্দিন অভ্যাসত পৰিণত হৈছে। চি আই ডি চি অ'ৰ বিভিন্ন প্ৰয়াস সত্বেও নবী মুম্বাইৰ পৰিকল্পনা প্ৰাধিকৰণে কিছু ক্ষেত্ৰত আশানুৰূপ ফল পোৱা নাই। বে-আইনী গৃহ নিৰ্মাণ আৰু দখল কাৰ্য অব্যাহত আছে। সেৱা প্ৰদান ব্যৱস্থা সকলোতে একে ধৰণৰ নহয়, যদিও বিভিন্ন বিকাশ কাৰ্য খৰতকীয়াকৈ বৃদ্ধি পাইছে। আনহাতে গুৰগাঁৱৰ অৱস্থা ভিন্ন ধৰণৰ। ইয়াত অধিক ব্যক্তিগত আৰু বিপণন ভাবধাৰাৰ পৰিকল্পনাৰ পৰিচয় পোৱা যায়। বাসগৃহ আৰু ডাঙৰ ভৱনবোৰৰ ক্ষেত্ৰত প্ৰয়োজনীয় বিষয়বোৰৰ প্ৰতি মন দিয়া হয়। অনাময়, মল-মূত্ৰ আদিৰ সুব্যৱস্থা তথা ৰাস্তাবোৰ

*ললিতা কামাথ মোম্বাইৰ টাটা ইনষ্টিটিউট্ অৱ ছ'ছিয়েল ছাইনছেঞ্জৰ স্কুল অৱ হেবিটেট ষ্টাডিজৰ সহযোগী অধ্যাপক

আলোকিতকৰণৰ প্ৰতি গুৰুত্ব দিয়া হয়। বিনিয়োগ, উদ্যোগ আৰু লোকসকলক আকৰ্ষণ কৰাৰ দিশত গুৰগাঁও বহুখিনি সফল হৈছে। ইয়াৰ আৰ্হি বৰ পৰিৱেশ অনুকূল আৰু সামাজিক দিশৰ পৰাও ই গুৰুত্ব বহন কৰিছে। দুয়োখন ঠাইৰ বিকাশ ভূমিৰ ক্ষেত্ৰত উজলি উঠা বজাৰ আৰু সচৰাচৰ লাভ কৰা বসবাসৰ গতিময়তাই বৈশিষ্ট্য বহন কৰিছে। ঠাইবোৰ বিকাশ পৰিকল্পনা চলি থকা ব্যৱস্থা অনুযায়ী গ্ৰহণ কৰিব লগা হয়। এই বিকাশ পৰিকল্পনাক আধাৰৰূপে বিবেচনা কৰা হয়। ভূমি আৰু সম্পদৰ আবণ্টনৰাশি নিৰ্দিষ্ট কৰা বিশেষজ্ঞ-সকলে ২০ বছৰ কালৰ বাবে বিস্তৃত আঁচনিও তাৰ বাবে তৈয়াৰ কৰে; কিন্তু উভয় ক্ষেত্ৰতে অৱস্থাৰ ওপৰত ভিত্তি কৰি তাৰ সাল-সলনি কৰা দেখা যায়। মাটিৰ গৰাকী, সেই মাটিৰ বিকাশ সধাসকল, স্থাপত্যবিদ, ঠিকাদাৰ আৰু ৰাজ্যিক এজেঞ্চিসমূহে নিজে বিচৰা অনুসৰি পৰিকল্পনাক আকাৰ দিয়াৰ কামত আগবাঢ়ে। যিহেতু মাটিৰ মূল্য আচৰিত ধৰণে বৃদ্ধি পাইছে, সেই বাবে মাটিখিনিৰ বিকাশ সম্ভাৱনীয়তালৈ চাই কামত আগবাঢ়িবৰ কাৰণে প্ৰভাৱ বিস্তাৰ কৰিবলৈ চোৰা গোটসমূহৰ অৰ্থে এয়া একোখন গুৰুত্বপূৰ্ণ নথিস্বৰূপ হৈ পৰে।

ফলস্বৰূপে যিবোৰ পৰিকল্পনাই সুশৃংখলভাৱে বিকাশ সাধন কৰিব বুলি ধৰা যায় সেইবোৰত আহি পৰে বিভিন্ন ধৰণৰ আৰোপ কৰা বিষয়। স্থানীয় এলেকাত সচৰাচৰ গঢ়ি উঠা প্ৰভাৱৰ জৰিয়তে আৰু ৰাজনীতিৰ মেৰপেচত পৰি তেনে পৰিকল্পনাৰ সংস্কাৰ সাধিব লগা হয়। মূৰকত ইয়াক সাৰ্থক ৰূপ দিয়াৰ ক্ষেত্ৰত নিশ্চয়তা নোহোৱা হয়। সেয়ে এইটো প্ৰশ্ন উত্থাপন হয় যে বিভিন্ন শক্তি আৰু প্ৰভাৱৰ দ্বাৰা আকাৰ দিয়া জটিল নগৰ-পদ্ধতি ব্যৱস্থাক উন্নয়ন পৰিকল্পনাত একক প্ৰতিষ্ঠানলৈ সংকোচন ঘটোৱাৰ যুক্তি জানো আছে?

**'সচ্ছল' নগৰৰ ক্ষেত্ৰত উন্নয়ন পৰিকল্পনা কিমান প্ৰাসঙ্গিক?**

ব্ৰিটিছৰ দিনৰ পৰা চলি অহা চহৰৰ ভৱিষ্য দ্ৰষ্টা আৰু ব্যৱস্থাপনাৰ কামবোৰ পৰম্পৰাগত বাহকস্বৰূপ হৈ আহিছে। ব্ৰিটিছসকলে তেওঁলোকৰ আৱশ্যকতাৰ হকে প্ৰাসঙ্গিক কৰি তুলিবৰ কাৰণে নিজৰ পৰিকল্পনামূলক কাৰ্য ব্যৱস্থাসমূহ সংশোধন কৰিছিল। পিছে আমাৰ পৰিকল্পনা আইনবোৰত কমেইহে পৰিৱৰ্তন সাধন কৰা দেখা যায়। এই বাবেই পৰিকল্পনা বিকাশ আৰু 'সচ্ছল' নগৰৰ মাজত কাৰ্য প্ৰণালী আৰু বাস্তৱ ব্যৱস্থাৰ যথেষ্ট অমিল দেখা যায়।

উন্নয়ন পৰিকল্পনা ব্যৱস্থাই চহৰৰ বাবে গ্ৰহণ কৰা আঁচনিৰ সীমিত ভাগকহে সামৰি লয়। উদাহৰণস্বৰূপে বস্তি এলেকাৰ অধীনত থকা ক্ষেত্ৰ-সমূহক অন্তৰ্ভুক্ত কৰা নহয়; কিয়নো বস্তি এলেকাসমূহক বেআইনী বুলি বিবেচনা কৰা হয়। প্ৰকৃতাৰ্থত ক'বলৈ গ'লে সদ্যহতে মোহৰ মৰা অনানুষ্ঠানিক খণ্ডক পৰিকল্পনাৰ ভিতৰত ধৰা নহয়। এয়া হ'ল পৰিকল্পনা প্ৰক্ৰিয়াত থকা ডাঙৰ ত্ৰুটী, কিয়নো অনানুষ্ঠানিক খণ্ডই সৰহভাগ চাকৰিৰ যোগান ধৰে আৰু চহৰৰ মুঠ ঘৰুৱা উৎপাদনলৈ যথেষ্ট পৰিমাণে বৰঙণি যোগায়। চহৰৰ তেনেই নিকটৱৰ্তী হোৱাৰ পৰা দূৰৈত ৰাখি কম উৎপাদনশীল বেহা-বেপাৰ আৰু কম চাহিদাৰ সেৱাত ইয়াক ন্যস্ত কৰা হয় আৰু বিকাশ ব্যৱস্থাই চহৰৰ অৰ্থনীতিৰ কেন্দ্ৰবিন্দুত বহি আনুষ্ঠানিকগত অৰ্থনীতিৰ প্ৰতি সংযোগ ৰাখে। ভাৰতীয় চহৰবোৰৰ কৰ্মশক্তিৰ তিনিভাগ এনেবোৰ ঠাইৰ অৰ্থনৈতিক কাম-কাজত ন্যস্ত কৰে, যিবোৰক পৰম্পৰাগতভাৱে কৰ্মস্থানৰূপে গণ্য কৰা নহয়। সেইবোৰ স্থান হ'ল গৃহ কিম্বা ৰাস্তা (ৰাষ্ট্ৰীয় চেম্পল ছাৰ্ভেৰ প্ৰতিবেদন ৫১৯, ২০০৪-০৫) আৰু ৭৫ শতাংশ কৰ্মশক্তি হ'ল অনানুষ্ঠানিক খণ্ডৰ (চেম্পল ছাৰ্ভে ২০০৫)। যদি ইমান বৃহৎ সংখ্যক লোকে পৰিকল্পনাত ঠাই নাপায় তেনেহ'লে তেওঁলোকে চহৰৰ ভিতৰত কেনেকৈ ভূমি আৰু সেৱাসমূহৰ সুচল প্ৰৱেশৰ লাভ আদায় কৰিব পাৰিব? আন্তঃগাঁথনিৰ মান উন্নত কৰাৰ সুবিধা তেওঁলোকে স্থানীয় পৌৰ কিম্বা কাউন্সিলৰ কিম্বা বিধায়ক অথবা সাংসদ পুঁজিৰ জৰিয়তে— বিশেষকৈ নিৰ্বাচনৰ সময়ত পায়। এনে ধৰণৰ চহৰ নিৰ্মাণ কাৰ্য মিশ্ৰিত প্ৰভাৱৰ দ্বাৰা পৰিপুষ্ট হয় আৰু দৈনন্দিন ৰাজনীতিৰ সংযোগ সাধনেৰে চহৰীকৰণত প্ৰাধান্য বিস্তাৰ কৰে। এই প্ৰাধান্য বিস্তাৰ কৰা চহৰীকৰণ ব্যৱস্থা পৰিকল্পনা ব্যৱস্থাৰ জৰিয়তে কৰা নহয়, বৰং ইয়াৰ বিপৰীতেহে যোৱা হয়; আৰু সেইটোৱে 'সচ্ছল' চহৰৰ কাৰণে পৰিকল্পনা বিকাশৰ সীমিত প্ৰাসঙ্গিকতাকহে পৰিষ্কাৰকৈ দেখুৱাই দিয়ে।

পৰিকল্পনা আইনবোৰ যুগুতোৱাৰ পাচত কেৱল চূড়ান্ত খচৰা আঁচনি পৰামৰ্শ গ্ৰহণ আৰু ওজৰ-আপত্তি দৰ্শোৱাৰ বাবে প্ৰকাশ কৰিব লগা হয়। আঁচনি তৈয়াৰ কৰা কালত কিবা বিষয়ত হস্তক্ষেপ কৰাৰ সময় তেনেই কম থাকে আৰু সেয়ে জনগণে তথা ৰাজনৈতিক প্ৰতিষ্ঠানসমূহে বিকাশ পৰিকল্পনাৰ প্ৰতি প্ৰত্যাহ্বান জনোৱাটো পৰিকল্পনা যুগুতাই উলিওৱাৰ পাচতহে সম্ভৱ কৰি তোলে। তেতিয়া স্বাভাৱিকতেই পৰিকল্পনাৰ দীৰ্ঘদিনীয়া প্ৰক্ৰিয়াৰ ক্ষেত্ৰত হস্তান্তৰ সৃষ্টি হয়।

সুন্দৰেছনে এই বিষয়ত এটা কথা জানিবলৈ দিয়ে যে কৰ্ণাটকৰ উচ্চতম ন্যায়ালয়ত নাগৰিকসকলৰ এটা গোটে ৰাজহুৱা স্বাৰ্থজড়িত গোচৰ তৰিছিল। তেওঁলোকে পৰিৱেশমূলক আঁচনি, কৌশলাত্মক দিশলৈ চাই মণ্ডলবিশেষলৈ নিৰ্দিষ্ট কৰিবৰ কাৰণে মাটিৰ ব্যৱহাৰ আৰু যাতায়াত আঁচনি সম্পৰ্কে বেংগালোৰ মূল আঁচনিৰ সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰে (২০০৫-১৫)। তেওঁলোকৰ কাষৰীয়া অঞ্চলৰ ওপৰত তাৰ প্ৰভাৱ কি পৰিব সেই সন্দৰ্ভতো আপত্তি দৰ্শায়। ২০১২ চনত আদালতে পৰিকল্পনাৰ দ্বাৰা প্ৰস্তাৱ কৰা মিশ্ৰিত ধৰণে মাটি ব্যৱহাৰ কৰা কৌশল নাকচ কৰে। চূড়ান্ত খচৰা পৰিকল্পনা— পৰিকল্পনা কৰ্তৃপক্ষ আৰু বেংগালুৰু বিকাশ প্ৰাধিকৰণত দাখিল কৰা তথা দুবছৰৰ পাচত চূড়ান্ত অনুমোদন জনোৱাৰ সময়খিনিত এনে ধৰণৰ বহু পৰিৱৰ্তন সাধন কৰা হয়। আনহাতে আঁচনি ৰূপায়ণৰ দায়িত্বত থকা নিগমে নতুন পৰিকল্পনাই মঞ্জুৰ কৰা নিৰ্মাণ অধিকাৰক নিৰ্দিষ্টভাৱে বাছি বাছি কামত লগাবলৈ লয়; কিন্তু তাৰ বাবে কোনো উপযুক্ত ভৱন নিৰ্মাণৰ নিয়ম-নীতি নাথাকে। অথচ তেনে নীতি-নিয়মসমূহে সেই নতুন নিৰ্মাণ কাৰ্য সম্পাদনৰ নিশ্চয়তা প্ৰদান কৰে। তাৰ ফলস্বৰূপে বাস্তৱ ক্ষেত্ৰত যিবোৰ কাৰ্য প্ৰতিফলিত হয় সেয়া হ'ল অধিক মাত্ৰাত নিৰ্মাণ, ঠাইবিশেষত ঠাহ খাই পৰা আৰু আন্তঃগাঁথনিৰ ওপৰত অধিক বোজা। নতুন পৰিকল্পনাই এনেবোৰ সমস্যা সমাধান কৰিব লগা হয়।

যুক্তিযুক্তভাৱেই সকলো সংশোধন সহ পৰিকল্পনা প্ৰক্ৰিয়াক কঠিন অৱস্থাতো আগুৱাই নিবলৈ ইয়াক জনগণৰ প্ৰয়াসৰূপে চাব পাৰি— যিটো সুস্থভাৱে জীৱন নিৰ্বাহ কৰাত অধিক প্ৰাসঙ্গিক বিষয় হৈ পৰে। এই পদ্ধতিয়ে অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্ৰত সুবিধা গ্ৰহণ কৰি সম্পদ সংগ্ৰহ কৰা সকলকো সুস্থ আকাৰ দিয়াত সহায় কৰিব।

**পৰিকল্পনা ৰূপায়ণত অপাৰগতা**

ভাৰতীয় চহৰসমূহত বসবাস কৰা লোকসকলৰ গুণগত দিশৰ নিঃকিন জীৱন ধাৰাৰ ক্ষেত্ৰত সৃষ্টি হোৱা প্ৰায়ভাগ হতাশা পৰিকল্পনাৰ সন্দৰ্ভত উলংঘা কৰা কাম-কাজৰ পৰা উদ্ভৱ হোৱা দেখা যায়। চহৰৰ বস্তি অঞ্চলত বাস কৰা দুখীয়া লোকসকলে এনে ধৰণৰ অনিয়মত বৰঙণি যোগোৱা পৰিলক্ষিত হয়। পিছে তেওঁলোকেই একমাত্ৰ লোক নহয় যিসকল এনে অনিয়মৰ পৰা উপকৃত হয়। বিশ্বত অনানুষ্ঠানিক নগৰীকৰণে মজলীয়া আৰু উচ্চ শ্ৰেণীৰ চহৰ তথা উপ-চহৰৰ লোকক বস্তি বাসিন্দাসকলতকৈ অধিক উপকৃত কৰিছে। এয়া বিশেষকৈ চহৰৰ কাষৰীয়া ঠাইসমূহত এনে কৰা হৈছে; আৰু তাক অনানুষ্ঠানিকভাৱে মাটি দখল তথা তাত কেনে ধৰণৰ গৃহ নিৰ্মাণ কৰিলে ফলদায়ক হ'ব সেই সম্পৰ্কিত বিশেষ আকাৰ-প্ৰকাৰৰ ছবি (লে-আউট) বিক্ৰী কৰি উৎসাহিত কৰা হৈছে। কাজেই অনানুষ্ঠানিকতা দৰিদ্ৰতাৰ সমৰূপ নহয়। ইয়াৰ স'তে সম্পৰ্ক নাই।

ভাৰতত চহৰৰ সন্দৰ্ভত লিখা পণ্ডিতসকলে (চণ্ডীগড়ৰ সন্দৰ্ভত ছাৰিণ, দিল্লীৰ ক্ষেত্ৰত বাৱিস্কাৰ আৰু বাঙ্গালুৰুৰ সন্দৰ্ভত বেঞ্জামিন তথা নায়াৰে লিখিছে) এই কথাত গুৰুত্ব দিছে যে বস্তিসমূহৰ স্থিতি আৰু বিকাশ তথা মজলীয়া আৰু উচ্চ শ্ৰেণীৰ লোকৰ অনিয়ম কাৰ্যক 'পৰিকল্পনাৰ অপাৰগতা'ৰূপে বুজাৰ আৱশ্যক নকৰে, বৰং পৰিকল্পনা প্ৰক্ৰিয়াৰ এটা প্ৰয়োজনীয় অংশৰূপেহে চাব লাগে। লেখিকা ৰায়ৰ যুক্তি হ'ল বিকাশ সম্বন্ধে ভৱিষ্যতৰ ছবি দাঙি ধৰা আৰু তেনে বিকাশ কাৰ্য চোৰা-চিতা কৰাতকৈ ভাৰতৰ ক্ষেত্ৰত চহৰ পৰিকল্পনা হ'ল সঘনে পৰিৱৰ্তন হোৱা অনানুষ্ঠানিক প্ৰক্ৰিয়াৰ জৰিয়তে ভূ-সম্পদৰাজিৰ ব্যৱস্থা কৰাটোহে। তেওঁ আৰু কয় যে ভাৰতৰ 'পৰিকল্পনা-ৰাজ' (প্লেনিং ৰেজিম) অনিয়ামক (ডিৰেগুলেচন) পদ্ধতিৰ দ্বাৰা চিহ্নিত। এই অনিয়ামক-নিয়ামক ব্যৱস্থাহীনতাৰ (আনৰেগুলেচন) বিপৰীত আৰু ইয়ে 'চিন্তা-চৰ্চাৰ অনানুষ্ঠানিকতা'ক (কেলকুলেটেদ ইনফৰ্মেলিটি) বুজায় আৰু এই পিছৰ বিধ অনানুষ্ঠানিকতাত ৰাজ্যই ইচ্ছাকৃতভাৱেই নিয়ামক ক্ষমতা উঠাই লয়। ফলস্বৰূপে এই অস্পষ্টতা ভাবধাৰাই চহৰ বিকাশৰ প্ৰক্ৰিয়াক আকাৰ দিয়ে।

কামাথ আৰু দীক্ষিতে মহাৰাষ্ট্ৰৰ ৯ লাখ জনসংখ্যা থকা ছ'লাপুৰ নগৰখনৰ সংৰক্ষণ ব্যৱস্থা সম্পৰ্কে উল্লেখ কৰিছে। অনিয়ামক ব্যৱস্থাৰ দ্বাৰা প্ৰকৃততে পৰিকল্পনাই কেনেদৰে কাম কৰে তাক ভালদৰে বুজি উঠিবৰ বাবেই তেওঁলোকে কিছু মন্তব্য আগবঢ়াইছে। মহাৰাষ্ট্ৰ টাউন এণ্ড কান্ট্ৰি প্লেনিং আইনত সংৰক্ষণে এটা ব্যৱস্থাক প্ৰতিনিধিত্ব কৰিছে, য'ত পৰিকল্পনা কৰ্তৃপক্ষই ৰাজহুৱা সা-সুবিধাৰ বাবে কিছুমান মাটি সংৰক্ষণ কৰিব পাৰে। তেনে সুবিধাবোৰ হ'ল— স্কুল বা উদ্যান। আঁচনিখনত যদি মাটি সংৰক্ষিত কৰা হয় তেনেহ'লে ভৱন নিৰ্মাণৰ অনুমতি আন উদ্দেশ্যৰ বাবে দিব নোৱাৰে নতুবা নিৰ্মাণ কাৰ্য সমাপন কৰা হ'লে তেনে ভৱনক নিয়মীয়াকৰণ কৰিব নোৱাৰে। কাৰ্যতঃ ছিটি কৰ্প'ৰেচনে কাচিৎহে সংৰক্ষিত

ভূমি অধিগ্ৰহণ অথবা বিকাশ সাধন কৰে— যিটো পৰিকল্পনাত কৰিবলৈ দিয়া (সাধাৰণতে এই ক্ষেত্ৰত পুঁজিৰ অভাৱৰ বিষয়টো উল্লেখ কৰে) হয়। কিন্তু ৰাজনীতিকসকলে সেই সুবিধা লৈ সমৰ্থন প্ৰাপ্ত কৰিবৰ বাবে ৰাজনৈতিক কৌশল-ৰূপে ভূমিৰ ওপৰত সংৰক্ষণ ব্যৱস্থা কৰাৰ কথা দিয়ে। সেয়ে সুশৃংখলভাৱে বিকাশ সাধনৰ পৰিকল্পনাৰ উদ্দেশ্যতকৈ ৰাজনৈতিক মুনাফা আদায়ৰ অৰ্থে সংৰক্ষণ বিষয়টোক ব্যৱহাৰ কৰা অৰ্থ হ'ল সংৰক্ষণ কৰা আৰু মূৰকত সুবিধা চাই অ-সংৰক্ষণ কিম্বা তেনে সংৰক্ষণ বাতিল কৰা কাৰ্য আপোচজনক প্ৰক্ৰিয়া হৈ পৰিছে। এই ক্ষমতাই মাটিৰ বজাৰখন নিয়ন্ত্ৰণ কৰিবলৈ সমৰ্থবান কৰি তুলিছে। বাস্তৱ ক্ষেত্ৰত ইতিমধ্যে প্ৰায় সকলো সংৰক্ষিত ভূমিৰ অনানুষ্ঠানিকভাৱে বস্তিৰূপে বিকাশ সাধন কৰা হৈছে কিম্বা নিগমে তাৰ অংকন চিত্ৰ চাই মাত্ৰ ৬-৯% অধিগ্ৰহণ কৰিছে। এই অনানুষ্ঠানিক বিকাশ কাৰ্যক আৱশ্যকতাৰ স'তে ৰজিতা খোৱাকৈ সুবিধা কৰা হৈছে। তেনে আৱশ্যকতা হ'ব পাৰে দুখীয়া শ্ৰেণীৰ লোকসকলক বাসগৃহৰ বাবে মাটি লাগে, মাটিৰ গৰাকী অথবা বিকাশ কৰোঁতাসকলে ন্যায়গতভাৱে বিকাশ কৰিব নোৱাৰা সংৰক্ষিত ভূমিৰ পৰা ধন উপাৰ্জন কৰিবলৈ বিচাৰে আৰু পৰিকল্পনাকাৰী/বিষয়াবৰ্গই এনে বিকাশ কাৰ্যৰ প্ৰতি চকু বন্ধ কৰি লাভ আদায় কৰিব খোজে। সমগ্ৰ প্ৰক্ৰিয়াটোৰ পৰা এইটো স্পষ্ট যে এই কামত ন্যস্ত থকা ব্যক্তিসকলৰ ভূমিৰ ক্ষেত্ৰত কি কৰিব লাগিব আৰু কি কৰিব নালাগিব তেনে ধৰণৰ সুস্পষ্ট জ্ঞান আছে আৰু পৰিকল্পনা আহিলাক সম্পদৰূপে লৈ আপোচ মীমাংসা কাৰ্যত ভাগ লয়।

পৰিকল্পনাৰ অনানুষ্ঠানিক গতি-প্ৰকৃতিৰ উল্লেখযোগ্য বৈশিষ্ট্য হ'ল ন্যায় আৰু অন্যায়ৰ মাজত গঢ়ি উঠা সম্বন্ধ। এইটো প্ৰকাশমান হৈ উঠিছে কাৰ্য সাধন কৰাৰ ক্ষেত্ৰত। আজি যি বিষয়টো অন্যায়জনক তাক বিধিসঙ্গত কৰিব পাৰি আৰু কাইলৈ সম্পূৰ্ণভাৱে ন্যায়সঙ্গত কৰি তুলিব পাৰি। তাক কৰাৰ ধৰণ-কৰণৰ প্ৰক্ৰিয়া ৰাজ্যৰ ক্ষমতাৰ বাহিৰত নাথাকেগৈ। সকলোখিনি ভালদৰে চমজি লয়। পিচে ই ধনীসকলৰ অনিয়ম আৰু দুখীয়াসকলৰ অনিয়মৰ মাজত প্ৰভেদ ৰাখিছে। যমুনাৰ পাৰত থকা অক্ষৰধাম মন্দিৰটোক বিধিসঙ্গত কৰা হয় আৰু বহু সময়ত পৰিকল্পনা সম্বন্ধীয় বিষয়বোৰ উলংঘা কৰা সত্বেও তেনে সিদ্ধান্ত গ্ৰহণ কৰাত অসুবিধা নহয়। কিন্তু আনপিনে একেখন নদীৰ পাৰত অৱস্থিত বিশাল বস্তি যমুনা পুস্তাক পৰিকল্পনা উলংঘা কৰিছে বুলি বিনাশ কৰা হয়।

ভাৰতত পৰিকল্পনা-ৰাজৰ এনে বুজাবুজিয়ে এই আভাস দিয়ে যে এনে ধৰণৰ অধিক সংখ্যক পৰিকল্পনাই ভাৰতীয় চহৰবোৰৰ সমস্যা সমাধান কৰিব নোৱাৰে; কিয়নো পৰিকল্পনাৰ বিষয়টো নিজেই এনে চহৰৰ উৎপাদন আৰু তাৰ সমস্যা সৃষ্টিৰ মাজত জড়িত হৈ পৰে।

**প্ৰকল্পৰ জৰিয়তে পৰিকল্পনা**

সু-নিয়াৰি চহৰ সৃষ্টি কৰাৰ ক্ষেত্ৰত বিকাশ পৰিকল্পনাৰ সামৰ্থ্যৰ সন্দৰ্ভত যি ভ্ৰান্ত ধাৰণাৰ উদয় হৈছে সেইটোৱে পৰীক্ষা-নিৰীক্ষাৰ পথ প্ৰশস্ত কৰিছে, যাতে পৰিকল্পনাৰ এটা নতুন দিশ উন্মোচন কৰিব পাৰি আৰু সেয়া হ'ল কৌশলাত্মক প্ৰকল্পভিত্তিক পৰিকল্পনা। অৰ্থনীতি আৰু আন্তঃগাঁথনিমূলক প্ৰকল্পৰ জৰিয়তে কৰিবলৈ বিচৰা পৰিকল্পনাৰ লক্ষ্য হ'ল চহৰবোৰৰ সম্ভাৱনাৰাজিক বিকাশ যন্ত্ৰৰূপে উন্নীত কৰা; আৰু এইটো আশা কৰা হৈছে যে এনে প্ৰক্ৰিয়াৰে বিশ্ব শ্ৰেণীৰ চহৰ গঠন কৰাৰ পথ মুকলি কৰিব পৰা যাব। ২০০৫ চনত দেশৰ ৬৫ খন নিৰ্বাচিত চহৰত আৰম্ভ কৰা কেন্দ্ৰীয় চৰকাৰৰ জৱাহৰলাল নেহৰু ৰাষ্ট্ৰীয় চহৰ নবীকৰণ অভিযান আঁচনিখনে এনে গতিধাৰাকেই দাঙি ধৰে। এই কাৰ্যসূচীত বিভিন্ন পৰিকল্পনা যুগুতোৱাৰ প্ৰয়োজন হয় আৰু আন্তঃগাঁথনিমূলক প্ৰকল্পৰ বাবে বিত্ত লাভ কৰিবৰ অৰ্থে ২৩টা প্ৰশাসনীয় সংস্কাৰ সাধন কৰিব লগা হয়। পুঁজিৰ আৱশ্যকতাৰ অৰ্থে অনেক আঁচনি তৈয়াৰ কৰিবলৈ হেঁচা দিয়া হয়। তেনে আঁচনিবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল— নগৰ বিনিয়োগ পৰিকল্পনা, চহৰ বিকাশ পৰিকল্পনা, চহৰ অনাময় পৰিকল্পনা, চহৰ গতিশীল পৰিকল্পনা ইত্যাদি। চহৰ বিকাশ পৰিকল্পনাই কাৰ্যকৰণৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰাৰ লগতে বিনিয়োগৰ বাবে চহৰৰ গুৰুত্বপূৰ্ণ ক্ষেত্ৰবোৰৰ অৰ্থে আদৰ্শমূলক দৃষ্টি দাঙি ধৰিব লাগে; কিন্তু ই এলানি ব্যক্তিগত প্ৰকল্পতেই কামৰ ওৰ পেলায়। ইয়াত তেনে গুৰুত্বৰ বিষয়ে ধৰা নিদিয়ে। তাৰ কাৰণ হ'ল ইয়াক চহৰৰ থলুৱা সংস্থা বা জনগণক জড়িত কৰি তৈয়াৰ কৰা হোৱা নাছিল। চহৰ নবীকৰণ অভিযানৰ সকলো পৰিকল্পনা বিকাশ পৰিকল্পনাৰ স'তে সম্বন্ধ নথকা সমান্তৰাল পৰিকল্পনা প্ৰক্ৰিয়াৰে গঠিত হয় আৰু এইবোৰৰ কোনো ন্যায়িক সমৰ্থন নাই। সেইবোৰ চহৰৰ প্ৰয়োজনীয়তা পূৰণ কৰিবৰ বাবে সুশৃংখলভাৱে আঁচনি গ্ৰহণ কৰাতকৈ পুঁজি পাবৰ বাবেহে অনুশীলন কাৰ্যস্বৰূপ হৈ থাকে।

চহৰৰ দুখীয়া লোকক বহনক্ষম ঘৰ আৰু মূল সেৱাসমূহ যোগান ধৰাটো

হ'ল অভিযানৰ প্ৰধান উদ্দেশ্যসমূহৰ অন্যতম বিষয়; কিন্তু সেই উদ্দেশ্য প্ৰাপ্ত কৰিব নোৱাৰাৰ বাবে নাগৰিক সমাজৰ গোট আৰু পণ্ডিতসকলে সেই ৰাষ্ট্ৰীয় চহৰ নবীকৰণ অভিযান আঁচনিখনক সমালোচনা কৰিছে। অৱস্থাসম্পন্ন লোকৰ সেৱাৰ অৰ্থে ভালেমান আন্তঃগাঁথনি প্ৰকল্পত অধিক পুঁজি প্ৰদান কৰা হয়, কিন্তু দুখীয়া লোকৰ প্ৰতি বিশেষভাৱে লক্ষ্য কৰা মূল সেৱাসমূহ তেওঁলোকলৈ তেনেদৰে আগবঢ়োৱা নহয়। বহু চহৰত আন্তঃগাঁথনি প্ৰকল্প ৰূপায়ণৰ হেতু বস্তিৰ বাসিন্দাসকলক উচ্ছেদ কৰি আন ঠাইলৈ যাবলৈ বাধ্য কৰোৱা হয় আৰু তেওঁলোকে দাঁতিকাষৰীয়া ঠাইবোৰলৈ পুনৰবাসৰ অৰ্থে যাব লগা হয়। বিকাশ পৰিকল্পনাৰ দৰেই চহৰ বিকাশ পৰিকল্পনাবোৰতো অনানুষ্ঠানিক খণ্ডৰ বাবে কোনো আঁচনি গ্ৰহণ কৰা নহয়।

মুঠৰ ওপৰত চহৰ নবীকৰণ আঁচনিখনে আন্তঃগাঁথনি যোগান ধৰা তথা চহৰৰ প্ৰশাসনৰ সংস্কাৰ সাধন কৰাৰ লক্ষ্য পূৰণ কৰাত সফলকাম হোৱা নাই। বাস্তৱ ক্ষেত্ৰত যি ঘটিছে তাৰ পৰা দেখা যায় যে ভাৰতৰ চহৰবোৰৰ পৰিৱৰ্তন সাধনৰ বাবে অভিযানৰ যি প্ৰতিপাদ্য বিষয় আছে সেয়া অৱস্থা চাই ব্যৱস্থা গ্ৰহণ কৰাটো নহয়, একে স্থিতিতেই তাক আগুৱাই লৈ যোৱাটো। ভিন ভিন চহৰত কি ধৰণৰ আন্তঃগাঁথনি আৰু প্ৰশাসনীয় সংস্কাৰ সাধন কৰা প্ৰয়োজন তাৰ প্ৰতি দৃষ্টি নিক্ষেপ নকৰি সাধাৰণ ভাৱধাৰাৰেই কাৰ্য সামৰিবলৈ লয়। চহৰবিশেষে সমস্যাও ভিন্ন ধৰণৰ হয় আৰু সেই ভিন্নতাৰ প্ৰতি চকু ৰাখি কামত আগবঢ়া মানসিকতাৰ অভাৱ পৰিলক্ষিত হয়। বিভিন্ন আকাৰ, জনবসতি কিমান তথা ইতিহাসে গৰকা চহৰবোৰত প্ৰশাসন পদ্ধতি কেনে আৰু ৰাজনৈতিক বাস্তৱতা কি ধৰণৰ তাক বুজিবৰ বাবে কোনো প্ৰয়াস কৰা নহয়। সেইবোৰ বিষয় বুজি উঠি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, গোট আৰু ব্যক্তি-সকলৰ আৱশ্যকতা পূৰণ কৰিবলৈ অভিযানে নিজকে সক্ষম কৰি তুলিব নোৱাৰে। তাৰ পৰিৱৰ্তে ৰাজ্য আৰু চহৰবোৰে অভিযানৰ প্ৰতি ভিন ভিন ধৰণে সঁহাৰি জনায়। কোনোবাই প্ৰতিবাদ কৰে, কোনোবাই সমস্যা গাপ দি ৰখাৰ প্ৰয়াস চলায় আৰু আন কোনোবা আলাপ-আলোচনা কৰিবলৈ ওলাই আহে। এনে কিছুমানো আছে য'ত ৰাজনৈতিক তথা বিত্তীয় স্বাৰ্থ পূৰণৰ বাবে অৱস্থা চাই কাৰ্য সাধনত ৰাজ্য আৰু চহৰে বেচ আগ্ৰহ দেখুৱায় আৰু তেনেদৰে কামো কৰে। ৰূপায়ণ কাৰ্যৰ অপাৰগতাতকৈ এনে ধৰণৰ সঁহাৰি ৰাজনৈতিক কৌশলৰূপেহে বুজিব লাগিব। অভিযানৰ পৰিকল্পনা প্ৰক্ৰিয়াত হাত দিয়া স্থানীয় তথা ৰাজ্যিক স্তৰৰ নেতা আৰু কৰ্মীসকলে সেই কৌশল ৰচনা কৰে। অথচ ৰাষ্ট্ৰীয় অভিযান কাৰ্যত তেওঁলোকৰ কোনো ভূমিকাই নাথাকে। কিন্তু কথা হ'ল তেওঁলোকৰ বাস্তৱতাৰ স'তে ৰজিতা নাখায় বাবেই ভিন্ন প্ৰয়াসৰ পক্ষ গ্ৰহণ কৰে।

## সামৰণি

দেখ দেখকৈ নতুন নগৰ পৰিকল্পনা, মাষ্টাৰ প্লেন আৰু শেহতীয়া প্ৰকল্প-ভিত্তিক পৰিকল্পনাই স্বয়ংক্ৰিয়ভাৱে সু-নিয়াৰিকৈ পৰিকল্পিত কিম্বা অধিক স্বচ্ছন্দ চহৰৰ বিকাশৰ পথ প্ৰশস্ত কৰা নাই। বিশেষজ্ঞৰ দ্বাৰা পৰিচালিত এই পৰিকল্পনাপ্ৰসূত দৃষ্টিভঙ্গীৰ ক্ষেত্ৰত এটা সাধাৰণ মিল আছে আৰু সেয়া হ'ল যিবোৰ পৰিকল্পনা কৰা হয় আৰু সংশোধনৰ বিষয়ো থাকে সেই ক্ষেত্ৰত আঁচনি আৰু বাস্তৱতাৰ মাজত বিভাজন থাকে। আঁচনি তৈয়াৰ আৰু ৰূপায়ণ এটা কথা আৰু বাস্তৱত পৰিস্ফূট হোৱা দিশটো হ'ল আন এটা কথা। গতিকে কিছু সাধাৰণ লক্ষ্য প্ৰাপ্ত কৰিবৰ কাৰণে প্ৰশাসন আৰু ৰাজনৈতিক বাস্তৱতাত বৰ্তমানে যি গাঁথনি আছে তাক অধিকভাৱে শুধৰাবলৈ আমি বাৰু কেনেদৰে পুৰণি পৰিকল্পনা প্ৰক্ৰিয়াক প্ৰসাৰিত কৰিম?

প্ৰথমে আমি প্ৰকৃত কাৰ্যকৰণৰ ক্ষেত্ৰত থকা পৰিকল্পনাভিত্তিক কথাবোৰ বুজিবৰ কাৰণে পুনৰ চিন্তা কৰা আৱশ্যক। ইয়াত কেনেদৰে পৰিকল্পনা কৰা হয় সেই সম্পৰ্কে উপযুক্ত চিন্তাধাৰা কৰা বিষয়টো জড়িত হৈ আছে। কাৰিকৰী দিশ আৰু ৰাজনৈতিক পৰিধিৰ মাজৰ প্ৰভেদখিনিৰ কথাও চিন্তা কৰিব লাগিব। আনুষ্ঠানিক ন্যায়সঙ্গত প্ৰক্ৰিয়াৰে যুগুতোৱা পৰিকল্পনা নথি আৰু পিছ দুৱাৰেদি আলোচনা কৰি গঢ় দি তোলা অনানুষ্ঠানিক পৰিকল্পনা প্ৰক্ৰিয়া তথা বিকাশ অধিকাৰৰ আবণ্টনৰ সন্দৰ্ভত আহি পৰা প্ৰত্যাহ্বানো চিন্তনীয় বিষয়। ইয়াৰ বাবে প্ৰয়োজন আনুষ্ঠানিক আৰু অনানুষ্ঠানিক প্ৰক্ৰিয়াৰ মাজত আলাপ-আলোচনা কৰাটো। এতিয়া হৈ থকাৰ দৰে পৰিণামগত কাম-কাজৰ দৰে বিষয়বোৰ বাহাল থাকিব নালাগিব। পৰিকল্পনা তৈয়াৰ কৰাৰ ক্ষেত্ৰত কেৱল কেন্দ্ৰীয়ভাৱে জড়িত বিশেষজ্ঞই থাকিব নালাগিব, তদুপৰি আন জনা-বুজা ব্যক্তিকো মাতিব লাগিব।

দ্বিতীয়তঃ কেন্দ্ৰীভূতকৰণ আৰু ৰাজনীতিৰহিত দৃষ্টিভঙ্গীৰে প্ৰভাৱান্বিত কৰা পৰিকল্পনাৰ গতিৰ প্ৰয়াসক সলনি কৰা প্ৰয়োজন হ'ব। সেয়ে বিকেন্দ্ৰীকৰণৰ বাবে পৰিসৰ আমি দৃঢ় কৰিব লাগিব। থলুৱা স্তৰত পৰিকল্পনা আৰু মাটি আবণ্টন প্ৰক্ৰিয়াত বহল তথা গভীৰভাৱে জনগণৰ অংশগ্ৰহণৰ কথা

ভাবিব লাগিব; আৰু পাৰস্পৰিক বুজাপৰাৰ শাসন আৰোপ কৰিব লাগিব। সম্প্ৰতি যদিও চহৰৰ থলুৱা সংস্থাৰ পৰিকল্পনা কৰ্তৃপক্ষক ৭৪ সংখ্যক সংবিধান সংশোধন আইনৰ দ্বাৰা অধিকাৰ আৰোপ কৰা হয়, তথাপি ই ৰাজহুৱা উত্তৰদায়িতাৰ অবিহনে কাম-কাজবোৰ চলাই থাকে। পৰিকল্পনা যুগুতোৱাৰ ক্ষেত্ৰত নিৰ্বাচিত প্ৰতিনিধি-সকলৰ কোনো চৰকাৰী ভূমিকা নাথাকে। অথচ অনানুষ্ঠানিক পৰিকল্পনা প্ৰক্ৰিয়া, আপোচ-মীমাংসাৰে বাদ দিব লগা বিষয় আৰু নিয়ম বহিৰ্ভূতকৰণৰ ক্ষেত্ৰত তেওঁলোকেই হ'ল ঘাই হোতা। কাৰ্যবাহী কৰ্তৃত্বৰে আনুষ্ঠানিকভাৱে গ্ৰহণ কৰা ভূমিকাৰ অৱৰ্তমানত তেওঁলোকক জবাবদিহি নোহোৱাকৈ সেইবোৰত হস্তক্ষেপ কৰিবলৈ সুবিধা (প্ৰকৃতাৰ্থত অনুমতি) দিয়া হয়। প্ৰতিষ্ঠানমূলকভাৱে সমাধান সূত্ৰ বিচৰাতকৈ ব্যক্তিগতভাৱে কাম-কাজ কৰিবলৈ উদগনি দিয়া হয়। পৰিকল্পনা সম্পূৰ্ণভাৱে কাৰিকৰী দিশৰ অনুশীলন নহয়, ইয়াৰ বাবে আৱশ্যক হয় বিভিন্ন পৰিসৰত ৰাজনৈতিক ভূমিকা জড়িত-কৰণ— যাতে দেশৰ সমসাময়িক বাস্তৱ সমস্যাবোৰ সমাধান কৰিব পৰা যায়।

সদৌ শেষত আমি এইটো মানি ল'ব লাগিব যে বিকাশ পৰিকল্পনাৰ বাহিৰত কিম্বা তাৰ পূৰ্বে বহু চহৰৰ বিকাশ সাধন হয়। বিকাশ পৰিকল্পনাক একমাত্ৰ কাৰ্যকৰণৰ নথি বুলি ক'ব নোৱাৰি। বিকাশ পৰিকল্পনা আৰু ইয়াৰ প্ৰক্ৰিয়াক ন্যায়গত আৰু অনিয়মতাৰ মাজৰ সীমা সংশোধন কৰিবলৈ ব্যৱহাৰ কৰা উচিত নহয়; কিয়নো কোনটো ন্যায় আৰু কোনটো অন্যায় তাৰ অৰ্থৰ পৰিৱৰ্তন হ'ব পাৰে আৰু কোনো কোনো গোটৰ দ্বাৰা অনাহকত প্ৰভাৱান্বিত কৰিব পাৰে। বৰং চহৰ এখনত ভালদৰে চলি থকা কাৰ্যৰ ওপৰতহে আলোকপাত কৰা উচিত। ইয়াৰ বাবে কাৰ্য সম্পাদন কৰাৰ এটা গুৰুত্বপূৰ্ণ কৌশল হ'ল অনানুষ্ঠানিক খণ্ডক জীয়াই থাকিবৰ বাবে উৎসাহ প্ৰদান কৰাটো। ই বহু লোকৰ জীৱনৰ গুণগত দিশৰ উন্নতি সাধিব আৰু আনুষ্ঠানিক অৰ্থ ব্যৱস্থাৰ বিকাশ সাধন কৰিব। তদুপৰি এই অৰ্থ ব্যৱস্থাৰ লগত অনানুষ্ঠানিক খণ্ড নিবিড়ভাৱে জড়িত হৈ আছে। ❐


## 'পয়োভৰা'ৰ গ্ৰাহক হোৱা নিয়মাৱলী

▯ ▯ গ্ৰাহক বছৰৰ যিকোনো সময়তে হ'ব পাৰি। ▯ গ্ৰাহক মূল্য এবছৰৰ ১০০.০০ টকা, দুবছৰৰ ১৮০.০০ টকা আৰু তিনি বছৰৰ বাবে ২৫০.০০ টকা। ▯ গ্ৰন্থাগাৰ, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে ১০ শতাংশ ৰেহাই দিয়া হয় (তাৰ বাবে উপযুক্ত প্ৰমাণ-পত্ৰৰ প্ৰয়োজন)। ▯ গ্ৰাহক মূল্য ব্যক্তিগতভাৱে 'পয়োভৰা'ৰ গুৱাহাটী কাৰ্য্যালয়লৈ আহি, প্ৰতিনিধি পঠাই বা মণি-অৰ্ডাৰযোগে জমা দিব পাৰি। ▯ মণি-অৰ্ডাৰ পঠোৱা ঠিকনা ঃ সম্পাদক, পয়োভৰা, প্ৰকাশন বিভাগ, তথ্য আৰু অনাতাঁৰ মন্ত্ৰালয়, কে কে বি পথ, নিউ কলনি, গৃহ নং-৭, চেনিকুঠী, গুৱাহাটী-৭৮১০০৩। ▯ আলোচনীখন সাধাৰণ ডাকত পঠোৱা হয়।

# বাণিজ্য সুচলকৰণ চুক্তি ভাৰতে সংশোধন কৰা উচিত নে অনুচিত?

**নিলঞ্জ ঘোষ***

ভাৰত নিঃসন্দেহে বিশ্ব সম্প্ৰদায়ৰ ভিতৰত এখন দায়িত্বশীল ৰাষ্ট্ৰ আৰু বিশ্ব বাণিজ্য সংগঠনত বাহাল থকা এই দেশখনৰ সদস্যপদে তাকে প্ৰতীয়মান কৰে। পিচে ঘৰুৱা বাধ্যবাধকতাসমূহৰ স'তে বহিঃ-প্ৰতিশ্ৰুতিৰ ভাৰসাম্য ৰখাটো কোনো গণতান্ত্ৰিক চৰকাৰৰ বাবে সহজ নহয়। বিশ্বায়ন প্ৰক্ৰিয়াত সন্মুখত আহি পৰা প্ৰত্যাহ্বান আৰু কোনবোৰ বিষয়ক গ্ৰহণ কৰিব তাক বাছি লোৱাৰ কঠিনতা সাধাৰণতে থাকেই।

২০১৩ চনৰ ডিচেম্বৰত বিশ্ব বাণিজ্য সংগঠনৰ নৱম মন্ত্ৰী পৰ্যায়ৰ সন্মিলন অনুষ্ঠিত হৈছিল। তাৰ পাচতেই বালি ঘোষণাৰ উদ্ভৱ হোৱা বাণিজ্য সুচলকৰণ চুক্তিত (ট্ৰেড ফেচিলিটেচন এগ্ৰিমেণ্ট) খাদ্যক বাণিজ্যৰ সামগ্ৰীৰূপে আলোকপাত কৰা হয়। এই চুক্তি অৱশ্যে সংশোধন কৰিবলৈ বাকী আছে। চুক্তিখনত উল্লেখ কৰা স্বচ্ছতা তথা বেপাৰ-বাণিজ্যৰ সহজ নিয়মাৱলীসমূহ অক্ষুণ্ণ ৰখাৰ সন্দৰ্ভত স্বাক্ষৰ কৰিবলৈ ভাৰতৰ তেনে কোনো বিশেষ সমস্যা নাই। কিন্তু তেনে সিদ্ধান্ত গ্ৰহণত যি বিষয়টো জড়িত আছে সেয়া হ'ল সংগ্ৰহকৰণৰ ক্ষেত্ৰত ৰাজসাহায্য সীমিত কৰাৰ আশ্বাস। এনে প্ৰতিশ্ৰুতি প্ৰদান কাৰ্যই "পৰম্পৰাগত খাদ্য শস্য" মজুত কৰাত বাধা দিব। কিন্তু এয়াই হ'ল খাদ্য সুৰক্ষা সাধনৰ কাৰণে ৰাজহুৱা মজুতকৰণ বিষয়ক মন্ত্ৰী পৰ্যায়ৰ সিদ্ধান্ত। থাইলেণ্ড আৰু ইন্দোনেছিয়াত অলপতে (২০১৩ৰ ছেপ্টেম্বৰত অনুষ্ঠিত নিয়মীয়া বৈঠক) উল্লেখ কৰা এনে মজুতকৰণ বিষয়টো খাদ্য শস্য কম উৎপাদিত বৰ্ষবোৰত আমদানি কৰা দেশবোৰৰ খাদ্য সুৰক্ষা সাধনৰ ক্ষেত্ৰত ভাবুকিৰূপে দেখা যায়। লগতে এয়া কৃষকসকলৰ প্ৰতি নিৰুৎসাহজনক বিষয় হৈ পৰিব যেতিয়া সেই মজুত কৰা খাদ্য সামগ্ৰী সস্তা দৰত বিক্ৰী কৰা হ'ব। সেয়ে এইটো আশংকা কৰা হৈছে যে চুক্তিখনত স্বাক্ষৰ কৰিলে ভাৰতৰ কাৰণেই ৰাজনৈতিকভাৱে গধূৰ বোজাস্বৰূপ হৈ পৰিব।

**চিন্তনীয় বিষয়**

যেতিয়া ভাৰতে বিশ্ব বাণিজ্য সংগঠনত যোগদান কৰে, তেতিয়া কৃষি বিষয়ক চুক্তিৰ কাৰণে যিখিনি প্ৰতিশ্ৰুতি দিয়াৰ প্ৰয়োজন আছিল সেয়া কঠিন নাছিল। সমৰ্থন প্ৰদানৰ মুঠ ব্যৱস্থা নিৰ্দিষ্ট সৰ্বাধিক সীমাৰ ভিতৰত নিৰাপদজনক-ভাৱে আছিল। ভাৰতৰ দেয় ধনৰ ভাৰসাম্য (বেলেঞ্চ অব পেমেণ্ট) সমস্যাৰ ক্ষেত্ৰত ৰেহাই দিয়া হৈছিল আৰু বিকাশমুখী দেশৰূপে প্ৰাপ্ত সুকীয়া ধৰণৰ বিবেচনাৰ সন্দৰ্ভতো গুৰুত্ব দিয়া হৈছিল। পিচে সি যি কি নহওক, শস্য মজুতকৰণ নীতিৰ ক্ষেত্ৰত দেখা দিয়া বৈপৰীত্যৰ বিষয়টো বিপজ্জনক আছিল।

খাদ্য সুৰক্ষা ভাণ্ডাৰ ধৰি ৰখাৰ বাবে প্ৰয়োজনীয় ৰাজসাহায্যক মূলতঃ 'গ্ৰীণ বক্স' ৰেহাই বানচৰ অধীনত কৃষি বিষয়ক চুক্তিৰ দ্বাৰা সমৰ্থন প্ৰদান কৰিব পাৰি। এই 'গ্ৰীণ বক্স' ব্যৱস্থাত আন সামগ্ৰীৰ ক্ষেত্ৰত এনে সুবিধা নাই। তথাপি ৰাজসাহায্য নিৰ্দ্ধাৰণত জড়িত এই স্থিতিয়ে সেই ৰাজসাহায্যক অক্ষম কৰি তোলে। ফলস্বৰূপে ৰাজহুৱা সংগ্ৰহণকৰণৰ বিষয়টো কঠিন কৰি তোলে। বিকাশশীল দেশসমূহৰ তথাকথিত জি-৩৩ গোটে অলপতে এটা প্ৰস্তাৱ আগবঢ়াইছিল। সেই প্ৰস্তাৱটোত এই বিষয়টোৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থা কৰাৰ ওপৰত জোৰ দিয়া হৈছিল। কিন্তু সেই একে গোটৰ সদস্যসকলে ইয়াক সমাধান কৰাৰ ক্ষেত্ৰত সময়-সীমা বান্ধি দিয়াত ভিন্ন মত পোষণ কৰিছিল। দুখীয়া কৃষকসকলৰ পৰা ক্ৰয় কৰা বিষয়টো আছিল এনে এটা প্ৰস্তাৱ যিটোৱে 'গ্ৰীণ বক্স'ৰ নতুন সংজ্ঞা দিব পাৰে। সকলো সদস্যই খাদ্য সুৰক্ষা সাধনৰ বিষয়টো গ্ৰহণ কৰে; কিন্তু তাৰ সমাধান সূত্ৰ বিচাৰি নাপায়। ভাৰতৰ ক্ষেত্ৰত বোধহয় এয়া ভালৰেই কথা। মূল্য নিৰ্ণয় পদ্ধতি বিষয়টো সহজভাৱে গ্ৰহণ কৰিব পৰা নাযায়। কিন্তু সমস্যা আছে। সেই বিষয়টোৰ এটা স্থায়ী মীমাংসা হোৱা ভাৰতে বিচাৰে আৰু তেতিয়ালৈকে বাণিজ্য সুচলকৰণ চুক্তি ৰূপায়ণ নকৰাটো ভাল কথা হ'ব।

***নিলঞ্জ ঘোষ দিল্লীৰ ইনষ্টিটিউট অৱ ইক'নমিক্স গ্ৰুপৰ অৰ্থনীতিবিদ হিচাপ কৰ্মৰত**

ভাৰতত কৰ্মশক্তিৰ প্ৰায় আধা ভাগ লোক কৃষি কাৰ্যত জড়িত হয় আৰু প্ৰায় ৩৭ শতাংশ শস্য ক্ষেত্ৰ ধান আৰু ঘেঁহু উৎপাদনৰ কামত ব্যৱহাৰ হয়। নিৰ্দিষ্ট নীতিৰে দুয়োবিধ শস্যৰ উৎপাদন কাৰ্য সমাপন কৰা হয়। কেইবাটাও দশকৰ পৰা ভাৰতৰ খাদ্য নীতি ৰাজহুৱা সংগ্ৰহণকৰণৰ ওপৰত ভিত্তি কৰি চলি আহিছে; আৰু তাৰ বাবে ন্যূনতম সমৰ্থন মূল্যৰ সুবিধা আগবঢ়োৱা হয়। ফলস্বৰূপে যিমান পৰিমাণৰ সামগ্ৰী মজুত কৰা আৱশ্যক হয় তাতকৈও বহুগুণে অধিক ৰাজহুৱা মজুতকৰণ ব্যৱস্থাত সততেই পৰিলক্ষিত হয়। তেনেদৰে ৰাজহুৱা বিতৰণ প্ৰণালীৰ জৰিয়তে বিতৰণ কাৰ্য সম্পাদন কৰা হয়। অলপতে ভাৰতে খাদ্য সুৰক্ষা আইন প্ৰণয়ন কৰে। এই আইনখনে খাদ্যৰ প্ৰতি সাৰ্বজনীন সুচলতা প্ৰাপ্তিৰ প্ৰতিভাকেই সূচনা কৰিছে।

যেতিয়া অৰ্থনৈতিক সংস্কাৰ সাধন কাৰ্য আৰম্ভ হৈছিল তেতিয়া দেশখনৰ ভিতৰত ন্যূনতম সমৰ্থন মূল্য আৰু ৰাজহুৱা বিতৰণ প্ৰণালী উভয় বিষয়কে আদৰ্শগত, ৰাজনৈতিক আৰু বাস্তৱ কাৰণত প্ৰবলভাৱে সমালোচনা কৰা হৈছিল আৰু আনকি বিভিন্ন সংশোধন সাধন কৰি সঁহাৰি জনোৱা সত্ত্বেও সমালোচকক কাচিৎহে সন্তোষিত কৰিব পাৰিছিল। ভাৰতৰ খাদ্য নীতিৰ স্তম্ভস্বৰূপ দুয়োটা বিষয়েই দৰিদ্ৰতা সমস্যা সমাধান তথা দুখীয়া ভোটদাতা-সকলৰ খাদ্য নিৰাপত্তাহীন অৱস্থা সমাধানৰ বাবে নিয়মীয়া উপায়স্বৰূপ হৈ আছে।

বাণিজ্য সুচলতাকৰণ চুক্তিৰ বিৰুদ্ধে গ্ৰহণ কৰা স্থিতিয়ে এই বিষয়ত আলোচনাত আগবঢ়া প্ৰায় বন্ধ কৰি পেলাইছে আৰু সেয়া ঘৰুৱা চাহিদা তথা দুখীয়া লোকসকলৰ প্ৰতি থকা দায়বদ্ধতাৰ দিশৰ পৰা যুক্তিসংগত হৈছে। লাভালাভৰ ক্ষেত্ৰত অপাৰগতা, অন্যান্য দেশসমূহৰ স্ব-উদ্দেশ্যৰ প্ৰয়াস বন্ধ কৰা তথা নীতিৰ ক্ষেত্ৰত থকা সাৰ্বভৌমত্বত অনুপ্ৰৱেশ কৰিবলৈ লোৱা কাৰ্যক নিন্দা কৰাৰ উপৰি চাৰি দশকজুৰি হাতত লোৱা ব্যৱস্থা ঘৰুৱা ক্ষেত্ৰত কিমান উপযোগী সেইটোও চালি-জাৰি চোৱা আৱশ্যক হৈছে।

এই প্ৰবন্ধটোত সম্প্ৰতি খাদ্যৰ ক্ষেত্ৰত সমস্যা উদ্ৰেক কৰা ঘৰুৱা কাৰ্য ব্যৱস্থাৰ উপকাৰিতাৰ কৌশল সম্বন্ধে অৱলোকন কৰা তথা ভাৰতৰ খাদ্য নিৰাপত্তা আৱশ্যকতাৰ দৃশ্যপটৰ বিপৰীতে কিদৰে বহুপাক্ষিক সমস্যা আহি পৰিছে আৰু সেই সমস্যাৰ বৈশিষ্ট্য কি সেই বিষয়েও দৃষ্টি নিক্ষেপ কৰাটোৱেই হ'ল উদ্দেশ্য।

**ভাৰতৰ কঠিন স্থিতি গ্ৰহণৰ যুক্তি**

ভাৰতৰ খাদ্য নীতিৰ মূলতেই হ'ল স্বৰাজোত্তৰ কালত দেখা দিয়া খাদ্যৰ নাটনি। এই নাটনিয়ে জনগণৰ বাবে ভীষণ ধৰণে খাদ্য নিৰাপত্তাহীনতাৰ পথ মুকলি কৰে। সৌভাগ্যক্ৰমে খাদ্য নীতি গ্ৰহণ কৰাৰ লগে লগে নতুন কৃষি প্ৰযুক্তিৰ বিকাশ সাধন হয়— যিটোৱে দুটা ঘাই খাদ্য শস্যৰ উৎপাদন বৃদ্ধি কৰিব পাৰে। অৱশ্যে প্ৰযুক্তিৰ ক্ষেত্ৰত বিনিয়োগ কৰিবলৈ কৃষকক উদগনি প্ৰদান কৰিলেহে তেনে উৎপাদন উল্লেখনীয়ভাৱে বাঢ়িব পাৰে। আনকি আজিও বিশ্ব বাণিজ্য সংগঠন সম্প্ৰদায়ৰ প্ৰাধান্য বিস্তাৰ কৰা ভাগটোৰ স'তে ভাৰতে একেলগে যোৱাৰ ক্ষেত্ৰত মাত্ৰ এটাহে বাধ্যতামূলক ক্ষেত্ৰ আছে; আৰু সেয়া হ'ল খাদ্য নিৰাপত্তা বিষয়টো। বাণিজ্য মন্ত্ৰীয়ে দুখীয়া কৃষকক কিছু পৰিমাণৰ 'নিম্নতম লাভ' নিশ্চিত কৰি কৃষক-সকলৰ স্বাৰ্থক ৰক্ষা কৰাৰ প্ৰয়োজন আছে বুলি কোৱাৰ এটা অৰ্থও আছে আৰু সেয়া হ'ল প্ৰকৃতাৰ্থত দেশখনৰ খাদ্য নিৰাপত্তা আৰু দুখীয়া লোকসকলক সামৰি লোৱা বিষয়টো। বহুসংখ্যক লোক হ'ল চহৰত বাস কৰা বাসিন্দা। এওঁলোকে মত ব্যক্ত কৰিব পাৰে আৰু সংবাদ মাধ্যমৰ মনযোগো আকৰ্ষণ কৰে। কিন্তু সেই বঞ্চিতসকলৰ দিশটোলৈ চাই আলোচ্য চুক্তিখন মানি ল'বলৈ অনিচ্ছুকতা প্ৰকাশ কেৱল নিৰ্বাচনী লক্ষ্যৰ প্ৰতি কৰা আহ্বানেই নহয় তাৰ উপৰি ই হ'ল অৰ্থনৈতিক বিষয়ৰ বাধ্যবাধকতা।

এই যুক্তি খণ্ডন কৰিবলৈ কমেইহে সুবিধা আছে। আজিৰ খাদ্য নিৰাপত্তাৰ বিষয়টোৱে দেশত যথেষ্ট খাদ্য থকাটোকে কেৱল অৰ্থ কৰিব নালাগে। আন কিছুমান বিষয়ো আছে, যেনে— ঘৰুৱা আৰু ব্যক্তি পৰ্যায়ৰ খাদ্য সুৰক্ষা ব্যৱস্থা তথা ৰাষ্ট্ৰীয় স্তৰত ইয়াৰ মজুত অৱস্থা সাধন কৰাটো। কিন্তু তেনে ধৰণে যথেষ্ট খাদ্য থকাটো ইয়াৰ প্ৰকৃত উত্তৰ হ'ব নোৱাৰে। তাত বিতৰণৰ বিষয়টো জড়িত আছে। উৎপাদনৰ ক্ষেত্ৰত ঠাইসমূহত বিৰাজ কৰা অসমতা আৰু এই বিশাল দেশখনৰ বিভিন্ন ঠাইত বিতৰণৰ কঠিনতা তথা তাৰ লগতে সৰহভাগ লোকৰ কম ক্ৰয় ক্ষমতাই ঘৰুৱা প্ৰাপ্তিত বাধা জনায়। সেয়ে বিস্তৃত আকাৰত বিতৰণৰ ব্যৱস্থা কৰিবৰ বাবে ৰাজ্যত যথেষ্ট পৰিকল্পনা কৰা আৱশ্যক হয়। এনেকি যদি ধৰি লোৱা যায় যে এই একেটা কামকে কিছু লাভৰ অৰ্থে বেচৰকাৰী বাণিজ্যৰ কাম হাতত ল'বলৈ সাজু হয় তেনে ক্ষেত্ৰতো বজাৰে উদ্ৰেক কৰা মূল্যৰাজিয়ে উৎপাদন, বিতৰণৰ খৰচকো সামৰি ল'ব বুলি ধৰিলেও

মূৰকত সেৱা যে বহনক্ষম হ'ব সেই বিশ্বাস কম আছে।

এটা এলেকাৰ ঘৰ আৰু আনটো এলেকাৰ ঘৰৰ মাজত সুচলতা প্ৰদানৰ ক্ষেত্ৰত থকা বাধা শিক্ষা, সজাগতা, লিংগ বিষয়ক প্ৰভেদৰ ক্ষেত্ৰত সমভাৱৰ সচেতনতা উদ্ৰেক, অনাময় ব্যৱস্থা আৰু সবলীকৰণ ব্যৱস্থাৰে সমাধান কৰিব পৰা যায়। ৰাজ্যবোৰেও এই বিষয়বোৰ পোনপটীয়াভাৱে সমাধান কৰিব পাৰে। অন্যভাৱে নিৰ্দিষ্ট কৰা উদ্দেশ্যসহ ভাৰসাম্য ৰাখি খাদ্য বিতৰণৰ কাম হাতত ল'ব পাৰে। সেই উদ্দেশ্যবোৰৰ ক্ষেত্ৰত উল্লেখনীয় হ'ল মধ্যাহ্ন ভোজন আঁচনি, সংহত শিশু বিকাশ সেৱা আৰু অন্নপূৰ্ণা আঁচনি। নিৰ্দিষ্ট লক্ষ্যৰ ৰাজহুৱা বিতৰণ প্ৰণালীকে ধৰি অন্যান্য কাৰ্যসূচীবোৰৰ লক্ষ্য হ'ল বাজেটৰ বোজা পাতল কৰা আৰু অসৎ উপায়েৰে কৰা হৰলুকী কাৰ্য বন্ধ কৰা। দুৰ্নীতি উৎখাত আৰু ভুল কাম-কাজৰ যি নতুন আকাৰৰ ৰূপ দেখা দিছে তাক বাধা দিয়াৰ ক্ষেত্ৰত প্ৰয়োগ কৰা নতুন কাৰ্যাৱলীৰ সফলতাৰ বিষয়টোত প্ৰশ্নৰ অৱতাৰণা হয়। দুখীয়াসকলক খুওৱাৰ নামত খাদ্যবস্তুৰ হৰলুকী ঘটে বুলি সন্দেহ কৰা হয় আৰু যিখিনি প্ৰকৃততে কৰা হয় তাতো নিষ্ঠাৰ অভাৱ। কাজেই এনে ক্ষেত্ৰত এইবোৰ কাৰ্যসূচীয়ে সাৰ্বজনীন সফলতা লাভ কৰিবলৈ অপাৰগ হয়। কিন্তু ইয়াৰ উদ্দেশ্য হ'ল জনগণে মূল আৱশ্যকতাবোৰ পাব লাগে। ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনখনে বিতৰণৰ ক্ষেত্ৰত সাৰ্বজনীনতা এতিয়া প্ৰতিষ্ঠা কৰিব লাগে; আৰু এই কাম আইনগতভাৱে চৰকাৰৰ কৰণীয় কামত পৰিণত হৈছে।

ৰাষ্ট্ৰীয় খাদ্য নিৰাপত্তা আইনখনৰ প্ৰণয়নে ৰাজনৈতিক আৰু অৰ্থনৈতিক-ভাৱে বেচ তোলপাৰ লগালেও ইয়াৰ অধিকাৰৰ গুৰুত্বক লৈ প্ৰশ্ন উত্থাপন কৰিব নোৱাৰি। আইন প্ৰণয়নক অধিক কাৰ্যকৰী কৰি তুলিবলৈ নিৰ্দিষ্ট লক্ষ্য আৰু বঞ্চিত লোকসকলৰ ব্যাপকতা কিমান তাক চিহ্নিত কৰা আৱশ্যক। এই বিষয়টোৰেও পুনৰ নিৰ্দিষ্ট লক্ষ্যৰ খাদ্য বিতৰণ প্ৰণালীৰ দৰে সমস্যাৰ সৃষ্টি কৰে। কৃষি বিষয়ক চুক্তিৰ প্ৰয়োজনীয়তা অনুসৰি খাদ্য নিৰাপত্তাহীন স্তৰ নিৰ্ণয়ৰ বাবে দৰিদ্ৰতা সীমাৰেখা নিৰ্দিষ্ট কৰাটো আৱশ্যক হয়। কিন্তু এই বিষয়টো হ'ল এটা জটিল প্ৰক্ৰিয়া আৰু ইয়াক এতিয়াও সমাধান কৰিবলৈ বাকী আছে। আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বানৰ বিষয়টো হ'ল ৰাজসাহায্যৰ ওপৰত কৃষি বিষয়ক চুক্তিৰ কৰ্তন ব্যৱস্থাৰ স'তে আইনখনক উপযুক্ত কৰি তোলা। ২০১৩ চনৰ ছেপ্টেম্বৰত ঘোষণা কৰা আইনখনে এটা গুৰুত্বপূৰ্ণ গোটৰ কথা উল্লেখ কৰিছে আৰু হিতাধিকাৰীসকলৰ একেবাৰে নিঃকিন গোটটোৰ (আন্ত্যোদয়া) সৰ্বাধিক অধিকাৰৰ পোষকতা কৰিছে। ইয়াৰ বাবে ৰাজ্যসমূহৰ ক্ষেত্ৰত প্ৰয়োজন ভাণ্ডাৰত ৰখা খাদ্যৰ প্ৰতি সুচল প্ৰাপ্তিৰ ব্যৱস্থা।

আৰু এটা বিষয়— যিটোৰ গুৰুত্ব যথেষ্ট আছে— সেয়া হ'ল ৰাষ্ট্ৰীয় স্তৰত যথেষ্টভাৱে খাদ্য উপলব্ধকৰণৰ উদ্দেশ্যক এতিয়াও উলাই কৰিব লগা নহয়। সেউজ বিপ্লৱে দেশখনক অধিক উৎপাদনৰ খাদ্য শস্যৰ উপহাৰ দিয়ে আৰু ইয়াৰ ফলস্বৰূপে বৃহৎ পৰিমাণৰ খাদ্য শস্য ৰাহি হয়। আনকি আমদানি কৰা বিষয়টো প্ৰায় পৰিহাৰ কৰা হয়। বৰঞ্চ খাদ্য ৰপ্তানি কৰাৰ প্ৰতিহে আশাৰ সঞ্চাৰ কৰে। আৰু সেই অনুযায়ী ২০১২-১৩ বৰ্ষৰ কালছোৱাত বাস্তৱিকতেই ভাৰতে ১০ নিযুত টন ধান আৰু ৬ নিযুত টন ঘেঁহু ৰপ্তানি কৰিবলৈ সমৰ্থ হয়। এই সফলতাৰ ক্ষেত্ৰত মন কৰিব লগা বিষয়টো হ'ল চলি থকা ন্যূনতম সমৰ্থন মূল্যৰ অধীনত তেনে কৰাটো সম্ভৱ কৰি তোলা। সেই নীতিয়ে কৃষকক বহুখিনি তললৈ পৰি যোৱা মূল্যৰ বিপৰীতে বীমাৰ আশ্বাস প্ৰদান কৰে। বহু কৃষকেই দুখীয়া আৰু সেয়ে তেওঁলোকৰ পথ আশংকাযুক্ত। কিন্তু তেওঁলোকক ৰাজসাহায্যৰ প্ৰয়োজন, যাতে তেওঁলোকে নিজৰ কামত লাগি থাকি অধিক উৎপাদনত গুৰুত্ব দিয়ে। শস্য উৎপাদন বীমা, পাম উপাৰ্জন বীমা, বতৰ বিষয়ক বীমাৰে পৰীক্ষা চলোৱা হয় আৰু এই ব্যৱস্থালানি কিছু কালৰ বাবে চলাই থকা হয়। কিন্তু তাৰ পৰা তেনে কোনো সমাধানমূলক ফল পোৱা নগ'ল। পিচে ইয়াৰ ঠাই ল'বলৈ কোনো নিৰ্ভৰযোগ্য উপায় সততে পোৱা হোৱা নাই আৰু সেই বাবে বৰ্তমান চলাই থকা ৰাজহুৱা বিতৰণ ব্যৱস্থা উঠাই লোৱাটো বিপজ্জনক বিষয় হ'ব পাৰে।

বতৰৰ প্ৰতিকূল অৱস্থাৰ ক্ষেত্ৰতো আশংকা আছে। যোৱা দশককেইটাত দেশখনৰ কাৰণে প্ৰকৃতি অধিক দয়ালু আছিল। কোনো অসম্ভৱ স্থিতি উদ্ভৱ হোৱাৰ অভিজ্ঞতা লাভ কৰা হোৱা নাই। কিন্তু লেঠাৰিকৈ মৌচুমী বায়ুৰ কম প্ৰভাৱৰ আশংকা দূৰ কৰিব পৰা নাযায়। এছীয় দেশৰ মৌচুমী বায়ুৰ ক্ষেত্ৰত দেখা দিয়া জটিলতাই জলবায়ু পৰিৱৰ্তনত প্ৰভাৱ বিস্তাৰ কৰাটো নুই কৰিব নোৱাৰি। আৰু তেনে অৱস্থাই কৃষিত আঘাত কৰিব পাৰে। বৃষ্টিপাতৰ বিৰূপ প্ৰতিক্ৰিয়া তথা উপযুক্ত বতৰৰ সময়ত তেনে বৃষ্টিৰ বিতৰণ সমাৰ্থক নহ'বও পাৰে। যেতিয়া আমদানি কৰাটো সম্ভৱ তেনে ক্ষেত্ৰত খাদ্য নিৰাপত্তা ঠিক যথেষ্ট নহয় বুলি যুক্তি দৰ্শাব পাৰি আৰু

তেনেদৰে খাদ্য উৎপাদন কৰা আন দেশবোৰ যদি একে ধৰণৰ অৱস্থাৰ সন্মুখীন হয় তেনেহ'লে বেপাৰ-বাণিজ্যই কমেইহে সহায় কৰিব পাৰিব।

সেই বিষয়বোৰলৈ চাই এখন ৰাষ্ট্ৰ হিচাপে ভাৰতৰ এখন একচেটীয়া বজাৰ নাই। বেপাৰীসকলৰো নিজা বাণিজ্যিক স্বাৰ্থ আছে। আনপিনে উপভোক্তাসকলৰ ভিতৰত বহুতৰে ক্ৰয় ক্ষমতা নাই; আৰু ৰাজ্যসমূহত পৰিবহন ব্যৱস্থা কম ফলদায়ক— যদিও ইয়াৰ বহুখিনি সম্ভাৱনা আছে। সেয়ে ৰাজ্য সমৰ্থিত বিতৰণৰ গুৰুত্বক সম্পূৰ্ণৰূপে নাকচ কৰিব নোৱাৰি। এই আটাইবোৰ কাৰণতে শস্যৰ মজুত আৰু বিতৰণৰ বিষয়টোৱে সংগ্ৰহকৰণৰ কথাটোকে সূচায়। খাদ্য নিৰাপত্তাক সামাজিক কল্যাণ সাধনকাৰীৰূপে ভাবিব লাগে, ইয়াক বিপণন শক্তিলৈ সম্পূৰ্ণৰূপে এৰি দিব নোৱাৰি। এই উদ্দেশ্যৰ বাবে সামাজিক সম্পদৰাজিৰ ব্যৱহাৰক যুক্তিযুক্ত কাৰণতেই স্থিত কৰিব পৰা যায়— তেহেলৈ বিশ্ব বাণিজ্য সংগঠনৰ নিৰ্দেশাৱলী যিয়েই নহওক।


**নৰম স্থিতি বিবেচনাৰ কাৰণ**

চৰকাৰৰ নৰম স্থিতিক সমৰ্থন জনোৱাৰ হকে ইতিপূৰ্বে উল্লেখ কৰা যুক্তিবোৰত তেনে বিশেষ ধৰণৰ নতুন কথা নাই। দৰিদ্ৰতা, ক্ষুদ্ৰ আৰু নিৰ্ভৰ কৰিব নোৱাৰা কৃষি ক্ষেত্ৰ, কৃষিৰ পৰা প্ৰাপ্ত কম লাভ, বতৰৰ অৱস্থা আৰু উপাৰ্জন, নিয়োগ তথা পৰিবহন সা-সুবিধাৰ অভাৱ হ'ল পূৰ্বৰ পৰা সন্মুখীন হৈ অহা সমস্যা। বিকাশৰ গতিত ভৰি দিবলৈ ভাৰতক আধুনিকীকৰণ কৰিবৰ বাবে নতুন নতুন বিষয়ৰ প্ৰতি মন দিব লাগিব; আৰু তেতিয়া বিশ্ব বাণিজ্য সংগঠনৰ প্ৰতি নতুন দৃষ্টিভংগীৰ বিষয়ে ভাৰতে পুনৰ বিবেচনা কৰিব পাৰে। শেহতীয়া যিবোৰ বিকাশ সাধন কৰা হৈছে তালৈ চাই ইতিমধ্যে উল্লেখ কৰা বিষয়বোৰৰ যথাৰ্থ ৰূপদানৰ বিষয়ে ভাবি চোৱাত প্ৰকৃততে সহায় কৰিব পাৰে।

খাদ্য সুৰক্ষা সাধনৰ অৰ্থত খাদ্যৰ নিৰ্দিষ্ট গুণাগুণৰ বিষয়বোৰেই প্ৰথমে মনলৈ আহে। যেতিয়া খাদ্য সংক্ৰান্তীয় ৰোগ, যেনে— সংক্ৰমণ, সুস্থ খাদ্যৰ অভাৱ হেতু হোৱা পৰিপুষ্টিহীনতা আৰু জীৱন-ধাৰণৰ গতিধাৰা মূল মনযোগৰ বিষয় হৈ পৰে, তেতিয়া খাদ্যৰ প্ৰতি থকা ভাবধাৰা প্ৰসাৰিত হোৱা আৱশ্যক। কেল'ৰি সৃষ্টি কৰা খাদ্য (ভাত, আটা)ৰ উপৰিও, ফল-মূল, শাক-পাচলি, দাইল-মাহ, গাখীৰ, পশুজাত উৎপাদিত সামগ্ৰীলৈ বিস্তৃত হ'ব লাগে। খাদ্যৰ নতুন আৰু অৰ্থপূৰ্ণ সংজ্ঞাৱে অন্যান্য পুষ্টিকৰ খাদ্যবস্তুৰ বৈশিষ্ট্য তথা খাদ্য গ্ৰহণৰ ক্ষেত্ৰত সুৰক্ষাৰ বিষয়টোৰ প্ৰতিও গুৰুত্ব দিব লাগিব। যি খাদ্য খালে শৰীৰত কোনো অপকাৰ নহয় সেইটোৱেই হ'ল সুৰক্ষা সাধনৰ বিষয়। ভাৰতীয় আহাৰত নিৰ্দিষ্ট বিধৰ খাদ্যবস্তুৰ প্ৰাধান্য কিছুমান প্ৰযুক্তিৰ সফলতাৰ হেতু কম হোৱা নাই। বিভেদমূলক ন্যূনতম সমৰ্থন মূল্য আৰু উদ্যানজাত উৎপাদিত খাদ্যবস্তুৰ ক্ষেত্ৰত আৰোপ কৰা অ-বাণিজ্যিক ভাবধাৰাই ৰাষ্ট্ৰীয় প্ৰেক্ষাপটৰ প্ৰকৃত ছবি দাঙি ধৰা নাই। সেয়ে বৃহৎ সংখ্যক লোকে তাক আশানুৰূপভাৱে গ্ৰহণ কৰিবলৈ বিচৰা নাই। দৈনন্দিন যি খাদ্যবস্তুৰ প্ৰয়োজন হয় সেই বিষয়ৰ পৰিসংখ্যাই স্পষ্টকৈ কোনবোৰ খাদ্যৰ ওপৰত অধিক গুৰুত্ব দিয়া হয় তাৰ পৰিৱৰ্তিত গতিধাৰাক দেখুৱাইছে। আৰু সেই গতিধাৰাত দুটা প্ৰধান খাদ্যবস্তুৰ পৰা জনগণৰ গুৰুত্ব অন্যলৈ প্ৰসাৰিত হৈছে। পিচে এই দুটা প্ৰধান খাদ্য সামগ্ৰীৰ ওপৰতেই খাদ্য নীতিৰ ভেটি গঢ় লৈ উঠিছে। এই পটভূমিত খাদ্য সুৰক্ষা সাধনৰ ক্ষেত্ৰত দুটা বিশেষ উৎপাদনজাত খাদ্য সামগ্ৰীক কেন্দ্ৰ কৰি যিমান মতামতৰ উদ্ভৱ হৈছে তাৰ স্বৰূপ কিমান অৰ্থপূৰ্ণ তাক লৈ চিন্তাধাৰাও প্ৰসাৰিত হোৱা যেন লাগে।

অপ্ৰতিৰোধ্য সংগ্ৰহণকৰণৰ বিৰুদ্ধে উত্থাপিত আন এটা যুক্তি হ'ল মূল্যবান সম্পদৰাজিৰ ক্ষতি সাধন হৈছে। যদিও লাভ আশা কৰা ব্যৱসায়ীসকলে শস্য বিতৰণৰ ক্ষেত্ৰত কিছু লাভ পোৱাটো উপযুক্ত, তথাপি এইটো মানি লোৱাটো ভাল হ'ব যে চৰকাৰে এই ক্ষেত্ৰত নিজৰ যোগ্যতাক ভালদৰে কামত খটুওৱা নাই। ১৯৯৫-৯৬ আৰু ২০১২-১৩ বৰ্ষৰ সময়খিনিত ধান আৰু ঘেঁহুৰ মজুত পৰিমাণ জানুৱাৰীত বাৰ্ষিক ৩.২% আৰু ৪.২% বৃদ্ধি পাইছিল। এই বৃদ্ধি জনসংখ্যা বৃদ্ধিৰ গতিতকৈ অধিক খৰতকীয়া আছিল। এই পৰিমাণৰ উৎপাদিত খাদ্য সামগ্ৰীখিনি ৰাজহুৱা ভঁড়ালত ৰখা হৈছিল। সংলগ্ন ১নং চিত্ৰত দেখুওৱা হৈছে। ২০০২-০৩ বৰ্ষটো খৰাং বতৰৰ কবলত পৰিছিল। তাৰ বাবেই ৬০ নিযুত টনৰ যি খাদ্য সামগ্ৰী মজুত আছিল তাৰ পৰা একপ্ৰকাৰ জোৰ কৰিয়েই ভিন ভিন আক্ৰান্ত স্থানলৈ পঠিয়াব লগা হৈছিল আৰু তাৰ পাছত অৰ্থাৎ ২০০৩-০৪ বৰ্ষৰ পৰা ২০০৮-০৯ বৰ্ষৰ কালছোৱাত খাদ্যশস্যৰ মজুত পৰিমাণ কম হৈছিল। পিচে ২০০৯-১০ বৰ্ষৰ পৰা মজুত পৰিমাণ বৃদ্ধি হ'বলৈ ধৰে আৰু ২০১৩-১৪ বৰ্ষত ৬৭ নিযুত টনৰ সীমা পায়গৈ। মজুত পৰিমাণে নিৰ্দিষ্ট মজুত (বাফাৰ ষ্টক) বিধি অতিক্ৰম কৰিবলৈ লয়। কিন্তু এই খাদ্য-শস্যবোৰ আশানুৰূপ উৎপাদন

নোহোৱা বছৰলৈ অপেক্ষা কৰোতে অথবা ঘাটি এলেকাসমূহলৈ প্ৰেৰণ কৰিবৰ বাবে অপেক্ষা কৰা প্ৰক্ৰিয়াত বহুখিনি শস্য নষ্ট হয়। এনে ধৰণৰ ক্ষতি প্ৰাকৃতিক সম্পদৰাজিৰ অৱনমনৰ দিশটোতো প্ৰতিবিম্বিত হয়। তেনে দিশবোৰ হ'ল— জল, বনাঞ্চল, মাটিৰ গুণাগুণ, জীৱাশ্ম ইন্ধন আৰু নদীবোৰৰ তলিত পলস গোট খায়। ভাৰতে এই




১নং চিত্ৰ ঃ **ভাৰতৰ জনসংখ্যা, উৎপাদন আৰু মজুত পৰিমাণ ঃ ধান আৰু ঘেঁহু**

ক্ষেত্ৰত নিজেই প্ৰশ্ন কৰা আৱশ্যক— মজুতকৰণৰ ক্ষেত্ৰত এনে ধৰণে নিয়মীয়াকৈ ব্যয় কৰা জানো প্ৰয়োজন।

তৃতীয় বিষয়টো হ'ল যি ৰাজসাহায্য আৱশ্যক অনুযায়ী দুখীয়া কিম্বা ক্ষুদ্ৰ কৃষকসকলক সমৰ্থন প্ৰদানৰ বাবে কামত খটুওৱা হয় বুলি দাঙি ধৰা যুক্তি সন্দেহৰ উৰ্দ্ধত নহয়। পথাৰৰ উৎপাদনশীলতা বৃদ্ধিৰ উপজ সামগ্ৰীৰ ৰাজসাহায্য ক্ষুদ্ৰ খেতিয়কৰ ওচৰ গৈ পালেও শস্য উৎপাদনৰ পাছত খাদ্য সামগ্ৰী সংগ্ৰহকৰণত একেই নিষ্ঠা দেখা নাযায়। তেনে ৰাজাসাহায্য প্ৰদান কৰা কৃষক পৰিয়ালৰ হাৰ ৮০ শতাংশতকৈ অধিক। সংগ্ৰহকৰণৰ বেলিকা দামৰ লগত সংগতি ৰাখি ন্যূনতম সমৰ্থন মূল্য থিৰ কৰা হয় আৰু সেই মতে কামত আগবঢ়া হয়। কিন্তু এনে সংগ্ৰহকৰণত কোনো কোনো ৰাজ্যৰ প্ৰতি অধিক গুৰুত্ব আৰোপ কৰা হয় আৰু আন কিছুমান ৰাজ্যৰ ক্ষেত্ৰত তেনে কৰা নহয়। মজুত সামগ্ৰী থকা-নথকাৰ ওপৰত বিষয়টো নিৰ্ভৰ কৰিলেও একে প্ৰক্ৰিয়াকে অনুধাৱন কৰাটো প্ৰয়োজন। ইতিবাচক দিশত ক'বলৈ গ'লে ওড়িশা আৰু পশ্চিমবঙ্গৰ দৰে কিছুমান অপৰম্পৰাগত ৰাজ্য খাদ্য-শস্য মজুত থলিলৈ বেচ বৰঙণি যোগাওঁতাৰূপে ওলাই আহিছে। পিচে পঞ্জাব, হাৰিয়ানা, অন্ধ্ৰ প্ৰদেশ আৰু উত্ত প্ৰদেশ ৰাজ্যৰ এতিয়াও তাত একোটা ডাঙৰ ভাগ আছে (১নং তালিকা দ্ৰষ্টব্য)। নিশ্চিত ক্ৰয় সুবিধা দাৰিদ্ৰ্য অৱস্থা বা ক্ষেত্ৰৰ আকাৰতকৈ ভৌগোলিক স্থিতি আৰু প্ৰাৰম্ভিক অৱস্থাৰ প্ৰাচুৰ্যৰ স'তে অধিক জড়িত হৈ আছে।

আন এটা লক্ষ্যণীয় বিষয় হ'ল শস্যৰ ভঁড়াললৈ বৰঙণি যোগোৱা কেইখনমান ৰাজ্যৰ অন্য শস্য উৎপাদন কৰাৰ ক্ষেত্ৰত প্ৰাকৃতিক সুযোগ-সুবিধা আছে। কিছুমান ৰাজ্যই উপভোক্তাৰ সুবিধা লাভ কৰাৰ আশা আছে আৰু পৰৱৰ্তী কালছোৱাত পুষ্টিদায়ক খাদ্য-শস্য উৎপাদনো কৰিব পাৰে। এই পৰিৱৰ্তনত অনিশ্চয়তা অৱশ্যেই আছে, কিন্তু দুটা সুবিধাজনক শস্যৰ প্ৰতি আকৰ্ষিত হোৱা কৃষকসকলক প্ৰকৃততে নিজ স্বাৰ্থ সাধনতহে আঘাত কৰিছে। পৰিৱৰ্তন সাধনৰ সম্ভাৱনা আছেই। সি যি কি নহওক, পঞ্জাৱৰ কথা সুকীয়া। জলৰাশিৰ প্ৰাচুৰ্যৰ ক্ষেত্ৰত তাত তেনে ধৰণৰ প্ৰাকৃতিক সা-সুবিধা নাই আৰু স্থানীয় লোকসকলৰ খাদ্যাভ্যাসো সুকীয়া। তৎসত্বেও ৰাজ্যখন ধান উৎপাদনৰ প্ৰতিহে আকৰ্ষিত হয়। বহুতেই বিশ্বাস কৰে যে সম্প্ৰতি যি নীতি বাহাল আছে তালৈ চাই প্ৰাকৃতিক সা-সুবিধাৰ স'তে সংগতি ৰাখি বিকল্প কৃষি কাম-কাজৰ পিনে মন কৰিলে তাক পূৰ্ণৰূপে উপলব্ধ কৰিব পৰা নহ'ব। তদুপৰি উদ্যান শস্যজাত উৎপাদিত সামগ্ৰীৰ মূল্য বৃদ্ধিয়ে ক্ষতি সাধন কৰিবলৈ আৰম্ভ কৰিব।

### ভাৰসাম্য ৰক্ষাৰ সন্ধানত

সংগ্ৰহ নীতিৰ সপক্ষে আৰু বিপক্ষে যিবোৰ সম্ভাব্য যুক্তি দৰ্শোৱা হ'ব পাৰে তালৈ চাই নিঃসন্দেহে চৰকাৰে কোনটোক বাছি ল'ব সেয়া হ'ল ডাঙৰ কাম। আনকি স্বাধীনতা লাভ কৰাৰ পাছত পৰিকল্পিত বিকাশৰ প্ৰায় সাতটা দশক আৰু বিশ্ব বাণিজ্য সংগঠনৰ চুক্তি স্বাক্ষৰ কৰাৰ প্ৰায় দুবছৰৰ পাছত বিশ্বায়ন আৰু মুকলি বজাৰৰ দিশে ভাৰতে গতি কৰাটো যুগ যুগৰ পৰা চলি অহা বাধা-বিঘিনিসমূহে তাৰ পথ মসৃণ কৰি তোলা নাই।

এই অৱস্থাত নতুন চৰকাৰ উদাৰপন্থী হোৱাৰ কমেইহে সুবিধা আছে; কিয়নো ব্যয়ৰ মাত্ৰা অধিক হ'ব পাৰে আৰু সেইটো গ্ৰহণযোগ্যও নহয়।

১নং তালিকা ঃ **বৃহৎ ৰাজ্যসমূহৰ পৰা সংগ্ৰহ আৰু পামৰ পৰিচয়** (২০১০-১১)

| উৎস ৰাজ্য | দৰিদ্ৰতা ৰেখা | গড় হিচাপে পামৰ আকাৰ | ক্ষুদ্ৰ কৃষক | জলসিঞ্চন | ধান | ঘেঁহু | মুঠ |
|---|---|---|---|---|---|---|---|
| | % | হেক্টৰ | % | % হিচাপত বীজ সিঁচৰতি এলেকা | নিযুত টন হিচাপত সংগ্ৰহ | | |
| পঞ্জাৱ | ৪.৩০ | ৩.৭৭ | ৩৪.০৯ | ৯৭.৮৮ | ৮.৬ | ১০.২১ | ১৮.৮ |
| হাৰিয়ানা | ১১.২০ | ২.২৫ | ৬৭.৫৯ | ৮২.০৬ | ১.৭ | ৬.৩৫ | ৮.০ |
| মধ্য প্ৰদেশ | ৩১.৭ | ১.৭৮ | ৭১.৪৬ | ৪৭.২৩ | ৪.৩ | ৩.৫৪ | ৭.৮ |
| উত্তৰ প্ৰদেশ | ২৯.৪ | ০.৭৬ | ৯২.৪৬ | ৮০.৬৭ | ৩.০ | ১.৭৩ | ৪.৭ |
| অন্ধ্ৰ প্ৰদেশ | ৯.২ | ১.০৮ | ৮৬.০৯ | ৪৫.০০ | ৯.৬ | ০.০০ | ৯.৬ |
| ওড়িশা | ৩২.৬ | ১.০৪ | ৯১.৮৬ | ২৭.৪২ | ২.৫ | ০.০০ | ২.৫ |
| পশ্চিমবঙ্গ | ২০.০ | ০.৭৭ | ৯৫.৯৩ | ৫৯.২১ | ১.৩ | ০.০০ | ১.৩ |
| তামিলনাডু | ১১.৩ | ০.৮০ | ৯১.৭৫ | ৫৮.৭৮ | ১.৫ | ০.০০ | ১.৫ |
| ভাৰত | ২১.৯ | ১.০৫ | ৮৫.০১ | ৪৪.৯২ | ৩৪.২ | ২২.৫১ | ৫৬.৭ |

উৎস ঃ **কৃষি মন্ত্ৰালয়ৰ বিভিন্ন বিভাগ আৰু ৱেবছাইট** (২০১৩)

কিন্তু আনপিনে কাৰ্য সাধন কৰিব নোৱাৰা সম্ভাৱনাৰ বিষয়টো হ'ল অমৰ্যাদাজনক আৰু এৰাই চলিব নোৱাৰা বিধৰ। আশংকাৰ এটা ডাঙৰ উৎস হ'ল ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন। ইয়াৰ প্ৰতি চৰকাৰ ইতিমধ্যে দায়বদ্ধ হৈছে। ইয়াৰ ৰূপায়ণে ইতিমধ্যে সংগ্ৰহ কৰাতকৈ অধিক পৰিমাণৰ খাদ্যশস্যৰ দাবী যে জনাব তাৰ নিশ্চয়তা নাথাকিলেও ইঙ্গিত পোৱা গৈছে। ইতিমধ্যে সংগ্ৰহৰ পৰিমাণ ৭২ নিযুত টন হৈছে। এয়া উৎপাদনৰ প্ৰায় ৩৬ শতাংশ ভাগ হ'ব। ৰাজসাহায্য নিৰ্দ্ধাৰণৰ সূত্ৰ পুনৰবৰ্দ্ধিত নকৰিলে নিম্নতম সীমাত স্থিত ৰাজসাহায্যৰ বান্ধোনক ভংগ কৰা হ'ব। বিশ্ব বাণিজ্য সংগঠনৰ উপৰিও খাদ্য সুৰক্ষাৰ ক্ষেত্ৰত সহস্ৰাব্দৰ বিকাশ লক্ষ্যত উপনীত হোৱাটো ভাৰতৰ কাৰণে আন এটা আন্তৰ্জাতিক বাধ্যবাধকতাৰ বিষয়। মুঠৰ ওপৰত এখন দেশৰ নীতিৰ পৰিৱৰ্তন সাধনৰ বিষয়টো হ'ল ভালধৰণে আলোচনাৰ প্ৰক্ৰিয়াৰে উপনীত হোৱা। কিন্তু সিদ্ধান্ত নিৰ্ণয়কৰণত নিৰ্বাচনীৰ ফলাফলৰ ওলোটা ফলে বিশ্বলৈ এক ভুল বাৰ্তা প্ৰেৰণ কৰিব পাৰে।

দুয়ো পক্ষৰ ভাৰসাম্য কিমান সেই কথা বিবেচনা কৰি এইটো পৰিলক্ষিত হৈছে যে ছাঁয়াবৃত্ত স্থিতিৰ পৰা ওলাই আহিবৰ কাৰণে অৱস্থাবিশেষৰ অধীনত দেশখনে আংশিকভাৱে হ'লেও যি কৌশল সৃষ্টি কৰিছে তাক এই সময়খিনিত এটা সুন্দৰ সুযোগ বুলি ক'ব পাৰি। সংযোগ আৰু উন্নত আন্তঃগাঁথনিৰ ওপৰত ভিত্তি কৰি আভ্যন্তৰীণভাৱে মুক্ত বাণিজ্যৰ সা-সুবিধা কৰি কোনো সন্দেহ নকৰাকৈ আন্তৰ্জাতিক সম্প্ৰদায়ৰ ক্ষেত্ৰখনত যোগদান কৰাত সহায় কৰিব পাৰে। বতৰৰ ভিন ভিন অৱস্থাত নিজকে থিয় কৰাব পৰা সামৰ্থ্য অসাৰ্থক হ'ব নোৱাৰে; কাৰণ ইতিমধ্যে প্ৰযুক্তিৰ ক্ষেত্ৰত যথেষ্ট অগ্ৰগতি সাধন কৰা হৈছে। আগতীয়া সতৰ্কতা আৰু বিপদকালীন অৱস্থাৰ সন্মুখীন হোৱা ব্যৱস্থাৱলীৰ সন্দৰ্ভত বেচ সজাগ হোৱা পৰিলক্ষিত হৈছে। মুঠৰ ওপৰত কৃষি কাৰ্য লাভজনক হ'ব লাগিব। উপযুক্ত বিপণন ব্যৱস্থা আৰু বছা বছা উৎপাদন সামগ্ৰীয়ে সেইটো কৰিব পাৰে। তদুপৰি মুক্ত নীতিৰ লগে লগে সংগ্ৰহ তথা মজুতকৰণ বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে আৰু সেইটোৱে ঘৰুৱা ক্ষেত্ৰখনৰ পৰিচালনা কাৰ্যত প্ৰভাৱ পেলাব পাৰে। তাৰ বাবেও তেনে সংকট দূৰ কৰিবৰ কাৰণে সক্ষম হোৱা দৰকাৰ।

আৰু এটা ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰয়োজন আছে; কাৰণ মৌচুমী বতৰৰ কম প্ৰভাৱ পৰাৰ আশংকা, গোলকীয় স্তৰত উৎপাদনৰ সীমাবদ্ধতা, ভৌগোলিক দিশৰ দুৰ্যোগ, মুক্ত

বাণিজ্যৰ অপাৰগতা আৰু আন বহু বিৰূপ প্ৰতিক্ৰিয়াৰ আশংকা নুই কৰিব নোৱাৰি। সম্প্ৰতি পৰিৱৰ্তিত স্থিতিত থকা অৰ্থ ব্যৱস্থাত খাদ্য সুৰক্ষা সাধন কাৰ্যৰ পৌষ্টিক নিৰাপত্তাৰ দিশৰ স'তে ভাৰসাম্য ৰাখি কাম কৰিব লাগিব আৰু সেই পৌষ্টিক নিৰাপত্তা ব্যৱস্থা ভাৰসাম্যমূলক আহাৰ তথা মুকলিমূৰীয়া বাছনিৰ ওপৰত আধাৰিত হ'ব লাগিব। ইয়াৰ বাবে মূলতঃ মজুত সামগ্ৰী ভিন্ন ধৰণৰ হোৱা আৱশ্যক। কেৱল চাউল, আটাজাতীয় খাদ্যবস্তুৰেই হ'ব নালাগিব। অন্যান্য খাদ্য সামগ্ৰীও মজুত ৰাখিব লাগিব। কিন্তু তেনে কিছুমান সামগ্ৰী সহজেই নষ্ট হয়। সেয়ে সময়ত আৱশ্যকীয় প্ৰযুক্তি গঢ়ি উঠিলে ফল আদিৰ ৰস, ঘন পদাৰ্থ আৰু পাউদাৰ গাখীৰ সেই মজুত সামগ্ৰীৰ ভিতৰত ৰখা আৱশ্যক হ'ব।

যি ক্ষেত্ৰত পাশ্চাত্যৰ দেশসমূহে নিজৰ পাম ক্ষেত্ৰৰ ৰাজসাহায্য ৰক্ষা কৰিবলৈ 'গ্ৰীণ বক্স' ব্যৱস্থা ব্যৱহাৰ কৰে, তেনে ক্ষেত্ৰত একেই কাৰণতে খাদ্য সামগ্ৰী মজুতকৰণৰ পৰিমাণ অটুট ৰখাৰ যুক্তি ক্ৰমাগতভাৱে দুৰ্বল হৈ আহিছে। ৰাজসাহায্যযুক্ত সংগৃহীত খাদ্য সামগ্ৰী কেৱল হ্ৰস্ব-ম্যাদী কালৰ অৱস্থাত খাপ খুৱাবলৈকে প্ৰয়োজন নহয়, তদুপৰি প্ৰকৃততেই সম্পদত দুখীয়া কৃষক-সকলক সামৰি ল'বলৈ প্ৰসাৰিত কৰাটোৰো আৱশ্যকতা আছে। এনে কৃষকক বিজ্ঞানসন্মতভাৱে চিনাক্ত কৰা প্ৰয়োজন। সম্প্ৰতি গড় হিচাপে পামৰ আকাৰলৈ চাই (১নং তালিকা) পূৰ্বাঞ্চলৰ পিনে সংগ্ৰহ অভিযানৰ ব্যৱস্থা কৰাটো সঠিক পদক্ষেপ হ'ব পাৰে। আনপিনে আনবোৰ অঞ্চলত খাদ্য উৎপাদনৰ ক্ষেত্ৰত নিজ নিজ ক্ষমতাৰ শ্ৰেষ্ঠখিনি কামত লগাবলৈ দিব লাগে আৰু এটা সময়ত জনগণৰ বাবে পৰ্যাপ্ত তথা গ্ৰহণযোগ্য খাদ্য সামগ্ৰীৰ সুচল প্ৰৱেশৰ ব্যৱস্থা কৰিবলৈ ৰাষ্ট্ৰীয় 'খাদ্য সুৰক্ষা' সাধনৰ অৰ্থে ৰাজ্যবোৰ উচিত মতেই বজাৰসমূহ বিধিবদ্ধকৰণত ন্যস্ত থাকিব। তদুপৰি জৰুৰীকালীন তথা নিৰাপদজনক সমৰ্থন প্ৰদানত পোনপটীয়াভাৱে ব্যস্ত হৈ পৰিব। খালী ঠাইবোৰ গ্ৰহণ কৰি বেচৰকাৰী ব্যৱসায়ী-সকলৰ বাধ্যতামূলক সামাজিক দায়বদ্ধতা তথা সুলভ মূল্য আৰু লেন-দেন তথা মজুত সামগ্ৰীৰ স্বচ্ছ প্ৰতিবেদন দাখিল কৰিবৰ বাবে জবাবদিহিও হ'ব লাগিব। ❐

---

**(১৫ পৃষ্ঠাৰ পৰা)**

জাতিৰ লোকে চহৰত মাকে থিতাপি নোলোৱা পৰ্যন্ত ল'ৰা-ছোৱালীক গাঁৱতেই ৰাখিবলৈ বিচাৰে। এয়া হ'ল এটা উদাহৰণ, যাৰ পৰা চহৰীয়া বেঙ্গালুৰুৰ জীৱন ধাৰণৰ কাৰণে গ্ৰাম্য বৰ্ণবাদে প্ৰভাৱান্বিত কৰাত কাৰকৰূপে পৰিগণিত হোৱা যেন লাগে।

* * *

বেঙ্গালুৰুত গ্ৰামাঞ্চলৰ প্ৰভাৱ আৰু সেই ক্ষেত্ৰত যুক্তিযুক্তভাৱেই সৰহভাগ ভাৰতৰ চহৰত— বহু ধৰণৰ। এই প্ৰভাৱ চহৰ এখনৰ ভৌগোলিক সীমাৰ ভিতৰত থকা অৱস্থানৰ পৰা উৎপত্তি হ'ব পাৰে। তেনেদৰে কিছু দূৰত্বত থকা গাঁওবোৰৰ ক্ষেত্ৰতো সেইটো হ'ব পাৰে। সেয়ে এটা উপযুক্ত চহৰৰ নীতি তৈয়াৰ কৰা প্ৰয়োজন, যাতে ভাৰতীয় চহৰবোৰক আক্ৰান্ত কৰা সকলো বিষয়কে সমাধান কৰিব পাৰি। আনকি দূৰণিৰ গ্ৰাম্য এলেকাত সৃষ্টি হোৱা তেনে ধৰণৰ সমস্যাকো ইয়াৰ জৰিয়তে সমাধান কৰিব পৰা যায়। ❐

*'পয়োভৰা'ত প্ৰকাশিত প্ৰবন্ধপাতিৰ ওপৰত পাঠকৰ কিবা মন্তব্য থাকিলে অথবা প্ৰকাশিত তথ্যৰ উপৰি পঢুৱৈ সমাজক অধিক তথ্য জনাব বিচাৰিলে, সেই বিষয়ে আমালৈ লিখি পঠিয়াই যেন। উপযুক্ত বিবেচিত হ'লে 'পয়োভৰা'ত প্ৰকাশ কৰা হ'ব।*

# আৱাস যোজনাৰ পৰিৱৰ্তনৰ ধাৰাবাহিকতা ঃ ৰাজীৱ আৱাস যোজনাৰ পৰা ল'ব পৰা শিক্ষা

ড° গৌতম ভান*

পৰিৱৰ্তনৰ সময়েই হৈছে সংস্কাৰ সাধনৰ বাবে চিন্তা কৰাৰ সোণালী সুযোগ। কেন্দ্ৰত এখন নতুন চৰকাৰ গঠন হোৱাৰ সময়তে প্ৰাক্তন চৰকাৰৰ দ্বাৰা ৰূপায়িত হৈ থকা আঁচনিসমূহ এক জটিল পৰ্যায়ত উপনীত হৈছে, কিয়নো ইয়াৰ পাচত কি আঁচনি থাকিব আৰু কি আঁচনি ধোঁৱাচাঙত উঠিব সেই বিষয়ে নতুন চৰকাৰে অতি তৎপৰতাৰে আৰু কঢ়া দৃষ্টিভঙ্গীৰে সিদ্ধান্ত গ্ৰহণ কৰিব। পৰিৱৰ্তনৰ এই সময়তে এনে এখন আঁচনিৰ সন্দৰ্ভত এই লেখাৰ জৰিয়তে আলোকপাত কৰা হৈছে। আঁচনিখন হ'ল— ৰাজীৱ আৱাস যোজনা। ২০২০ চনৰ ভিতৰত সকলোৰে বাবে আৱাস গৃহ প্ৰদান কৰাৰ বাবে নতুন চৰকাৰখনৰ অভিযানত ৰাজীৱ আৱাস যোজনাৰ পৰা কি শিক্ষা ল'ব পাৰি সেই বিষয়ে ইয়াত বিস্তৰভাৱে আলোচনা কৰা হৈছে।

ৰাজীৱ আৱাস যোজনা আৱাস আৰু নগৰীয়া দৰিদ্ৰতা দূৰীকৰণ মন্ত্ৰণালয় (এম এইচ ইউ পি এ)ৰ অন্যতম কাৰ্যসূচী আছিল। নগৰী দৰিদ্ৰজনলৈ মৌলিক সেৱা (বি এছ ইউ পি)ৰূপে এই আঁচনি দেশৰ নগৰাঞ্চলত উপযুক্ত আৱাসগৃহ সকলোৰে পাব পৰাকৈ চৰকাৰে কৰা মনোনিৱেশৰ একপ্ৰকাৰৰ নিদৰ্শন আছিল। ৰাজীৱ আৱাস যোজনাৰ উদ্দেশ্য আছিল স্পষ্ট। নগৰৰ কদৰ্যতা দূৰ কৰি বাসস্থানৰ অধিকাৰ প্ৰদান কৰাৰ ক্ষেত্ৰত ই পদক্ষেপ গ্ৰহণ কৰিছিল আৰু সফলো হৈছিল। ই নগৰাঞ্চলৰ চৰকাৰীভাৱে ঘোষিত বা অঘোষিত বস্তি অঞ্চল আৰু তাত বসবাস কৰা লোকক সামৰি লৈছিল। সঁচা অৰ্থত ই নগৰাঞ্চলৰ সকলো বাসিন্দাকে নিজৰ আওতাত সামৰি লৈছিল। এই আঁচনিয়ে আয়গত দিশৰ পৰা দুখীয়া সকলো নগৰবাসীৰে আশ্ৰয়স্থলৰ অধিকাৰৰ কথা স্বীকাৰ কৰি নগৰত থকাৰ বাবে উৎসাহ যোগায়। তদুপৰি আয়গত দিশৰ পৰা দুখীয়া লোকক আৱাসৰ সুবিধা দিয়াৰ ব্যৰ্থতা আৰু তেওঁলোকক বজাৰে ঢুকি নোপোৱাৰ কথা স্বীকাৰ কৰিছে।

এই ক্ষেত্ৰত ৰাজীৱ আৱাস যোজনাক নগৰাঞ্চলৰ অধিকাৰৰ সুৰক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ আৰু আদৰণীয় পদক্ষেপ বুলি ক'ব পাৰি। অধিকাৰ, সেৱা আদি প্ৰদানৰ বাবে নগৰাঞ্চলত বাস কৰা লোকৰ বসতিৰ সময়ৰ নিম্নসীমাৰ প্ৰমাণ পত্ৰ আদি নিয়ম এই আঁচনিয়ে বিবেচনা কৰা নাই। আয়ৰ সুষম-বিষম পৰিমাণ নিৰ্বিশেষে সকলো নাগৰিকেই এখন চহৰলৈ আহি জীৱিকা নিৰ্বাহ কৰিব পাৰে আৰু বসবাস কৰিব পাৰে— এই নীতিৰ ভিত্তিতে নগৰাঞ্চলত আঁচনি বা কাৰ্যসূচী ৰূপায়ণ কৰা উচিত। এখন চহৰত বাসিন্দাসকলে সামাজিক আৰু ব্যৱহাৰিক আন্তঃগাঁথনিৰ ক্ষেত্ৰত মৰ্যাদা সহকাৰে সুবিধা লাভ কৰাৰ নিশ্চয়তা প্ৰদানৰ বাবে প্ৰত্যক্ষ বা পৰোক্ষভাৱে ব্যৱস্থা গ্ৰহণ কৰাটো ৰাজ্য চৰকাৰৰ দায়িত্ব। এনেধৰণৰ দায়িত্ব গ্ৰহণ কৰাটোৱে কেৱল দৰিদ্ৰতা দূৰীকৰণত অৰিহণা যোগোৱাই নহয়, বৰঞ্চ সমানুপাতিক তথা সৰ্বব্যাপ্ত বিকাশ সাধনৰ আধাৰ স্থাপন কৰি আৰু দৰিদ্ৰতাৰ কবলৰ পৰা এটা প্ৰজন্মক যথাৰ্থভাৱে উদ্ধাৰ কৰাৰ সম্ভাৱনা উজ্বল কৰাৰ ক্ষেত্ৰতই সঠিক বিনিয়োগ হিচাপে বিবেচিত হৈছে।

ৰাজীৱ আৱাস যোজনাই এই লক্ষ্যত উপনীত হোৱাৰ বাবে কেনেদৰে আগবাঢ়িছিল? এই ক্ষেত্ৰত সম্পত্তিৰ অধিকাৰ সন্দৰ্ভত চুক্তি কৰাৰ বাবে নগৰজোৰা মানচিত্ৰ তৈয়াৰ আৰু তথ্য সংগ্ৰহৰ অভিলাষী প্ৰযুক্তি সম্বলিত প্ৰকল্প, পুনৰসংস্থাপনৰ পৰিৱৰ্তে ইতিমধ্যে থকা আন্তঃগাঁথনিৰ উন্নীতকৰণৰ ওপৰত গুৰুত্ব আৰু যথাসম্ভৱ সমূহীয়া অংশগ্ৰহণ আদি ভালেকেইটা বিষয়ত জোৰ দিয়া হৈছিল। এই আঁচনি অনুযায়ী নগৰৰ ভৌগোলিক আকাৰৰ ওপৰত ভিত্তি কৰি কেন্দ্ৰীয় চৰকাৰে প্ৰকল্পৰ মুঠ ব্যয়ৰ ৫০%ৰ পৰা ৮০% শতাংশ পুঁজি যোগান ধৰাৰ বিপৰীতে বাকীখিনি ৰাজ্য চৰকাৰ, নগৰাঞ্চলৰ স্থানীয় সভা (ইউ এল বি) আৰু আৱাসীয়ে নিজে বহন কৰে। এই প্ৰক্ৰিয়াৰ প্ৰতিটো ঢাপতে বিশদ মূল্যায়নৰ প্ৰয়োজনীয়তা আছে। সি যি কি নহওক, ঠাইৰ সীমাৱদ্ধতাৰ বাবে ইয়াত ৰাজীৱ আৱাস যোজনাৰ মাত্ৰ

*ড° গৌতম ভান বেঙ্গালুৰুৰ ইণ্ডিয়ান ইনষ্টিটিউট ফৰ হিউমেন ছেটেলমেণ্ট অধ্যাপক

তিনিটা দিশ সামৰি আলোচনা কৰা হৈছে। সেয়া হ'ল—

(ক) সম্পত্তিৰ অধিকাৰৰ ধাৰণা (খ) ইতিমধ্যে থকা আন্তঃগাঁথনিৰ উন্নীতকৰণৰ বিপৰীতে পুনৰ্বিকাশ আৰু পুনৰসংস্থাপন আৰু (গ) সমূহীয়া অ-পাৰদৰ্শী অন্তৰ্ভুক্তি।

**সম্পত্তিৰ অধিকাৰৰ ধাৰণা ঃ**

আৱাসৰ সময়সীমাৰ নিৰাপত্তা দিয়াটো যিকোনো আৱাস যোজনাৰ মূল চৰ্ত, যিটো ৰাজীৱ আৱাস যোজনাৰ অন্যতম নীতি। ৰাজীৱ আৱাস যোজনাত 'সম্পত্তিৰ অধিকাৰ' শব্দ দুটাৰ উল্লেখ আছে। এই 'সম্পত্তিৰ অধিকাৰ' মানে কি? ই মালিকীস্বত্ব বুজায় নেকি? ই ক্ৰয় আৰু বিক্ৰী কৰাৰ অধিকাৰৰ কথা সূচায় নেকি? এই অধিকাৰ ব্যক্তিবিশেষৰহে হ'ব পাৰে নেকি? এই অধিকাৰ সাধাৰণ, সমূহীয়া অথবা সমবায়ভিত্তিক হ'ব পাৰেনে? তদুপৰি কম আয়ৰ পৰিমাণৰ ক্ষেত্ৰত প্ৰাসংগিক ম্যাদৰ সুৰক্ষাৰ লগত 'সম্পত্তিৰ অধিকাৰ' কেনেদৰে সম্পৰ্কিত? 'সম্পত্তিৰ অধিকাৰ' বুলি ক'লে এইবোৰ প্ৰশ্ন মনলৈ অহাটো তেনেই স্বাভাৱিক।

নীতি নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত সম্পত্তিৰ অধিকাৰৰ সংজ্ঞা হাৰ্নাড' ডে ছত নামৰ অৰ্থনীতিবিদগৰাকীয়ে আগবঢ়োৱা ধাৰণা স্বতন্ত্ৰ আৱাসৰ অধিকাৰৰ ওপৰত ভিত্তি কৰি থিৰ কৰা হয়। যদিও এনে ধৰণৰ স্বতন্ত্ৰ আৱাসৰ অধিকাৰে সুৰক্ষিত ম্যাদ দিয়ে, তথাপি এই কথা মনত ৰখা উচিত যে এই ধাৰণা বহুতৰ মাজত এটাহে। যদিহে বস্তি অঞ্চলৰ বাসিন্দাৰ সবলীকৰণ আৰু উন্নয়নেই (তেনে বাসিন্দা থকা অঞ্চলৰ ভূমিৰ মূল্যৰ বিপৰীতে) ৰাজীৱ আৱাস যোজনাৰ দৰে আঁচনিৰ উদ্দেশ্য হয়, তেন্তে সুৰক্ষিত ম্যাদ প্ৰদানৰ বাবে স্বতন্ত্ৰ আৱাসৰ অধিকাৰ ব্যৱস্থা নিশ্চয়কৈ সঠিক ব্যৱস্থা নহয়। স্বতন্ত্ৰ আৱাসৰ অধিকাৰে দখলত থকা মাটি উদ্ধাৰ কৰে যদিও দৰিদ্ৰজনক ভূমিবিহীনো কৰে— এই আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ অভিজ্ঞতাৰ বহুতো নিদৰ্শনৰ মাজৰ এটা হৈছে মুম্বাইৰ বস্তি পুনৰসংস্থাপন আৰ্হি (এছ আৰ এ)। এই আঁচনিৰ অধীনত এক লাখৰো অধিক নতুন গৃহ নিৰ্মাণ কৰা হোৱা সত্বেও আৰু চহৰখনলৈ প্ৰব্ৰজনৰ হাৰ কমিলেও বিগত দশকত মুম্বাইৰ বস্তি অঞ্চলৰ লোক-সকলৰ কোনো বিশেষ পৰিৱৰ্তন হোৱা নাই।

এই পৰিঘটনাৰ ব্যাখ্যা কি হ'ব? যেতিয়া নতুন আৱাসস্থল নিৰ্মাণ কৰা হয় আৰু আৱাসীক অধিকাৰ প্ৰদান কৰা হয়, তেতিয়া তেওঁলোক ভূমি আৰু আৱাস-ব্যৱস্থাৰ এখন অবৈধ বজাৰত প্ৰৱেশ কৰে। বৰ্দ্ধিত ভাড়া আৰু ভূমিৰ মূল্যই নতুনকৈ নিৰ্মিত আৱাস-ব্যৱস্থাত সেই বজাৰক প্ৰৱেশ কৰাৰ সুবিধা প্ৰদান কৰে। অৰ্থাৎ ঘৰ ভাঙিবলৈ বুল্ড'জাৰৰ প্ৰয়োজন নহয়। এয়া দৰিদ্ৰ শ্ৰেণীৰ বাবে কোনো বেয়া উপায় নহয়, কিয়নো বিক্ৰী কৰিব পৰা সম্পদ তেওঁলোকৰ হাতত ইতিমধ্যে দিয়া হৈছে। বৈধ আৱাস-ব্যৱস্থাত প্ৰৱেশ কৰাৰ বাবে অতি খাপচৰা মূল্য নিৰ্দ্ধাৰণ কৰা অবৈধ বজাৰখনে একোটা পৰিয়ালক যথেষ্টখিনি মূল্য দিয়ে, যিটোৱে আন যিকোনো এখন বজাৰত প্ৰৱেশ কৰাটো তেনে লোকৰ বাবে উজু হৈ পৰে। ফলস্বৰূপে এনেধৰণৰ আৱাস-ব্যৱস্থাৰ আঁচনিয়ে নতুন আৱাস-ব্যৱস্থা নিৰ্মাণ কৰে যদিও কম আয়ৰ দৰিদ্ৰ পৰিয়াল এই ব্যৱস্থাৰ পৰা বহিৰ্ভূত হৈয়ে ৰয়।

এনে ক্ষেত্ৰত আন কি উপায় গ্ৰহণ কৰিব পাৰি? 'সম্পত্তিৰ অধিকাৰ'ৰ ধাৰণাৰ পৰিসৰ বিস্তৃত কৰি চোৱাৰ থলৰ প্ৰসংগ এইখিনিতে উনুকিয়াব পাৰি। যদিহে 'সম্পত্তিৰ অধিকাৰ'ৰ পৰিৱৰ্তে আমি ম্যাদৰ সুৰক্ষাৰ ওপৰত মনোযোগ দিওঁ, তেতিয়া উক্ত অধিকাৰৰ যোগেদিয়ে সমস্যাটো আংশিকভাৱে সমাধান হ'ব। তদুপৰি আমি এই অধিকাৰকে প্ৰয়োজন অনুসাৰে সলনি কৰি ল'ব পাৰো। বিক্ৰীৰ ক্ষেত্ৰত কিছুমান সীমাৱদ্ধতা আৰোপ, যেনে— এটা নিৰ্দিষ্ট কালৰ বাবে বিক্ৰীৰ ওপৰত নিষেধাজ্ঞা, সম পৰ্যায়ৰ আয় থকা পৰিয়াললৈ তেনে সম্পত্তি বিক্ৰীৰ অনুমতি প্ৰদান আদি নতুন দিশ 'সম্পত্তিৰ অধিকাৰ'ত সংযোজন কৰিব পৰা যায়। নিম্ন-আয়সম্পন্ন আৱাস-ব্যৱস্থা প্ৰকৃততে সুলভ হোৱাটো নিশ্চিত কৰা, এটাতকৈ অধিক আৱাস ক্ৰয় কৰা, আৱাসগৃহ সংযোগ কৰা বা ধনী ক্ৰেতাক আকৰ্ষিত কৰাৰ উদ্দেশ্যে আৱাসগৃহ উন্নত আৰু ৰংচঙীয়া কৰাত নিষেধাজ্ঞা বাহাল ৰখা আদি বিষয়ত চোকা নজৰ ৰখাটো 'সম্পত্তিৰ অধিকাৰ'ৰ সৈতে সংযোজন কৰিব পাৰি। আকৌ সম্পত্তিৰ অধিকাৰ সমবায় বা সমূহীয়া ভিত্তিতো প্ৰদান কৰিব পাৰি য'ত দীৰ্ঘম্যাদত মাটিৰ পট্টা দিয়া হ'ব। এনে কৰিলে বজাৰৰ ক্ৰেতাই স্বতন্ত্ৰ পৰিয়ালৰ ওপৰত মাটি বিক্ৰীৰ বাবে দিয়া হেঁচাও কমিব। সমূহীয়া পট্টা প্ৰদানে আঁচনি বলবৎ কৰা আৰু তাৰ নিৰীক্ষণ অধিক দক্ষ কৰি তোলে। বিশেষকৈ আৱাসগৃহ সংযোজন কৰাৰ ক্ষেত্ৰত বাধা দিয়াত এনে ব্যৱস্থা অধিক ফলপ্ৰসূ। ভেনিজুৱেলাৰ বস্তি অঞ্চল আঁচনি (ফেভেলা বেৰিঅ' প্ৰোগ্ৰাম) আৰু থাইলেণ্ডৰ মেঙ্কং অভিযান সমূহীয়া স্বত্ব প্ৰদানৰ যোগেদি উন্নীতকৰণৰ সফল আৱাস-ব্যৱস্থাপনাৰ উদাহৰণ, য'ত দুখীয়া শ্ৰেণী গৃহহাৰা হ'ব লগা হোৱা নাই। এই ব্যাপক

অভিযানে দুয়োখন দেশৰ গৃহহীন দৰিদ্ৰ শ্ৰেণীক যথেষ্ট সকাহ দিছে। তালিকা-১ত মেঙ্কং অভিযানৰ অধীনত প্ৰদান কৰা সমূহীয়া সম্পত্তিৰ অধিকাৰ দৰ্শোৱা হৈছে (আঁচনিৰ বিষয়ে অধিক জানিবৰ বাবে বুন্যবাঞ্চা-২০০৫ চাব পাৰে)।

ধাৰণা দিব পাৰিব যদিও নিৰ্দিষ্ট আয়ৰ ভিত্তিতে সমগ্ৰ ব্যৱস্থাটো প্ৰতিষ্ঠিত হোৱাটো মঙ্গলজনক।

বজাৰৰ মূল পৰ্যায়ত বৈধ আৱাস-ব্যৱস্থা সৃষ্টি কৰাৰ ক্ষেত্ৰত খুব কমেই দৃষ্টিগোচৰ হোৱা আন এটা উপায় হৈছে

তালিকা-১

| ভূমি পট্টাৰ ম্যাদ | আৱাসগৃহৰ সংখ্যা | পট্টা প্ৰদানৰ হাৰ |
|---|---|---|
| সমবায়ভিত্তিক পট্টা প্ৰদান | ৩২১৫৩ | ৩৪.৭৮% |
| দীৰ্ঘম্যাদী পট্টা প্ৰদান | ৪০২৯২ | ৪৩.৫৮% |
| হ্ৰস্বম্যাদী পট্টা প্ৰদান (উচ্চসীমা - ৫ বছৰ) | ৭৫৯৪ | ৮.২১% |
| ভূমি ব্যৱহাৰৰ অনুমতি প্ৰদান | ১২৪১৯ | ১৩.৪৩% |
| মুঠ | ৯২৪৫৮ | ১০০.০০% |

উৎস ঃ সমূহীয়া সংস্থা বিকাশ প্ৰতিষ্ঠান (চি অ' ডি আই)
ৱেবছাইট ঃ www.codi.or.th/housing/results.html.

এইখিনিতে এটা কেৰোণ নথকা নহয়, যিটো আমি কোনোপ্ৰকাৰে উপেক্ষা কৰিব নোৱাৰো। মাটিৰ স্বত্বৰ সন্দৰ্ভত দিয়া সীমাৱদ্ধতা বজাৰৰ ওপৰত একপ্ৰকাৰৰ কৃত্ৰিম বাধাহে যি বেমেজালিৰ সৃষ্টি কৰিব পাৰে। ই নিম্ন আয়সম্পন্ন পৰিয়ালৰ প্ৰতি চৰকাৰৰ 'দ্বিতীয় শ্ৰেণী'ৰ আচৰণ হিচাপে বিবেচিত হ'ব পাৰে,য'ত এনে পৰিয়ালে নিজৰ সম্পত্তি কি কৰিব তাতো নিজৰ স্বত্ব নাথাকে যিটো মধ্যবিত্ত পৰিয়ালৰ ক্ষেত্ৰত কৰা নহয়। সেয়ে সমস্যাৰ গুৰি ধৰিবলৈ হ'লে অসংগঠিত আৰু বস্তি অঞ্চলৰ বসতি চিনাক্ত কৰি আৱাস-ব্যৱস্থাৰ নীতি নিৰ্দ্ধাৰণৰ সময়ত এই বজাৰখনৰ গাঁথনিৰ বিষয়ে চৰ্চা হোৱা উচিত। তদুপৰি সমূহীয়া আৱাস-ব্যৱস্থাপনাৰ কথাও ভাবি চাব পাৰি, যি প্ৰক্ৰিয়াৰে মুম্বাইৰ ভালেখিনি পৰিৱৰ্তন সাধন হৈছে।এই আৰ্হিয়ে বজাৰ নিৰ্মাণৰ খাজনাৰ ব্যৱস্থা কৰা। ৰাজীৱ আৱাস যোজনাৰ অধীনত বিগত বৰ্ষত খাজনা দিয়া ব্যৱস্থাক অনুমতি দিয়া হৈছিল যদিও কম আয়ৰ পৰিয়ালক সকাহ দিয়া এই সম্ভাৱনাপূৰ্ণ, ক্ৰিয়াশীল আৰু বজাৰমুখী ব্যৱস্থা এতিয়াও ভালদৰে প্ৰয়োগ কৰা হোৱা নাই। এইখিনিতে এটা কথা উল্লেখ কৰাটো প্ৰাসংগিক হ'ব যে খাজনা দিয়া ব্যৱস্থাই সুলভ আৱাস-ব্যৱস্থা নীতিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি এম এইচ ইউ পি এ কমিটী (ভাৰত চৰকাৰ, ২০১৩)এ পৰামৰ্শ দিছে।

### যদি আপুনি নিৰ্মাণ কৰে, তেওঁলোক আহিবনে?

ৰাজীৱ আৱাস যোজনাৰ অধীনত কেন্দ্ৰীয় সংস্থাই তিনি প্ৰকাৰে এটা বসতিস্থলত কাম কৰিব পাৰে— পূৰ্বৰ স্থানতেই উন্নীতকৰণ, পূৰ্বৰ স্থানতেই আন্তঃগাঁথনিৰ পুনৰ্বিকাশ আৰু পুনৰসংস্থাপন। উন্নয়নৰ এই তিনি প্ৰক্ৰিয়াৰ বিষয়ে তালিকা-২ত চমুকৈ উল্লেখ কৰা হৈছে।

এতিয়া উল্লিখিত বৈশিষ্ট্যৰ আধাৰত বিষয়টো আলোচনা কৰা যাওক। বি এছ ইউ পি অথবা আৰ এ ওৱাই আঁচনি কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত কেন্দ্ৰীয় সংস্থাসমূহ সততে সন্মুখীন হোৱা অসুবিধাটো হ'ল এয়ে যে প্ৰায়ভাগ প্ৰকল্পৰ আধাৰত নিৰ্মাণ কৰা নতুন আৱাসগৃহ খুব কমসংখ্যকেহে আদৰি লয়। এই হাৰ মাত্ৰ ২০%। সীমামূৰীয়া অঞ্চলত উন্নত আন্তঃগাঁথনি সম্বলিত আৱাসস্থল নিৰ্মাণ কৰি পুনৰ সংস্থাপিত কৰি দিয়া সত্বেও আবণ্টিত নতুন আৱাসত গৃহ লাভ কৰা পৰিয়াল তালৈ নাযায়।

এনে কাৰ্যই যে প্ৰকল্পৰ প্ৰতি তেনে পৰিয়ালৰ একধৰণৰ 'অকৃতজ্ঞতা'কে সূচায় তেনে নহয়। ই বিষয়টোৰ ভুল ব্যাখ্যা। পুনৰসংস্থাপিত আৱাসলৈ যাবলৈ অমান্তি হোৱাৰ এটা যুক্তিযুক্ত ভিত্তি আছে। নগৰ অঞ্চলৰ বাসিন্দাই আৱাস-ব্যৱস্থাৰ স্থানৰ বাছনি কৰে। এই বাছনি নতুনকৈ নিৰ্মিত আৱাসস্থলৰ মানৰ পৰিৱৰ্তে নিয়োগৰ সম্ভাৱনাৰ ওপৰত নিৰ্ভৰশীল। সীমামূৰীয়া অঞ্চলত পুনৰসংস্থাপিত আৱাসৰ মান উচ্চ পৰ্যায়ৰ হ'ব পাৰে, কিন্তু কম আয়সম্পন্ন পৰিয়ালৰ বাবে জীৱিকা নিৰ্বাহ কৰা, যোগাযোগৰ সুবিধা আৰু সামাজিক নেটৱৰ্ক লাভ কৰাটো প্ৰায় অসম্ভৱ হৈ পৰে, যিবোৰ উপাদান নগৰীয়া জীৱন যাপনৰ বাবে অপৰিহাৰ্য (মেনন-সেন আৰু ভান, ২০০৮)।

অন্যান্য আঁচনিৰ দৰে ৰাজীৱ আৱাস যোজনায়ো পূৰ্বৰ স্থানতে (ইন-চিতু) উন্নয়নকে অগ্ৰাধিকাৰ দিয়ে। পুনৰসংস্থাপন শেষ উপায় হিচাপেহে

তালিকা-২ ঃ **উন্নয়নৰ বাট**

| | |
|---|---|
| উন্নীতকৰণ | ★ সকলো প্ৰকাৰৰ উন্নয়ন পূৰ্বৰ স্থানতেই তুলনামূলকভাৱে সাধাৰণ নক্সা পৰিৱৰ্তন বা গোট পৰিৱৰ্তনৰ মাজেদি কৰা হয়।<br>★ সেৱা আৰু অন্যান্য আন্তঃগাঁথনিমূলক দিশহে ইয়াত সামৰি লোৱা হয়, আৱাস গৃহ উন্নয়নৰ দায়িত্ব আৱাসীয়ে গ্ৰহণ কৰে।<br>★ অৱশ্যে কেতিয়াবা সাধাৰণ উন্নীতকৰণ ইয়াত অন্তৰ্ভুক্ত কৰা হয় (যেনে আৱাসৰ অনাময় ব্যৱস্থা স্থাপন)। |
| পুনৰ্বিকাশ | ★ পুৰণি আৱাসস্থল ভাঙি নতুনকৈ সেই স্থানতে আৱাস নিৰ্মাণ কৰা হয়।<br>★ পুনৰ্বিকাশ একে ঠাইতে বা প্ৰায় ওচৰা-উচৰি স্থানত হ'ব পাৰে, য'ত পূৰ্বৰ এলেকা সম্পূৰ্ণ বা আংশিকৰূপে ব্যৱহাৰ হ'ব পাৰে।<br>★ এনে পদ্ধতিত পূৰ্বৰ আন্তঃগাঁথনি উন্নত কৰাৰ লগতে নতুন আৱাস স্থল নিৰ্মাণ কৰা হয়। |
| পুনৰসংস্থাপন | ★ পূৰ্বৰ আৱাসস্থল ভাঙি যোগ্য বাসিন্দাসকলক নতুন স্থানত আৱাসস্থলৰ ব্যৱস্থা কৰি দিয়া হয়।<br>★ পুনৰসংস্থাপন সাধাৰণতে পূৰ্বৰ স্থানৰ পৰা যথেষ্ট দূৰৱৰ্তী স্থানত হয়। |

ব্যৱহাৰ কৰা উচিত। কিন্তু তাৰ সম্পূৰ্ণ বিপৰীতে বৃহৎ নগৰসমূহত বি এছ ইউ পি অথবা আৰ এ ওৱাই প্ৰকল্পই পুনৰসংস্থাপনৰ কামকে কৰি আহিছে (মজলীয়া আৰু সৰু চহৰসমূহৰ কথা তলত সামৰা হৈছে)। এনে ক্ষেত্ৰত পূৰ্বৰ স্থানতে উন্নয়ন কেনেদৰে কাৰ্যকৰী কৰা হ'ব? এইখিনিতে বি এছ ইউ পি অথবা আৰ এ ওৱাই-ৰ দৰে প্ৰকল্প প্ৰত্যাহ্বানৰ সন্মুখীন হয়। পূৰ্বৰ স্থানতে উন্নয়নৰ বাবে সঠিক কাৰ্যনীতি গ্ৰহণ নকৰাৰ বাবেই পৰিবহণ আৰু নিয়োগৰ সুবিধা থকা অঞ্চলত কম আয়সম্পন্ন পৰিয়ালসমূহ থুপ খাই আছে। পূৰ্বৰ স্থানতে উন্নয়নৰ পৰামৰ্শ দিয়া হৈছিল যদিও নিৰীক্ষণ অথবা জবাবদিহি কৰাৰ বাবে কোনো ধৰণৰ ব্যৱস্থা (য'ত কেন্দ্ৰীয় সংস্থাই পূৰ্বৰ স্থানতে উন্নীত-কৰণৰ পৰিৱৰ্তে পুনৰসংস্থাপন কৰোৱাৰ বাবে কাৰণ দৰ্শাব লাগিব) নথকা বাবে কাৰ্যতঃ এনে হোৱা নাই। আৱাস-ব্যৱস্থাপনাৰ ক্ষেত্ৰত এয়া প্ৰধান সুৰুঙা, যিটো ভৱিষ্যতৰ কাৰ্যনীতি নিৰ্দ্ধাৰণৰ সময়ত শুধৰণি হোৱাটো খুবেই জৰুৰী।

কোনবিধ সংস্থাপনৰ বাবে কেনে ধৰণৰ উন্নয়নমূলক ব্যৱস্থা খাপ খাব তাৰ সন্দৰ্ভত স্বচ্ছ ব্যৱস্থা গ্ৰহণ কৰাৰ ক্ষেত্ৰত চলিত নীতি সন্দৰ্ভত দুটা বিষয়ত স্পষ্ট হৈ লোৱা উচিত। ইয়াৰে প্ৰথমটো স্পষ্ট হ'ব লগা বিষয় হৈছে মান্যতা থকা আৰু নথকা পুনৰসংস্থাপন। মান্যতাৰ দোহাই দি পূৰ্বৰ স্থানতে উন্নয়নৰ পৰিৱৰ্তে পুনৰসংস্থাপনৰ বাবে ব্যৱস্থা গ্ৰহণ কৰাটো প্ৰায়ে পৰিলক্ষিত হয়। ইয়াত কোনো ধৰণৰ সন্দেহ নাই যে বুজন হাৰৰ পুনৰসংস্থাপন মান্যতা নথকা বিধৰ। বাস্তৱিক সাক্ষ্যই স্পষ্ট ইংগিত দিয়ে যে কেতবোৰ গুৰুত্বপূৰ্ণ চহৰ অঞ্চলত মান্যতাৰ চৰ্তৰ অনুচিত ব্যাখ্যা আগবঢ়াই পূৰ্বৰ স্থানতে উন্নয়নৰ পৰিৱৰ্তে দাঁতিকাষৰীয়া অঞ্চলত পুনৰসংস্থাপনৰ ব্যৱস্থা গ্ৰহণ কৰিছে। এইখিনিতে এটা উদাহৰণ লোৱা যাওক। যদিহে এটা বসতি এটা উন্মুক্ত নলীৰ কাষতে হয় যিটোৱে তেওঁলোকৰ বাবে বানৰ সমস্যা সৃষ্টি কৰিব পাৰে— এইখনিতে কেতবোৰ প্ৰশ্নৰ উদয় হয়। স্বাভাৱিকতে মনলৈ অহা প্ৰশ্নটো হ'ল এনে যে বসতিটোত এনে কি ব্যৱস্থা আছে যাৰ সহায়ত বানপানী হোৱা সত্ত্বেও তেওঁলোক তাত আছে। দ্বিতীয়তে, সাধাৰণ বান্ধ নিৰ্মাণ কৰি বানপানীৰ সম্ভাৱনা নুই কৰিব নোৱাৰিনে? আকৌ সুৰক্ষিত অথচ নিয়োগ হেৰুওৱাৰ সম্ভাৱনা থকা দূৰণিবটীয়া নতুন আৱাসৰ বিষয়টোৰ উক্ত স্থানতে ক্ষতিৰ সম্ভাৱনা বহন কৰি থকাৰ লগত ব্যয়ৰ তুলনা কি পদ্ধতিৰে কৰা হ'ব?

তদুপৰি পূৰ্বৰ স্থানতে উন্নয়নৰ বিষয়টো সুৰক্ষিত ম্যাদৰ লগত সংযোজিত কৰাৰ ক্ষেত্ৰত ভূমিৰ অধিকাৰী সংস্থা আৰু কেন্দ্ৰীয় সংস্থাক সমৰ্থ কৰাৰ বাবে পৰিকল্পনা, আইন, বিধি আৰু প্ৰক্ৰিয়াৰ পৰিৱৰ্তনৰ বিষয়টো গুৰুত্ব সহকাৰে লোৱাৰ নিতান্তই প্ৰয়োজন। পূৰ্বৰ স্থানতে উন্নয়ন নিশ্চিত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবলগীয়া আনুষ্ঠানিক নেটৱৰ্কৰ বিষয়টো বিবেচনা নকৰাটোৱে ৰাজীৱ আৱাস যোজনা আধৰুৱা হৈ থকাৰ প্ৰধান কাৰণ বুলি ক'ব পাৰি— কিয়নো আৱাস-ব্যৱস্থাৰ এই প্ৰক্ৰিয়াত কেন্দ্ৰীয়

সংস্থাৰ ভূমিকাই যথেষ্ট নহয়। এইখিনিতে এনে আৱাস-ব্যৱস্থাৰ নীতিৰ প্ৰধান দুৰ্বলতা প্ৰকট হৈ পৰে, য'ত এনে নীতিৰ বৈধ, অৰ্থনৈতিক আৰু সামাজিক দিশসমূহ সম্পূৰ্ণৰূপে উলাই কৰি আৱাসস্থল নিৰ্মাণ কৰাৰ ওপৰতহে গুৰুত্ব আৰোপ কৰা হয়।

শেষত পূৰ্বৰ স্থানতে উন্নয়নৰ ক্ষেত্ৰত সংস্কাৰ সাধনৰ বাবে মজলীয়া বা সৰু চহৰহে আৰ্হি হিচাপে বাছি লোৱা উচিত, য'ত এনে পদ্ধতি ফলপ্ৰসূ প্ৰমাণিত হৈছে। ৰাজীৱ আৱাস যোজনা বিফল হোৱাৰ অন্যতম কাৰণ হৈছে মহানগৰত ইয়াৰ পাৰদৰ্শিতাক লৈ আঁচনিখনৰ সফলতা নিৰ্দ্ধাৰণ কৰা। এনে ক্ষেত্ৰত বিভিন্ন অংশীদাৰে অতি ক্ৰিয়াশীল বজাৰ লাভ কৰে, যাৰ ফলত নীতি নিৰ্দ্ধাৰণ কৰাটো মেৰপেচত সোমাই পৰে। তাৰ পৰিৱৰ্তে মজলীয়া বা সৰু চহৰত নক্সা প্ৰস্তুতকৰণ, পূৰ্বৰ স্থানতে উন্নয়ন, পৰিবহণ আৰু যোগাযোগ আদি বিষয় ভালদৰে চালিজাৰি চাই পৰীক্ষা-নিৰীক্ষা চলোৱাটো সুবিধাজনক। এনেধৰণৰ পৰীক্ষণ ইতিমধ্যেই হৈ গৈছে। এইখিনিতে কৰ্ণাটকৰ গুলবাৰ্গৰ উদাহৰণ লোৱা যাওক। বি এছ ইউ পি আৰু আৰ এ ওৱাই প্ৰকল্পৰ অধীনত চলোৱা সমীক্ষাত মুঠ ৩৭টা বসতি চিনাক্ত কৰি নথিভুক্ত কৰা হৈছিল। ইয়াৰে ১১টা বসতিৰ উন্নীতকৰণ, ১৯টা বসতিৰ পুনৰ্বিকাশ আৰু মাত্ৰ ৭টা বসতিৰ পুনৰসংস্থান কৰা হৈছিল। মহানগৰৰ ক্ষেত্ৰত সন্মুখীন হোৱা প্ৰত্যাহ্বানক মজলীয়া বা সৰু চহৰৰ ক্ষেত্ৰত সন্মুখীন হোৱা প্ৰত্যাহ্বানৰ সৈতে একাকাৰ কৰাটো নিশ্চয়কৈ ভুল হ'ব। সেয়ে মজলীয়া বা সৰু চহৰৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব পৰা নতুন নীতি প্ৰণয়ন কৰাৰ এয়া উপযুক্ত সময় নহয়নে য'ত ভূমি উন্নয়ন আৰু মধ্য ম্যাদৰ পৰিকল্পনা সংযোজিত কৰা হ'ব?

**সমূহীয়া ভূমিকা বা নেতৃত্ব নথকাৰ কাৰণ কি?**

আৱাস-ব্যৱস্থাপনাৰ নীতিৰ ক্ষেত্ৰত সমালোচকসকলে খুব কমেই উল্লেখ কৰা অন্যতম দিশটো হৈছে সমূহীয়া অংশগ্ৰহণ আৰু ভূমিকা পালনৰ সীমাৱদ্ধতা। কোৱা নিষ্প্ৰয়োজন যে এনে নীতিৰ ৰূপায়ণৰ ক্ষেত্ৰত সমূহীয়া ভূমিকা খুবেই নগণ্য। আৱাসৰ নাটনিৰ সমস্যা সমাধানৰ ক্ষেত্ৰত আৱাস-ব্যৱস্থাৰ নীতিৰ বাবে সমূহীয়া ভূমিকা খুবেই গুৰুত্বপূৰ্ণ বুলি ইতিমধ্যেই এনে নীতিত বিবেচিত হৈছে। এনে কৰাৰ মূল কাৰণ হ'ল সমূহীয়া অধিকাৰ আৰু বিপন্নতাৰ স্বীকৃতি দিয়াৰ লগতে প্ৰকল্প চলি থাকিবলৈ বাট মুকলি কৰা। সাম্প্ৰতিক সময়ৰ যিকোনো আৱাস-ব্যৱস্থাৰ নীতিতে সমূহীয়া অংশগ্ৰহণৰ কথা মানি লোৱা হৈছে আৰু এনে ধৰণৰ নীতি প্ৰস্তুত কৰাৰ ক্ষেত্ৰত প্ৰয়োজন হোৱা পৰামৰ্শাৱলী, সামগ্ৰী, আহিলা, মডিউল, কৰ্মশালা আদি সকলো ঢাপতে সমূহীয়া অংশগ্ৰহণ নিশ্চিত কৰা হৈছে। কিন্তু এনে ধৰণৰ নিশ্চিতকৰণ কাৰ্যতঃ কিমান পৰিপূৰণ কৰা হয় সেয়া সন্দেহৰ উৰ্ধত নহয়। এনে পৰিপ্ৰেক্ষিতত আনুষ্ঠানিক গাঁথনিৰ উপস্থিতিয়ে সমূহীয়া অংশগ্ৰহণ প্ৰকৃতাৰ্থত নিশ্চিত কৰাত অৰিহণা যোগাব— যাতে কোনো প্ৰকল্প চলি থাকিব পাৰে, অথবা কোনো বিশেষ প্ৰতিকূল পৰিস্থিতি য'ত সমূহীয়া অংশগ্ৰহণ উপেক্ষা কৰা হয়, তেনে ক্ষেত্ৰত তাক বন্ধ কৰিব পৰা যায়।

এইখিনিতে সমূহীয়া অংশগ্ৰহণ সুনিশ্চিত কৰাৰ নতুন পৰিকল্পনাৰ বিষয়ে আলোচনা কৰা যাওক। তাৰ বাবে অন্যতম উপায় হৈছে সমূহীয়া প্ৰতিনিধিত্বত বিস্তৃত প্ৰকল্প প্ৰতিবেদন (ডি পি আৰ) তৈয়াৰ কৰা। ৰাজীৱ আৱাস যোজনাকে ধৰি প্ৰায়বোৰ আঁচনিতে এনে প্ৰতিবেদনেই প্ৰকল্প অনুমোদনৰ মূল আধাৰ। পৰিৱৰ্তিত চৰকাৰৰ বাবে ৰাজীৱ আৱাস যোজনাৰ দৰে আঁচনিসমূহ পৰিৱৰ্তন হ'ব পাৰে যদিও আগন্তুক সময়ৰ বাবে ডি পি আৰ-এ আৱাস-ব্যৱস্থা নীতিৰ কাৰ্যকৰীকৰণৰ ক্ষেত্ৰত মূল আধাৰ হিচাপে বিবেচিত হৈ থাকিব। ডি পি আৰ গুৰুত্বপূৰ্ণ হোৱাৰ দুটা কাৰণ ইয়াত উল্লেখ কৰাটো প্ৰয়োজন। প্ৰথমটো এয়ে যে ব্যাপক ৰূপত সমূহীয়া অংশগ্ৰহণৰ বাবে ইয়াক তৈয়াৰ কৰা হৈছে। ইয়াক এটা বিশেষ বস্তি অঞ্চল, পুনৰসংস্থাপিত সংলগ্ন কেবাটাও থুপ, অথবা এটা স্বতন্ত্ৰ পুনৰসংস্থাপিত এলেকাৰ বাবে তৈয়াৰ কৰা হৈছে। দ্বিতীয়তে ই এক ধৰণৰ উন্নয়নমূলক পথ বাছি লোৱাৰ ক্ষেত্ৰত সঠিক বাট দেখুৱায়, কিয়নো এটা সংস্থাপিত হ'ব লগা অঞ্চলত কি ধৰণৰ ব্যৱস্থা ল'ব লাগিব তাক এই ডি পি আৰ-এ নিৰ্দ্ধাৰণ কৰে। এক কথাত ক'বলৈ গ'লে এটা সমূহৰ ভাগ্য নিৰ্দ্ধাৰণ কৰাত ই মহত্বপূৰ্ণ ভূমিকা পালন কৰে।

ডি পি আৰ-এ কাৰিকৰী জটিলতাৰ কাৰণে আৰু সেই বাবেই সমূহে এইবোৰ দাখিল কৰিবলৈ অসমৰ্থ হয় বুলি প্ৰশিক্ষাৰ্থী, পৰামৰ্শদাতা আৰু চৰকাৰী বিষয়াসকলে প্ৰায়ে উল্লেখ কৰে। সেয়ে তেওঁলোকে দীঘলীয়া অধ্যায়, ইনপুট, সমীক্ষা, লেখা আদি সংযোজন কৰে। এই ধৰণৰ অজুহাত বৃহৎ আৰু সংযুক্ত সমূহীয়া সংস্থাসমূহে প্ৰায়ে মানি লোৱা নাই। এই বিষয়টো নিশ্চয়কৈ সামৰ্থ্যৰ ওপৰত নিৰ্ভৰ কৰি নিৰ্ণয় কৰা উচিত

নহয়। এই কথা নুই কৰিব নোৱাৰি যে কেতবোৰ চহৰ আৰু বসতি থকা অঞ্চলত সমূহীয়া সংস্থা নাই, তৎসত্বেও এনে সংস্থা থকা চহৰৰ সংখ্যাও তাকৰ নহয়।

ডি পি আৰ প্ৰস্তুত কৰাৰ ক্ষেত্ৰত সমূহীয়া সংস্থাসমূহৰ ভূমিকা বঢ়োৱাৰ বাবে দুই ধৰণৰ উপায় বিবেচনা কৰিব পাৰি। প্ৰথমতে ডি পি আৰ প্ৰস্তুত কৰাৰ ক্ষেত্ৰত ৰাজ্যিক সংস্থাসমূহে সাধাৰণতে নিয়োগ কৰা 'পৰামৰ্শদাতা'ৰ ধাৰণা বিস্তৃত কৰিব লাগিব। সমূহীয়া সংস্থাসমূহে ডি পি আৰ প্ৰস্তুত কৰা প্ৰক্ৰিয়াত ভাগ ল'বৰ বাবে নিবিদা যোগে বাছনিত উঠাৰ ব্যৱস্থা ল'ব পাৰি, য'ত আনুষ্ঠানিক বৈধতাৰ বাবে তাকৰ সংখ্যকেহে উত্তীৰ্ণ হ'ব পাৰিব। ডি পি আৰ প্ৰস্তুত কৰাৰ বাবে সমূহীয়া সংস্থাসমূহৰ যোগ্যতাৰ কেতবোৰ চৰ্ত পৃথকে ধৰি দিয়া উচিত। দ্বিতীয়তে এনে সমূহীয়া সংস্থাক দক্ষতা বিকাশৰ বাবে কাৰিকৰী আৰু আনুষ্ঠানিক বিশেষজ্ঞৰ দ্বাৰা প্ৰশিক্ষণ দিওৱা উচিত।

দ্বিতীয়তে, ডি পি আৰ প্ৰস্তুত কৰাৰ সময়ত সমূহীয়া বাসিন্দা আৰু সংস্থা-সমূহৰ প্ৰতিনিধিবৰ্গক অংশীদাৰ হিচাপে লৈ আগবঢ়া উচিত। এনে ধৰণৰ প্ৰক্ৰিয়া দীৰ্ঘসূত্ৰী হ'ব পাৰে, য'ত চৰকাৰ আৰু সমূহীয়া বিভিন্ন প্ৰকাৰৰ বিনিয়োগ যেনে সময়, সম্পদ আদিৰ প্ৰয়োজন আহি পৰিব। কিন্তু কাৰ্যকৰী সমূহীয়া অংশগ্ৰহণৰ বাবে ই খুবেই প্ৰয়োজনীয়। তদুপৰি পূৰ্বতে আলোচনা কৰি অহাৰ দৰে এনে ধৰণৰ প্ৰকল্পৰ সাফল্যৰ ম্যাদ বঢ়াবৰ বাবেই হওক বা সময় ৰাহি কৰা আৰু ব্যয় কমোৱাৰ বাবেই হকে, এনে প্ৰক্ৰিয়াই তাৎপৰ্যপূৰ্ণ ফল দিব পাৰে। এটা কথা আমি মন কৰা উচিত যে সচৰাচৰ হৈ অহাৰ দৰে ইতিমধ্যে প্ৰস্তুত কৰি থোৱা প্ৰতিবেদনৰ সন্দৰ্ভত পৰামৰ্শ লোৱাৰ পৰিৱৰ্তে ই প্ৰকল্প প্ৰস্তুতিৰ প্ৰক্ৰিয়াত সমূহীয়া অংশগ্ৰহণ নিশ্চিত কৰিব।

**সামৰণি ঃ**

ঠাইৰ সীমাৱদ্ধতাৰ বাবে এই লেখাত ৰাজীৱ আৱাস যোজনাৰ ভালেকেইটা প্ৰধান দিশৰ কেৱল তিনিটা দিশহে (য'ত আঁচনিখনে সংস্কাৰ সাধন কৰাটো প্ৰয়োজন) সামৰি ল'ব পৰা গ'ল। আৱাস-ব্যৱস্থা নীতিৰ ক্ষেত্ৰত নীতি নিৰ্দ্ধাৰণত সমূহীয়া হস্তক্ষেপৰ অভাৱে এনেধৰণৰ আঁচনি এশ শতাংশ কাৰ্যকৰী হোৱাত বাধা প্ৰধান কৰি আহিছে। একেযাৰে ক'বলৈ হ'লে ৰাজীৱ আৱাস যোজনাক সফল বুলিব নোৱাৰি যদিও আঁচনিখনৰ ৰূপায়ণৰ ক্ষেত্ৰত হোৱা অভিজ্ঞতা নতুন নীতি নিৰ্দ্ধাৰণ কৰাৰ ক্ষেত্ৰত আলোচনাৰ ভিত্তি হোৱা উচিত। এনে কৰিলেহে আগবাঢ়ি যোৱাৰ বাট প্ৰশস্ত হ'ব। ❒

**পয়োভৰাৰ পৰৱৰ্তী সংখ্যাৰ**

## বিষয় সম্ভাৰ

অক্টোবৰ ২০১৪ — **অনানুষ্ঠানিক খণ্ড**

নৱেম্বৰ' ২০১৪ — **প্ৰযুক্তি বিজ্ঞান, অভিযোজন আৰু জ্ঞান অৰ্থনীতি**

উপৰোক্ত বিষয়সমূহৰ বাবে অভিজ্ঞ ব্যক্তিৰ পৰা প্ৰবন্ধ-পাতি বিচৰা হ'ল। বিষয়সমূহ উত্তৰ-পূৰ্বাঞ্চলৰ তথ্যপাতিৰে সমৃদ্ধ হ'ব লাগিব। উপযুক্ত বিবেচিত হ'লে যথা সংখ্যাত প্ৰকাশ কৰা হ'ব। লগতে বিভিন্ন পুথি, আলোচনী বিক্ৰেতা সকলকো তেওঁলোকৰ প্ৰয়োজনীয় কপিৰ বাবে আমাৰ কাৰ্যালয়ৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ কৰা হ'ল।

সম্পাদক, **পয়োভৰা**
কে.কে.বি. পথ, নিউ কলনি, গৃহ নং-৭
চেনিকুঠি, গুৱাহাটী-৭৮১০০৩
ফোন নং-২৬৬৫০৯০, ই-মেইল ঃ yojanaasomia@yahoo.co.in

# ভাৰতৰ মহানগৰৰ বাবে উপযুক্ত বিনিয়োগ

**আনন্দ সহস্ৰনামন***
**বিষ্ণু প্ৰসাদ***

পৌৰ নিগমসমূহৰ বিত্তীয় দিশটোৰ বৈশিষ্ট্য হ'ল স্থানীয় প্ৰশাসনে প্ৰদান কৰা পুঁজি আৰু কামৰ মাজৰ বৈপৰীত্য। দেশৰ মহানগৰসমূহৰ নিজা ব্যয় বহন কৰিবলৈ যথেষ্ট পৰিমাণৰ ৰাজহ সংগ্ৰহৰ উপায় নাথাকে। ৭৪ সংখ্যক সংবিধান সংশোধনী আইনে স্থানীয় প্ৰশাসনসমূহক বহু কাৰ্যকৰী স্বায়ত্বতা হস্তান্তৰ কৰিছে যদিও সমানুপাতিক বিত্তীয় স্বায়ত্বতা পৰিলক্ষিত হোৱা নাই। ৭৪ সংখ্যক সংবিধান সংশোধন আইনৰ অধীনত পৌৰ নিগমে হাতত লোৱা ১৮টা কামৰ ভিতৰত আধাতকৈ কম সংখ্যকৰ বিপৰীতেহে বিত্তীয় অনুদান দিয়া হৈছে। তদুপৰি অধিক সংখ্যক স্থানীয় প্ৰশাসনে ৰাজ্য চৰকাৰৰ সম্পূৰ্ণ অনুমোদন অবিহনে কৰৰ হাৰ স্থিৰ অথবা ধন সংগ্ৰহৰ ভিত্তি সলনি কৰিব নোৱাৰে। স্থানীয় প্ৰশাসনৰ ওপৰত সংশ্লিষ্ট ৰাজ্যত ক্ষমতাধিষ্ঠিত চৰকাৰখনে বিত্তীয় স্বায়ত্বতা বৰ বেছিকৈ কৰ্তন কৰা পৰিলক্ষিত হয়। আনকি আন কোনো বিকল্প ৰাজহ সংগ্ৰহৰ উৎস অবিহনেই স্থানীয় প্ৰশাসনৰ ৰাজহৰ উৎস বন্ধ কৰি দিয়ে। উদাহৰণস্বৰূপে হাৰিয়ানা আৰু ৰাজস্থান চৰকাৰে স্থানীয় নগৰ প্ৰশাসনৰ সৈতে কোনো ধৰণৰ আলোচনা অবিহনে সম্পত্তি কৰ সংগ্ৰহ বন্ধ কৰি দিছিল। একেদৰে পাঞ্জাৱ চৰকাৰেও কোনো ধৰণৰ আলোচনা নকৰাকৈ সম্পত্তি কৰৰ সূচনা কৰ ইমান বেছি উঠাই দিলে যে প্ৰায় দুই-তৃতীয়াংশ সম্পত্তি কৰমুক্ত হৈ পৰে। অৱশ্যে পৌৰ নিগমৰ সকলো বিত্তীয় সমস্যাৰ উদ্ভৱ ৰাজ্য চৰকাৰৰ বাবেই যে হৈছে সেইটোও সত্য নহয়। স্থানীয় প্ৰশাসনে নিজৰ ওপৰত ন্যস্ত হোৱা কৰ আৰু মাচুল সংগ্ৰহৰ ক্ষমতা পৰ্যাপ্তভাৱে সদ্ব্যৱহাৰ কৰাত ব্যৰ্থ হৈছে, বিশেষকৈ কৰ সংগ্ৰহৰ চেষ্টা যথেষ্ট নোহোৱা বাবেই সমস্যাৰ সৃষ্টি হোৱা দেখা যায়। উদাহৰণ স্বৰূপে ত্ৰয়োদশ বিত্ত আয়োগৰ প্ৰাক্কলন অনুসৰি ভাৰতত সম্পত্তি কৰ সংগ্ৰহৰ দক্ষতা ৩৭ শতাংশলৈ হ্ৰাস পাইছে যিটো অতি হতাশাজনক। স্থানীয় প্ৰশাসনে এনেদৰে কৰ সংগ্ৰহত ব্যৰ্থতা প্ৰদৰ্শন কৰা বাবেই নাগৰিকসকলৰ ন্যূনতম মৌলিক ৰাজহুৱা সেৱা প্ৰদান কৰাত বিফল হৈছে। উদাহৰণ স্বৰূপে হায়দৰাবাদৰ জনসংখ্যাৰ ৪০ শতাংশ নাগৰিকে পোনপটীয়া পানী যোগান সংযোগ লাভ কৰা নাই আৰু বেঙ্গালুৰুৰ ৫০ শতাংশ ঘৰৰ সৈতে নৰ্দমা সংযোগ হোৱা নাই। ভাৰতত নগৰীয়া নীতিৰ গুৰুত্ব মেট্ৰ'পলিটান মহানগৰসমূহৰ বাবেহে বেছি; সেই বাবে সৰু আৰু মজলীয়া চহৰসমূহৰ ৰাজহুৱা আন্তঃগাঁথনি আৰু সেৱা প্ৰদানৰ অৱস্থা মেট্ৰ'পলিটান মহানগৰতকৈ বেছি উদ্বেগজনক। যেনে— কৰ্ণাটকৰ সৰু চহৰ শ্ৰীৰংগপট্নাত ৩৯ শতাংশ নাগৰিকেই আবৰ্জনা সংগ্ৰহৰ সেৱা লাভ কৰা নাই আৰু নিৰ্মাণ কৰিবলগীয়া বাট-পথসমূহৰ হাৰ ৫১ শতাংশৰ ওচৰা-উচৰি।

গতিকে ডাঙৰ আৰু সৰু উভয় চহৰৰ সন্দৰ্ভত আমাক জোকাৰি যোৱা মূল প্ৰশ্নটো হ'ল— অহা ১৫ বছৰৰ ভিতৰত সকলো নাগৰিকৰ বাবে সেৱাৰ মান উন্নত কৰিবলৈ ৰাজহুৱা আন্তঃগাঁথনি উন্নয়নৰ হেতু মহানগৰসমূহে কিদৰে বৰ্তি থাকিবলৈ পুঁজিৰ ব্যৱস্থা কৰিব?

**মহানগৰসমূহৰ পুঁজিৰ উৎসসমূহ ঃ**

পৌৰ ৰাজহৰ দুটা উৎস, পৌৰ নিগমৰ নিজস্ব ৰাজহ আৰু হস্তান্তৰিত ৰাজহ। পৌৰ নিগমৰ নিজস্ব ৰাজহ হ'ল সম্পত্তি কৰ আৰু পানী যোগানৰ মাচুলৰ দৰে আদায় কৰা কৰ-মাচুল আদিৰ জৰিয়তে সংগ্ৰহ কৰা ৰাজহ। হস্তান্তৰিত ৰাজহ হ'ল ৰাজ্য চৰকাৰে স্থানীয় প্ৰশাসনক প্ৰদান কৰা ৰাজহ, যেনে— ৰাজ্যিক বিত্তীয় আয়োগে অনুমোদন জনোৱা পুঁজি আদি। ৰাজ্যিক স্তৰত আবাসন আঁচনি অথবা ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতি আঁচনি (এনৰেগা)ৰ দৰে ৰাজ্যিক অথবা কেন্দ্ৰীয় স্তৰত থকা কাৰ্যসূচীসমূহৰ ৰূপায়ণৰ বাবেও স্থানীয় প্ৰশাসনক পুঁজিৰ যোগান ধৰা হয়।

***আনন্দ সহস্ৰনামন আই এফ এম আৰ ফাইনেন্স ফাউণ্ডেচনৰ কাৰ্যবাহী সঞ্চালক আৰু বিষ্ণু প্ৰসাদো এখেন প্ৰতিষ্ঠানতে কৰ্মৰত**

ভাৰতৰ সাম্প্ৰতিক নগৰীয়া আন্তঃগাঁথনিৰ বাবে প্ৰয়োজনীয় দুটা বিষয় হ'ল— প্ৰথমতে অহা ১৫ বছৰৰ ভিতৰত বৰ্তমানৰ যি আন্তঃগাঁথনি আৰু সেৱা প্ৰদানৰ মান তাক উন্নত কৰাটো নিশ্চিত কৰা আৰু দ্বিতীয়তে এই কালছোৱাত বৃদ্ধি হ'ব পৰা জনসংখ্যা আৰু অৰ্থনৈতিক কাৰ্যকলাপৰ বাবে অতিৰিক্ত আন্তঃগাঁথনিগত প্ৰয়োজন পূৰণ কৰা। ভাৰতীয় নগৰীয়া আন্তঃগাঁথনি আৰু সেৱাসমূহৰ প্ৰতিবেদন (২০১১) প্ৰাক্কলন অনুসৰি ২০১২ চনৰ পৰা ২০৩১ চনৰ ভিতৰত এই ২০ বছৰীয়া কালছোৱাত নগৰীয়া আন্তঃগাঁথনিৰ বাবে ভাৰতৰ মহানগৰ-সমূহে ৪০ লাখ কোটি টকা বিনিয়োগ কৰিব লাগিব। জৱাহৰলাল নেহৰু ৰাষ্ট্ৰীয় নগৰীয়া নবীকৰণ অভিযানৰ দৰে আঁচনি আৰু বিত্তীয় অনুদান প্ৰদানে চৰকাৰৰ ঊৰ্ধ্বতন স্তৰত প্ৰচণ্ড বিত্তীয় চাপৰ সৃষ্টি কৰিব।

প্ৰয়োজনীয় বিনিয়োগ আৰু কেন্দ্ৰীয় আৰু ৰাজ্য উভয় চৰকাৰৰ বিত্তীয় অৱস্থা চালি-জাৰি চাই ক'ব পাৰি যে ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ ওপৰত এনে ধৰণৰ অত্যধিক বিত্তীয় নিৰ্ভৰ-শীলতাই স্থানীয় প্ৰশাসনসমূহক বৰ্তাই ৰাখিব নোৱাৰিব।

এই প্ৰেক্ষাপটত ভাৰতীয় মহানগৰ-সমূহে আৰোপ কৰা স্থানীয় কৰ আৰু মাচুলৰ জৰিয়তে নিজস্ব ৰাজহ বৃদ্ধি কৰাটো বৰ প্ৰয়োজনীয়। তদুপৰি ইয়াৰ পৰিপূৰকৰূপে মূলধন বজাৰৰ পৰা ঋণ ল'ব লাগিব পাৰে।

**আভ্যন্তৰীণ ৰাজহ সংগ্ৰহ ঃ**

পৌৰ নিগমৰ সন্মুখত থকা বিত্তীয় বিকল্পসমূহৰ বিষয়ে আলোচনা কৰিবলৈ হ'লে নিগমসমূহে আভ্যন্তৰীণভাৱে কিদৰে বিত্ত সংগ্ৰহ কৰে সেই কথা প্ৰথমে বুজাটো দৰকাৰ। প্ৰাৰম্ভিক স্তৰত পৌৰ নিগমৰ আভ্যন্তৰীণ ৰাজহ সংগ্ৰহ এই প্ৰশাসনৰ শাসন প্ৰণালীৰ মান, স্বচ্ছতা আৰু দায়বদ্ধতাৰ প্ৰতিফলন। পৌৰ নিগমৰ আভ্যন্তৰীণ বিত্তীয় ক্ষমতাৰ অনুধাৱন সেয়ে ইয়াৰ প্ৰশাসনৰ মান সন্দৰ্ভত একধৰণৰ ৰায়। নিগমৰ সু-প্ৰশাসনৰ অৰ্থ উন্নততৰ শুল্ক নিৰ্ধাৰণ আৰু উন্নততৰ ৰাজহ সংগ্ৰহৰ দক্ষতা যিবোৰ আভ্যন্তৰীণ ৰাজহৰ পৰিমাণৰ প্ৰতিফলন।

দ্বাদশ বিত্ত আয়োগে দেখুৱাইছে যে ২০০১-০২ চনত ভাৰতৰ পৌৰ নিগমৰ খণ্ডত মুঠ ৰাজহ মুঠ ঘৰুৱা উৎপাদনৰ মাথোঁ ০.৬৭ শতাংশ। ইয়াৰ ভিতৰত পৌৰ নিগমসমূহৰ নিজস্ব ৰাজহ মাত্ৰ ০.৩৮ শতাংশ। এই হাৰ অৰ্হতাৰ মানতকৈ কেৱল সৰুৱেই নহয়, এয়া উন্নয়নশীল ব্ৰাজিলৰ দৰে দেশতকৈ কম। এই ক্ষেত্ৰত ব্ৰাজিলৰ মুঠ ঘৰুৱা উৎপাদনৰ অংশ ৭.৪ শতাংশ আৰু মুঠ ঘৰুৱা উৎপাদনত নিজস্ব ৰাজহ ২.৬ শতাংশ। তদুপৰি মহানগৰসমূহৰ নিজস্ব ৰাজহৰ পৰিমাণ উদ্বেগজনকভাৱে হ্ৰাস হৈছে। ২০০২-২০০৩ৰ মুঠ ৰাজহ ৬৩.৫ শতাংশৰ পৰা ২০০৭-০৮ চনত ৰাজহ ৫২.৯ শতাংশলৈ কমিছে।

**সম্পত্তি কৰ ঃ**

পৌৰ নিগমসমূহৰ বাবে সম্পত্তি কৰ হ'ল ব্যক্তিগত ৰাজহৰ আটাইতকৈ গুৰুত্বপূৰ্ণ উৎস। ত্ৰয়োদশ বিত্ত আয়োগৰ প্ৰাক্কলন অনুসৰি সংগৃহীত সম্পত্তি কৰৰ মুঠ ঘৰুৱা উৎপাদনত অংশ ০.১৬ শতাংশৰ পৰা ০.২৪ শতাংশলৈ। এই অনুসৰি উত্থাপিত বিষয়সমূহ হ'ল সম্পত্তিৰ শুল্ক নিৰ্ধাৰণ হাৰ বৰ কম; মাত্ৰ ৫৬ শতাংশ, কৰ সংগ্ৰহৰ দক্ষতাও হতাশাজনক, মাথোঁ ৩৭ শতাংশ আৰু মৌলিক কথাটো হ'ল সম্পত্তি মূল্যায়ন বিধি ব্যৱহাৰ।

ভাল সম্পত্তি কৰ ব্যৱস্থা পাঁচটা স্তম্ভৰ ওপৰত নিৰ্ভৰশীল— চিহ্নিত-কৰণ, উদ্ভাৱনী ব্যৱস্থাপনা, শুল্ক নিৰ্ধাৰণ, সংগ্ৰহ আৰু বলৱৎকৰণ। ভৌগোলিক তথ্য ব্যৱস্থা (জি আই এছ)ৰ উপযুক্ত ব্যৱহাৰেৰে একোখন মহানগৰৰ সকলো সম্পত্তি চিহ্নিত কৰি শুল্ক নিৰ্ধাৰণ অনায়াসে কৰিব পাৰি। এই ব্যৱস্থাই পৌৰ নিগম প্ৰশাসনক ইতিপূৰ্বে কৰ সংগ্ৰহৰ তালিকাত নথকা সম্পত্তিৰ অৱস্থান নিৰ্ণয় কৰি শুল্ক নিৰ্ধাৰণত সহায় কৰে। ভাৰতৰ মহানগৰসমূহত জি আই এছ-ৰ প্ৰয়োগ বৰ লেহেমীয়া; কিন্তু আহমেদাবাদ, বেঙ্গালুৰু আৰু হায়দৰাবাদৰ দৰে মহানগৰত জি আই এছ প্ৰয়োগেৰে সম্পত্তি কৰ নিৰ্ধাৰণ আৰম্ভ কৰা হৈছে। দৰাচলতে ত্ৰয়োদশ বিত্ত আয়োগৰ প্ৰাক্কলন অনুসৰি, যদি সৰ্বভাৰতীয় সম্পত্তি কৰ নিৰ্ধাৰণ আৰু কৰ সংগ্ৰহৰ দক্ষতাৰ হাৰ দুয়োটাই ৮৫ শতাংশ হয়, তেনে ক্ষেত্ৰত সম্পত্তি কৰৰ জৰিয়তে আহৰণ কৰিবলগীয়া ৰাজহৰ পৰিমাণ মুঠ ঘৰুৱা উৎপাদনৰ অংশ হ'ব ০.৬৮ শতাংশ, অৰ্থাৎ বৰ্তমানৰ হাৰতকৈ তিনি-চাৰি গুণ অধিক।

শুল্ক নিৰ্ধাৰণৰ ক্ষেত্ৰত শেহতীয়াভাৱে জে এন এন ইউ আৰ এম প্ৰৱৰ্তনৰ ফলত কিছু প্ৰগতি পৰিলক্ষিত হৈছে। সেই বাবে কেইখনমান ৰাজ্যই নিজৰ ভাড়া নিয়ন্ত্ৰণ আইন সংশোধন কৰাৰ লগতে সম্পত্তি কৰৰ ক্ষেত্ৰখনৰ নতুন ৰূপৰেখা অংকন কৰিছে। এই নতুন ৰূপৰেখা অনুসৰি অৰ্ধ-বজাৰ এলেকাভিত্তিক ব্যৱস্থাৰ সহায় লোৱা হৈছে। ইয়াৰ বাবে

সম্পত্তিৰ বৈশিষ্ট্য আৰু অৱস্থান অনুসৰি শুল্ক কৰ নিৰ্ধাৰণ কৰা হৈছে। ভাৰতৰ সকলো মহানগৰ এই এলেকাভিত্তিক ব্যৱস্থাৰ প্ৰতি আৰু অৱশেষত মূলধন মূল্যভিত্তিক ব্যৱস্থাৰ প্ৰতি আকৰ্ষিত হৈছে। ভূমিৰ মূল্য বঢ়া বিষয়টোৰ প্ৰতিও এই ব্যৱস্থাত লক্ষ্য ৰখা হয়। ইয়াৰ ফলত সম্পত্তি কৰ ৰাজহ সংগ্ৰহৰ উত্তম উৎস হৈ পৰে। ত্ৰয়োদশ বিত্ত আয়োগে নিৰ্দেশ কৰা অনুসৰি অ' ই চি ডি দেশসমূহৰ সম্পত্তি কৰৰ হাৰ মুঠ ঘৰুৱা উৎপাদনৰ ২ শতাংশ। ইয়াৰ বিপৰীতে উন্নয়নশীল আৰু পৰিৱৰ্তনশীল অৰ্থনীতিৰ দেশ-সমূহৰ হাৰ ০.৬৫ শতাংশ। ভাৰতৰ সম্পত্তি কৰৰ হাৰ মুঠ ঘৰুৱা উৎপাদনৰ ০.২০ শতাংশ; এয়া বৃদ্ধি হোৱাটো অতি প্ৰয়োজনীয়। আনকি মুঠ ঘৰুৱা উৎপাদনৰ ০.৫০ শতাংশ সম্পত্তি কৰ সংগ্ৰহৰ হাৰ হ'লেও ভাৰতত এই পৰিমাণ বৰ্তমানৰ ৮,০০০ কোটিৰ পৰা ২০,০০০ কোটি টকালৈ বৃদ্ধি পাব। অ' ই চি ডি স্তৰত এই পৰিমাণ ১ লাখ কোটি টকালৈ বাঢ়িব পাৰে।

ভাৰতত সম্পত্তি কৰৰ ক্ষেত্ৰত আন এটা গুৰুত্বপূৰ্ণ বিষয় হ'ল সম্পত্তি কৰ মহানগৰসমূহৰ সলনি ৰাজ্য চৰকাৰ-সমূহেহে থিৰাং কৰে। এই বিষয়টো ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ সপক্ষে যোৱা নাই। ইয়াৰ ফলত পৌৰ নিগমৰ কৰ সংগ্ৰহৰ ক্ষেত্ৰত হেঙাৰে দেখা দিয়ে। সম্পত্তি কৰ অবিহনে মহানগৰসমূহত দায়িত্ব পালনত প্ৰতিবন্ধকতাৰ সৃষ্টি হয়, কাৰণ কৰ সংগ্ৰহৰ বাবে অন্য কোনো গুৰুত্বপূৰ্ণ পথ নাথাকে। এই সন্দৰ্ভত দক্ষিণ আফ্ৰিকাৰ দৰে উন্নয়নশীল দেশলৈ চকু ফুৰালে দেখা যায় যে দেশখনে পৌৰ নিগমত মূলধনী মূল্য ব্যৱস্থা সক্ৰিয় কৰি সম্পত্তি কৰ প্ৰতি ৫ বছৰৰ মূৰে মূৰে নতুনকৈ মূল্যায়ন কৰে। এই ধৰণৰ কেন্দ্ৰীয়ভাৱে নিয়ন্ত্ৰিত বিধেয়কে নিশ্চিত কৰে যে সম্পত্তি কৰ আৰু সংগ্ৰহ প্ৰক্ৰিয়া মহানগৰসমূহে নিয়ন্ত্ৰণ কৰে কিন্তু নিৰ্দিষ্ট সীমাৰ ভিতৰতহে আবদ্ধ থাকে, যাতে অত্যধিক কৰ আৰোপিত নহয়।

**ব্যৱহাৰ মাচুল ঃ**

পৌৰ নিগমৰ দ্বিতীয়টো মূল কৰ সংগ্ৰহৰ উপায় হ'ল পানী যোগান, পয়ঃপ্ৰণালী আৰু আৱৰ্জনা নিষ্কাষণৰ দৰে ৰাজহুৱা সেৱাৰ বাবদ আদায় কৰা মাচুল। অৱশ্যে ভাৰতত এই সেৱাসমূহৰ বাবদ আদায় কৰা মাচুল সংগ্ৰহৰ হাৰ বৰ কম। সেই বাবে মহানগৰসমূহত থকা মৌলিক ন্যূনতম সেৱাৰ মান নিম্নখাপৰ হোৱা পৰিলক্ষিত হয়।

ৰাজহুৱা সেৱাৰ ন্যূনতম মান বজাই ৰাখিবলৈ পৰিচালনা আৰু তত্বাৱধান ব্যয় সামৰিব পৰাকৈ কৰ আৰোপ কৰাটো আৱশ্যকীয়। জে এন এন ইউ আৰ এম-ৰ অধীনত এই দিশত গুৰুত্ব প্ৰদান কৰা হৈছে আৰু ১০ খনতকৈ কম মহানগৰত জাবৰ নিষ্কাষণ, পানী যোগানৰ সম্পূৰ্ণ ব্যয় উদ্ধাৰ হৈছে। পাঁচখনতকৈ কম মহানগৰত গোটা আৱৰ্জনা নিষ্কাষণ সেৱাৰ খৰচ কৰ সংগ্ৰহৰ যোগেৰে সামৰিব পৰা গৈছে। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ অনুমোদন আৱশ্যকীয় হৈ পৰে আৰু সেয়ে মহানগৰসমূহে উপযুক্ত বুলি ভবা মাচুলতকৈ কম মাচুল নিৰ্ধাৰণ কৰিবলগীয়া হয়। সম্পত্তি কৰৰ ক্ষেত্ৰতো মহানগৰসমূহে নিজেই নিৰ্ধাৰণ কৰা ক্ষমতাৰ অধিকাৰী হ'লেহে সেৱাৰ মান উন্নত হ'ব।

সেৱাসমূহৰ বাবদ হোৱা ব্যয় পূৰাবলৈ সময়ে সময়ে মাচুল পুনৰ নিৰ্ধাৰণ আৱশ্যকীয় হৈ পৰে। কিন্তু মাচুল বৃদ্ধি কৰিলে সেৱাৰ মানো উন্নত কৰাৰ প্ৰয়োজনীয়তা আহি পৰে। ভাৰত তথা বিশ্বৰ বিভিন্ন দেশত দেখা যায় বিশ্বস্ত আৰু অবিৰাম সেৱাৰ বাবদ পৰিয়ালসমূহে মাচুল আদায় দিবলৈ অনিচ্ছা প্ৰকাশ নকৰে।

সম্পত্তি কৰ বা আন সেৱাৰ বিপৰীতে আদায় কৰা মাচুলৰ জৰিয়তে ৰাজহ বৃদ্ধি কৰিলেহে মহানগৰসমূহত ৰাজহুৱা সেৱাৰ মান উন্নত কৰিব পৰা যাব। ব্ৰাজিলৰ দৰে দেশৰ নিচিনাকৈ যদি আভ্যন্তৰীণ ৰাজহ সংগ্ৰহ বৃদ্ধি কৰা হয়, বৰ্তমানৰ ৰাজহতকৈ সাত গুণ অধিক ৰাজহ ৰাজকোষত জমা হ'ব।

**পুঁজি গঠনৰ বাবে বজাৰক প্ৰভাৱিত কৰাৰ সম্ভাৱনা ঃ**

মহানগৰ একোখনৰ কৰ সংগ্ৰহৰ ব্যৱস্থা কাৰ্যকৰী হ'লে মূলধনী বজাৰৰ পৰা ঋণ লোৱাৰ সম্ভাৱনাৰ দুৱাৰো মুকলি হয়। সম্পত্তি কৰ আৰু সেৱা মাচুলৰ বাবদ সংগ্ৰহ কৰা আভ্যন্তৰীণ মাচুল মহানগৰখনৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ ব্যৱস্থা; কাৰণ কাৰ্যকৰী আভ্যন্তৰীণ ৰাজহ অবিহনে পুঁজি সংগ্ৰহৰ নতুন বাহ্যিক উৎস আহৰণ কৰাটো প্ৰত্যাহ্বানস্বৰূপ হৈ পৰে। মহানগৰসমূহে সংগ্ৰহ কৰা আৰু ভৱিষ্যতে সংগ্ৰহ কৰিব পৰা ক্ষমতাৰ ওপৰতে বেংক ঋণ, বণ্ড বা অন্য মূলধনী বজাৰৰ পৰা পোৱা ঋণৰ ৰূপত বাহ্যিক উৎস নিৰ্ভৰ কৰে। গতিকে বাহ্যিক, বাণিজ্যিক পুঁজি সংগ্ৰহ ব্যৱস্থা সন্দৰ্ভত গুণা-গঁথাৰ পূৰ্বে আভ্যন্তৰীণ ৰাজহ সংগ্ৰহ কেনে ধৰণৰ সেয়া চালি-জাৰি চোৱাটো নিতান্তই প্ৰয়োজনীয়।

মূলধনী বজাৰৰ পৰা ঋণ লোৱাতকৈ কেন্দ্ৰীয় বা ৰাজ্যিক চৰকাৰে মহানগৰসমূহৰ বাবে নিম্ন হাৰৰ সুদত

পুঁজিৰ যোগান ধৰিলে অধিক সুবিধাজনক হ'ব। কিন্তু কেন্দ্ৰীয় বা ৰাজ্য চৰকাৰৰ বিত্তীয় সীমাবদ্ধতাৰ বাবে মূলধনী বজাৰৰ পৰা ঋণ লোৱাটো আৱশ্যকীয় হৈ পৰে।

**পৌৰ বণ্ড ঃ**

ভাৰতৰ বাবে পৌৰ বণ্ড নতুন কথা নহয়। ১৯৯৮ চনত আহমেদাবাদ পৌৰ নিগমে প্ৰৱৰ্তন কৰা বণ্ড (পানী যোগান আন্তঃগাঁথনিৰ পুঁজিৰ বাবে) ভাৰতত পৌৰ বণ্ড বজাৰ উন্নয়নৰ ক্ষেত্ৰত প্ৰথম পদক্ষেপ। ইয়াৰ পিচত পৌৰ বণ্ড প্ৰচলন কৰে হায়দৰাবাদ, চেন্নাই, নাগপুৰ, ইণ্ডোৰ, মাডুৰাই, লুধিয়ানা আৰু বিশাখাপট্টনমে। ২০০০ চনত কৰমুক্ত পৌৰ বণ্ডৰ আৰম্ভণিৰে ৯০০ কোটি টকাতকৈ অধিক মূল্যৰ পৌৰ বণ্ড প্ৰচলন কৰা হয়। পৌৰ বণ্ড বজাৰখনে গতি লৈছিল যদিও মূৰকত সফলকাম নহ'ল। ইয়াৰ আংশিক কাৰণ জে এন এন ইউ আৰ এম। সামগ্ৰিক অনুমোদিত বিনিয়োগ ১.১৫ লাখ কোটি (জে এন এন ইউ আৰ এম) টকাৰ ৫৩ শতাংশ কেন্দ্ৰীয় চৰকাৰৰ পৰা অনুদান ৰূপে আহে। গতিকে নিঃসন্দেহে নগৰীয়া আন্তঃগাঁথনিত প্ৰচুৰ বিনিয়োগ বৃদ্ধি হ'ল। ইয়াৰ ফলত বজাৰৰ পৰা পুঁজি আহৰণ কৰাটো কমি গ'ল।

পৌৰ বণ্ড বজাৰখনে 'পুল্‌ড বণ্ড মেকানিজম'ৰ ৰূপত মূল্যৱান উদ্ভাৱন কৰি সৰু আৰু মজলীয়া মহানগৰসমূহক সহায় কৰে। 'পুল্‌ড ফাইনেন্স'ৰ অধীনত কেইবাখনো সৰু আৰু মজলীয়া মহানগৰে একত্ৰিত হৈ ঋণৰ ক্ষেত্ৰত সুবিধা আদায় কৰিব পাৰে। তামিলনাডু আৰু কেৰালাত এই ব্যৱস্থা ফলপ্ৰসূ হৈছে।

ভাৰতৰ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ বজাৰ আন্তঃগাঁথনিৰ অভাৱ পৰিলক্ষিত হয়। সেইটো হ'ল বজাৰ সৃষ্টি কৰিব পৰা প্ৰতিষ্ঠান যিয়ে পৌৰ ঋণৰ ক্ষেত্ৰত ঋণৰ পৰিমাণ বৃদ্ধি আৰু নিশ্চয়তা প্ৰদান কৰিব পাৰে। যেনে— দক্ষিণ আফ্ৰিকাত 'ডেভেলপমেণ্ট বেংক অব ছাউথ আফ্ৰিকা'ই এই বজাৰ সৃষ্টিৰ ভূমিকা গ্ৰহণ কৰি ঋণ নিশ্চয়তা প্ৰদান কৰে। ভাৰতৰ ক্ষেত্ৰত 'হাডকো'ৱে এনে বজাৰ সৃষ্টিৰ কাম কৰিব পাৰে।

সামৰণিত ক'ব পাৰি মহানগৰ-সমূহত মৌলিক স্তৰৰ আন্তঃগাঁথনি আৰু সেৱা প্ৰদান বজাই ৰাখিবলৈ প্ৰয়োজনীয় বিনিয়োগৰ ব্যৰ্থতাই দেশৰ নগৰীকৰণ আৰু অৰ্থনৈতিক বিকাশ লাভ কৰাৰ ক্ষেত্ৰত প্ৰতিবন্ধকৰূপে থিয় দিব। ভাৰতীয় মহানগৰসমূহে সেইবাবে নিজস্ব উৎসৰ পৰা ৰাজহ সংগ্ৰহ বৃদ্ধি কৰিব লাগিব আৰু বজাৰকেন্দ্ৰিক ব্যৱস্থা দক্ষতাৰে ব্যৱহাৰ কৰি সেৱা প্ৰদানৰ ন্যূনতম স্তৰৰ মান অক্ষুণ্ণ ৰাখিব লাগিব। ❑


**'যোজনা'ৰ গ্ৰাহক অন্তৰ্ভুক্তি মূল্য**

**ভাৰতত**

এবছৰত ঃ ১০০.০০ টকা

দুবছৰত ঃ ১৮০.০০ টকা

তিনি বছৰত ঃ ২৫০.০০ টকা

**চাৰ্ক দেশসমূহৰ বাবে**

এবছৰত ঃ ৫৩০.০০ টকা

অন্যান্য দেশৰ বাবে এবছৰত ঃ ৭৩০.০০ টকা

গ্ৰন্থাগাৰ, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে ১০ শতাংশ ৰেহাই দিয়া হয় (তাৰ বাবে উপযুক্ত প্ৰমাণ পত্ৰৰ প্ৰয়োজন)। গ্ৰাহক মূল্য ব্যক্তিগতভাৱে 'যোজনা'ৰ গুৱাহাটী কাৰ্যালয়লৈ আহি, প্ৰতিনিধি পঠাই বা ডিমাণ্ড ড্ৰাফ্ট, ইণ্ডিয়ান পোষ্টেল অৰ্ডাৰ, মনি অৰ্ডাৰ যোগে জমা দিব পাৰি। পঠোৱাৰ ঠিকনা ঃ

'সম্পাদক' যোজনা, প্ৰকাশন বিভাগ

কে কে বি পথ, নিউ কলনি, গৃহ নং-৭, চেনিকুঠি, গুৱাহাটী-৭৮১০০৩

ফোন নং ঃ ২৬৬৫০৯০, ই-মেইল ঃ yojanaasomia@yahoo.co.in

# ২০১৪-১৫ বিত্তীয় বৰ্ষৰ অসমৰ বাজেট সন্দৰ্ভত এটা আলোচনা

**ড° অনিল কুমাৰ শইকীয়া***

২০১৪-১৫ বৰ্ষৰ বাবে ছমহীয়া ৰাজ্যিক বাজেটখনত এইবাৰ আৰ্থিক বিকাশ হাৰৰ লক্ষ্য নিৰ্ধাৰণ কৰা হোৱা নাই। অৱশ্যে ছমাহত ৰাজ্যখনৰ বাৰ্ষিক বিকাশ হাৰ গণনাত হয়তো অসুবিধা আছে যদিও বিগত বৰ্ষৰ বাজেটত নিৰ্ধাৰণ কৰা বিকাশ হাৰৰ লক্ষ্যবোৰ যে পূৰণ হোৱা নাই সেইটো সঁচা কথা। ২০১২-১৩ বৰ্ষৰ বাজেটত স্থিৰ কৰা আৰ্থিক বিকাশৰ হাৰ ৮.৪২ শতাংশৰ বিপৰীতে ৫.৮৭ শতাংশহে সম্ভৱ হৈছিল। সেইদৰে ২০১৩-১৪ বিত্তীয় বৰ্ষৰ বাজেটত ৮ শতাংশ বিকাশৰ হাৰ ধাৰ্য কৰিছিল যদিও ৬.৮৮ শতাংশতেই সন্তুষ্ট থাকিব লগা হ'ল। অৱশ্যে ৰাজ্যখনৰ আৰ্থিক বিকাশ হাৰ যে ক্ৰমশঃ বৃদ্ধি পাইছে সেইটো তথ্যই প্ৰমাণ কৰিছে। এই বৰ্ষৰ বাজেটত বিকাশ হাৰৰ লক্ষ্যই যেতিয়া স্থিৰ কৰা হোৱা নাই তেনে ক্ষেত্ৰত বাজেটখনত সন্নিৱিষ্ট আয়-ব্যয়ৰ আঁচনিবোৰ যে লক্ষ্যভ্ৰষ্ট হ'ব পাৰে সেই সন্দেহ নথকা নহয়। বাজেটখনত ৰাজ্যখনৰ ঋণৰ বোজা আৰু জনমূৰি ঋণৰ তথ্য উল্লেখ থকা হ'লে বাজেটখনৰ স্পষ্টতা প্ৰকাশ পালেহেঁতেন আৰু ৰাজ্যবাসীৰ সন্মুখত অৰ্থনীতিৰ ছবিখন বোধগম্য হ'লেহেঁতেন।

মূলতঃ ছমাহৰ বাবে প্ৰস্তুত কৰা (কেন্দ্ৰত চৰকাৰ সলনি হোৱাৰ বাবে) বাজেটখনত ১,৩৮৫.৭৭ কোটি টকা ঘাটি দেখুওৱা হৈছে যদিও বছৰটোৰ আৰম্ভণিতে ৯৭২.১১৪ কোটি টকা ঘাটিৰ বোজা লৈ অহাৰ কাৰণে বিত্তীয় বৰ্ষটোৰ শেষত সৰ্বমুঠ ঘাটিৰ পৰিমাণ ২,৩৫৭/৯১ কোটি টকা হ'ব বুলি বাজেটখনত উল্লেখ কৰিছে। অসমৰ নিচিনা পিছপৰা ৰাজ্য এখনে ইমান বৃহৎ ঘাটি সন্মুখত লৈ চৰকাৰে আয়োজন কৰা বাজেটৰ মহাযজ্ঞত কেনেদৰে ঘিউ ঢালি আৰ্থিক বিকাশৰ উত্তাপ বঢ়োৱাৰ উপৰি উন্নয়নমূলক আঁচনি কাৰ্যকৰী হৈ উঠিব, সেই প্ৰত্যাহ্বান গ্ৰহণ কৰিব পৰা ক্ষমতা সদ্যহতে চৰকাৰখনৰ নাই বুলি ভাবিব পাৰি। এফালে ৰাজহ আহৰণৰ সীমাবদ্ধতা, আনফালে ঋণ আৰু ৰাজসাহায্যৰ বোজা বহন কৰি বাজেটখনত ধাৰ্য কৰা ৫৮ হাজাৰ কোটি টকাতকৈ অধিক ব্যয়ৰ বাজেটৰ আঁচনিবোৰ, প্ৰতিশ্ৰুতিবোৰ নিৰ্ধাৰিত সময়ৰ ভিতৰত ফলপ্ৰসূ কৰি তুলিবলৈ চৰকাৰখনে স্বকীয় দক্ষতা, সততা আৰু আন্তৰিকতাৰ উপৰি দুৰ্নীতিমুক্ত মানসিকতা নিশ্চিতভাৱে আহৰণ কৰিব লাগিব।

কৰ হ্ৰাসৰ বাবদ বছৰেকত চৰকাৰৰ ৪০ কোটি টকা লোকচান হোৱাৰ বিপৰীতে বৰ্ধিত কৰ আৰোপৰ ব্যৱস্থাবোৰেৰে সেই লোকচান পূৰণ কৰি অধিক ৰাজহ আহৰণৰ ক্ষমতা যে চৰকাৰৰ আছে সেয়া বাজেটখনত প্ৰতিফলিত হোৱা নাই। বিশেষতঃ বাজেটখনে কৰ আৰোপৰ নতুন ক্ষেত্ৰ উদ্ভাৱন কৰিব নোৱাৰিলে। কৃষকৰ ভূমিৰ খাজনা পোনছাটেই বিঘাই প্ৰতি ৩০ টকালৈ বৃদ্ধি কৰাটো ন্যায়সংগত আৰু গ্ৰহণযোগ্য পদক্ষেপ নহ'ল। পৰ্যায়ক্ৰমে ভূমিৰ খাজনা বৃদ্ধি কৰা হ'লে কৃষকৰ ক্ষতিবোৰ কিছু পৰিমাণে লাঘৱ হ'লহেঁতেন বুলি ভাবিব পাৰি। কৃষিভূমি যিকোনো কাৰণতেই অন্য ক্ষেত্ৰলৈ হস্তান্তৰ কৰিব নোৱাৰা প্ৰতিশ্ৰুতি চৰকাৰে গ্ৰহণ কৰা উচিত। এতিয়াও যিবিলাক ঔদ্যোগিক বা অন্য প্ৰতিষ্ঠানে কৃষিভূমি অধিগ্ৰহণ কৰি আছে সেইবিলাকত অধিক হাৰত খাজনা আৰোপ কৰিব পৰা যায়। উদাহৰণ-স্বৰূপে এই প্ৰসংগ উত্থাপন কৰিব পৰা যায়, যে ৰাজ্যখনৰ বৃহৎ চাহ গোষ্ঠীটোৱে কেইবা লাখ হেক্টৰ ভূমি এতিয়াও খাজনাবিহীনভাৱে ব্যৱহাৰ নকৰাকৈ ৰাখিছে। কিছুসংখ্যকে আকৌ চৰকাৰৰ পৰা লিজত লোৱাৰ নামত আঁভুৱাভাৰি সমান্য খাজনা দিয়েই সাৰি আছে। তেনে ভূমিত অতিৰিক্ত খাজনা আৰোপৰ উপৰি চৰকাৰে পাৰ্যমানে তেনে ভূমি নিজৰ হাতলৈ আনি ভূমিহীন কৃষকক প্ৰদান কৰিব লাগে। অসমত উদ্‌ঘাটন হৈ থকা সম্পদৰ ক্ষেত্ৰবোৰক চৰকাৰে কৰৰ আওতালৈ আনিবলৈ পাৰে। তাৎপৰ্যপূৰ্ণ দিশটো হৈছে, যে এইবাৰ বাজেটখনে তেলৰ বাবদ কেন্দ্ৰক দাবী কৰা অনুযায়ী ৰইল্‌টি আহৰণ অথবা ৰইল্‌টিৰ বাবদ আহৰণ কৰা ৰাজহৰ কথা উল্লেখ নকৰিলে। আনহাতে শ্ৰীৰামপুৰৰ নিচিনা

*ড° অনিল কুমাৰ শইকীয়া কাকজান মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ জ্যেষ্ঠ সহকাৰী অধ্যাপক

চে’কগে’টসমূহ চৰকাৰী ৰাজহৰ অন্যতম প্ৰধান উৎস হিচাপে বিবেচিত হোৱাৰ বিপৰীতে এচাম লোকৰ বাবে সি সোণৰ কণী পৰা হাঁহলৈহে ৰূপান্তৰিত হৈছে।

বাজেটখনে অৰ্থনীতিৰ প্ৰায়বোৰ প্ৰধান সমস্যাকে স্পৰ্শ কৰি সিবোৰৰ সমাধানকল্পে ব্যয় আৰু আঁচনি আগবঢ়াইছে। পিছে অতি সম্প্ৰতি ৰাজ্যখনৰ জনসাধাৰণে প্ৰতিনিয়ত পীড়িত হৈ থকা মূল্যবৃদ্ধিৰ তীব্ৰতা প্ৰতিৰোধ কৰিবলৈ বিশেষ তৎপৰতা কিম্বা সাহসী পদক্ষেপ গ্ৰহণৰ উমান বাজেটখনত পোৱা নগ’ল। খাদ্য-সামগ্ৰীৰ ক’লা বজাৰ নিয়ন্ত্ৰণ, ৰাজ্যখনৰ যোগান আৰু ৰাজহুৱা বিতৰণ ব্যৱস্থাত থকা অজস্ৰ আসোঁৱাহ আৰু দক্ষতাহীন পৰিচালনা, ছিণ্ডিকেটসমূহৰ ওপৰত নিয়ন্ত্ৰণহীনতা, গুণ্ডাকৰ আৰু চে’কগে’টসমূহৰ প্ৰতি চৰকাৰৰ অহেতুক প্ৰীতি আদিৰ ক্ষেত্ৰত হ্ৰস্বকালীন আৰু প্ৰত্যক্ষ প্ৰতিৰোধক উপায় গ্ৰহণৰ প্ৰয়োজনীয়তা বাজেটখন কাৰ্যকৰী হৈ উঠাৰ স্বাৰ্থতেই উপযোগী বুলি বিবেচনা কৰা উচিত হ’ব। দীৰ্ঘকালীন প্ৰতিৰোধক উপায় হিচাপে কৃষি সামগ্ৰী উৎপাদনত চৰকাৰীভাৱে সৰ্বতোপ্ৰকাৰে উৎসাহ প্ৰদান, কৃষকে উৎপাদিত সামগ্ৰীৰ বাবদ উচিত মূল্য লাভ কৰা আৰু লোকচান হোৱাৰ পৰা তেওঁলোকক সকাহ দিয়া, সৰ্বকালীনভাৱে কৃষিত জলসিঞ্চন ৰাজ্যখনৰ ২৭.৫ শতাংশৰ বিপৰীতে সৰ্বভাৰতীয় ৭৩.৫ শতাংশ জলসিঞ্চনৰ ব্যৱস্থা অসমৰ জলসিঞ্চন বিভাগটোৱে সম্ভৱ কৰি তুলিব নোৱাৰিলেও উপযুক্ত ব্যয়, সময় আৰু আঁচনিৰ কাৰ্যকাৰিতাৰ তৎপৰতাসহ আন্তৰিক প্ৰচেষ্টা অব্যাহত ৰখাৰ প্ৰয়োজন। ৰাজ্যখনৰ জলসিঞ্চন বিভাগটোক অধিক কৰ্মক্ষম আৰু দক্ষ কৰি তোলাৰ প্ৰতি বাজেটখনত আগবঢ়োৱা প্ৰতিশ্ৰুতি চৰকাৰে পালন নকৰিলে কৃষিৰ বিকাশ অধিক অধোগামী হোৱাৰ সম্ভাৱনাই বেছি।

প্ৰকৃততে অৰ্থনীতিৰ সমস্যাবোৰ ইটোৰ সৈতে সিটোৰ সম্পৰ্ক আছে আৰু এটাৰ সমাধানৰ লগত বহুকেইটা সমস্যা সমাধানৰ পথ প্ৰশস্ত হৈ পৰে। উদাহৰণ হিচাপে বাজেটখনত ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগক গুৰুত্ব দিয়া হৈছে অথচ ৰাজ্যখনৰ এনে উদ্যোগৰ অধিকাংশই কৃষিৰ ওপৰত নিৰ্ভৰশীল। কৃষি আৰু ইয়াৰ আনুষংগিক খণ্ডৰ আধাৰত গঢ়ি উঠা ক্ষুদ্ৰ উদ্যোগবোৰে ইয়াৰ পৰাই কেঁচামাল আহৰণ কৰে। অসমৰ চেনি উদ্যোগৰ বাবে কুঁহিয়াৰক কেঁচামাল হিচাপে ব্যৱহাৰ কৰা হয় যদিও সম্প্ৰতি মাটিৰ অভাৱ, মূলধনৰ নাটনিৰ উপৰি বন্যজন্তুৰ আক্ৰমণৰ বাবে অসমৰ কৃষকে কুঁহিয়াৰ খেতি কৰিবলৈ এৰি দিছে। কুঁহিয়াৰ পেৰা গুড়ৰ উদ্যোগৰ অভাৱত বাহিৰৰ পৰা গুড় অথবা চেনিৰ চাহিদা ৰাজ্যখনে পূৰাই আছে। বহু বছৰ ধৰি চেনি আৰু গুড় উদ্যোগক চৰকাৰে অৱহেলা কৰি আহিছে। বাজেটখনে এই উদ্যেগৰ বাবে সুকীয়া ব্যয়ৰ আঁচনি গ্ৰহণ কৰা হ’লে ৰাজ্যৰ অৰ্থনীতিও লাভৱান হ’লহেঁতেন।

দুগ্ধ উৎপাদনৰ দিশটোত বাজেটখনে গুৰুত্ব আৰোপ কৰাটো সময়োচিত হৈছে। দুগ্ধ উৎপাদন প্ৰকল্প স্থাপন, নতুন ছাগলী উৎপাদন কেন্দ্ৰ স্থাপনে এফালে আত্মসংস্থাপনৰ সুবিধা বঢ়াব আৰু আনফালে চাহিদা অনুযায়ী ৰাজ্যখনৰ ভোক্তাৰ বাবে সম্পূৰ্ণকৈ নোৱাৰিলেও আগৰ তুলনাত অধিক-ভাৱে গাখীৰ উপলব্ধ হ’ব। কিন্তু ইয়াৰ বিপণন, গুণগত মান আৰু বিতৰণৰ দিশটোৰ নিশ্চিতভাৱে মনোনিৱেশ কৰিব লাগিব। গ্ৰামাঞ্চলবিলাকত দুগ্ধ উৎপাদনৰ সম্ভাৱনাবোৰ বঢ়াই তুলি ৰাজ্যখনত “শ্বেত বিপ্লৱ” আৰম্ভ কৰিব পৰা যায়।

অসমৰ নতুন ঔদ্যোগিক নীতিত অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ স্থাপনত অগ্ৰাধিকাৰৰ দিশটোক বাজেটখনে মান্যতা প্ৰদান কৰিছে। গ্ৰাম্য তথা অসমীয়া সংস্কৃতিৰ লগত সম্পৃক্ত হৈ থকা কুটীৰ আৰু ক্ষুদ্ৰ শিল্পবোৰো যে মানুহৰ উপাৰ্জনৰ প্ৰধানতম উৎস হ’ব পাৰে, সেইটো প্ৰতিষ্ঠা কৰিবলৈ আধুনিক কৌশল আৰু ক্ষুদ্ৰ যন্ত্ৰপাতিৰ সহায়ত সম্ভৱ কৰি তুলিব পৰা যায়। এই ক্ষেত্ৰত সামান্য দক্ষতাৰহে প্ৰয়োজন হ’ব। নগৰৰ উপৰি নগৰৰ উপকণ্ঠসমূহত ক্ষুদ্ৰ ঔদ্যোগিক পকেট নিৰ্মাণ বাস্তৱত যদিহে কাৰ্যকৰী হৈ উঠে তেনেহ’লে অসমত সুস্থ আৰু উন্নত ঔদ্যোগিক পৰিৱেশ সৃষ্টি হ’ব বুলি আশা কৰিব পাৰি। কেন্দ্ৰীয় বাজেটত দক্ষতা উন্নয়নৰ বাবে যি বৃহৎ আঁচনি আৰু ব্যয় ধাৰ্য কৰিছে তাৰ পৰা অসম চৰকাৰে দক্ষতা বিকাশৰ বাজেটীয় কাৰ্যসূচী সফল হোৱাত সহায় কৰিব বুলি ভাবিব পাৰি। এনে প্ৰেক্ষাপটত গ্ৰামাঞ্চল তথা অসমৰ নৱ প্ৰজন্মৰ উদ্যোগী যুৱকক যিকোনো কৰ্মৰ বাবে দক্ষতা আহৰণ কৰিব পৰাকৈ পঞ্চায়ত আৰু ৱাৰ্ড পৰ্যায়ৰ পৰাই বে-চৰকাৰী আৰু স্বেচ্ছাসেৱী সংগঠনসমূহৰ পূৰ্ণ সহযোগৰ প্ৰশিক্ষণ কাৰ্য অতি সোনকালে আৰম্ভ কৰিব লাগে। বিগত সময়বোৰত এনেধৰণৰ প্ৰশিক্ষণবিলাক উল্লেখনীয়ভাৱে ফলপ্ৰসূ হৈ নুঠাৰ লগতে বাস্তৱ ক্ষেত্ৰত বিশেষ সফলতা লাভ কৰিব পৰা নাছিল। এই প্ৰশিক্ষণ কাৰ্যৰ লগত জড়িত সহযোগী সংগঠনসমূহক উৎসাহিত কৰিবলৈ প্ৰয়োজনীয় ব্যয় সাহায্য আগবঢ়োৱাটো চৰকাৰে বিবেচনা কৰা উচিত।

হস্ততাঁত আৰু বস্ত্ৰশিল্পৰ উন্নয়নৰ বাবদ চৰকাৰে ব্যয়ৰ পৰিকল্পনা কৰি আহিছে যদিও পূৰ্ণ সম্ভাৱনাৰে উদ্যোগটোক অদ্যপি লাভৱান কৰি তুলিব পৰা নাই। গ্ৰামাঞ্চলৰ মহিলা আত্মসহায়ক গোট আৰু এই দিশত জড়িত বে-চৰকাৰী সংগঠনবিলাকৰ পূৰ্ণ সহযোগিতাত হস্ততাঁতৰ বিশাল আৰু স্ব-নিয়োজনৰ ক্ষেত্ৰখন দখল কৰিব পৰা যায়। উল্লেখযোগ্য যে ক্ষুদ্ৰ আৰু মজলীয়া ধৰণৰ যন্ত্ৰৰ সহায়ত মজলীয়া বস্ত্ৰ নিৰ্মাণ উদ্যোগ গ্ৰামাঞ্চলত বিশেষভাৱে স্থাপন কৰিবৰ বাবে উৎসাহিত কৰিব পাৰে। বাজেটখনত অন্তৰ্ভুক্ত ১৬টা সূতা বেংকৰ ক্ষেত্ৰত ৰাজনীতিকৰণ হ'ব নালাগে। উন্নয়ন খণ্ডৰ সদৰসমূহত চিনেমাগৃহ নিৰ্মাণ আঁচনি বিগত সময়ত গ্ৰহণ কৰা মিলি-চিনেমাগৃহৰ নতুন সংস্কৰণহে। উদ্যোগীসকলৰ বাবে সহজ ঋণৰ কথা কোৱা হৈছে যদিও তেনে ঋণ প্ৰদানৰ সময়ত সদায়ে জটিলতাৰ সন্মুখীন হৈ অহাটো ভুক্তভোগীয়েহে অনুধাৱন কৰিব পাৰে। ঔদ্যোগিক বেংক লেণ্ড স্থাপন আদৰণীয় যদিও ইয়াৰ নীতি-নিৰ্দেশনাবোৰ স্পষ্ট আৰু সৰল হোৱা প্ৰয়োজন। চৰকাৰীভাৱে চিমেণ্ট উদ্যোগ স্থাপনত ব্যয়ৰ অসমৰ্থতা হেতু বাজেটখনত বিৰলা গোষ্ঠীৰ সৈতে বুজাপৰাৰ কথা উল্লেখ কৰা হৈছে। থলুৱা উদ্যেগীক তেনে উদ্যোগ স্থাপনৰ বাবে প্ৰয়োজনীয় মূলধনৰ যোগান, দক্ষতা প্ৰশিক্ষণ, কম সুদত ঋণৰ সুবিধা প্ৰদানৰ উপৰি ৰাজসাহায্য আগবঢ়াই উৎসাহিত কৰাটো জৰুৰী বুলি বিবেচনা কৰিব লাগে।

চাহ উদ্যোগক পুনৰুজ্জীৱিতকৰণ বুলিলে সাধাৰণতে বৃহৎ চাহগোষ্ঠীক বলৱান আৰু ধনবান কৰি অহাহে পৰিলক্ষিত হয়। অসম তথা ভাৰতবৰ্ষত এক 'সেউজ বিপ্লৱ' সম্ভৱ কৰি দেশ আৰু ৰাজ্যৰ অৰ্থনীতি চহকী কৰা ১ লাখতকৈ অধিক ক্ষুদ্ৰ চাহ বিশেষ গুৰুত্ব দিয়া হোৱা নাই। ক্ষুদ্ৰ চাহখেতিয়কৰ অন্তহীন সমস্যাৰ ভিতৰত চাহখেতি কৰি থকা ভূমিৰ ম্যাদীকৰণৰ সমস্যাটো অতি সোনকালে সমাধান কৰা উচিত। ক্ষুদ্ৰ চাহখেতিৰ বাবে সুকীয়াকৈ আঁচনি আৰু ব্যয়ৰ প্ৰয়োজনীয়তা বাজেটখনত সন্নিৱিষ্ট কৰাটো উচিত আছিল। হাজাৰ হাজাৰ কুইণ্টল কেঁচা চাহপাত কৃষকে ব্ৰহ্মপুত্ৰ নদীত, পথৰ কাষত বিক্ৰী কৰিব নোৱাৰি পেলাই দিয়াটো অতি মৰ্মন্তুদ কথা। আত্মসংস্থাপন লাভ কৰি চৰকাৰৰ নিবনুৱাৰ বোজা লাঘৱ কৰা এই সকল ক্ষুদ্ৰ চাহ খেতিয়কৰ সামগ্ৰিক উন্নয়নৰ দিশটোৱে অগ্ৰাধিকাৰ পাব লাগে।

কৃষি অৰ্থনীতি মূলতঃ গ্ৰাম্য অৰ্থনীতিৰ প্ৰাণ যিটো প্ৰাণ লৈ ৰাজ্যখনৰ অৰ্থনীতিটো জীয়াই আছে। উল্লেখযোগ্য যে কৃষকে এই পৰ্যন্ত উৎপাদিত শস্যৰ প্ৰকৃত মূল্য লাভৰ পৰা বঞ্চিত হৈ আছে। দেশ তথা ৰাজ্যখনত এখন সু-সংগঠিত কৃষি বজাৰৰ অভাৱ বাৰুকৈয়ে উপলব্ধি কৰা হৈছে। বাজেটখনে জৈৱিক সাৰক উৎসাহিত কৰাটো বিশেষকৈ ক্ষুদ্ৰ চাহখেতিৰ বাবে অতি প্ৰয়োজনীয় চিন্তা।

সামাজিক খণ্ডত ধাৰ্য কৰা বুজন অংশৰ ব্যয় শিক্ষা উন্নয়নৰ বাবে আবণ্টন দিয়া হৈছে। সেইদৰে মহিলা সবলীকৰণৰ আঁচনিবোৰো আদৰণীয় হৈছে। দৰিদ্ৰতা হ্ৰাস কৰাৰ ক্ষেত্ৰত প্ৰত্যক্ষ উপায় আগবঢ়োৱা নাই যদিও সকাহ দিয়াৰ প্ৰৱণতা বাজেটখনত ৰখা হৈছে। বেচৰকাৰী খণ্ডত শিক্ষা প্ৰতিষ্ঠান খোলাৰ অনুমতি প্ৰদানত গুৰুত্ব দিয়া হৈছে যদিও ইয়াত প্ৰত্যক্ষ হোৱা বাণিজ্যিকীকৰণ সৰ্বস্বতা আৰু নিম্নমানৰ শিক্ষাক নিয়ন্ত্ৰণ কৰাৰ দায়িত্ব কিন্তু চৰকাৰে অধিক সতৰ্কতাৰে নিৰীক্ষণ কৰা উচিত হ'ব। সেইদৰে স্বাস্থ্য খণ্ডৰ বাবে বাজেটৰ আঁচনিবোৰৰ বিপৰীতে দীৰ্ঘদিন ধৰি স্বাস্থ্য খণ্ডত প্ৰতিফলিত হৈ থকা সমস্যা আৰু জটিলতাসমূহ নিৰাময়ৰ প্ৰতিও গুৰুত্ব প্ৰদান কৰাটো উচিত আছিল।

বাজেটৰ সংখ্যাধিক আঁচনিৰ প্ৰাবল্যই ডাঙৰ কথা নহয়, আঁচনি সঠিক সময়ত, উচিত ব্যয়ৰ দ্বাৰা কাৰ্যকৰী হৈ উঠাটোহে আচল কথা। অপচয় কিম্বা দুৰ্নীতিৰ স্বাৰ্থত আঁচনিবোৰৰ সুফলবোৰ প্ৰকৃততে কুফললৈ পৰিণত হোৱাটোহে দুৰ্ভাগ্য-জনক কথা। ৰাজ্যখনত ভয়াৱহ হৈ উঠা মুদ্ৰাস্ফীতি, বৰ্ধিত ঘাটি, কৰ্মসংস্থাপনৰ প্ৰত্যক্ষ সুবিধাৰ অভাৱ, আৰ্থিক বিকাশৰ হাৰ বৃদ্ধিত অনিশ্চয়তা, ৰাজহ আহৰণৰ সীমাবদ্ধতা, বিনিয়োগৰ বাবে সুস্থ পৰিৱেশ আৰু উদ্যমৰ অভাৱ আদি প্ৰসংগ বাজেটখনে এৰাই চলিলে। অৱশ্যে ছমহীয়া কাৰ্যকালত ইমানবোৰ সমস্যা সমাধানৰ বাবে যাদুকৰী ব্যৱস্থা চৰকাৰৰ হাতত নাই যদিও হ্ৰস্বকালীন সময়ত সম্পন্ন কৰিব পৰা আঁচনিবোৰ যাতে যথাযথভাৱে কাৰ্যকৰী হৈ উঠে তাৰ প্ৰতি চৰকাৰৰ দৃঢ়তা, তৎপৰতা আৰু আন্তৰিকতা সকলোৰে আশা কৰিব। ❒

**(প্ৰবন্ধটোৰ মতামত লেখকৰ নিজা।)**

# সমাজ-সংস্কৃতি আৰু অসমীয়া জনজীৱনত মাছ

ধ্রুৱজ্যোতি শৰ্মা*

চাৰি ভাগৰ তিনি ভাগেই আবৃত হৈ থকা আমাৰ পৃথিৱীখনৰ জলভাগত প্ৰায় ২২,০০০টা প্ৰজাতিৰ মাছ পোৱা যায়। নদ-নদী, বিল-জলাশয় আদি প্ৰকৃতি প্ৰদত্ত জলৰাশিৰে বিস্তৃত আমাৰ ৰাজ্যখনো মীন সম্পদৰ প্ৰাচুৰ্যৰে ভৰপূৰ সুজলা-সুফলা বিনন্দীয়া ধৰণী। অসম তথা উত্তৰ-পূৰ্বাঞ্চলক পৃথিৱীৰ অলৰণীয় পানীৰ মৎস্য বিবিধতাৰ অন্যতম 'উষ্ণ স্থান' বুলি অভিহিত কৰা হয়। বৰ্তমানলৈ ৰাজ্যখনত ১০টা বৰ্গৰ, ৩৭টা গোত্ৰৰ, ১০৪ বিধ গণৰ মুঠ ২১৬টা মৎস্য প্ৰজাতি নথিভুক্ত হৈছে। পুষ্টিকৰ খাদ্য হিচাপেও মাছ অতি গুৰুত্বপূৰ্ণ। মাছত মানৱ শৰীৰৰ পৰিপুষ্টিৰ বাবে প্ৰয়োজনীয় সকলোখিনি খাদ্যপ্ৰাণেই অতি সুসম অৱস্থাত থাকে। প্ৰতি কিলোগ্ৰাম মাছৰ পৰা পোৱা কেল'ৰি শক্তি আন সকলো প্ৰটিনজাতীয় খাদ্যতকৈ যথেষ্ট বেছি। তদুপৰি কম পৰিমাণৰ সংযোগী কলা আৰু চৰ্বিৰ কম গলনাংকৰ বাবে ই সহজতে হজম হয়। সেয়েহে ল'ৰা, বুঢ়া, ডেকা, শিশু, গৰ্ভৱতী মহিলা, ৰোগী সকলোৰে বাবে মাছ অতি উৎকৃষ্ট খাদ্য। স্বাদ, চাহিদা, অৰ্থনৈতিক গুৰুত্ব আদিৰ দিশৰ পৰাও মাছৰ তুলনা নাই। পুষ্টিকৰ খাদ্য হিচাপে আমিষ ভোজনত মাছে গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি অহাৰ উপৰি অসমীয়া সমাজ-সংস্কৃতিতো মাছ ওতঃপ্ৰোতভাৱে জড়িত। সভা-সমিতি, মাঙ্গলিক অনুষ্ঠান, বিয়া-সবাহ-অন্নপ্ৰসন্ন, জন্মোৎসৱ, প্ৰেতকৰ্ম, অতিথি আপ্যায়ন আদি অনুষ্ঠান মাছবিহীনভাৱে ভাবিবই নোৱাৰি। অসমীয়া ৰীতি-নীতি, আচাৰ-বিশ্বাস, গীত-মাত, ধৰ্ম-সংস্কাৰ, সাধু-উপমা, ফকৰা-যোজনা, সাঁথৰ-প্ৰবচন, খেল-ধেমালি, আনন্দ-বিশ্ৰাম আদি সকলোতে মাছৰ সবল উপস্থিতি কোনেও উলাই কৰিব নোৱাৰে।

অসমৰ প্ৰায়ভাগ লোকৰেই মাছ প্ৰিয় খাদ্য। নিজে খোৱাৰ উপৰি আনক মাছ খুৱাইয়ো অসমীয়া মানুহে ভাল পায়। কিছুমান অঞ্চলত ল'ৰা সন্তান উপজিলে বা আন শুভ কামত ওচৰ-চুবুৰীয়া, ইষ্ট-কুটুম্বক মাছ বিলায়। বিয়াৰ জোৰোণত দৰা ঘৰে কইনা ঘৰক মাছ দিয়াটো একোটা আনন্দদায়ক মুহূৰ্ত। অসমীয়া ৰান্ধনিৰ হাতৰ পৰশত বিধে বিধে প্ৰস্তুত কৰা মৎস্য ব্যঞ্জনে মৰততে অমৃতৰ ৰূপ লয়। বিশেষকৈ টেঙা দি প্ৰস্তুত কৰা মাছৰ আঞ্জাখনৰ স্বাদেই সুকীয়া। ৰৌ, বৰালি, বাহু আদি ডাঙৰ জাতৰ মাছেই হওক বা পুঠি, ডৰিকণা, বৰিয়লা আদি সৰু জাতৰ মাছেই হওক অসমীয়া ৰান্ধনীয়ে তেতেলী, মধুসোলেং, টেঙেচি, চুকা, থেকেৰা, কৰ্দৈ, বিলাহী আদিৰে ৰন্ধা মাছৰ টেঙাখনৰ সোৱাদ সঁচাকৈয়ে অতুলনীয়। আকৌ বিভিন্ন ধৰণে ভাজি, খাৰৰ সৈতে, পুৰি, পিটিকি, চৰ্‌চৰি কৰি, খৰিকাত দি, শুকতি কৰি বিভিন্ন ব্যঞ্জনৰে অসমীয়া মানুহে মাছৰ জুতি লয়। খোৱালা খোৰল খুতুৰাৰ সৈতে নতুনকৈ ওলোৱা কোমল ঔটেঙা আৰু জীয়া গৰৈ মাছৰ আঞ্জা, দুদিন ৰ'দোৱা উখোৱা চাউলৰ ভাতৰ সৈতে লফা শাক আৰু আৰি মাছৰ আঞ্জা, কণী হোৱা কাৱৈৰ সৈতে কোমল নৰসিংহ পাতৰ জোল, ভেদাইলতা পাতৰ সৈতে শিঙি মাছৰ জোল, মূলাৰ সৈতে শ'ল মাছ, পোৱা গৰৈ মাছৰ সৈতে আলু পিটিকা, জলফাই আৰু গৰৈ মাছ ধনীয়া পাতৰ সৈতে পিটিকা, জালুক দি ৰন্ধা কচু থোৰৰ লগত মাছৰ মূৰৰ আঞ্জা, অমিতা ফুলৰ সৈতে শুকান মাছৰ চাটনি, সৰিয়হৰ সৈতে চিতল মাছৰ কলঠি আদি নানা ধৰণৰ জিভা পিছলোৱা ব্যঞ্জন। ডাকৰ বচনতো মাছৰ ব্যঞ্জন আৰু ৰন্ধন সম্পৰ্কে আমোদজনক উল্লেখ আছে।

পুৰৈ শাক ৰোহিত মাছ।<br>
ডাকে বোলে সেহি ব্যঞ্জন সাঁচ।।<br>
কাৱৈ মাছক কচি কাটিয়া।<br>
হালধি চচ তৈলে ভাজিয়া।<br>
ওলট-পালট কৰিয়া পিঠি।<br>
খাই পাইবা তেবেসে মিষ্টি।<br>
পকা তেতেলী বুঢ়া বৰালি।<br>
বিস্তৰ কৰিয়া দিবাহা জালি।<br>
বাঢ়ি দিবাহা টেঙা জোল।<br>
খাইবাৰ বেলা মুণ্ড নোতোল।।

মাছৰ লগতে মাছৰ পেটুও সমানেই উপাদেয়। মাছৰ পেটু ভাত দুটামান সহ জালুক, জলকীয়াৰে তেলত ভাজি প্ৰস্তুত

*ধ্রুৱজ্যোতি শৰ্মা মীন সঞ্চালকালয়, গুৱাহাটী, অসমৰ মীন বিষয়া

কৰা প্ৰকৰণৰ সোৱাদেই অনন্য। মাছৰ পেটু পিঠাগুৰিত সানি পাতত দি খাবলৈয়ো সোৱাদ লগা। মাছৰ আঞ্জাৰ সোৱাদৰ কথা বৰ্ণাবলৈ গৈ ডাকেও কৈছে—

"মাছে গৰকা আঞ্জা খাবা।
শাহুৰে গৰকা বোৱাৰী বাবা।"

অসমীয়া গৃহিণী, বোৱাৰী আৰু মাছৰ ব্যঞ্জন প্ৰস্তুতৰ লগত জড়িত প্ৰাসঙ্গিক বিভিন্ন কথা-বতৰা ডাকৰ বচনত পোৱা যায়। যেনে—

"চেঙা-চেঙেলীৰ জমিৰৰ ৰসে।
কাহুদি দিয়া জেবে পৰিছে।।"

ইলিছ, চিতল, শ'ল আদিৰ ৰন্ধন প্ৰকৰণ সম্পৰ্কে ডাকে কৈছে—

"ইলিছ মাছক বাচি কুটিয়া।
ত্ৰিকুট দিয়া তৈলে ভাজিয়া।।
কচ বচ চিতলৰ আদখান।
নেমু লোণ দি বুজি পৰিমাণ।।
কচে বসে বেসুৱাৰি শৌলে মূলে সঙ্গে
ডৰিকে বেঙ্গনে আড়িমাছত পালঙ্গ।।

খাদ্যৰ উপৰিও মাছ ধৰাক কেন্দ্ৰ কৰি জড়িত হৈ আছে বিভিন্ন কৰ্ম-ঘটনা, চিন্তা-চৰ্চা, সুখ-আনন্দ, আবেগ-অনুভূতি ইত্যাদি। বিয়া-বাৰুৰ ক্ষেত্ৰতো ল'ৰা-ছোৱালীৰ উপযুক্ততা বিচাৰ কৰা হৈছিল মাছমৰীয়া ৰূপটোত। ডাকেও কয়—

"আহু চাবা গধূলি
শালি চাবা পুৱা।
জাকৈ বাওঁতে ছোৱালী চাবা
কোন কেনেকুৱা।।"

অৰ্থাৎ জাকৈ মাৰোতেই ছোৱালী-জনীৰ উন্মুক্ত আৰু কাজি ৰূপটো ওলাই পৰে। মাছক লৈ বিভিন্ন উপমা, ফকৰা-যোজনা, সাঁথৰ, প্ৰবচন আছে। যেনে অতি চতুৰ বুজাবলৈ 'সাত ঘাটৰ চেঙেলি', 'মাছৰ তেলেৰে মাছ ভজা', উপদেশ দিবলৈ 'অধিক মাছত বগলী কণা', 'উদৰ সাত পুৰুষ গ'ল কেঁচা মাছ খাই' ইত্যাদি। ধুনীয়া বুজাবলৈ 'পাভ মাছৰ দৰে', আজলী বুজাবলৈ 'ভেদেলী মাছৰ নিচিনা', ক'লাও নহয় বগাও নহয় বুজাবলৈ মাগুৰ বৰণীয়া, শে'তা বুজাবলৈ 'মৰা মাছৰ চকুৰ দৰে' ইত্যাদি ইত্যাদি।

মাছক লৈ ৰচিত হৈছে অনেক বিহুগীত, খুহুতীয়া গীত, বিয়া নাম, জোৰা নাম আদি। এইবোৰত মাছৰ সোৱাদ, জুতি আৰু ৰূপ লাৱণ্যৰ লগত প্ৰেমিক-প্ৰেমিকাৰ তুলনামূলক বৰ্ণনা পোৱা যায়। যেনে—

"দীঘলী বজাৰৰ পাভ মাছ আনিলো
খৰিছা দিয়ে ৰান্ধো
খাবৰে পৰত তোলৈ মনত পৰে
ভাতৰ পাতত বহি কান্দো।"

আকৌ—

"নয়া নদীৰ নয়া কুল
মাগুৰ মাছৰ বিলাহী জোল
মাধুৰী ধানেৰে ভাতে ঐ আইতা
নাখাইএনা কেনেকৈ থাকো।"

তেনেদৰে—

"জাকি মাৰি ওলালে
মোৰা মাছ এজাকি
জাকি মাৰি ওলালে তৰা,
আমাৰে নাচনী জাকি মাৰি ওলালে
সমাজৰ মাজৰে পৰা।"

বনঘোষাসমূহ যৌৱনৰ গীত। অৰ্থাৎ প্ৰেম-পিৰীতিৰো গীত। বন-ঘোষাৰ প্ৰেমৰ সুৰৰ মাজত সোমাই আছে প্ৰেমিক-প্ৰেমিকাৰ জীৱনৰ ৰাগ, অনুৰাগ আৰু পূৰ্ববাগ। প্ৰেম-ভালপোৱা, মান-অভিমান, হাঁহি-কান্দোন, বিৰহ-বিচ্ছেদ আদি সকলো। বনঘোষাসমূহত মাছক যৌৱনা গাভৰু আৰু মাছ ধৰাক প্ৰেমৰ প্ৰতীক হিচাপে গ্ৰহণ কৰা হয়—

"মাছ হোৱা হ'লে পৰিলোহেঁতেন গৈ
তোমাৰে খেৱালি জালিত।"

মানুহৰ শাৰীৰিক সৌন্দৰ্য আৰু প্ৰকৃতিৰ সৌন্দৰ্যৰ ৰিজনিতেই বিভিন্ন উপমাবোৰ সজীৱ হৈছে। মাছক দাম্পত্য সম্প্ৰীতিৰ আধাৰৰূপেও কল্পনা কৰা হয়। সেয়েহে এনেদৰে কৈছে—

"কাকডোঙাৰ বৰালি
ডেৰছোৰাৰ বৰালি
কেনেকৈ মিহলি হ'ল
আমি নেঘেৰিয়াল
তুমি যোৰহটীয়া
তেনেকৈ চিনাকি হ'ল।"

ডেকা-গাভৰুৱে ইজনে সিজনক ঠাট্টা-মস্কৰা কৰোতেও মাছৰ উপমা দিয়ে। শিপিনীক জোকাবলৈ ডেকাই জুৰে—

"আমাৰ শিপিনীয়ে
হাঁচটি যাচিছে
মোৰা মাছ ধৰিব ভাল।
ডেও দি সাৰিলে
দেও ডৰিকণা
লুটি মাৰি মাৰিলে শাল
কিনো চেলেংখন
দিলা অ' আইদেউ
জাল মাৰিবলৈ ভাল।
ভোগদৈ নৈত পাভ মাছ উজালে
দিখৌ নৈত উজালে নাৰ
মোক নিব খোজ
তয়ে হেৰ পিলিঙা
কিমান ধন ভাঙিব পাৰ।"

মাছক অসমীয়া সমাজত সৌভাগ্যৰ প্ৰতীক বুলি ধৰা হয়। সেয়েহে অসমীয়া মহিলাই গামোচা, চাদৰ, মেখেলা আদিত মাছৰ চানেকি তোলে। চিত্ৰকৰে ঘৰত মাছৰ ছবি আঁকে। বাস্তুশাস্ত্ৰ মতেও দুৱাৰমুখত বাওঁফালে একুৱাৰিয়ামত মাছ ৰখাটো মঙ্গলদায়ক। যাত্ৰাৰম্ভ কৰোঁতে মাছ দেখিলে যাত্ৰা শুভ হয় বুলি বিশ্বৰ প্ৰায়বোৰ লোকেই বিশ্বাস কৰে।

মাছ প্ৰজনন, লিঙ্গ ভ্ৰূণ আৰু মঙ্গলৰো প্ৰতীক। এনে প্ৰতিকী অৰ্থৰ বাবে লোকবিশ্বাস আৰু লোক-সংস্কৃতিৰ

লগত মাছ ওতঃপ্ৰোতভাৱে জড়িত। বিভিন্ন সংস্কাৰমূলক অনুষ্ঠান যেনে গৰ্ভধাৰণ কৃত্য, নৱজাতকৰ নামকৰণ, বিয়া, সবাহ, শ্ৰাদ্ধ, অন্নপ্ৰাসন, চূড়াকৰণ, উপনয়ন, প্ৰেতকৰ্ম আদিতো মাছে গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে। মৃতকৰ ইষ্ট-কুটুম্বই অশৌচ ভাঙি মাছেৰে সৈতে এসাজ খাই 'জ্ঞাতি লগ লয়' অৰ্থাৎ নিৰামিষ ব্ৰত নিজেও ভঙ্গ কৰে আৰু ৰাইজকো এসাজ খুৱায়। অসমীয়া মানুহে গ্ৰহৰ দোষ খণ্ডাবলৈও মাছ ব্যৱহাৰ কৰে। শনি গ্ৰহৰ দোষ খণ্ডাবলৈ প্ৰতি শনিবাৰে গৰৈ মাছ পুৰি খোৱাৰ নিয়ম আছে। ৰাহুৰ দোষ খণ্ডাবলৈ আকৌ ৰঙিয়াল মাছেৰে ভকত-ব্ৰাহ্মণক খুৱায়। দেৱ-দেৱীৰ পূজা-পাৰ্বণতো মাছ উছৰ্গা কৰাৰ নিয়ম আছে। হাজো দেৱালয়ত উদ্‌যাপিত মৎস্যধ্বজ পূজাত মাছ বলি দিয়া হয়। কামাখ্যা মন্দিৰত জীয়া ৰৌ মাছ বলি দিয়া হয় আৰু কালীপূজাত অন্যান্য বলিৰ লগতে এহাল জীয়া মাগুৰ মাছ বলি দিয়া হয়। অসমীয়া গ্ৰাম্য জনসাধাৰণৰ কৃষি উৎসৱতো মাছৰ সবল উপস্থিতি লক্ষ্য কৰা যায়। উজনি অসমৰ কোনো কোনো ঠাইত 'লখিমী আদৰা' উৎসৱত তিৰোতা মানুহে বিল বা পুখুৰীত জাকৈ বায়। জাকৈত উঠা জাবৰ জোঁথৰ আৰু মাছ তুলি আনি বেদীত উৎসৰ্গা কৰে আৰু তাৰ পাচত ভঁৰাল নাইবা শস্যৰ পথাৰত ছটিয়াই দিয়ে। উদ্দেশ্য মাছৰ দ্ৰুত বংশ বৃদ্ধিৰ দৰে পথাৰখনো শস্যৰে নদন-বদন হওক।

অসমীয়া সমাজৰ মন্ত্ৰ, ঔষধ, গালি-শপনি আদিৰ লগতে বিভিন্ন জনবিশ্বাসতো মাছৰ গুৰুত্ব দেখা যায়। মাছৰ শুকান কাঁইট আৰু মূৰ ঘৰৰ চালত থ'লে ভূত-প্ৰেত নাহে বুলি বিশ্বাস আছে। চ'ত মাহত পুঠি মাছৰ কণী খালে ৰোগাক্ৰান্ত হোৱাৰ সম্ভাৱনা থাকে বুলি কোৱা হয়। মাছ খাই গাখীৰ খালে বাত বেমাৰ হয় বুলি কয়। কাতি মাহত চেঙেলি মাছ খালে শ্লেষ্মা হয়। শাওণ মাহত বৰালি মাছ খালে ৰোগে আমনি কৰিব পাৰে বুলি কোৱা হয়। অসমীয়া সমাজে মাছ অপদেৱতাৰো প্ৰিয় বুলি ভাবে হেতুকে বৃহৎ জলাশয়ত অপদেৱতা থাকে বুলি বিশ্বাস কৰে। বিশ্বাস মতে শেষ ৰাতিৰ সপোনত মাছ ধৰা দেখিলে বিয়াৰ আগজাননী, বগা বাকলি থকা মাছ দেখিলে ঘৰলৈ টকা-পইচা অহা, ক'লা মাছ দেখিলে অশুভ লক্ষণ ইত্যাদি। মাছক লৈ সৃষ্টি হৈছে বিভিন্ন ঠাইৰ নাম যেনে ৰৌমাৰী, চিতলমাৰী, গৰৈমাৰী আদি শত সহস্ৰ। ঔষধ হিচাপেও অতীজৰে পৰা মাছ অতি গুৰুত্বপূৰ্ণ হিচাপে পৰিলক্ষিত হয়। নিশা টোপনিত প্ৰস্ৰাৱ কৰা শিশুক পাটীমুতুৰা মাছ খাবলৈ দিয়া হয়। স্ত্ৰীৰোগত বিভিন্ন ক্ষেত্ৰত দিয়া হয় দৰিকণা মাছ। দৃষ্টিশক্তি বৃদ্ধি কৰিবলৈ মোৱাজাতীয় সৰু মাছ আৰু ৰৌ মাছৰ পেটু খুওৱা হয়। ৰৌ মাছৰ পিত্তত চাউল থৈ পিত্তটো শুকোৱাৰ পাচত সেই চাউল খালে পিত্ত আৰু কৃমি নাশ হয়। পুঠি মাছৰ মূৰ ঘিউত ভাজি খালে বীৰ্য বাঢ়ে বুলি বিশ্বাস আছে। বসন্ত ওলালে মোৱা মাছ আৰু চেঙেলি মাছৰ ভৰণ দিয়া কথাটো আই নামত উল্লেখ আছে।

"মোৱা মাছ পকনি কলডিল শুকনি
আয়ে ভোজন বুলি লয়।"

শুকনিৰ বাবে মাগুৰ মাছ কলডিলৰ লগত ভাজি খুওৱা হয়। সৰু ল'ৰা-ছোৱালীৰ ঘাঁ লাগিলে চেঙেলি পুৰি খুওৱা হয়।

তদুপৰি মাছ ধৰা আৰু মাছ মৰা অভিজ্ঞতাসমূহো অতি আনন্দদায়ক। অতীজৰে পৰা মানুহে খোৱাৰ উপৰিও মাছ ধৰি, মাছ চাই, মাছৰ লগত খেলি ভাল পায়। তাৰ আলমত বিভিন্ন সময়ত গঢ়ি উঠিছে মীন ভিত্তিক বিনোদন। বৰশী বোৱা ইয়াৰ এটা উপাদেয় অঙ্গ। পিঠিয়া বা মহাছিৰ মাছক জলক্ৰীড়াৰ অধিপতি অৰ্থাৎ King of game fish বুলি কোৱা হয়। আজি সমগ্ৰ বিশ্বতে দ্ৰুতগতিত প্ৰসাৰ ঘটা তথা বাণিজ্যিক সম্ভাৱনীয়তাৰ বিশেষ থল থকা এটা ক্ষেত্ৰ হৈছে আলংকাৰিক মীন পালন। কেৱল ৰংচঙীয়া আৰু বহুৰঙী মাছেই যে আলংকাৰিক কথাটো তেনে নহয়। কেতবোৰ নিৰ্দিষ্ট মাছৰ দৈহিক গঠন, খাদ্যাভ্যাস, খাদ্যগ্ৰহণ, চাল-চলন, অভিলক্ষণ, দুৰ্লভতা আদিও যথেষ্ট আকৰ্ষণীয়। তেনে দৃষ্টিকোণেৰে আন্তৰ্জাতিক আলংকাৰিক মৎস্য বজাৰত আমাৰ খলিহনা, পুঠি, পানীমুতুৰা, গঙ্গাটোপ, বটিয়া, তোৰা, বৰিয়লা, বামি, শিঙৰা, কান্ধুলি, মাগুৰ, শিঙি আদি উচ্চ চাহিদা সম্পন্ন আৰু জনপ্ৰিয় মাছ হৈ পৰিছে।

অনস্বীকাৰ্য যে প্ৰকৃতিৰ ওপৰত মানৱ সভ্যতাৰ অহৈতুকী কুঠাৰাঘাত, প্ৰাকৃতিক ভাৰসাম্যহীনতা, দ্ৰুত নগৰীকৰণ, যান্ত্ৰিক সভ্যতাৰ বহিঃপ্ৰকাশ, ঔদ্যোগিকৰণ, জলভূমিৰ অৱক্ষয়, প্ৰাকৃতিক দুৰ্যোগ আদি বিভিন্ন কাৰণত ভিন ভিন প্ৰজাতিৰ মাছৰ অস্তিত্বৰ প্ৰতি সংকটৰ সৃষ্টি হৈছে। এনে পৰিস্থিতিত মৎস্যকুলৰ সংৰক্ষণৰ ওপৰত যথাযথ গুৰুত্ব আৰোপ কৰি হাতে-কামে ব্যৱস্থা গ্ৰহণৰ সময় সমাগত। ❐

## আপুনি জানেনে?

# নিউ ডেভেলপমেণ্ট বেংক

ব্রিক্‌ছ ডেভেলপমেণ্ট বেংক বা নিউ ডেভেলপমেণ্ট বেংক (নৱ উন্নয়ন বেংক), চমুকৈ এন ডি বি হ'ল 'ব্রিক্‌ছ' ৰাষ্ট্ৰসমষ্টি হিচাপে অভিহিত হোৱা পাঁচখন অতি গুৰুত্বপূৰ্ণ উদীয়মান দেশৰ দ্বাৰা পৰিচালিত হ'বলগীয়া এটা বহুমুখী উন্নয়ন বেংক। 'ব্রিক্‌ছ' শীৰ্ষক ৰাষ্ট্ৰসমষ্টিৰ অন্তৰ্ভুক্ত দেশকেইখন হ'ল ব্ৰাজিল, ৰাছিয়া, ভাৰতবৰ্ষ, চীন আৰু দক্ষিণ আফ্ৰিকা। এই নতুনকৈ গঠন হোৱা বেংকটোৱে ইয়াৰ প্ৰাৰম্ভিক পৰ্যায়ত উন্নয়নশীল দেশসমূহক আন্তঃগাঁথনিমূলক প্ৰকল্প ৰূপায়ণৰ বাবে পুঁজিৰ যোগান ধৰিব। এই পৰিকল্পনাই গোলকীয় অৰ্থনীতিৰ ক্ষেত্ৰত এই গোটৰ অন্তৰ্ভুক্ত দেশকেইখনৰ গুৰুত্বক প্ৰতিফলিত কৰে। নতুন বেংকটোৰ প্ৰাৰম্ভিক পুঁজিৰ পৰিমাণ হ'ব ৫০ বিলিয়ন (৫০০০ কোটি) ডলাৰ। এই পৰিমাণ উক্ত পাঁচখন দেশৰ বাবে সাত বছৰৰ ভিতৰত প্ৰত্যেকে ১০ বিলিয়ন (এহেজাৰ কোটি) মাৰ্কিন ডলাৰকৈ নগদ ধন জমাৰে গঢ়ি তোলাৰ লগতে বাকী ৪০ বিলিয়ন (চাৰি হাজাৰ কোটি) মাৰ্কিন ডলাৰকৈ গেৰাণ্টি বা নিশ্চিতিৰ ৰূপত জমা কৰাৰ সিদ্ধান্ত লোৱা হৈছে। উল্লিখিত দেশকেইখনে আকস্মিক পৰিস্থিতিৰ বাবে জমা ৰখাৰ ব্যৱস্থাৰে উমৈহতীয়াভাৱে এটা 'কণ্টিন্‌জেন্‌চি ৰিজাৰ্ভ এৰেঞ্জমেণ্ট' (চি আৰ এ) গঠন কৰাৰ বিষয়েও ঘোষণা কৰে। এশ বিলিয়ন (দহ হাজাৰ কোটি) ডলাৰ পৰিমাণৰ পুঁজি সংগ্ৰহৰ ব্যৱস্থাৰে ২০১৩ বৰ্ষতেই অনুমোদন জনোৱা এই প্ৰক্ৰিয়াই বিত্তীয় সংকটৰ সময়বোৰত সুৰক্ষা ব্যৱস্থাৰ হকে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰাৰ লগতে ইয়াৰ এটা দীৰ্ঘকালীন লক্ষ্যও থাকিব, যাৰ জৰিয়তে হ্ৰস্বকালীন ঋণৰ ক্ষেত্ৰত সংকটৰ সন্মুখীন হোৱা অথবা 'বেলেন্স অব পেমেণ্ট' সম্পৰ্কীয় সমস্যাত ভোগা যিকোনো ব্ৰিক্‌ছ ৰাষ্ট্ৰলৈ জৰুৰী পুঁজি আগবঢ়াব পৰা যায়। চীনদেশৰ ছাংহাইত প্ৰধান কাৰ্যালয় স্থাপন হ'বলগীয়া এই বেংকে ২০১৬ বৰ্ষৰ পৰা ঋণ আগবঢ়োৱাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিব। সংশ্লিষ্ট কেউখন দেশৰ সম-অধিকাৰৰ ব্যৱস্থাক প্ৰতিফলিত কৰিব পৰাকৈ ইয়াৰ অধ্যক্ষ পদটো সলনি কৰি থকা হ'ব। ভাৰতে প্ৰথম ছবছৰৰ বাবে এই বেংকৰ কাম-কাজত অধ্যক্ষতা কৰাৰ বিপৰীতে পৰৱৰ্তী পাঁচবছৰীয়া কাৰ্যকালত ব্ৰাজিলে আৰু ইয়াৰ পিছত ৰাছিয়াই এই দায়িত্ব পালন কৰিব। সঞ্চালক মণ্ডলীৰ প্ৰতিষ্ঠাপক অধ্যক্ষগৰাকীক নিৰ্বাচিত কৰা হ'ব ব্ৰাজিলৰ পৰা। আনহাতে ব'ৰ্ড অব গৱৰ্ণৰ্ছৰ প্ৰথমগৰাকী অধ্যক্ষৰ পদ দিয়া হ'ব ৰাছিয়াক। এই ব্যৱস্থা হ'ব বিশ্ববেংক অথবা আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিৰ দৰে আন্তৰ্জাতিক বিত্তীয় সংস্থাসমূহে পালন কৰি অহা নিয়মৰ সম্পূৰ্ণ বিপৰীত। কিয়নো এনেবোৰ সংস্থাত সাধাৰণতে ক্ৰমে একোগৰাকী মাৰ্কিন আৰু ইউৰোপীয় নাগৰিকক মুৰব্বীৰ পদবীত ৰখা হয়। আনহাতে 'বেলেন্স অব পেমেণ্ট'ৰ ক্ষেত্ৰত 'ব্রিক্‌ছ' ৰাষ্ট্ৰসমূহৰ লগতে আন কোনো দৰিদ্ৰ অৰ্থনীতিৰ দেশ সমস্যাৰ সন্মুখীন হ'লে সম্পদৰ যোগানকাৰী হিচাপে 'চি আৰ এ'ই আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি বা আই এম এফ-ৰ দৰে বিত্তীয় প্ৰতিষ্ঠানৰ স্থান গ্ৰহণ কৰিব। নিউ ডেভেলপমেণ্ট বেংকে অনুন্নত দেশসমূহৰ বাবে এখন মঞ্চ হিচাপে কাম কৰাৰ লগতে 'ব্রিক্‌ছ' ৰাষ্ট্ৰসমূহৰ গণ্ডীৰ বাহিৰত থকা দেশসমূহলৈকো ইয়াৰ সদস্যপদ সম্প্ৰসাৰিত কৰিব আৰু এনেদৰেই আন্তঃৰাষ্ট্ৰীয় বিত্তীয় ব্যৱস্থাৰ সাম্প্ৰতিক প্ৰেক্ষাপটত এই বেংকে বিশ্ববেংকৰ আধিপত্যৰ প্ৰতি গভীৰ প্ৰত্যাহ্বানৰ সৃষ্টি কৰিব বুলি ঠাৱৰ কৰা হৈছে। 'ব্রিক্‌ছ'ৰ নেতৃবৃন্দই ৱাল ষ্ট্ৰীটৰ কৰ্তৃত্বৰে চলি অহা অস্বচ্ছ প্ৰক্ৰিয়াৰ দ্বাৰা উদ্ভুত বজাৰ ব্যৱস্থাৰ নিয়ন্ত্ৰণক প্ৰত্যাহ্বান জনোৱাৰ উদ্দেশ্যে এটা ব্ৰিক্‌ছ বিনিময় জোঁট বা 'ব্রিক্‌ছ এক্সচেঞ্জ এলায়েঞ্চ' গঢ়ি তোলাৰ বিষয়ে বিবেচনা কৰি আছে। একেদৰে আন্তঃমহাদেশীয় বিনিময় (আই চি ই)ৰ ভৱিষ্যৎ অৰ্থনীতিৰ বিষয়ে গুণা-গঁথা কৰি থিৰ কৰা কাৰ্যকলাপক প্ৰত্যাহ্বান জনাব পৰাকৈ এটা শক্তি জোঁট (এনাৰ্জি এলায়েঞ্চ) গঠনৰ বিষয়েও তেওঁলোকে চিন্তা-চৰ্চা কৰিবলৈ লৈছে। এনে প্ৰেক্ষাপটত 'নিউ ডেভেলপমেণ্ট বেংক' বা নৱ উন্নয়ন বেংক 'কণ্টিন্‌জেন্‌চি ৰিজাৰ্ভ এৰেঞ্জমেণ্ট' বা আকস্মিক পৰিস্থিতিৰ বাবে ধন জমা ৰখা ব্যৱস্থা, 'ব্রিক্‌ছ এক্সচেঞ্জ এলায়েঞ্চ' বা ব্ৰিক্‌ছ বিনিময় জোঁট আৰু 'ব্রিক্‌ছ এনাৰ্জি এলায়েঞ্চ' বা ব্ৰিক্‌ছ শক্তি জোঁট নামৰ এই চাৰিটা প্ৰতিষ্ঠান কাৰ্যক্ষম হৈ উঠিলে এইবোৰে এটা নতুন আন্তৰ্জাতিক অৰ্থনৈতিক প্ৰক্ৰিয়া গঢ় দিয়াৰ ক্ষেত্ৰত অতিশয় গুৰুত্বপূৰ্ণ পৰিৱৰ্তন সাধন কৰিবলৈ সক্ষম হ'ব। ❐

# অসংগঠিত শ্ৰমিকসকল

**প্ৰসেনজিৎ বুজৰবৰুৱা***

ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল দেশসমূহত অসংগঠিত খণ্ডৰ গুৰুত্ব অপৰিসীম। অসংগঠিত খণ্ড এনে দেশসমূহৰ অৰ্থনীতিৰ ৰাজহাড়স্বৰূপ। অসংগঠিত খণ্ডই চহৰ তথা গ্ৰামাঞ্চলৰ অসংগঠিত উৎপাদন আৰু বিক্ৰী প্ৰতিষ্ঠান (উদ্যোগ)সমূহৰ লগতে অসংগঠিত শ্ৰমিসকসকলকো সামৰি লয়। এই প্ৰবন্ধত সীমিত অসংগঠিত খণ্ডত নিয়োজিত শ্ৰমিকসকলৰ বিষয়ে আলোচনা কৰা হ'ব।

এজন শ্ৰমিকক অসংগঠিত শ্ৰমিক বুলি গণ্য কৰা হয়, যেতিয়া শ্ৰমিকজন নিয়োগৰ লগত জড়িত সামাজিক-অৰ্থনৈতিক নিৰাপত্তাসমূহৰ পৰা বঞ্চিত হয়। এনে আৰ্থ-সামাজিক নিৰাপত্তা-সমূহে কামৰ স্থায়িত্ব, দৰমহাৰ সৈতে ছুটী, চিকিৎসাৰ সুবিধা, বৃদ্ধ বয়সত পেঞ্চন আদিক বুজায়। এই সূত্ৰটোৰ পৰা এই কথা সহজে অনুধাৱন কৰিব পাৰি যে অসংগঠিত শ্ৰমিকসকল কেৱল অসংগঠিত প্ৰতিষ্ঠানতে নিয়োজিত হৈ নাথাকে, বিভিন্ন সংগঠিত প্ৰতিষ্ঠান আৰু চৰকাৰী বিভাগতো বহুসময়ত অসংগঠিত শ্ৰমিক নিয়োজিত হৈ থকাটো পৰিলক্ষিত হয়। ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল দেশসমূহত নিয়োগ সৃষ্টিৰ ক্ষেত্ৰত অসংগঠিত খণ্ডই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। আমাৰ প্ৰতিবেশী বাংলাদেশ আৰু শ্ৰীলংকাত ক্ৰমে ৮০% আৰু ৬১% শ্ৰমিক অসংগঠিত খণ্ডত নিয়োজিত। ২০০৯ বৰ্ষত ভাৰতবৰ্ষত সৰ্বমুঠ ৮৬% শ্ৰমিক অসংগঠিত খণ্ডত নিয়োজিত হৈ আছিল। আকৌ যদি সংগঠিত খণ্ডত নিয়োজিত অসংগঠিত শ্ৰমিকসকলক ধৰা হয়, তেতিয়া ভাৰতবৰ্ষৰ মুঠ অসংগঠিত শ্ৰমিকৰ অনুপাত ৯২%ৰো অধিক হ'ব। অসংগঠিত শ্ৰমিকসকলক তলত উল্লেখ কৰা ধৰণে বিভিন্ন ভাগত ভগাব পাৰি।

(১) **স্ব-নিয়োজিত** ঃ সেই সকল শ্ৰমিকক স্ব-নিয়োজিত বুলি অভিহিত কৰিব পাৰি, যিসকলে কেৱল নিজৰ বাবে কৰ্মসংস্থান আৰু উপাৰ্জনৰ বাট মুকলি কৰিবলৈকে কোনো ব্যৱসায়ত নিয়োজিত হয়। তাত্বিক দিশৰ পৰা এই লোকসকল উৎপাদন আৰু বিতৰণৰ সকলো স্তৰতে স্বাধীন হয়। কিন্তু বাস্তৱিকতে উৎপাদনৰ বিভিন্ন উপাদান যেনে ব্যৱসায়ৰ স্থান, মূলধন আদি সকলো বিষয়ত তেওঁলোক আনৰ ওপৰত নিৰ্ভৰশীল হয়। যিহেতু কোনো বৃহৎ ব্যৱসায়ী বা নিয়োগ প্ৰতিষ্ঠানৰ লগত তেওঁলোকৰ কোনো প্ৰত্যক্ষ সম্বন্ধ নাথাকে, সেয়ে তেওঁলোকক স্ব-নিয়োজিত বুলি গণ্য কৰা হয়। এইদৰে এই স্ব-নিয়োজিত ব্যক্তিসকলে, স্বাধীন ব্যৱসায়ীয়ে পোৱাৰ দৰে কোনো ধৰণৰ অৰ্থনৈতিক স্বাধীনতা বা সংগঠিত খণ্ডৰ শ্ৰমিকে পোৱাৰ দৰে অৰ্থনৈতিক বা সামাজিক নিৰাপত্তা লাভ নকৰে। এই স্ব-নিয়োজিত ব্যক্তিসকল ক্ষুদ্ৰ ব্যৱসায়, ক্ষুদ্ৰ উৎপাদন প্ৰতিষ্ঠান, যাতায়াত, নিৰ্মাণ খণ্ড আদিৰ লগত জড়িত। তদুপৰি এনে প্ৰতিষ্ঠানসমূহ সীমিত মূলধন আৰু নিজ পৰিয়ালৰ শ্ৰমৰ দ্বাৰা পৰিচালিত হয়।

(২) **হাজিৰা কৰা শ্ৰমিক** ঃ এই শ্ৰমিকসকলে নিজৰ শ্ৰম নিয়োগকৰ্তাৰ ওচৰত নিৰ্দিষ্ট পৰিমাণৰ দৰমহাৰ বিনিময়ত বিক্ৰী কৰে। এনে শ্ৰমিক-সকলে ব্যৱসায়ৰ কোনো পৰ্যায়তে কোনো ব্যৱসায়িক সিদ্ধান্ত গ্ৰহণত অংশ নলয়। এইদৰে নিয়োজিত অসংগঠিত শ্ৰমিকসকলৰ সংগঠিত শ্ৰমিকৰ লগত পাৰ্থক্য এয়ে যে তেওঁলোকে সংগঠিত শ্ৰমিকসকলৰ দৰে কামৰ স্থায়িত্ব আদি বিভিন্ন সুবিধা পোৱাৰ পৰা বঞ্চিত হয়। অসংগঠিত শ্ৰমিকসকলৰ বেছিভাগেই অস্থায়ী ভিত্তিত নিয়োজিত হয় আৰু অতি নিম্ন পৰিমাণৰ মজুৰি লাভ কৰে।

(৩) কিছুমান **অসংগঠিত শ্ৰমিকে** কোনো নিৰ্দিষ্ট নিয়োগকৰ্তাৰ অধীনত কাম নকৰি নিজৰ ঘৰৰ পৰা কাম কৰিবলৈ ইচ্ছা কৰে। তেওঁলোকে বহুসময়ত এজন বা একাধিক ব্যৱসায়ীৰ লগত ঠিকাভিত্তিত কাম কৰে। উদাহৰণ-স্বৰূপে, পৰম্পৰাগত হস্তশিল্পজাত সামগ্ৰী তথা বহু সময়ত বৈদ্যুতিক আৰু কাৰিকৰী সামগ্ৰী কিছুমান এনে পদ্ধতিত উৎপাদন হয়। পাচত তেওঁলোকে এইবোৰ কোনো ব্যৱসায়ীক বিক্ৰী কৰি দিয়ে। মাজে সময়ে এই ক্ৰেতা ব্যৱসায়ীসকলে তেওঁলোকক কেঁচামাল আদিও যোগান ধৰে। এই ধৰণৰ কৰ্মীসকলক বহু সময়ত শ্ৰমিক বা উদ্যোগী হিচাপে শ্ৰেণী বিভাজন কৰাটো

*প্ৰসেনজিৎ বুজৰবৰুৱা অৰুণাচল প্ৰদেশস্থিত ৰাজীৱ গান্ধী বিশ্ববিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক

কঠিন হৈ পৰে। মহিলাৰ ক্ষেত্ৰত এনেধৰণৰ শ্ৰমিক অধিক দেখা যায়। কিয়নো তেওঁলোকে বিভিন্ন সামাজিক বাধাৰ বাবে কোনো প্ৰতিষ্ঠানত প্ৰত্যক্ষ-ভাৱে নিয়োজিত হোৱাৰ সুবিধা নাপায়। বিভিন্ন অধ্যয়নৰ পৰা জানিব পৰা মতে উদাৰীকৰণৰ সময়ছোৱাত এনে ধৰণৰ শ্ৰমিক তথা উৎপাদন ব্যৱস্থা বৃদ্ধি পাইছে।

(৪) **প্ৰশিক্ষাৰ্থী শ্ৰমিক ঃ** বহু সময়ত দুখীয়া মানুহে আৰ্থিক দৈন্যৰ বাবে নিজৰ ল'ৰা-ছোৱালীক উপযুক্ত প্ৰশিক্ষণ দিব নোৱাৰে। সেয়ে তেওঁলোকে নিজৰ ল'ৰা-ছোৱালীক কোনো পাৰদৰ্শী উদ্যোগীৰ ওচৰত প্ৰশিক্ষাৰ্থী শ্ৰমিক হিচাপে নিয়োগ কৰে। এইদৰে নিয়োজিত শ্ৰমিকে আৰম্ভণিতে সহায়কাৰী হিচাপে কাম আৰম্ভ কৰি পিচলৈ এই বিষয়ত পাৰদৰ্শী হৈ উঠে। এনে শ্ৰমিকসকলক 'এপ্ৰেণ্টিচ' বা ন-শিকাৰু বুলি অভিহিত কৰা হয়। এইদৰে কাম শিকা সময়ছোৱাত শ্ৰমিকজনে সাধাৰণতে কোনো পাৰিশ্ৰমিক নাপায় বা কেতিয়াবা অতি নিম্নমানৰ পাৰিশ্ৰমিক পায়। কেতিয়াবা আকৌ কাম শিকাৰ বিনিময়ত তেওঁলোকে গৰাকীক পইচা দিব লগাহে হয়। অৱশ্যে তেনে শ্ৰমিকৰ থকা-খোৱাৰ দায়িত্ব সাধাৰণতে গৰাকীয়ে বহন কৰে। এই কথা উল্লেখ কৰিব লাগিব যে এই ব্যৱস্থাত শ্ৰমিক এজনে বিভিন্ন ধৰণৰ পাৰদৰ্শিতা আহৰণ কৰিব পাৰে।

(৫) **অবৈতনিক পৰিয়ালৰ শ্ৰমিক ঃ** অসংগঠিত খণ্ডত সতকাই পোৱা তথা গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা আন এবিধ শ্ৰমিক হ'ল ব্যৱসায়ীৰ পৰিয়ালৰ শ্ৰমিক। এই ধৰণৰ শ্ৰমিকসকলে কোনো মজুৰি লাভ নকৰে। আকৌ এই শ্ৰেণীৰ বেছিভাগ শ্ৰমিকেই মহিলা। এই শ্ৰেণীৰ শ্ৰমিকৰ বিষয়ে তেনেই কম পৰিমাণৰ তথ্যহে উপলব্ধ হয়।

তদুপৰি বহুতো অসংগঠিত খণ্ডৰ শ্ৰমিকৰ কাম কৰাৰ বাবে নিৰ্দিষ্ট ঠাই নাথাকে। তেওঁলোকৰ বহুতে ৰাস্তাৰ দাঁতিত কামৰ বাবে ঠাই নিৰ্বাচন কৰি লয়। তদুপৰি আন এক শ্ৰেণীৰ শ্ৰমিকে বছৰৰ এটা নিৰ্দিষ্ট সময়তহে কামত নিয়োজিত হৈ থাকে। উদাহৰণস্বৰূপে, গাঁৱত কৃষিকাৰ্য শেষ হোৱাৰ পাচত বহুতো কৃষকে চহৰলৈ গৈ ৰিক্সা চালকৰ কাম কৰে।

অসংগঠিত খণ্ডৰ আন এটা বৈশিষ্ট্য হৈছে, সংগঠিত খণ্ডৰ তুলনাত এই খণ্ডই বহু বেছি শিশু শ্ৰমিক নিয়োগ কৰে। অৱশ্যে শিশু শ্ৰমিকৰ নিয়োগ বৰ্তমান কমি আহিছে।

যদিও অসংগঠিত শ্ৰমিকসকলে ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল দেশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে, তেওঁলোক সময়ে সময়ে বিভিন্ন সমস্যাৰ সন্মুখীন হৈ আহিছে। উদাহৰণস্বৰূপে, এই শ্ৰমিক-সকলে অতি কম পৰিমাণৰ মজুৰিৰ বিনিময়ত কাম কৰিব লগা হয়। প্ৰশিক্ষণপ্ৰাপ্ত নোহোৱা বাবে তেওঁলোকৰ মজুৰিৰ পৰিমাণ কম তথা কামৰ নিশ্চয়তা নাথাকে। তদুপৰি তেওঁলোকে বহু সময়ত অত্যন্ত অস্বাস্থ্যকৰ পৰিৱেশত কাম কৰিব লগা হয়। ফলস্বৰূপে, তেওঁলোক বিভিন্ন সময়ত বিভিন্ন ৰোগৰ চিকাৰ হয়। তদুপৰি ধনৰ অভাৱত তেওঁলোক উপযুক্ত চিকিৎসাৰ পৰা বঞ্চিত হয়। বিভিন্ন বীমা আঁচনি, বিশেষকৈ স্বাস্থ্য বীমা আঁচনিয়ে তেওঁলোকক এনে সমস্যাৰ পৰা সকাহ দিব পাৰিব। কিন্তু বজাৰত উপলব্ধ বীমা আঁচনিসমূহৰ কিস্তিৰ হাৰ অধিক হোৱাৰ বাবে অসংগঠিত খণ্ডৰ শ্ৰমিকসকল এনে আঁচনিৰ অন্তৰ্ভুক্ত হ'ব নোৱাৰে। চৰকাৰৰ পৃষ্ঠপোষকতাত ৰাজসাহায্য-যুক্ত সাধাৰণ জীৱন বীমা আৰু স্বাস্থ্য আঁচনিয়ে এই শ্ৰমিকসকলক নিশ্চয় সহায় কৰিব পাৰিব। তদুপৰি বিভিন্ন প্ৰশিক্ষণ কাৰ্যসূচীয়ে এই শ্ৰমিকসকলক নিশ্চয় সহায় কৰিব। ❐

*পয়োভৰা ৰাইজৰ আলোচনী—*

*নিজে পঢ়ক, আনকো পঢ়ুৱাওক—*

*দেশ গঢ়াত নিজৰ মতামত আগবঢ়াওক—*